# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Pareekhit Hajorika | |
| Title: অসমৰ সাহিত্য সভা পত্ৰিকা. | |
| Transliterated Title: Asama Sahaitya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha. | |
| Place of Publication: Jorhat. | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1979 | Edition: |
| Size: 23 1/2 cms. 8+90+8+3+7+96+4+8+129+11+78 pages | Genre: Magazine |
| Volumes: 36 - 4 issues | Condition of the original: Good. |
| Remarks: [illegible]. 1s. vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্ৰিংশ বছৰ ঊনৈছ শ ঊনাশী তৃতীয় সংখ্যা।

১৪৮৭-৮৪/সা

# অসম সাহিত্য সভা পত্ৰিকা ৩

সম্পাদক ঃ
ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা
ষট্‌ত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ, ১৯৭৯

সম্পাদক
ড° পৰীক্ষিত হাজৰিকা
ৰেড ক্ৰছ ৰোড,
ডিব্ৰুগড়

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

মূল্য
তিনি টকা

ছপাশাল
ভাৰতী প্ৰেছ
যোৰহাট-১

অসম সাহিত্য সভা পত্ৰিকা
ষট্‌ত্ৰিংশ বছৰ : তৃতীয় সংখ্যা

এই সংখ্যাত আছে

সম্পাদকীয় ॥ ক ॥ বড়ো-কছাৰী সমাজৰ খেল : ইয়াৰ উৎপত্তি আৰু বিভাগ ॥ শ্ৰীমোহিনীমোহন ব্ৰহ্ম ॥ ১ ॥ কাৰবি কৃষ্টিৰ ত্ৰিখিলা পাত : জাখিলা আধন ॥ শ্ৰীধৰং তেৰাং ॥ ১২ ॥ মিচিং ভাষাত অংগ-প্ৰত্যংগবাচক শব্দ ॥ শ্ৰীনাহেন্দ্ৰ পাদুন ॥ ১৬ ॥ বস্ত্ৰ শিল্প : বড়ো জনগোষ্ঠীৰ ভূমিকা ॥ শ্ৰীচিত্তৰঞ্জন চৌধুৰী ॥ ২৩ ॥ তিৱাসকলৰ বৰঘৰ ॥ শ্ৰীসোমেশ্বৰ গগৈ ॥ ৩২ ॥ বড়ো নিচুকনি গীত ॥ শ্ৰীমনোৰঞ্জন লাহাৰী ॥ ৩৭ ॥ প্ৰজাতীয় বিভেদকৰণত চমৰীৰ ভূমিকা আৰু মানৱ জীৱনত ইয়াৰ প্ৰভাৱ ॥ ড° দীপাঞ্জনা দত্ত ॥ ৪২ ॥ অসমীয়া নাটকত জনজাতীয় জীৱন ॥ শ্ৰীযোগেন চেতিয়া ॥ ৪৬ ॥ চমৰীয়া সত্ৰৰ কথা ॥ শ্ৰীনাৰায়ণ দাস ॥ ৫৩ ॥ কাৰক বিচাৰৰ নতুন চিন্তাধাৰা ॥ ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা ॥ ৬০ ॥ আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলীৰ লেছেৰি : কবিতা ॥ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ॥ ৬৯ ॥ হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জোঁটনি ॥ শ্ৰীনগেন শইকীয়া ॥ ৭৬ ॥ পুথি পৰিচয় ॥ ৮৯ ॥ পঢ়ুৱৈৰ মতামত ॥ ৮৬ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৯১ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## *নিয়মাৱলী*

১। ‘অসম সাহিত্য সভা পত্ৰিকা’ অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণা-মূলক প্ৰবন্ধাদিয়ে যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ’ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি ‘ড° পৰীক্ষিত হাজৰিকা, বেড ক্ৰছ ৰোড, ডিব্ৰুগড়’ এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰবাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি ‘প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১, এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মণিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

**পত্ৰিকা সম্পাদনা সমিতি**

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, সভাপতি, অসম সাহিত্য সভা
২। শ্ৰীলীলা গগৈ, প্ৰধান সম্পাদক, অসম সাহিত্য সভা
৩। শ্ৰীনগেন শইকীয়া, সদস্য
৪। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য
৫। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য
৬। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য
৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক

সম্পাদকীয়

**অসমৰ মানচিত্ৰ, জনজাতি আৰু সংহতি**

বৰ্তমান অসম ৰাজ্যৰ প্ৰাচীনতম নাম আছিল প্ৰাগ্‌জ্যোতিষ মহাকাব্য ৰামায়ণ, মহাভাৰত আৰু মহাপুৰাণৰ গ্ৰন্থবোৰত ইয়াৰ উল্লেখ আছে। বিশেষকৈ আদিকাণ্ড, কিষ্কিন্ধাকাণ্ড, সভাপৰ্ব, উদ্যোগপৰ্ব, কৰ্ণপৰ্ব, অশ্বমেধপৰ্ব, মাৰ্কেণ্ডয় পুৰাণ, বিষ্ণু পুৰাণ, কালিকা পুৰাণ আদিত প্ৰাগ্‌জ্যোতিষৰ বিষয়ে জনা যায়। তেতিয়া ইয়াৰ পশ্চিম সীমা আছিল কুশী নদী।[১] পাৰ্জিটাৰ চাহাবৰ মতে মহাকাব্যৰ যুগত প্ৰাগ্‌জ্যোতিষ ৰাজ্যই কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ, বোগ্ৰা, মৈমনসিংহ, ঢাকা, শ্ৰীহট্ট, ত্ৰিপুৰা, পাবনা জিলাৰ কিছু অংশ আৰু সম্ভৱ নেপালৰ এটা অংশ ধৰি কুৰি শতিকাৰ অষ্টম দশকৰ অবিভক্ত অসমক সামৰি লৈছিল।[২] এন. কে. ভট্টশালীয়ে কয় যে এই ৰাজ্যখন খ্ৰীষ্টীয় প্ৰথম শতিকাত মেঘনা নদীৰ মোহনালৈ বিস্তৃত হৈছিল, সম্ভৱতঃ ই নোৱাখালি আৰু চিটাগং পৰ্যন্ত চুইছিলগৈ।[*]

মধ্যযুগত প্ৰাগ্‌জ্যোতিষ ৰাজ্য কামৰূপ বুলি পৰিচিত হয়। কালিদাসৰ ‘ৰঘুবংশ’ত প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ একেখন ৰাজ্যৰে বেলেগ বেলেগ নাম। ৪ৰ্থ শতিকাত সমুদ্ৰগুপ্তই খোদিত কৰোৱা এলাহাবাদ স্তম্ভ লিপিত কামৰূপৰ নাম উল্লেখ আছে। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ ৰজা ভূতিবৰ্মনৰ (৫১০—৫৫০খ্ৰীঃ) দিনত ডবাক, শ্ৰীহট্ট আৰু ত্ৰিপুৰা কামৰূপ ৰাজ্যৰ ভিতৰত আছিল। সেই সময়ৰপৰা খ্ৰীষ্টীয় অষ্টম শতিকালৈকে কামৰূপেশ্বৰসকলে কৰ্ণসুৱৰ্ণ, পুণ্ড্ৰবৰ্দ্ধন আৰু নালন্দাৰ পূৰ্বাঞ্চল নিজ ৰাজ্যৰ অন্তৰ্গত কৰি

---

১. Dr. P. D. Chaudhury, The History of Civilisation of the People of Assam, ed. 1, P. 44f.; K. L. Barua, Early History of Kamarupa, 1966, P. 2.

২. F. E. Pargiter, Ancient Indian Historical Tradition, 1922, P. 292.

৩. The History of Civilisation of the People of Assam, P. 45

হৈছিল। ভাস্কৰবৰ্মাৰ নিধানপুৰ তাম্ৰশাসন-লিপি, ২য় জয়দেৱৰ পশুপতি-লিপি, হিয়েনচাঙৰ টোকা আৰু জীৱন-বৃত্তান্তই এই কথা প্ৰমাণ কৰে। ১১শ—১২শ শতিকালৈ কামৰূপ ৰাজ্যৰ দক্ষিণ-পশ্চিম-উত্তৰ সীমা ভূতিবৰ্মনৰ ৰাজ্যৰ সমান আছিল আৰু উত্তৰ-পূৱ সীমা সদিয়া অঞ্চললৈ বিয়পি আছিল।[৪]

নৱম-দশম শতিকাত ৰচিত হোৱা 'কালিকা পুৰাণ'ৰ বিবৰণৰপৰাই জনা যায় যে কামৰূপ ৰাজ্যৰ পশ্চিম সীমা কৰতোয়া নদী আৰু পূব সীমা দিক্কৰবাসিনী বুলি সকলো শাস্ত্ৰত স্বীকৃত হৈছে। এইটো এটা বহু যুগীয় সীমা। সময়ে সময়ে অৱশ্যে এই সীমা হেঁচকা-পিছলা নোহোৱাকৈ থকা নাই।[৫] মুঠতে সমস্ত ব্ৰহ্মপুত্ৰ উপত্যকা, ভোটান, কোচবিহাৰ, উত্তৰবংগ, ত্ৰিপুৰা, লুচাই-কুকি পাহাৰ, খাচি আৰু জয়ন্তীয়া জিলা, কাছাৰ, মণিপুৰ, চিটাগং আৰু বৰ্মাদেশৰ কিছু অংশ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল।[৬]

প্ৰাচীন কামৰূপৰ ভৌগোলিক সীমা চতুৰ্দশ শতিকাত ৰচনা কৰা 'যোগিনী-তন্ত্ৰ' গ্ৰন্থই স্পষ্টকৈ দাঙি ধৰিছে :

'নেপালস্য কাঞ্চনাদ্ৰিম্ ব্ৰহ্মপুত্ৰস্য সঙ্গমম্
কৰতোয়াম সমাৰভ্যং যাৱদ্দিক্কৰৱাসিনীম্
উত্তৰস্যাম্ কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাম্ গিৰিকন্যকা
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাৱধিঃ
কামৰূপ ইতি খ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ'।[৭]

৪. The History of Civilisation of the People of Assam, P. P. 46f. ; Early History of Kamarupa, P. 7

৫. পদ্মনাথ বৰুৱা, অসমৰ বুৰঞ্জী, ১৯১৩, পৃঃ ২ ; শনিৰাম বৰা, অসম বুৰঞ্জীমূলক মানচিত্ৰ, ১৯১৮, পৃঃ ৩ ; ড° বাণীকান্ত কাকতি, পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৫৫, পৃঃ ৩

৬. E. A. Gait, A Hisrory of Assam, 1963, P. 11 ; Dr. B. K. Barua, Early Geography of Assam, 1952, P. 11; অসম বুৰঞ্জীমূলক মানচিত্ৰ, পৃঃ ৩ ; Dr. Francis Buchanan, 'General View of the History of Kamarupa' (Appendix C, কামৰূপৰ বুৰঞ্জী, ১৯৩০)।

৭. কালীমোহন ভট্টাচাৰ্য, যোগিনীতন্ত্ৰম্ ( বাংলা সংস্কৰণ ), ১৩৩৩ চন, পৃঃ ১৩১-১৩২



সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্ত যোগিনীতন্ত্ৰৰ মতে চতুৰ্দশ শতিকাৰ কামৰূপ ৰাজ্যৰ সীমা হ'ল উত্তৰে নেপালৰ কাঞ্চনজংঘা, পূৱে দিক্কৰৱাসিনী, দক্ষিণে মৈমনসিংহ জিলাৰ লাক্ষা আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল আৰু পশ্চিমে কৰতোয়া নদী।

ষোড়শ শতিকাত কোচৰজা মহাৰাজ নৰনাৰায়ণৰ দিনতো কামৰূপ ৰাজ্যৰ এই সীমা বাহাল আছিল ; অৱশ্যে উজনি খণ্ডত তেতিয়া আহোম ৰজা চুহুমুংকাই ৰাজত্ব কৰিছিল ; হলেও হুয়োজনেই হুয়োফালে মধ্যযুগীয় অসমৰ অধিকাৰী আছিল। তেওঁলোকৰ তলত আন সৰু সৰু ৰজাই সুকীয়া সুকীয়া ক্ষুদ্ৰ ৰাজ্য শাসন কৰিছিল। কোনো কোনোৱে স্বাধীন-ভাৱেও ৰাজ্য চলাইছিল। মাজে-সময়ে এই ৰজাসকলৰ খকা-খুন্দা লাগিলেও পিছত পুনৰ শান্তিভাৱত মিলি পৰিছিল। মহাৰাজ নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ মৃত্যুৰ পিছত কামৰূপ ৰাজ্য খণ্ড খণ্ড হয়। দক্ষিণ আৰু পূৰ্বাঞ্চলৰ পালি ৰজাসকলেও মূৰ দাঙি উঠে। তথাপি আহোম ৰজাসকলে উজনি খণ্ডত প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিবলৈ সক্ষম হয়। এওঁলোকৰ প্ৰভাৱতেই প্ৰাচীন কামৰূপ ৰাজ্যই 'অসম' নাম পায়।

সপ্তদশ শতিকাত অসমৰ পশ্চিম সীমা মানাহ নদী নিৰ্ধাৰিত হয়। স্বৰ্গদেউ ৰুদ্ৰসিংহই পূৰ্বৰ কামৰূপ ৰাজ্যৰ পশ্চিম সীমা কৰতোয়া নদীলৈকে অসমৰ সীমা বঢ়াবলৈ পৰিকল্পনা কৰিছিল যদিও ১৭১৪ খ্ৰীঃৰ আগষ্ট মাহত স্বৰ্গী হোৱাত সেই কাম বাস্তৱত পৰিণত হৈ নুঠিল।[৮]

অষ্টাদশ শতিকাত অসমৰ ৰাজনৈতিক অৱস্থা অস্থিৰ হৈ পৰে। বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহে আহোমৰ ৰাজসিংহাসনৰ খাই খুটা ঢিলা কৰি পেলায়। উনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত মানসেনাই অসমক সকলো প্ৰকাৰে জুৰুলা কৰি থৈ যায়। ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধি অনুসৰি অসম বৃটিছৰ অধীন হয়।

বৃটিছে শাসনৰ সুবিধাৰ্থে উত্তৰে ভোট, অকা, ডফলা আদি জাতি থকা পাহাৰৰপৰা দক্ষিণে নগাপাহাৰ, মণিপুৰ আৰু লুচাই পাহাৰক সুমাই পশ্চিমে বংগদেশৰ সীমাৰপৰা পূবে মিছিমি জাতি থকা পাহাৰকে ধৰি একে শাসনৰ তলতীয়া কৰে। শ্ৰীহট্টক অসমৰ অন্তৰ্ভুক্ত কৰা হয়। বৃটিছৰ অনুগ্ৰহতেই প্ৰাচীন কামৰূপ ৰাজ্যৰ অধিকাংশ ভূখণ্ড একগোট হ'ল। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনচিতীয়া ভাৰতবাসীয়ে বিদেশীৰ

৮. ড° সূৰ্যকুমাৰ ভূঞা, 'বৰ অসম' প্ৰবন্ধ দ্ৰষ্টব্য।

হাতৰপৰা শাসনভাৰ নিজৰ হাতলৈ আনিলে।

অসম স্বাধীন হ'ল। আমাৰ স্বদেশী নেতাই ৰাজ্য শাসন কৰিবলৈ ললে। অসমৰ মানচিত্ৰৰপৰা শ্ৰীহট্ট গ'ল ; ৰংপুৰ, জলপাইগুৰি জিলা বংগদেশৰ লগত চামিল হ'ল। অৰুণাচল, নগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ো অসমৰপৰা আঁতৰি পৰিল। এতিয়া অসম ৰাজ্য হাঁহৰ সলনি হাঁহকণীৰ সমান হ'ল। ভৌগোলিক চাৰিসীমা টুটি অহাৰ লগে লগে আমাৰ প্ৰাচীন মানচিত্ৰখনো সংকুচিত হৈ আহিল। সৰ্বভাৰতীয় খ্যাতিসম্পন্ন কামৰূপাধিপতি ভাস্কৰবৰ্মা, মহাৰাজ নৰনাৰায়ণ, স্বৰ্গদেউ ৰুদ্ৰসিংহ প্ৰভৃতিৰ অমৰ আত্মাই ভয়ত পেপুৱালগা অসমীয়াৰ দুৰৱস্থা দেখি স্বৰ্গলোকৰপৰাই চকুপানী টুকৰ লাগিছে। বিদেশীৰ টাঁঘলঘিলনি দেখি মহাবীৰ লাচিত ফুকনৰ আত্মাই যেন হুমুনিয়াহ কাঢ়ি আছে।

সম্প্ৰতি 'অসম' বুলি যিখন ভৌগোলিক মানচিত্ৰ আছে সেইখন ভৱিষ্যতেও থাকিবনে? অসমীয়া জাতিটো টিকিবনে? অসমীয়া ভাষা-সংস্কৃতি ৰ'বনে? —নথকা, নিটিকা আৰু নোৰোৱাৰ বীজ বৃটিছৰ দিনতেই সিঁচা হৈ গৈছে। সেই সময়তেই পূৱবংগ আৰু পশ্চিমবংগৰ শতসহস্ৰ লোক আহি অসমৰ ৰাজনৈতিক, ধৰ্মীয়, ভাষিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত দখল লৈ লয়[৯]; তাৰ পিছতেই অসমলৈ সোঁত বয় অগণন নেপালী লোকৰ; ভাৰতৰ অন্যান্য প্ৰদেশৰপৰাও এই ঠাইলৈ সহস্ৰ জন-স্ৰোত প্ৰৱাহিত হৈ আছে।

এয়া 'প্ৰাগ্‌জ্যোতিষ', 'কামৰূপ' বা 'অসম' নামৰ ভূখণ্ডৰ আদিম অধিবাসী কোন, সেই সম্পৰ্কে এতিয়া নতুন চিন্তাধাৰাই ভুমুকি মাৰিছে। ৰাজনীতি খেলোৱাৰৰ চক্ৰান্তত পৰি আশ্ৰয়প্ৰাৰ্থীবিলাকে এতিয়া গণতন্ত্ৰৰ জয়ধ্বনি তুলি খিলঞ্জীয়াসকলক কাতি কৰি থৈ অসমৰ ৰাজদণ্ড ল'বলৈ উখল-মাখল লগাইছে। ১৯৩১ চনৰপৰা বৰ্তমানলৈকে প্ৰকাশ পোৱা চেন্সাচ ৰিপোৰ্ট আৰু ভোটাৰ তালিকাসমূহ ইয়াৰ সাক্ষী; কিন্তু যিকোনো ৰাজ্যৰ থলুৱা লোকক সকলো প্ৰকাৰে বঞ্চিত কৰি আশ্ৰয়প্ৰাৰ্থীবিলাকে শাসনযন্ত্ৰ চালনা কৰা কোনখন গণতান্ত্ৰিক সংবিধানত আছে? এতিয়া বিহংগম দৃষ্টিৰে চোৱা যাওক অসমৰ প্ৰকৃত অধিকাৰী কোনবিলাক।

জে, পি, মিল্‌চৰ মতে নেগ্ৰিটোগোষ্ঠীৰ লোকসকলেই অসমৰ প্ৰাচীনতম

৯. Dr. A. C. Bhuyan & Dr. S. P. De (ed.), Political History of Assam. Vol. II, Chap. VI. 1978



বাসিন্দা।[১০] জে,এইচ, হাটনে কিছুমান নগা জনজাতিৰ লোকৰ মাজত এই গোষ্ঠীৰ বৈশিষ্ট্য দেখা পাইছে। এওঁলোকৰ প্ৰায় সমসাময়িকভাৱে বা কিছু পিছত অসম প্ৰৱেশ কৰে অষ্ট্ৰো-এছিয়াটিক বা অষ্ট্ৰিকগোষ্ঠীৰ লোকসকলে। তত্ত্বভূষণ ৰাজমোহন নাথ, ড° বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে অষ্ট্ৰিকগোষ্ঠীৰ লোকসকলক অসমৰ আদিমতম অধিবাসী বুলি দেখুৱাইছে।[১১] বেছিভাগ নৃতাত্ত্বিকে মিল্‌চ্‌ৰ মতকে সমৰ্থন কৰিছে যদিও সম্প্ৰতি এই সূত্ৰ বিতৰ্কৰ বিষয় হৈ পৰিছে। ইয়াৰ পিছত অসমলৈ আহে আলপাইনগোষ্ঠীৰ আৰ্যসকল। এওঁলোকৰ পিছতেই আহে মংগোলীয়গোষ্ঠীৰ লোক।[১২] এইবোৰ জনগোষ্ঠীৰ অসমলৈ প্ৰব্ৰজন হয় খ্ৰীষ্টপূৰ্ব কেইবা শ শতিকাৰ আগতে। ভূমধ্যসাগৰীয়গোষ্ঠীৰ লোকো অসমত আছে; কিন্তু এওঁলোকৰ প্ৰব্ৰজন বহুত পিছলৈ হয়। সেইয়া যি কি নহওক, কোন সময়ত কোনটো গোষ্ঠীৰ লোকে অসমলৈ আগতে আহি সমাজ পাতি বাস কৰিবলৈ লয় সেইটো নিৰ্ণয় কৰা কঠিন। তদুপৰি প্ৰাক্-ঐতিহাসিক যুগত অগা-পিছাকৈ হ'লেও উল্লিখিতগোষ্ঠীসমূহৰ লোক আটাইখিনিয়েই বাহিৰৰপৰা অসমলৈ আহিছিল নে সিবিলাক অহাৰ আগতে ইয়াতো কোনো মানৱ-দল আছিল সেইটো বিচাৰ্য বিষয়। কেৱল যে আন ঠাইৰপৰা আহিহে মানৱগোষ্ঠীয়ে ইয়াত থিতাপি লৈছিল, তেওঁলোক নহালৈকে এই ভূখণ্ড পৰ্বত-পাহাৰ, হাবি-বনেৰে ভৰা আছিল তেনে ধাৰণা গভীৰ চিন্তা আৰু ব্যাপক গৱেষণাৰ পৰিচায়ক নহয়। পুৰণি নৃতাত্ত্বিকসকলৰ সিদ্ধান্ত-তুষ্ট গৱেষকে নতুন তথ্যৰ সন্ধান নকৰা বা নতুন তথ্যৰ মূল্যায়ন কৰিব নোৱৰাটো স্বাভাৱিক। সুখৰ বিষয় যে বৰ্তমান সময়ৰ নৃতাত্ত্বিক কিছুমানে আগৰ নৃতাত্ত্বিকসকলৰ তথ্য-ফল নিৰ্ভুল বুলি মানি ল'ব পৰা নাই।[১৩]

অতি প্ৰাচীন কালত অসমত সমাজ-ব্যৱস্থা গঠিত হোৱাৰ সময়ৰপৰাই অনা-আৰ্য আৰু আৰ্যগোষ্ঠীৰ লোকৰ মাজত ভৌগোলিক আৰু প্ৰাকৃতিক প্ৰভাৱৰ ফলত আৰু নিৰাপত্তা ৰক্ষাৰ খাটিৰত এক বিমল মিলন ঘটিছিল বুলি এটা ব্যুৎপত্তিগত ধাৰণা কৰিব পাৰি। এই সন্দৰ্ভত বুৰঞ্জীবিদ ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে কৈছে যে 'অসমৰ কিবাত জনগোষ্ঠীৰ লোক আৰু প্ৰথমে অহা আৰ্য ফৈদৰ লোকৰ তেজৰ সংমিশ্ৰণত ওপজা জনগোষ্ঠীয়েহে ইয়াত প্ৰথম

১০. Journal of the Assam Research Society, Vol. I, No I, 1933, p.4.

১১. The Back-ground of Assamese Culture, 1948, P.1; A Cultural History of Assam, 1951, p. 5; Aspects of the Haritage of Assam, 1959, p. 1

১২. অসমীয়া জাতিৰ ইতিবৃত্ত, ১৯৭৪, পৃ: ৯১

১৩. Pragjyotisha, 1965, p p. 2 f.

ৰাজ্য স্থাপন কৰিছিল। আজিৰ কলিতাৰ লগত কিৰাতৰ সুদূৰ বা প্ৰাচীন সম্বন্ধৰ অ'তো বিচাৰযোগ্য।'[১৪] নৃতত্ত্ববিদ ড° ভুবনমোহন দাসেও এনে এটি ধাৰণাৰ আভাস দিছে।[১৫] অসমৰ খিলঞ্জীয়া অনা-আৰ্য আৰু আৰ্যগোষ্ঠীৰ লোকৰ চাৰিত্ৰিক লক্ষণ আৰু মানসিক ভাৱাদৰ্শৰ মাজত যথেষ্ট মিল আছে। বৰ্তমান সময়ৰ ৰাজনৈতিক চাতুৰীয়েও সেই উমৈহতীয়া বৈশিষ্ট্য খণ্ড-বিখণ্ড কৰিব পৰা নাই। এয়া নিশ্চয় আমাৰ শতাব্দীজোৰা সংমিশ্ৰণৰ ফলশ্ৰুতি।

অতীতত 'কিৰাত' শব্দটিৰদ্বাৰা ব্যাপকভাৱে মংগোলীয় লোকক বুজোৱা হৈছিল। বৰ্তমান এওঁলোকৰ বেছিভাগেই 'জনজাতি' লোকৰূপে পৰিচিত হৈছে। এই জনজাতিসকলৰ ভিতৰত বড়ো কছাৰী, ডিমাছা কছাৰী, সোণোৱাল কছাৰী, ৰাভা, দেউৰী-চুতীয়া, গাৰো, মিছিং, মিকিৰ, খাচী, মিজো, লালুং, নগা, অকা, আদি, ডফলা, নক্টে, ৱাঞ্চো, টাংছা, খাম্‌টি, মিচিমি, চিংফৌ, আপাটানি, মন্‌পা, ভুটীয়া প্ৰভৃতি লোকসকল উল্লেখযোগ্য। মুঠতে অসমৰ এটা বৃহৎ জনগোষ্ঠীয়েই হ'ল জনজাতীয় লোকসকল। এই-সকলক বাদ দি অসমৰ অস্তিত্ব ভাবিব নোৱাৰা কথা। সম্প্ৰতি অসমক খণ্ড-বিখণ্ড কৰাৰ উদ্দেশ্যে ৰাজনৈতিক চক্ৰান্ত আৰু সমাজ-বিৰোধী শক্তি কেওফালে শিপাই ফুৰিছে। সিবিলাকৰ অসৎ উদ্দেশ্য ভালেখিনি পূৰণো হৈছে; এতিয়া বাকীবোৰ অসমৰ জনজাতীয় ভাই-ভনীসকলক অ-জনজাতীয় অসমীয়াখিনিৰপৰা আঁতৰাই নি উভয়কে দুৰ্বল কৰাৰ চেষ্টা চলাই আছে। এই শেহতীয়া উদ্দেশ্য পূৰণ হলে আমি যুগ যুগ ধৰি অসমৰ অধিকাৰী হৈ থকা জনজাতীয়-অজনজাতীয় থলুৱা অসমীয়াখিনি চিৰকাল আশ্ৰয়প্ৰাৰ্থীসকলৰ বহুতীয়া হিচাপে তথা গোলাম হিচাপে থাকিব লাগিব। অৱশ্যে সকলো আশ্ৰয়প্ৰাৰ্থীয়েই সম্প্ৰসাৰণবাদী নহয়। উদাৰ মনোভাৱাপন্ন আশ্ৰয়প্ৰাৰ্থী-সকলে অসমৰ সৰ্বাংগীন উন্নতিত নিশ্চয় বৰঙনি যোগাইছে; সেইসকল আমাৰ আপোন অসমীয়া; সেইসকল আজি তাহানিৰ আশ্ৰয়প্ৰাৰ্থী হৈ থকা নাই।

আমাৰ মূৰৰ ওপৰেদি স্বাধীনতাৰ ৩২ টা বছৰ পাৰ হ'ল। ভাৰতৰ অন্যান্য ৰাজ্যই ভাষা-কৃষ্টি, শিক্ষা-সংস্কৃতি, উদ্যোগ-প্ৰতিষ্ঠান, চাকৰি-সংস্থান, কৃষি-বাণিজ্য আদিৰ দিশত সামগ্ৰিক উন্নতি সাধন কৰিছে; কিন্তু অসম ৰাজ্য সিবিলাকৰ তুলনাত বহুগুণে পিছপৰি আছে। বৰঞ্চ এইকেইটা বছৰৰ ভিতৰত ধৰ্মীয় সংখ্যা লঘু, ভাষিক সংখ্যা লঘু আদি সূত্ৰ উলিয়াই অসমৰ সামূহিক ঐক্য বিনষ্ট কৰা হৈছে; লগতে জনজাতীয় লোক, অনুসূচিত সম্প্ৰদায়, পিছপৰা শ্ৰেণী আদিৰ চিনাক্ত-সূত্ৰই আমাৰ সামাজিক বৈষম্য সৃষ্টি কৰিছে।

১৪. অসমীয়া জাতিৰ ইতিবৃত্ত, পৃঃ ৯১

১৫. অসমীয়া জাতিৰ ইতিবৃত্ত, পৃ ২৪



এই ধৰণৰ ৰাজনৈতিক স্বাৰ্থসিদ্ধি, শাসকীয় ত্ৰুটি-বিচ্যুতি আৰু সামাজিক ঐক্যৰ ভাঙোনেই জন্ম দিলে বৰ্তমানৰ সমাজ-বিৰোধী লোক। আজি সমাজ-বিৰোধী ৰক্তবীজক মষিমূৰ কৰাটো প্ৰত্যেকজন অসমবাসীৰেই কৰ্তব্য। বৰ্তমান সমস্যাৰ পৰিপ্ৰেক্ষিতত আমাৰ জাতীয় নেতাসকলে নিস্বাৰ্থ স্বদেশ প্ৰেমৰ আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ হলে ৰাজনৈতিক সীমা পৰিবেষ্টিত অসমৰ সংৰক্ষণ, উন্নতি আৰু ঐক্য সাধন কৰা উচিত। অসমৰপৰা যিবোৰ অংশ আঁতৰি গ'ল তাক আৰু ঘূৰাই অনা সম্ভৱ নহয়, বৰঞ্চ যিখিনি বাকী আছে তাক ৰক্ষা কৰা সকলো অসমবাসীৰ পবিত্ৰ কৰ্তব্য।

বৰ্তমানৰ সমস্যা-জৰ্জৰিত অসমক ৰক্ষা কৰাৰ উপায় কি?— ইয়াৰ প্ৰথম আৰু প্ৰধান উপায় হ'ল—অসমবাসীৰ ঐক্য সাধন। সমাজত থকা সম্প্ৰদায়িক বিভেদ, ধৰ্মীয় গোড়ামি, অৰ্থনৈতিক বৈষম্য আৰু ৰাজনৈতিক বিশ্বাসঘাতকতা লোপ পালে স্বাভাৱিকতেই অসমৰ জনগণ এক গোট হ'ব বুলি আশা কৰিব পাৰি। তাৰবাবে শাসক আৰু শাসিতৰ মাজত কল্যাণমুখী পৰিকল্পনাৰ প্ৰয়োজন। বুটিছ যুগৰপৰা অসমত সামাজিক অশান্তি সৃষ্টিৰ গুৰি বিচাৰিলে ওলাই পৰে দুমুখীয়া বাসিন্দাৰ কাৰ্য-কলাপ। কিছুমান বাসিন্দাৰ দুখন ৰাজ্যত দুখন ঘৰ আছে, কিন্তু তেওঁলোকৰ মনত স্থায়ীঘৰ অসমত থকাখন নহয়, পূৰ্বতে থকাখনহে, লাগিলে সেইখন ঘৰত লাউ-লোটা ভগা ঢোলেই থাকক। গতিকে সিবিলাকে অসমৰ মংগলৰ হকে মুঠেও চিন্তা নকৰে। সাম্প্ৰদায়িক বল-বৃদ্ধিৰবাবে সিবিলাকে হেজাৰ-বিজাৰ লোক অসমলৈ আনিছে আৰু উদ্দেশ্য সাধনত কৃতকাৰ্যও হৈছে। এই দুমুখীয়া বাসিন্দাসকলৰ মন পৰিবৰ্তন কৰা অপৰিহাৰ্য। হয়তো ইপাৰ নতুবা সিপাৰ। দুৰ্যোৰ বিপদত কোনো ৰাজ্যত আশ্ৰয় নোপোৱা নতুবা বিষম বিপদত এই ৰাজ্যতে মৰিবলগীয়া হোৱা দুৰ্ভগীয়া থলুৱা বাসিন্দাবিলাকহে অসমৰ আচল অধিকাৰী। অসমমাতৃৰ দুখত কাতৰ নোহোৱা, মৰ্যাদা ৰাখিব নোৱাৰা কোনো লোক 'অসমীয়া' নামৰ যোগ্য নহয়। ইয়াত কোনো ধৰ্ম বা জাতৰ কথা নাখাটে, নতুন-পুৰণি বাসিন্দাৰ বিভেদসূত্ৰও প্ৰযোজ্য নহয়; ভাৰতীয় সংবিধানমতে থাকিব পৰা আটাইবিলাকেই অসম ৰাজ্যৰ বাসিন্দা; কিন্তু বাসিন্দাই কৰ্মৰ যোগেদি পৰিচয় দিয়া উচিত যে অসম তেওঁৰ মাতৃভূমি।

এইবেলি অসমমাতৃক ৰক্ষা কৰিবলৈ জনতা জাগি উঠিছে। বিদেশী নাগৰিকে ৰাজনৈতিক চক্ৰান্তৰে অসমক গ্ৰাস কৰিবলৈ ওলোৱাত প্ৰকৃত অসম-প্ৰেমিক-সকলে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে আগ বাঢ়ি আহি গণ-সত্যাগ্ৰহত যোগ দিছে। জাতি এটা বা দেশ এখন ৰক্ষা পৰাৰ ই এটি শুভ লক্ষণ। অসমৰ

প্ৰাচীন বাসিন্দা জনজাতীয় লোকসকলে এইবাৰৰ গণ-সত্যাগ্ৰহ অধিক সফল কৰি তুলিছে। ভাৰতৰ মুক্তি-সংগ্ৰামত সমগ্ৰ অসমৰ জনজাতীয় ভাইসকলে অজনজাতীয় অসমীয়াসকলৰ সৈতে যি সক্ৰিয় ভূমিকা লৈছিল, এতিয়া আকৌ অসমক ৰক্ষা কৰাৰ ক্ষেত্ৰত আগতকৈও ব্যাপক আৰু ফলপ্ৰসূ ভূমিকা লৈ সকলো অসম প্ৰেমিককে আশাবাদী কৰি তুলিছে। অসম যে আৰ্য আৰু অনা-আৰ্যৰ মিলনভূমি, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি যে জনজাতীয়-অজনজাতীয় লোকৰ সামূহিক জীৱন-যাপন আৰু সহ-অৱস্থানৰ যুগমীয়া পৰিণতি তাৰ প্ৰাণৱন্ত প্ৰমাণ সাম্প্ৰতিক আন্দোলনতে ফুটি উঠিছে। অসমৰ সবল সংহতিৰ সোণালী স্বাক্ষৰ এই আন্দোলনেই বহন কৰিছে। আমাৰ পৰ্বত-ভৈয়াম, গাঁও-ভূঁই, নগৰ-চহৰৰ সকলো বাসিন্দা জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে এক হওক; আমাৰ পৰিচয় হ'ব—আমি অসমৰ অসমীয়া; আমাৰ মূল লক্ষ্য হ'ব—অসমৰ সৰ্বাংগীন উন্নতি-সাধন আৰু আমাৰ আদৰ্শ হ'ব—'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী'।

—০—

শ্ৰীমোহিনীমোহন ব্ৰহ্ম

## বড়ো-কছাৰী সমাজৰ খেল: ইয়াৰ উৎপত্তি আৰু বিভাগ

আৰ্য সমাজ সৃষ্টি হোৱাৰ পিছত যেতিয়া কাম-কাজত শৃংখলাৰ অভাৱ আৰু নানান আসোঁৱাহে দেখা দিয়ে তেতিয়া সমাজক প্ৰণালীবদ্ধভাৱে আৰু শৃংখলাৰে পৰিচালনা কৰিবৰ বাবে দৈহিক গঠন, বুদ্ধি-কৌশল আৰু শক্তি-সামৰ্থ্য অনুসাৰে মানুহ-বিলাকৰ মাজত কামৰ বিভাজন কৰি দিয়া হয়। কামৰ বিভাজনৰ ফলত মানৱ সমাজৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ নামে চাৰিটা বৰ্ণ বা শ্ৰেণীৰ উদ্ভৱ হয়। এয়া বৈদিক যুগৰ আৰ্য সমাজৰ কথা। সেইদৰে বড়ো সমাজৰ ভিতৰতো একে আচাৰ-ৰীতি আৰু সংস্কৃতিৰ গাঁথনি অক্ষুণ্ণ ৰাখি ব্যক্তিবিশেষে কামৰ ভাৰ অৰ্পণ কৰাত কেইবাটাও শ্ৰেণী বা খেলৰ সৃষ্টি হয়। এই সন্দৰ্ভত বড়ো-কছাৰীসকলৰ মাজত এটা প্ৰবাদ আছে যে এসময়ত যেতিয়া অবৈধ আৰু গৰ্হিত কাৰ্য আৰু নানান আসোঁৱাহেৰে সমাজ বিশৃংখল আৰু অশুদ্ধ হৈ আহিছিল, তেতিয়া সমাজক পুনৰ সুস্থ, সুশৃংখল আৰু শুদ্ধভাৱে পৰিচালনা কৰিবৰবাবে ৰাইজে এখন বিৰাট মেল পাতিছিল। সেই মেলত পৌৰোহিত্য কৰিবৰ কাৰণে আদি পুৰুষ মীনছিং-ছিং-ব্ৰাইক আহ্বান কৰা হৈছিল। তেতিয়া আকাশৰ বুঢ়া মীনছিং-ছিং-ব্ৰায়ে সোণৰ জখলাত উঠি সৰগৰপৰা পৃথিৱীলৈ নামি আহিল। মেল বহিল। আবাল-বৃদ্ধ-বনিতা সকলো ৰাইজ মেলত উপস্থিত হ'ল।[1]

মেলত সমাজৰ বিশৃংখলতা, অনাচাৰ আৰু আসোঁৱাহ-বোৰ প্ৰতিকাৰ কৰিবৰ বাবে আলোচনা-বিলোচনা কৰি ৰাইজে এটা সিদ্ধান্তত উপনীত হ'ল। সেই মেলত মীনছিং-ছিং-ব্ৰাইৰ নিৰ্দেশ অনুসাৰে সুকলমে কাম সম্পাদন কৰিবৰ কাৰণে মানুহবিশেষে কামৰ ভাৰ ন্যস্ত কৰা হয়। কামৰ বিভাজনৰপৰা বড়ো সমাজত কেইবাটাও খেল বা গোষ্ঠীৰ সৃষ্টি হয়। খেল, গোষ্ঠী বা গোত্ৰক বড়ো শব্দত আৰী বা মাহাৰী কোৱা হয়। কৰ্ম বিভাগ অনুসাৰে সৃষ্টি হোৱা আৰী তলৰ কেইটাই প্ৰধান:

১। স্বৰ্গীয়াৰী:

স্বৰ্গ + আৰী > স্বৰ্গাৰী > স্বৰ্গীয়াৰী। স্বৰ্গীয়াৰীসকলে নিজক স্বৰ্গৰ মানুহ বা ঈশ্বৰ অৰ্থাৎ বাথৌ বোৰাইৰ আদি

[1] শ্ৰীভৱেন্দ্ৰ নাৰ্জীয়ে 'বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি' গ্ৰন্থত চন্দ্ৰাৱতীয়া আৰু আচাৰী-বৈচাৰীৰ মাজত থকা অবৈধ সম্পৰ্কৰ বিচাৰৰবাবে সেই ডাঙৰ মেলখন বহিছিল বুলি উল্লেখ কৰিছে।

সন্তানৰ বংশধৰ বুলি দাবী কৰে। তেওঁলোকক পূৰ্ব-পুৰুষৰ ওপৰত পূজা-পাৰ্বণৰ দায়িত্ব ন্যস্ত কৰা হৈছিল।

ওজা আৰু দেউৰী তেওঁলোকৰপৰাই নিৰ্বাচন কৰা হৈছিল। অধুনা কিন্তু এই নিয়মৰ ব্যতিক্ৰম দেখা যায়। ওজাৰ কাম পূজাত পৌৰোহিত্য কৰা, প্ৰায়শ্চিত্তৰ মন্ত্ৰ পাঠ কৰা আৰু বেজালি কৰা। মানুহৰ বেমাৰ-আজাৰ আৰু অপায়-অমংগল হোৱাৰ কাৰণ দেৱতা বা দেৱীৰ বিতুষ্টি বুলি তেওঁলোকৰ ধাৰণা। সেয়ে কাৰোবাৰ বেমাৰ-আজাৰ হ'লে ওজাই শ্ৰুতিমধুৰ মন্ত্ৰ জাৰি সংশ্লিষ্ট দেৱতাৰ আৰাধনা কৰি চিকিৎসা কৰে। মন্ত্ৰ সম্বলিত এৰ্‌ণ্ডী সূতাৰ জৰী পকাই (থাচিনি) বেমাৰীৰ হাতৰ কব্জাত নাইবা ডিঙিত পিন্ধাই দিয়ে। দেউৰীৰ কাম হ'ল পূজাত দেৱ-দেৱীলৈ বলি দিয়া আৰু প্ৰসাদ আগবঢ়াই দিয়া। স্বৰ্গীয়াৰীসকলক এণ্ডেল চাহাবে Heaven Folk বুলি অভিহিত কৰিছে। তেওঁৰ মতে স্বৰ্গীয়াৰী প্ৰথম শ্ৰেণীৰ খেল। এই খেলৰ মানুহে খেতিৰ কাম নকৰিছিল।

(২) বসুমাতাৰী :

বসুমাতা + আৰী > বসুমাতাৰী। বড়ো শব্দান্তৰত বৈচীমাথা + আৰী > বৈচীমাথাৰী। বসু শব্দৰ অৰ্থ ভূমি বা পৃথিবী। বড়োৰ বৈচীমাথা শব্দই পৃথিবী মা অৰ্থ প্ৰকাশ কৰে। আৰ্য-অসমীয়া ভাষাৰ সংস্পৰ্শত বৈচীমাথাৰী শব্দৰ অপভ্ৰংশ 'বসুমাতাৰী' হয়। বৈচীমাথাৰী আছিল ভূমি সংক্ৰান্ত ভাৰপ্ৰাপ্ত মানুহ। তেওঁলোকৰ ওপৰত মাটি জৰীপ কৰা আৰু প্ৰজাবিলাকৰ মাজত বিতৰণ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। মাটি-বাৰী সম্পৰ্কত কোনো কাজিয়া



বা আসোঁৱাহ লাগিলে তেওঁলোকে বিচাৰ আৰু মীমাংসা কৰি দিছিল। এণ্ডেলৰ মতে এই খেলৰ মানুহবিলাকে এটা বিশেষ সুকীয়া সুবিধা ভোগ কৰিবলৈ পাইছিল। তেওঁ কৈছে যে আগৰ দিনত মৰাশ পুতিবৰ বাবে নাইবা দাহনৰ কাৰণে আৱশ্যকীয় মাটিৰ বাবদ মাচুল দিব লগা হৈছিল। বসুমাতাৰী-সকলক সেই মাচুলৰপৰা ৰেহাই দিয়া হৈছিল।[২]

ড° চাৰুচন্দ্ৰ সান্যাল ডাঙৰীয়াই বসুমাতাৰীসকলৰ Mother Earth Sect (মাতৃভূমি গোত্ৰ) বুলি পৰিচয় দিবলৈ প্ৰয়াস কৰিছে। তেওঁৰ মতে তেওঁলোক আছিল যোতদাৰ (Land lord) আৰু চহৰা (Cultivator)। বসুমাতাৰীসকল আৰ্য হিন্দুসকলৰ বৈশ্যৰ শ্ৰেণীৰ সমপৰ্যায়ৰ তৃতীয় শ্ৰেণীৰ বড়োগোষ্ঠী বুলি সান্যাল ডাঙৰীয়াই অভিমত দাঙি ধৰিছে।[৩]

ওপৰত উল্লেখ কৰা মতে মৰাশ পুতিবৰ বা দাহনৰ কাৰণে মৃতকৰ আত্মীয়ই শ্মশানত উপস্থিত থকা যি কোনো এজন জ্যেষ্ঠ বসুমাতাৰীৰ হাতত মাচুলস্বৰূপে কিছু পইচা দিব লগা হয়। এই মাচুল গ্ৰহণকাৰীয়ে কিন্তু শ্মশানতে এৰি থৈ আহিব লাগে। ভুলক্ৰমে কোনোবাই আনিলে সামাজিক আইন মতে তেওঁ সমাজচ্যুত হ'ব লাগে।

পশ্চিমবংগৰ জলপাইগুড়ি জিলাধিবাসী বড়ো জনজাতিৰ মাজত এটি জনশ্ৰুতি আজিও প্ৰবাহমান যে একাংশ বড়োগোষ্ঠীৰ মানুহে বসতিৰ বাবে ঠাই বিচাৰি ঘূৰি এখন গহীন হাবিৰ মাজ পালেগৈ। সেই হাবিত এজোপা প্ৰকাণ্ড গছ আছিল। গছৰ তলত সকলোৱে আশ্ৰয় ল'লে। বসতিৰ বাবে ঠাই-খণ্ডও নিৰ্বাচিত হ'ল। গতিকে ঠাইখণ্ড বসতিৰ

২. The Kacharis, P. 25, Rev. S. Endle

৩. The Meches and the Totos, P. 6 Dr. Charuchandra Sanyal,





উপযুক্ত কৰিবৰ বাবে হাবি-জংঘল কাটি পৰিষ্কাৰ কৰাৰ পিছত সেই প্ৰকাণ্ড গছডাল কাটিবলৈ ধৰিলে। গছডাল যেতিয়া পৰিবৰ উপক্ৰম হ'ল তেতিয়া গছৰ তলত থকা মানুহবোৰ যেনিতেনি পলাবলৈ ধৰিলে। যিবিলাকে দোনমাৰি গাঁতৰ ভিতৰত আশ্ৰয় ল'লে সিহঁতক বৈচীমাথাৰী কোৱা হ'ল। সেইদৰে যিবিলাকে মৰাপাটৰ জোপোহাত আশ্ৰয় লৈছিল সিহঁতক নাৰ্জাৰী বুলি কোৱা হ'ল। এইদৰে নানান প্ৰকাৰে আশ্ৰয় লোৱা মানুহবিলাকক আশ্ৰয়স্থল অনুসৰি বিভিন্ন খেলৰ নাম দিয়া হ'ল।

এই জনশ্ৰুতিৰ ওপৰত সবল যুক্তি আৰোপ কৰিব নোৱাৰি। বৰঞ্চ উল্লেখ কৰি অহা কৰ্ম-বিভাজন অনুসাৰেহে বসুমাতাৰী খেলৰ নামকৰণ হোৱাটো অধিক যুক্তিসংগত বুলি প্ৰতীয়মান হয়।

(৩) নাৰ্জাৰী :

নাৰ্জি শব্দৰ অৰ্থ মৰাপাটৰ শুকনি বা শুকানপাত। বড়োসকলৰ ই এটা প্ৰিয় খাদ্য। মাছ নাইবা মঙহ দি নাৰ্জি আঞ্জা কৰি খালে বেচ জুতি লাগে। কেৱল খাৰ দি নাৰ্জি ৰান্ধি শুৰুকাৰি খোৱাও দেখা যায়। জ্বৰ হোৱাত মূৰৰ উত্তাপ অত্যধিক অনুভূত হ'লে ঘাম কটাবৰ কাৰণে নাৰ্জি তিয়াই কপালত জলপটী দিয়াও দেখা যায়। এইবিলাকৰ বাহিৰেও এটা ডাঙৰ কামৰ কাৰণে নাৰ্জি'ৰ প্ৰয়োজনীয়তা আছে। এয়া হ'ল মৰা শ সংকাৰ কৰাৰ পিছত শ্মশানলৈ যোৱা মানুহবিলাকে গা ধুই উঠি নাৰ্জি' চোবাব লাগে। তেনে কৰিলে মৃতকৰ লগত সম্পৰ্ক ত্যাগ কৰা হয় আৰু নিজকে শুচি কৰি লোৱা হয় বুলি বড়োসকলে ধাৰণা কৰে। এই চিৰন্তন ৰীতি এতিয়াও তেওঁলোকৰ মাজত প্ৰচলিত। সেই কাৰণে শ্মশানলৈ যাওঁতে তেওঁলোকে লগত এমুঠা নাৰ্জি' লৈ যায়। মৰা শ সংকাৰ কৰাৰ পিছত গা ধুই উঠিলে মানুহবিলাকৰ হাতে হাতে নাৰ্জি বিতৰণ কৰাৰ

ভাৰ ন্যস্ত কৰা হৈছিল নাৰ্জাৰীৰ ওপৰত। এই ৰীতি বৰ্তমানেও প্ৰচলিত যদিও নাৰ্জাৰী খেলৰ বাহিৰেও আন খেলৰ মানুহেও নাৰ্জি বিতৰণ কৰাৰ ভাৰ গ্ৰহণ কৰা দেখা যায়। কোনো কোনো নাৰ্জাৰীয়ে নিজক আৰ্য হিন্দুসকলৰ ব্ৰাহ্মণ শ্ৰেণী পৰ্যায়ৰ মানুহ বুলি গৌৰৱ কৰিব খোজে। ড° সান্যালৰ মতে নাৰ্জাৰীসকল আৰ্য-ক্ষত্ৰিয় লেখীয়া দ্বিতীয় শ্ৰেণীৰ বড়োগোষ্ঠীয় মানুহ; কিন্তু দৰাচলতে বড়ো সমাজত বিভিন্ন খেল থাকিলেও তেওঁলোকৰ মাজত উচ্চ-নিম্নৰ বৈষম্য নাই। ড° সান্যাল ডাঙৰীয়াই নাৰ্জাৰীগোষ্ঠীক যোদ্ধা বুলিও মন্তব্য দাঙি ধৰিছে।

নাৰ্জাৰী উপাধিক কিছুমানে নাজী লিখি সংক্ষিপ্ত কৰিছে। আকৌ পশ্চিম বংগৰ একাংশ নাৰ্জাৰীয়ে নাৰ্জিনাৰী বা নাৰ্জেনাৰী লিখি আত্ম-গোত্ৰৰ পৰিচয় দিছে। আন কিছুমানে আকৌ কেৱল নাৰ্জি উপাধি লিখিবলৈ আৰম্ভ কৰিছে।

পশ্চিম বংগৰ বড়োসকলৰ মাজত প্ৰবাহিত জনশ্ৰুতি মতে আগতে উল্লেখ কৰি অহা প্ৰকাণ্ড গছডাল ভাগি পৰিবৰ উপক্ৰম হোৱা দেখি সেই গছৰ তলত আশ্ৰয় লোৱা মানুহবিলাকৰ যিবিলাকে দৌৰমাৰি গৈ মৰাপাটনিত আশ্ৰয় লৈছিল তেওঁলোকক নাৰ্জে-নাৰী বুলি কোৱা হৈছিল; কিন্তু এই যুক্তিত সবলতাৰ অভাৱ অনুভূত হয়। লাগে যিয়ে নহওক, মূঠতে নাৰ্জি শব্দৰপৰা নাৰ্জাৰী হোৱাটো প্ৰত্যয়-যোগ্য।

(৪) মছাৰী

প্ৰকৃত শব্দ 'মৌছাৰী' হ'ব লাগে। মৌছা+আৰী >মৌছাৰী। 'মৌছা'—শব্দৰ অৰ্থ 'বাঘ'। গোৱালপাৰা জিলাবাহিৰে অসমৰ আন জিলাত বাস কৰা এই খেলৰ বড়োসকলে নিজক বাঘলাৰী বুলি পৰিচয় দিয়ে। তেওঁলোকে নিজক বাঘৰ বংশধৰ

বুলিও কয়। সেই কাৰণে বাঘৰ মৃত্যুৰ বাতৰি পালে তেওঁলোকে সৰ লেপ-মোচা কৰি শুচি কাৰ্য সম্পাদন কৰে। তেওঁলোকৰ মূল কৰ্তব্য আছিল গাঁৱৰ গৰু-মহ বাঘৰপৰা ৰক্ষা কৰা। সেই কাৰণে এই থেলৰ মানুহবিলাকে দিনে-নিশাই বাঘৰ পহৰা দিব লগা হৈছিল। অত্যন্তৰু হাবিলাকে হিংস্ৰ-জন্তু অধ্যুষিত ঠাইবিলাকত বাস কৰিবলৈ লৈছিল তেওঁলোকক মীছাৰি বুলি কোৱা হৈছিল। কিম্বদন্তিমতে মীছাৰী-বিলাকৰ কাৰণে বাঘ চিকাৰ নিষিদ্ধ। এণ্ডেল চাহাবে মীছাৰীগোষ্ঠীক Tiger Folk অৰ্থাৎ বাঘগোষ্ঠীৰ মানুহ বুলি পৰিচয় দিছে।

৫। গয়াৰী :

গয় (তামোল)+আৰী>গয়াৰী। তামোল বড়ো-বিলাকৰ প্ৰিয় খাদ্য। চূণ সংমিশ্ৰিত তামোল-পাণ চোবাই বড়ো গাভৰু ডেকালোকে পুৰুষ অৰুণৰ দৰে ওঁঠ দুটি ৰঙচুৰা কৰি তোলে। তাতে আকৌ মিচিকি হাঁহি মাৰিলে ওঁঠ দুটিৰ মাজৰ ভালিম-গুটিয়া দাঁতৰ দৃশ্যটো বৰ চাবলগীয়া হৈ উঠে। তামোল বড়ো ভাষাত 'গয়' বুলি কথিত হয়। স্বৰ্গীয় বিষ্ণু ৰাভাৰ মতে 'চিত্ৰি চিথ্‌লা' আৰু 'চিত্ৰি চেংগ্ৰা'ৰ নামত ঘটিত প্ৰণয়ৰ সন্দৰ্ভত তাঙৰ মেল এখন আহূত হৈছিল। সেই মেলত মীনছিং-ছিং ৰাজে পৌৰোহিত্য কৰিছিল। মেলত যোগদান কৰা বিৰাট জনতাৰ মাজত তামোল-পাণ যোগান ধৰিবৰ কাৰণে এচাম মানুহ নিযুক্ত কৰা হৈছিল। সেইচাম মানুহেই পিছত গয়াৰী বুলি অভিহিত হৈ আছে।[৪]

সম্ভৱতঃ গয়াৰীসকলে পোন প্ৰথমে তামোলৰ খেতি কৰিবলৈ লৈছিল আৰু এই খেতি বোধকৰো তেওঁলোকৰেই একচেটিয়া আছিল।

৬। ঔৰাৰী :

ঔৰা+আৰী>ঔৰাৰী। 'ঔৰা' শব্দৰ অৰ্থ বাঁহ। বাথৌ পূজা আৰু অন্যান্য দেৱ-দেৱীৰ পূজা, বিয়া-সবাহ, ঘৰ বন্ধা আদি যাৱতীয় কামৰ কাৰণে বাঁহৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। পূজা-পাৰ্বণ আৰু অন্যান্য ৰাজহুৱা কামৰ বাবে যিবিলাকে বাঁহৰ যোগান ধৰিছিল সেইবিলাকক ঔৰাৰী বুলি কোৱা হৈছিল। তেওঁলোকেই বোধকৰো বাঁহৰ খেতি পোন প্ৰথমে আৰম্ভ কৰিছিল।

৭। খাংখল্‌ৰাৰী :

খাংখ্‌লা+আৰী>খাংখ্‌লাৰী। খাংখ্‌লা বড়োবিলাকৰ ধৰ্মীয় অনুষ্ঠানত ব্যৱহাৰ কৰা এবিধ পৱিত্ৰ বন। ইয়াৰ নামান্তৰ কুশবন। খাংখল্‌ৰাৰীবিলাকৰ ওপৰত বোধ কৰো খেৰাই উৎসৱ আৰু ৰাজহুৱা ধৰ্মানুষ্ঠানবোৰৰ কুশবনৰ যোগান ধৰিবলৈ ভাৰ ন্যস্ত কৰা হৈছিল। এই থেলৰ নামকৰণ সম্পৰ্কে বিস্তৃত তথ্য এতিয়াও উদ্ঘাটন হোৱা নাই। বৰ্তমান 'খাংখল্‌ৰাৰী' শব্দ 'খাখ্‌লাৰী'লৈ পৰিবৰ্তন হোৱা দেখা যায়।

৮। দৈমাৰী :

দৈমা+আৰী>দৈমাৰী। 'দৈমা' শব্দৰ অৰ্থ অসমীয়াত ডাঙৰ নদী। সম্ভৱতঃ নদী মহলৰ ইজাৰাদাৰক 'দৈমাৰী' বুলি কোৱা হৈছিল। আন কথাত এই থেলৰ মানুহবিলাক হয়তো মাছৰ ব্যৱসায়ী আছিল আৰু এই ব্যৱসায়ৰ বাবে তেওঁলোকক নদী মহলৰ পট্টা দিয়া হৈছিল।

বিষ্ণু ৰাভাৰ মতে ক'বলৈ গলে মীনাছিং-ছিং ৰাজৰ পৌৰোহিত্যত অনুষ্ঠিত মেলত পানী যোগনীয়াৰ সকলক 'দৈমাৰী' আখ্যা দিয়া হৈছিল।[৫]

ড° ভাস্কৰ ভট্টাচাৰ্যই দৈমাৰী থেলৰ মানুহক ডাঙৰ নদীৰ তীৰবৰ্তী বুলি অভিমত দাঙি ধৰিছে। চিন্তাশীল লেখক শ্ৰীভবেন নাৰ্জীৰ মতে দৈমাৰী পৰিয়াল নদীয়াল বা মাছ-পুঠীৰ যোগালি আছিল।[৬] এণ্ডেল চাহাবে দৈমাৰীক Fisherman class বুলি অভিহিত কৰিছে।

৯। চিবিঙাৰী :

'চিবিং' অসমীয়া ভাষাত 'তিল' বুলি পৰিচিত। ধৰ্মানুষ্ঠানত ব্যৱহৃত হোৱা পঞ্চ শস্যৰ ভিতৰত ই এটা পৱিত্ৰ শস্য হিচাপে পৰিগণিত। পূজা আৰু বিবাহ আদি শুভকাৰ্যত ব্যৱহাৰ কৰাৰ বাহিৰেও পিঠা-পনাত তিলৰ ব্যৱহাৰ কৰা হয়। পূজা-পাৰ্বণ বা ধৰ্মীয় অনুষ্ঠানত তিলৰ যোগান দিবৰ কাৰণে যিজনৰ ওপৰত ভাৰ দিয়া কৰা হৈছিল তেওঁৱেই চিবিঙাৰী বুলি অভিহিত হৈছিল। জন-বিশ্বাসমতে বাইজক চিবিঙাৰীবিলাকে চিবিঙৰ যোগান ধৰিব লগা হেতু কেৱল তেওঁলোকেই চিবিঙৰ খেতি কৰিছিল। সম্প্ৰতি কিন্তু এই শস্যৰ খেতি কেৱল চিবিঙাৰীসকলৰ ভিতৰত সীমিত হৈ থকা নাই।

১০। বিৰায়াৰী বা বিবিজিয়াৰী :

'বিৰায়াৰী' শব্দই মগনিয়াৰক বুজায়। ৰাজহুৱা ধৰ্মানুষ্ঠান আৰু সভা-সমিতিত ভোজৰ আয়োজন কৰা হৈছিল। ভোজৰ কাৰণে চাউল, ফল-মূল আৰু টকা-কড়ি ৰাইজৰপৰা খুজি সংগ্ৰহ কৰিবৰ কাৰণে এচাম মানুহক নিয়োগ কৰা হৈছিল। সেইচাম মানুহেই পিছত বিৰায়াৰী বুলি জনাজাত হ'ল।

বিবিজিয়াৰী—বিৰায়াৰী শব্দৰেই অপভ্ৰংশ বুলি ধাৰণা হয়। কাৰণ বিবিজিয়াৰী শব্দৰ অৰ্থ এতিয়াও অজ্ঞাত হৈ আছে। বেণ্ডাৰেও এণ্ডেলে বিৰায়াৰী-গোষ্ঠীক Begging folk বুলি পৰিচয় দিছে। বিৰায়াৰী শব্দৰ অৰ্থ মগনিয়াৰ হলেও ইয়াত নিজৰ পেটৰ কাৰণে ভিক্ষা কৰি ফুৰা মানুহক বুজোৱা নাই। কাৰণ বড়ো সমাজত ভিক্ষা কৰি খোৱা মানুহ তেতিয়া নাছিলেই। এই বিৰায়াৰীসকলে আগতে উল্লেখ কৰি অহা মহামেলৰ মানুহবিলাকৰ কাৰণে ৰাইজৰপৰা বৰঙনি বিবাই অৰ্থাৎ খুজি আনিছিল। সেয়ে বোধকৰো তেওঁলোক এই উপাধিৰে ভূষিত হৈছিল।

১১। বিং বিঙাৰী :

ওপৰত উল্লেখ কৰা মহামেলত সংগীত পৰিৱেশনৰ আয়োজন কৰা হৈছিল। তাত কৃষ্টি শিল্পীসকলে নৃত্য-গীত আৰু বিঙি (বীণ) বজাই কৃষ্টি প্ৰদৰ্শন কৰিছিল। তেওঁলোকেই সম্ভৱ শেহত বিংবিঙাৰী বুলি কথিত হ'ল। খেৰাই উৎসৱত তেওঁলোকেই খাম (মাদল), চিফুং, জথা (মঞ্জিৰা) বজাইছিল আৰু নৃত্য পৰিৱেশন কৰিছিল। বড়োৰ বাদ্যযন্ত্ৰও বোধহয় তেওঁলোকে প্ৰথমে নিৰ্মাণ কৰিছিল।

ওপৰত উল্লেখ কৰা আৰীকেইটাৰ বাহিৰেও পৰৱৰ্তী কালত আৰু কিছুমান আৰীৰ সৃষ্টি হয়। সেইবোৰ আৰী মানুহৰ চৰিত্ৰ, ব্যৱসায় আৰু বাসস্থান অনুসাৰে লোক সমাজে দিয়া উপাধি। তলত আৰীকেইটাৰ যথাসম্ভৱ বিৱৰণ দিয়াৰ যত্ন কৰা হৈছে।

১। লাহাৰী :

'লা' বড়ো শব্দত লাহো বুলি কথিত। ই এবিধ পোকে

৪. বিষ্ণু ৰাভা : 'চিফুং বাঁহীৰ সুৰ'। শ্ৰীমোহিনীমোহন ব্ৰহ্ম আৰু শ্ৰীযোগেন্দ্ৰনাথ হাজৰিকাৰদ্বাৰা সম্পাদিত "নায়ক" পত্ৰিকাৰ দ্বিতীয় বছৰ প্ৰথম সংখ্যাত প্ৰকাশিত প্ৰবন্ধ, ১৯৪২।

৫. বিষ্ণু ৰাভা : 'চিফুং বাঁহীৰ সুৰ' ('নায়ক' পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ), ১৯৪

৬. শ্ৰীভবেন্দ্ৰ নাৰ্জী, বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃঃ ১৩১

গছৰ ডালত বাঁহ সজা বস্তুবো এঠা ; গতিকে লাহো+আৰী > লাহাৰী। এই খেলৰ প্ৰকৃত তাৎপৰ্য আৰু কাৰ্যভাৰ সম্পৰ্কে ব্যাখ্যা কৰা টান। কাৰণ আজিলৈকে এই খেলৰ পটভূমিত কোনেও সঠিক ব্যাখ্যা দিব পৰা নাই। সম্ভৱতঃ যিবিলাকে লাহো সংগ্ৰহ কৰি ব্যৱসায় কৰিছিল তেওঁলোকক লাহাৰী উপাধি দিয়া হৈছিল। এণ্ডেল চাহাবেও তেওঁলোকক Lac Folk বুলিহে পৰিচয় দিছে। বিস্তৃত বিৱৰণ তেওঁৰ কিতাপত পোৱা হোৱা নাই আৰু আন পণ্ডিতেও কোনো মন্তব্য প্ৰকাশ কৰা নাই। গতিকে এই খেলৰ তাৎপৰ্য এতিয়াও অনুসন্ধানসাপেক্ষ।

২। মহিলাৰী ঃ

মহিলাৰী শব্দৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱা টান। এণ্ডেল চাহাবেও এই শব্দৰ নিশ্চিত ব্যাখ্যা দিব পৰা নাই। তেওঁ সন্দিহান হৈ অভিমত ব্যক্ত কৰিছে যে মহলদাৰ (Fishery Lissee) শব্দৰপৰা মহিলাৰী হ'ব পাৰে। তাহানি কালত কিছুমান মানুহক ব্যৱসায় কৰিবৰ কাৰণে মাছৰ মহল নিৰ্ধাৰণ কৰি দিয়া হৈছিল। তেওঁলোকে নৈ-বিলৰপৰা মাছ ধৰি বেচিবলৈ অধিকাৰ পাইছিল আৰু শুকান মাছ শুকি কৰি মচলা দি বাঁহৰ চুঙাত ভৰাই থোৱা চিদল বা নাফাম্ ব্যৱসায় কৰিছিল। এণ্ডেল চাহাবে তেওঁলোককেই মহিলাৰী কোৱা হৈছিল বুলি মন্তব্য প্ৰকাশ কৰিছে।

৩। মাও মাৰাৰী :

এই শব্দৰ প্ৰকৃত তাৎপৰ্যও আজিলৈকে অজ্ঞেয় হৈ আছে। এণ্ডেল চাহাবে এই দলৰ মানুহক Maoa fish folk বুলিহে চিনাকি দিছে। মোৱা মাছক বড়োসকলে মাওৱা বুলি কয়। মতান্তৰত এণ্ডেল চাহাবে আকৌ কৈছে যে মোৱামাৰী নামৰ বিল এখনৰ ওচৰ-চুবুৰীয়াসকলক মোৱা মাৰাৰী > মাও মাৰাৰী বুলি কোৱা হৈছিল।

৪। হাজোৱাৰী :

হাজো+আৰী > হাজোৱাৰী। হাজো শব্দৰ অৰ্থ পাহাৰ বা পৰ্বত। হাজোৱাৰীৰপৰা হাজোৱাৰীলৈ পৰিবৰ্তিত হৈছে। এই খেলৰ মানুহবিলাকৰো কামৰ কোনো বৈশিষ্ট্য বুজা নাযায়। সম্ভৱতঃ পাহাৰৰ দাঁতিত বাস কৰা বড়োসকলকেই হাজোৱাৰী বুলি কোৱা হৈছিল। গতিকে এই আৰীৰ নাম বাসস্থান-মূলক বুলি ক'ব পাৰি।

৫। খেৰকাটাৰী :

এই খেলৰ প্ৰকৃত পৰিচয় দিয়াত আজিলৈকে অনু-সন্ধিৎসুসকল একমত হ'ব পৰা নাই। খেৰকটাৰ-পৰা খেৰকটাৰী বা খেৰকাটাৰী হোৱা বুলি কোনো কোনোৱে ক'ব খোজে ; কিন্তু খেৰকটা শব্দ বড়ো শব্দ নহয়। এণ্ডেল চাহাবে এইচাম মানুহক Squirrel Folk বুলিহে পৰিচয় দিছে। তেখেতে কেৰ্কেটুৱাৰপৰা খেৰকেটুৱাৰী—খেৰকাটাৰী বুলি এইগোষ্ঠীৰ মানুহক চিনাকি দিবলৈ প্ৰয়াস কৰিছে। শ্ৰীভবেন্দ্ৰ নাৰ্জীয়ে তেখেতৰ 'বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি,' কিতাপত খেৰকাটাৰীক—জিগাবনাৰাৰী বুলিও কৈছে। বড়ো শব্দ জিগাব মানে খেৰ। সম্ভৱ এইগোষ্ঠীৰ পূৰ্বপুৰুষে ওপৰত উল্লিখিত মহ-মেলত নাইবা ধৰ্মানুষ্ঠানত খেৰৰ যোগনিয়াৰ আছিল। এই খেলৰ মানুহৰ সংখ্যা অতি কম। অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত বৰপেটা মহকুমাৰ উত্তৰাঞ্চলত এই খেলৰ কিছুমান পৰিয়াল দেখা যায়।

৬। বামহিয়াৰী, বামহাৰী :

অসমৰ কামৰূপ জিলাৰ উত্তৰাঞ্চলত বাস কৰা বড়োসকলৰ মাজত এই খেলৰ কিছুমান পৰিয়াল দেখিবলৈ পোৱা যায়। এই খেলৰো প্ৰকৃত পৰিচয়





পোৱা টান। কোনো কোনোৰ মতে বামহা[৭] মৌজাৰ লোকবিলাকক বামহাৰী বুলি কোৱা হৈছিল ; কিন্তু বামহাৰীসকলে নিজক বামনি ফিছা বামহা অৰ্থাৎ বাম-ভগৱানৰ সন্তান বুলি পৰিচয় দিয়ে। মুঠতে বামহাৰী বা বামহিয়াৰীসকলৰ পৰিচিতিও অনুসন্ধান-সাপেক্ষ।

৭। চংক্ৰামাৰী :

'চা' শব্দৰ অৰ্থই অনুসন্ধান কৰা, চোৱাংচোৱা কাৰ্য কৰা আৰু ৰন্ধা (Cook) বুজায়। ক্ৰাম শব্দই কোনো এটা কামৰ আৰম্ভকৰণ বা উপক্ৰম বুজায়।

পশ্চিম বংগৰ জলপাইগুড়ি জিলাৰ অধিবাসী এজন বৃদ্ধ বড়ো মানুহে কোৱা মতে এচাম বড়ো মানুহে বসতিৰ ঠাই অনুসন্ধান কৰি ফুৰোঁতে হাবি এখন পাইছিল গৈ। তাতে উপযুক্ত ঠাই পালে। ঠাই খণ্ডৰ মাজত এজোপা প্ৰকাণ্ড গছ আছিল। সেই গছৰ তলতে তেওঁলোকে আশ্ৰয় লৈছিল। ঠাইখণ্ডত ঘৰ বান্ধিবৰ কাৰণে পৰিষ্কাৰ কৰিবলৈ গছডাল কাটিবলৈ লগা হল। গছডাল কাটি থাকোঁতে কিছুমানে ভাত ৰান্ধি আছিল। এনেতে গছডাল পৰিবৰ উপক্ৰম হোৱাত কিছুমানে আধা ৰন্ধা অৱস্থাতে ভাত এৰি পলাবলগীয়া হয়। পিছত তেওঁলোকক চংক্ৰামাৰী বুলি কোৱা হয়।[৮]

সেই জিলাৰে জনশ্ৰুতি মতে এসময়ত লিম্বু আৰু মেছ (বড়ো) সকলে একেলগে বাস কৰিছিল। তেওঁলোকে সম্ভৱতঃ চীনাসকলৰ অত্যাচাৰত ভাৰত, ব্ৰহ্মদেশ আৰু তিব্বতৰ উত্তৰ-পূৰ্বাঞ্চলৰপৰা পলাই আহি ঠাইৰ অনুসন্ধানত হিমালয়ৰ নিম্নদেশত এক গহীন হাবিৰ মাজলৈকে গৈ আছিল। ঠাই বিচাৰি ভাগৰ লগাত সেই হাবিতে তেওঁলোকে কেইদিনমানৰ কাৰণে জিৰণি লৈছিল। এদিন সেই ঠাই এৰি বেলেগ ঠাইৰ অনুসন্ধানৰ কাৰণে যাত্ৰা কৰিবলৈ ভাত-পানীৰ যা-যোগাৰ কৰিলে। লিম্বুসকলে আগতে ভাত-পানী খাই যাত্ৰা কৰিলে। যাওঁতে বাটে বাটে গছ-লতা কাটি চিহ্ন থৈ যায়। পিছত বড়োসকলেও সেই বাটেদি অনুগমন কৰি যায়। বহুদূৰ গৈ পোৱাৰ পিছত চিহ্ন হেৰুৱালে, পথভ্ৰষ্ট হ'ল। অৱশেষত লিম্বুসকলৰ সন্ধান নেপাই বৰ্তমান দাৰ্জিলিং আৰু নেপালৰ মধ্যৱৰ্তী ঠাইৰ মেচি নদীৰ পাৰত বড়োসকলে বাস কৰিবলৈ লয়। সম্ভৱতঃ লিম্বুসকলক চংক্ৰাম অৰ্থাৎ আধা অনুসন্ধান কৰিছিল বুলি তেওঁলোকক চংক্ৰামাৰী বুলি কোৱা হ'ল। উল্লেখ কৰা যায় যে পশ্চিম বংগৰ জলপাইগুড়ি জিলাৰ বড়োবিলাকৰ মাজতহে চংক্ৰামাৰী পৰিয়াল দেখিবলৈ পোৱা যায়।

৮। ফাদামাৰী :

'ফাদাম' এবিধ গছ। এই খেলৰ মানুহবিলাকৰ কামৰ বৈশিষ্ট্য সম্পৰ্কেও জনা নাযায়। কিছুমানৰ ধাৰণা যে ফাদাম গছৰ তলত যিবিলাকে আশ্ৰয় লৈছিল তেওঁলোককেই ফাদামাৰী বুলি কোৱা হৈছিল ; কিন্তু এই ধাৰণাৰ সত্যতা কোনেও ক'ব নোৱাৰে।

কামৰূপ আৰু দৰং জিলাৰ ফাদামাৰীক ফাদাঙাৰী বুলিহে কোৱা হয়। 'ফাদাং' শব্দৰ অৰ্থ নিজাজ বা নম্ৰ। প্ৰবাদ[৯] আছে যে অতীতত এজন বুঢ়া

৭ 'বামহা' কামৰূপ জিলাৰ এখন পুৰণি মৌজা বুলি এণ্ডেল চাহাবে 'The Kacharis' নামৰ গ্ৰন্থত উল্লেখ কৰিছে। ইয়াৰ অৱস্থান গুৱাহাটীৰ অদূৰৱৰ্তী আছিল।

৮ Dr. C. Sanyal : The Meches and The Totos, PP. 6. 18

৯ শ্ৰীসুকুমাৰ বসুমতাৰী—আদৈ আবৌনি চ-ল, পৃঃ ২৭

মানুহে কিবা অভিপ্ৰায় লৈ নিজৰ বোৱাৰীক মসৃণ গালত চুমা এটি উপহাৰ দিছিল। সেই অপৰাধৰ বাবে বুঢ়াই সমাজৰ বিচাৰ মতে প্ৰায়শ্চিত্ত কৰিব লগা হৈছিল। সামাজিক প্ৰথামতে অপৰাধীয়ে প্ৰায়শ্চিত্তকৰণ কালত নতুন কাপোৰ পৰিধান কৰিব লাগে। সেই কাপোৰ আন এজন মানুহে ৰাইজৰ আগত অপৰাধীৰ হাতত গতাই দিব লাগে। প্ৰথমতে কোনো মানুহেই বুঢ়াজনক কাপোৰ দিবলৈ আগবাঢ়ি অহা নাছিল। অৱশেষত এজন মানুহ আগবাঢ়ি আহি বুঢ়াক নতুন কাপোৰ এখন দি দিয়ে। অপৰাধী আৰু তেওঁৰ সমৰ্থনকাৰী কাপোৰ দিওঁতাজন উভয়ে নিলাজ আৰু কুচৰিত্ৰৰ মানুহ বুলি সমাজৰ ওচৰত ঘৃণনীয় হ'ল। শেষত তেওঁলোকেই ফাদাঙাৰী বুলি পৰিচিত হয়। এই কাহিনীক প্ৰবাদ বুলি কোৱা হৈছে। ফাদাঙাৰীৰ মূল তাৎপৰ্য কি এতিয়াও অনুসন্ধান কৰি উলিয়াব পৰা নাই।

৯। ঈশ্লাৰী :

মূল শব্দ ঈশ্বৰাৰীৰপৰা ঈশ্লাৰী হোৱাটো অমূলক নহয় যেন লাগে। ঈশ্বৰ+আৰী=ঈশ্বৰাৰী। ঈশ্বৰাৰীৰ অপভ্ৰংশ ঈশ্লাৰী হ'ব পাৰে। বড়োসকলে শিৱ-মহাদেৱ বা বাথৌ বৌৰাইক ঈশ্বৰ বুলি মানি চলে। মহাদেৱ খেৰাইত বাথৌ বৌৰাই হিচাপে পূজিত হয়। সম্ভৱ যিসকলে বাথৌ বৌৰাই বা খেৰাই পূজাত নাইবা কোনো ধৰ্মানুষ্ঠানত যাৱতীয় দ্ৰব্য যা-যোগাৰ কৰিছিল নাইবা তত্বাৱধায়ক আছিল সেইবোৰেই ঈশ্বৰাৰী উপাধি পাইছিল।

পশ্চিম বংগৰ বড়ো-মেচসকলৰ মাজত ঈশ্বৰাৰী উপাধি লিখা মানুহৰ সংখ্যা নগণ্য নহয়। তাৰেপৰা উঠি আহি অসমত বাস কৰা ঈশ্বৰাৰী পৰিয়ালৰ সংখ্যাও তেনেই কম নহয়। বৰঞ্চ অসমত ঈশ্লাৰী উপাধি লিখা পৰিয়ালৰ সংখ্যা অতি ক'ম।



১০। গানজে্লৰাৰী :

শামুকৰ দৰে মৃদুগতিত চলা, গাত বীজল থকা এবিধ ক্ষুদ্ৰ প্ৰাণীক গানজেলৰ বুলি কোৱা হয়। গানজে্লৰ অসমীয়া ভাষাত কুমজেলুকা বুলি পৰিচিত। দৃষ্টিগোচৰ হ'লে মানুহে তাক ঘিণ কৰে। অতীতত বড়ো সমাজৰ কোনোবাই নাৰীৰ পৱিত্ৰতা হানি কৰিলে নাৰী আৰু পুৰুষ উভয়ে কুমজেলুকা চোবাই প্ৰায়শ্চিত্ত কৰিব লগা হৈছিল। তেনে দুশ্চৰিত্ৰৰ মানুহক বড়ো সমাজে অত্যন্ত ঘৃণাৰ চকুৰে চাইছিল আৰু অপৰাধীক গানজে্লৰাৰী বুলি কোক সমাজত চিনাকি দিছিল।

বড়ো সমাজৰ প্ৰথামতে ককায়েকে নিজৰ ভায়েকৰ ঘৈণীয়েকৰ লগত মাত মতা নিষেধ। এনেকি উভয়ে উভয়ৰ কোনো বস্তু বা কাপোৰ আদি স্পৰ্শ কৰাও নিষেধ। ভুলক্ৰমে স্পৰ্শ কৰিলেও পৰজন্মত গানজে্লৰ হয় বুলি এটা বিশ্বাস আছে। ইয়াৰ প্ৰকৃত অৰ্থ এইটোৱেই হ'ব পাৰে যে বড়ো সমাজৰ চিন্তাধাৰাত অবৈধ সংগম এটা নিকৃষ্ট আৰু জঘন্য কৰ্ম। দুষ্কৃতিকাৰীক বড়ো সমাজে কুমজেলুকাৰ দৰে নিকৃষ্ট আৰু ঘৃণনীয় ক্ষুদ্ৰ প্ৰাণী বুলি বিবেচনা কৰে। এণ্ডেল চাহাবৰ মতে এওঁলোক Leech folk বুলি কথিত হৈছে। পৰিয়ালৰ কাৰোবাৰ মৃত্যুৰ পিছত শুদ্ধিকৰণৰ বাবে পৰিয়ালৰ গোটেই মানুহে গানজে্লৰ চোবাব লগা হৈছিল।

১১। বৌৰ গাওৱাৰী :

এই খেলৰ সঠিক ব্যাখ্যা আজিলৈকে কোনেও দিব পৰা নাই। শব্দাৰ্থ বিশ্লেষণ কৰিবলৈ হ'লে 'বৌৰ' মানে 'বৰ' অৰ্থাৎ দেৱতাই দিয়া শ্ৰেষ্ঠ আশীৰ্বাদ। 'গাও' মানে প্ৰাৰ্থনা কৰা, কন্দা আৰু মিনতি কৰা। বৌৰ গাৱাৰীৰপৰা বৌৰ গাওৱাৰী হোৱাটো অযৌক্তিক যেন নালাগে। বৌৰ গাৱাৰী বুলি কলে বৌৰ প্ৰাৰ্থনা-



কাৰীক বুজায়। হয়তো ৰাইজৰ মংগলৰ কাৰণে বাথৌ বৌৰাই বা আন আন গোসাঁই ঈশ্বৰৰ ওচৰত 'বৰ' প্ৰাৰ্থনা কৰা মানুহক বৌৰগাৱাৰী বা বৌৰ গাওৱাৰী বুলি কোৱা হৈছিল। সাধাৰণতে বড়ো ওজা বা পুৰোহিতে পূজা-পাৰ্বণ বা ধৰ্মানুষ্ঠান হলে বাথৌ বৌৰাই আৰু অন্যান্য দেৱ-দেৱীক উপলক্ষ্য কৰি মন্ত্ৰ পাঠ 'বৰ' প্ৰাৰ্থনা কৰে। সেই দিনৰপৰা বৌৰ গাওৱাৰী আৰু স্বৰ্গীয়াৰী একেগোষ্ঠীৰ মানুহ বুলি গণ্য কৰাৰ থল আছে।

ড° সান্যাল ডাঙৰীয়াৰ কিতাপত আগতে উল্লেখ কৰি অহা সেই প্ৰকাণ্ড গড়ডাল বান্ধি পৰিৱৰ সমস্ত যিবিলাকে নিজৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি ঠাই এৰি যোৱা নাছিল সিবিলাকক বৌৰ গাওৱাৰী কোৱা হৈছিল বুলি উল্লেখ কৰা আছে। জনশ্ৰুতিৰ এই কাহিনী কিমান দূৰ পতিয়নযোগ্য তাক পাঠক-পাঠিকাসকলেহে ক'ব পাৰিব।

'বৰ গয়াৰী' উপাধি বৌৰ গাওৱাৰীৰে শব্দান্তৰ মাথোন বুলি ধাৰণা হয়। গয়াৰী খেলৰ ভিতৰত জোৰ্ঠগোষ্ঠী হিচাপে বৰ গয়াৰী হোৱাটো পতিয়নযোগ্য নহয়। কাৰণ এটা গোষ্ঠীৰ ভিতৰতে 'বৰ', 'সৰু' পৃথক পৃথক শ্ৰেণী থকা সামগ্ৰিক বড়ো সমাজত উদাহৰণ নাই। ড° সান্যালে আন এঠাইত বৌৰ গাওৱাৰীগোষ্ঠীক মণ্ডলগোত্ৰ বা গাঁৱৰ বৰমূৰীয়া বুলি মন্তব্য কৰিছে।

ওপৰত সন্নিৱিষ্ট বাইশটা আৰীৰ বাহিৰেও বড়ো সমাজৰ কোনো কোনোৱে লাওৱাৰী, ওজ্ৰামাৰী, চৰাহাৰী আৰু খাপ্লাওৱাৰী আদি উপাধি লিখে। খাপ্লাওৱাৰী পৰিয়াল বঙ্গালাইগোষ্ঠী অৰ্থাৎ বঙ্গালাই খেখিয়াক বুলি পশ্চিম বংগৰ বড়ো-মেচসকলৰ মাজত পৰিচিত।

নগেন্দ্ৰনাথ বসুৰ বিশ্বকোষত উল্লেখ কৰা আছে যে অসমৰ মেচসকল চাৰিটা শ্ৰেণীত বিভক্ত। যেনে — ১) অগ্ৰিয়া ২) থাংফাই ৩) অসামী আৰু ৪) কাছাৰী। এই চাৰিটা শ্ৰেণীক আকৌ "অগ্ৰিয়া" আৰু "জাতি" বুলি দুটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। তেখেতৰ মতে পশ্চিমবংগৰ মেচসকলৰ মাজত বাৰটা গোষ্ঠী আছে। যেনে— ১) নমুয়াথা ২) ঈশাৰী ৩) মহাৰী ৪) নাৰ্জিনাৰী ৫) ফাদমাৰী ৬) চৰায়াৰী ৭) দিদিঙাৰী ৮) নাৰাঙাৰী ৯) চংক্ৰাঙাৰী ১০) চংফাথাং ১১) কুটাকাৰী আৰু ১১) বামুদা। এইকেইটা গোত্ৰৰ ভিতৰত নৰাজাৰী, চংফাথাং, বামুদা আৰু কুটাকাৰী গোত্ৰ অসমৰ বড়ো জনজাতিৰ মাজত শুনিবলৈ পোৱা নাযায়।

বড়ো জনগোষ্ঠীৰ মানুহ ডিমাছা-কছাৰীসকলৰ ভিতৰত চেংফং (চেম্ফং) আৰু জুলুক নামে দুটা খেল বা শ্ৰেণী আছে। তেওঁলোকৰ শ্ৰেণীবিভাগৰ প্ৰথা অদ্ভুত। পিতৃ আৰু মাতৃ পৰিয়ালৰ বংশানুক্ৰমে পৃথক পৃথক খেল। অসম আৰু পশ্চিম বংগৰ জনজাতীয় বড়ো সমাজৰ ভিতৰত ডিমাছাসকলৰ বাহিৰে পুৰুষ আৰু তিৰোতাভেদে খেলৰ বিভাগ শুনিবলৈ পোৱা নাযায়। প্ৰাচীন কালত ডিমাছাসকলৰ মাজত পৃথক পৃথক খেল নাছিল বুলি উপেন্দ্ৰচন্দ্ৰ গুহ ডাঙৰীয়াই "কাছাড়েৰ ইতিবৃত্ত" কিতাপত মন্তব্য প্ৰকাশ কৰিছে। এই জনতত্ত্ব সন্ধানীৰ উক্তি মতে ডিমাপুৰত কছাৰীসকলে ৰাজত্ব কৰা কালৰপৰাহে তেওঁলোকৰ মাজত যোৱলী খেলৰ সৃষ্টি। পুৰুষৰ খেলক 'চেংফা' (কোনো কোনোৰ মতে চেম্ফং) আৰু তিৰোতাৰ খেলক 'জুলুক' বা 'জুলু' বুলি অভিহিত কৰা হয়। কালৰ সোঁতত আকৌ বাৰটাৰপৰা চেংফং আৰু জুলুকৰ সংখ্যা যথাক্ৰমে ৪০ টা আৰু ৪২ টালৈ বৃদ্ধি পায়।[10]

[10] উপেন্দ্ৰচন্দ্ৰ গুহ, কাছাড়েৰ ইতিবৃত্ত, পৃ: ১০৩

শ্ৰী বি, এন, বৰদলৈ ডাঙৰীয়াই কিন্তু ওপৰত উল্লেখ কৰা মন্তব্য মানি ল'ব খোজা নাই। তেখেতৰ মতে ডিমাছা কছাৰীসকলৰ প্ৰাচীন কালৰপৰাই খেল বিভাগ আছিল। তেখেতে যুক্তি দাঙি ধৰিছে যে খেলবিহীন কোনো এটা জাতিৰ কথা ভাৱিব নোৱাৰি। অসবৰ্ণ বিবাহ (Exogamy) থাকিলে খেল থকাটো স্বাভাৱিক। যদি প্ৰাচীন কালৰপৰা ডিমাছাসকলৰ মাজত খেল বিভাগ নাথাকিলেহেঁতেন, তেন্তে বৰ্তমান তেওঁলোকৰ মাজত স্বগোত্ৰৰ লগত বিবাহ নিষিদ্ধ ইমান কটকটীয়া নহ'লহেঁতেন। গতিকে অতীজৰেপৰা ডিমাছাসকলৰ মাজতো স্ববংশ অৰ্থাৎ পিতৃ-মাতৃ খেলৰ বাহিৰে বিবাহ কৰা প্ৰথা আছিল আৰু বিভিন্ন খেল আদিও আছিল। তেখেতৰ মতে কেৱল ষোলটা খেলেই নহয় বৰ্তমানৰ গোটেই খেলেই আগৰেপৰা আছিল। কাৰণ খেলৰ সংখ্যা পিছতহে বৃদ্ধি হোৱা বুলি ক'লে বৰ্ধিত খেলবোৰক উপখেল (Sub-clause) বুলিহে ক'ব লাগিলেহেঁতেন; কিন্তু উপখেল বুলি তেওঁলোকৰ মাজত কোনো কথা নাই। আটাইবোৰেই সমপৰ্যায়ৰ খেল আৰু আটাইবোৰ খেলেই প্ৰাচীন কালৰেপৰা চলি আহিছে বুলি বৰদলৈ ডাঙৰীয়াই দৃঢ় মন্তব্য দাঙি ধৰিছে।[১১]

ওপৰত প্ৰকাশ পোৱা চেংফঙৰ ৪০ টা খেলৰ ভিতৰত হাচাওচা বা হাচুমছা (ৰাজবংশ), খেমফ্ৰাইছা (ৰাজ ভাণ্ডাৰী), আখেৰছা (মন্ত্ৰী), ছাক মাওছা (মালী), ডাওলা গুমুছা (কৰ্মকাৰ), হাগজেৰছা (কটকী), থাওছেনছা (ৰাজপৰিয়াল), ডিপুছা (কাকতী), বড়ছা, লাংৰাছা, ডাওলা গাজাওছা, মাইবাংছা, বিয়াওছা আৰু লাওবাংডিছা ইত্যাদি ইত্যাদি। আনফালে জুলুক-গোষ্ঠীৰ ভিতৰত মাইবেং, মাইবেং গেডেবা, বাইবেংছা, বাইবেংমা, মাদাইমা, মিয়ুংমা ডাওগা, মিয়ুংমা গেডেবা, ৰাজামা, ডাংলাইমা খাচেবা, ডাংলাইমা ডাওগা, ডীয়ুংমা, বণছাইডিমা, বুগুমা, ছাইকুডিমা ইত্যাদি বিয়াল্লিশটা খেল আছে।

মন কৰিবলগীয়া কথা যে বিভিন্ন খেল থাকিলেও বড়ো সমাজত খেলভেদে বৈষম্য নাই। সকলো খেল সমপৰ্যায়ৰ। বিয়া-বাৰুৰ সন্দৰ্ভত পিতৃ-মাতৃ বংশব্যতীত দূৰ সম্পৰ্কৰ যি কোনো খেলৰ লগত বিয়া হোৱাত বাধা-নিষেধ নাই। যেনে—নাৰ্জাৰী খেলৰ ল'ৰাই নাৰ্জাৰী বা যি কোনো খেলৰ ছোৱালীক বিয়া কৰাব পাৰে। ল'ৰা-ছোৱালীয়ে পিতৃখেলৰ উপাধি গ্ৰহণ কৰে। ছোৱালীয়ে বিবাহিতা হলে পিতৃকুলৰ উপাধি এৰি স্বামীৰ উপাধি গ্ৰহণ কৰে। প্ৰসংগক্ৰমে ক'ব পাৰি যে বড়োজনগোষ্ঠীৰ ভিতৰত বৰ্তমান ধৰ্মৰ বিভিন্নতা থাকিলেও বিবাহৰ ক্ষেত্ৰত কোনো বাধা নিষেধ নাই।

ডিমাছা কছাৰী সমাজত একে খেলৰ মাজত দূৰ সম্পৰ্ক হলেও বিবাহৰ প্ৰচলন নাই। উদাহৰণস্বৰূপে থাওছেনছা খেলৰ ল'ৰাই থাওছেনছা পিতৃৰ ছোৱালীক বিয়া কৰিব নোৱাৰে। সেইদৰে মাইবেংমা মাতৃৰ জীয়েকৰ মাইবেংমা মাতৃৰ ল'ৰাৰ লগত বিয়া হ'ব নোৱাৰে। উল্লেখ কৰা যায় যে বিবাহৰ পিছতো তেওঁলোকৰ খেলৰ পৰিবৰ্তন নহয়। যেনে মাদাইমা মাতৃৰ জীয়েকৰ মাইবাংছা ল'ৰাৰ লগত বিয়া হলেও তাইৰ মাতৃখেল বিলুপ্ত নহয়। তাই মাদাইমা হিচাপে থাকি যাব। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ল'ৰাই পিতৃখেল আৰু ছোৱালীয়ে মাতৃখেল অনুসৰণ কৰে।

সমতলবাসী বড়ো-কছাৰী সমাজৰ উপাধিৰ পটভূমিত এটি কথা উল্লেখ কৰা যাব পাৰে যে তেওঁলোকৰ ভিতৰত যিসকলে ব্ৰহ্ম ধৰ্ম গ্ৰহণ কৰিছে তেওঁলোকে ব্ৰহ্ম উপাধি লিখে কিন্তু ব্ৰহ্ম

১১। B. N. Bordoloi, Dimasa Kacharis of The N. C. Hills District, P 39.



ধৰ্ম অৱলম্বন কৰিলেও কোনো কোনোৱে নামৰ শেহত আৰীৰ উপাধি লিখিবলৈ এৰা নাই। যেনে শ্ৰীমেদাম বসুমাতাৰী। তেওঁ ব্ৰহ্ম ধৰ্ম গ্ৰহণ কৰিছে, কিন্তু আৰীৰ নাম লিখিবলৈ এৰা নাই। দূৰ ভৱিষ্যতে আৰীৰ নাম বিস্মৃত হৈ যাব পাৰে এনে আশংকাত আৰীৰ সংৰক্ষণৰ উদ্দেশ্যে বহুতে নিজৰ নামৰ সোঁফালে আৰী অনুসাৰে উপাধি লিখিবলৈ এৰা নাই। কোনো কোনো বড়োৱে আৰীৰ নাম নিলিখি নিজৰ নামৰ শেহত জাতিগতভাৱে বড়ো উপাধিকে লিখে। উপাধি বড়ো হলেও মানুহ আৰীবিহীন হ'ব নোৱাৰে।

অসমৰ যিসকল বড়ো-কছাৰীয়ে নিজৰ ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰি শৰণীয়া বুলি পৰিচিত হৈছে তেওঁলোকে পূৰ্বপুৰুষৰ আৰী পৰিহাৰ কৰি দাস, চৌধুৰী, ডেকা, শৰণীয়া, ভঁড়ালী, হাজৰিকা, শইকীয়া আদি উপাধি গ্ৰহণ কৰিছে। উজনি অসমৰ কছাৰীসকলৰো সম্ভৱতঃ পূৰ্বপুৰুষৰ আমোলত নিজা আৰী আছিল; কিন্তু কালক্ৰমে জীৱিকাৰ প্ৰণালী, বেপাৰ-বাণিজ্য, কৰ্ম সংস্থান পদবি আৰু শাখা-উপশাখা অনুসাৰে সোণোৱাল, ঠেঙাল, শইকীয়া, হাজৰিকা, বৰা, বৰশইকীয়া, বৰুৱা আদি উপাধি লিখে। এই আটাইবোৰে যদি বড়ো জাতিৰে ঠাল-ঠেঙুলি হয় তেনেহলে তেওঁলোকৰো বড়ো সমাজৰ আৰী আছিল বুলি ভাবিবৰ থল নথকা নহয়।

শ্ৰীৰংবং তেৰাং

# কাৰবি কৃষ্টিৰ এখিলা পাত ঃ জাম্বিলী আথন

অসমৰ প্ৰত্যেক জনগোষ্ঠীৰেই নিজস্ব কৃষ্টি আছে। এই কৃষ্টিসমূহৰ বিকাশত ভৌগোলিক অৱস্থানৰ উপৰিও জনমানসৰ স্বকীয় চিন্তাধাৰা, গভীৰ জীৱন-বোধ আৰু একোটা জাতিৰ সমাজ গাঁথনিৰ মৌলিক গুণসমূহৰ অৱদান যথেষ্ট আছে। অসমত বসতি কৰি থকা কাৰবিসকলৰ সাংস্কৃতিক জীৱন-ইতিহাসতো বহু ত্যাগ আৰু সংস্কাৰৰ ফলতহে বৰ্তমান ৰূপত প্ৰতিষ্ঠিত হৈছে। বৰ্তমান সমাজ গাঁথনিৰ মূলত কপিলী নৈৰ দক্ষিণ অঞ্চলত অৱস্থিত হ'চ্ছেং আৰু উত্তৰ অঞ্চলৰ ৰেণ্টা — এই ঐতিহ্যমণ্ডিত কাৰবি ৰাজধানী দুখনৰ অৱদানক নুই কৰিব নোৱাৰি। ৰাজধানী দুখনৰ শাসনতন্ত্ৰই শৃংখলাবদ্ধ কাৰবি সমাজ এখন গঢ় লোৱাত সহায় কৰিলে। কাৰবি গাঁও-বোৰো ক্ৰমে ক্ৰমে যাযাবৰী স্বভাৱৰপৰা মুক্ত হৈ স্থায়ী গাঁৱলৈ ৰূপান্তৰিত হ'ল। নিয়ম-শৃংখলাৰ মাজেৰে সমাজ এখন গঢ় লোৱাৰ লগে লগে কৃষ্টিৰ বঠাঁইটো গজালি মেলিবপৰা পৰিবেশ এটাও আহৰণ কৰিব পৰা হ'ল। ৰংহ, কপিলী, জিলিং, বৰপানী এই নৈবেইখনৰ পৰশে কাৰবি কৃষ্টিক বিকাশ কৰাত সহায় কৰিলে। বিকাশপ্ৰাপ্ত কাৰবি কৃষ্টিৰ পূৰ্ণৰূপ "চমাংকান"ৰ চোতালত আত্মপ্ৰকাশ কৰিব পৰা হ'ল। ইহি আৰু অক্ৰম এক অপূৰ্ব সংমিশ্ৰণত ৰূপ পোৱা চমাংকান উৎসৱৰ তাৎপৰ্য বহুমুখী। ঐহিক জীৱনৰ মূল্যবোধৰপৰা আধ্যাত্মিক জীৱনৰ সূক্ষ্মতম চিন্তাধাৰালৈকে এই উৎসৱে সামৰি লৈছে। কাৰবি জাতিৰ সামগ্ৰীক ছবিখন দাঙি ধৰিব পৰা হেতুকে "চমাংকান" উৎসৱক কাৰবি কৃষ্টিৰ প্ৰাণ বুলি অভিহিত কৰিব পাৰি। আলোচ্য প্ৰবন্ধটিত এই উৎসৱৰে মাত্ৰ এটি বিষয়ে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

চমাংকানৰ চোতালত কাৰবি কৃষ্টিৰ বহুখিনি সমলেই থূপ খায়হি। এই সমলবোৰৰ মাজত "জাম্বিলী আথন" এক উল্লেখযোগ্য কৃষ্টিমূলক সম্পদ। বহা ফুলৰ "বোংৰই" নামৰ এক বিশেষ গছৰদ্বাৰা নিৰ্মিত "জাম্বিলী আথন"ৰ শিল্প-নৈপুণ্যৰ কাৰুকাৰ্য আৰু ইয়াৰ গভীৰ অৰ্থসূচক তাৎপৰ্যসমূহ বিশ্লেষণ কৰি চোৱাৰ অৱকাশ আছে। চমাংকান উৎসৱক যদি কাৰবি কৃষ্টিৰ প্ৰাণ বুলি ধৰা হয়, তেনেহ'লে কাৰবি কৃষ্টিৰ আত্মা হ'ল—জাম্বিলী আথন। সূক্ষ্মৰ মাজেদি বৃহৎ অৰ্থ বহন কৰিব পৰা হেতুকে ইয়াৰ সৃষ্টিৰ ৰহস্যও স্বপ্নময় কুঁৱলিৰে আচ্ছন্ন। বেংছেমন ইংতি নামৰ কোনোবা সংস্কৃতিবান কাৰবি পুৰুষে নিদ্ৰাৱস্থাত যমপুৰীত দেখি অহা এই প্ৰতীক চিহ্নক বাস্তৱ পৃথিৱীৰ উপযোগীকৈ হেনো সজাই তুলিছিল। ইহলোক আৰু পৰলোকৰ মাজত যোগসূত্ৰ স্থাপনাৰে এই প্ৰতীক তিনিওবিধ চমাংকান উৎসৱতে ব্যৱহাৰ কৰিবলৈ স্বয়ং যমৰাজে বেংছেমনক নিৰ্দেশ দিছিল।



ধ্যানদেশ মতেই তেওঁ কাৰবি সমাজলৈ এই বৈচিত্ৰ্যময় সাংস্কৃতিক সম্পদক আগবঢ়ালে। এই সপোনৰ বাস্তৱ অৰ্থ যিয়েই নেথাকক লাগে, জাম্বিলী আথনৰ শিল্প কলা আৰু ইয়াৰ সূক্ষ্ম অৰ্থ অতি তাৎপৰ্যপূৰ্ণ। সমগ্ৰ কাৰবি জাতিটোৰ জাতীয় চেতনাত কলাৰ মাধ্যমেদি আত্মপ্ৰকাশক প্ৰতীকীৰূপেই থিয় দিব পাৰিছে।

জাম্বিলী আথনৰ শিল্পীসুলভ পৰিকল্পনা আৰু কলাৰ গভীৰ সমন্বয়ত প্ৰস্ফুটিত প্ৰতীকৰ মাজেৰে কাৰবি বাটেজনবো শিল্পজ্ঞানৰ স্বাক্ষৰ বহন কৰিছে। প্ৰতীকৰ প্ৰতি অংশত মসৃণ কাৰুকাৰ্য, গভীৰ অৰ্থসূচক অলংকৰণ আৰু ৰঙৰ অভূতপূৰ্ব সংযোজন ইয়াৰ মন কৰিবলগীয়া বিশেষত্ব; পৰিচিত প্ৰকৃতি জগতখনৰপৰাই কাৰবি শিল্পীয়ে সৌন্দৰ্যৰ আকৰবোৰ বুটলি আনি তাঁতশাল আৰু কাঠ-বাঁহৰ ওপৰত নতুনকৈ সজাই সৃষ্টিৰ আনন্দ উপলব্ধি কৰে। জাম্বিলী আথনৰ ৰূপ কল্পনাত নিশ্চয় গছ এজোপাৰ সৌন্দৰ্যলৈ সততে চকু ৰাখিছিল। উক্ত গছজোপাতকৈ চৰাই-চিৰিক-টিৰে ভৰি থকা গছজোপা আটাইতকৈ ফলৰপৰা অধিক অৰ্থব্যঞ্জক। কাৰবিসকলৰ বৃহৎ লংৰি অৰ্থাৎ অঞ্চল তিনিটা হ'ল যথাক্ৰমে চিন্‌থং ৰংহাং আৰু আমৃি। এই অঞ্চলসমূহৰ সামাজিক মান অনুসৰি জাম্বিলী আথনৰ ডালবোৰৰ সমন্বয় ৰক্ষা কৰা হ'ল। এই ডালবোৰত শোভাবৰ্ধন কৰাবলৈ পৰিচিত পক্ষীজগতৰপৰা সংগ্ৰহ কৰা হৈছে। জাম্বিলী আথনৰ প্ৰতীকৰূপী ডালবোৰৰ অৰ্থৰ লগত সামঞ্জস্য ৰাখি চৰাইবোৰ নিৰ্বাচন কৰা হৈছে। জাম্বিলীৰ মূল ডালত ৰ'জাৰ অৰ্থাৎ ভীমৰাজ চৰায়েহে উপবেশন কৰে। ইয়াৰ অন্যান্য ডালবোৰত জেতুকৰাৰি (এবিধ সৰু ক'লা ৰঙৰ চৰাই) আদিয়ে স্থান লয়হি। মূল গা-গছডালত বগাই যোৱাকৈ কাঠঠোকা চৰাইৰ চিত্ৰ অংকণ কৰা হয়। এই চৰাইবোৰৰ নিজা কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য আছে আৰু সেইবোৰ কাৰবি শাসনতন্ত্ৰৰ বিষয়ববীয়া সকলৰ কাৰ্যক্ষেত্ৰৰ লগত যথেষ্ট মিল থকা দেখা যায়। জাম্বিলীৰ ৰূপ কল্পনা কৰোঁতে, কাৰবি শিল্পীজনে প্ৰকৃতি জগতখনত থকা এনে অৰ্থব্যঞ্জক ছবিখনলৈহে চকু দিছিল বুলি ভবাৰ যুক্তি যথেষ্ট আছে।

গছৰূপী জাম্বিলীৰ ৰং নিৰ্বাচনতো শিল্পীজনে গভীৰভাৱে চিন্তা কৰিছিল আৰু ক'লা ৰঙকে উৎকৃষ্ট বুলি ভাবিছিল। ক'লা ৰঙৰ প্ৰতি কাৰবিসকলৰ দুৰ্বলতা আছে। সৌন্দৰ্য উপলব্ধিত নাৰীয়ে সদায় আগভাগ লোৱা দেখা যায়। কপালৰপৰা থুঁতৰিলৈকে ক'লা ৰঙৰ "দুক্" আঁকি কাৰবি গাভৰুৱে সৌন্দৰ্যৰ পৰিচয় দাঙি ধৰে। কাৰবি নাৰী আৰু পুৰুষ উভয়েই দাঁত দুপাৰি ছাইকৰ এঠাৰে বোলাই ক'লা কৰি দাঁতৰ সৌন্দৰ্য প্ৰকাশ কৰে। কাৰবি তাঁতশালৰ বিভিন্ন কাপোৰতো ক'লাৰঙৰ সপোন ৰচে। ক'লাৰঙৰ পিনী ( মেখেলা ) আৰু জীৰ' ( মেঠনি ) পিন্ধি কাৰবি নাৰীয়ে প্ৰসাধন কৰে। সকলোৱে আদৰ কৰা এই ক'লা ৰঙকেই জাম্বিলীৰ শিল্পতত্ত্বক সমুজ্জ্বল ৰূপত প্ৰদৰ্শন কৰা হ'ল। জাম্বিলীৰ অংগ-প্ৰত্যংগৰ বিবিধ ৰঙৰ মণি আৰু কড়িৰে অলংকৰণৰ পূৰ্ণ ৰূপ দি স্বপ্নসৃষ্ট এই প্ৰতীক বাস্তৱ ৰূপত ফুটাই তুলিলে। চকুৰে নেদেখা যমপুৰীৰ ছবিখন আমাৰ মনত সদায়েই অন্ধকাৰ। গতিকে জাম্বিলীৰ ক'লা ৰঙে বেংছেমন ইংতিয়ে দেখা যমপুৰীৰ ছবিখনক জনমানসৰ অন্তৰত প্ৰতীকী কৰাবলৈ সহজ হ'ল। প্ৰতীকত দিয়া ক'লা ৰঙৰ দাৰ্শনিক তাৎপৰ্য এয়েই।

জাম্বিলী আথনৰ শিল্প চেতনাতকৈয়ো অধিক গুৰুত্বপূৰ্ণ দিশ হ'ল—ইয়াৰ প্ৰতীক অৰ্থ। ইয়াৰ শিল্প কাৰ্য যিমান অৰ্থবহ, প্ৰতীকী অৰ্থও সিমানেই তাৎপৰ্যপূৰ্ণ। জাম্বিলী আথনৰ প্ৰতিটো ডাল আৰু কাৰুকাৰ্যৰে

খচিত চৰাইবোৰে একোটা অৰ্থ সূচনা কৰিছে। গতিকে জাম্বিলী আথনৰ সামগ্ৰীক অৰ্থলৈ চালে, ইয়াক কাৰবি সমাজৰ প্ৰতীক বুলিহে ক'ব পাৰি। প্ৰাচীন কাৰবি সমাজতন্ত্ৰৰ পূৰ্ণাংগ ছবিখন এই প্ৰতীকেই বহন কৰিছে। সামাজিক দৃষ্টি-ভংগীৰে বিচাৰ কৰিলে জাম্বিলীত হাবে, পিনপ', লিন্দকপ'ৰে গঠিত সমাজতন্ত্ৰৰ বিষয়াসকলৰ ছবিহে চকুৰ আগত দেখা দিয়েহি।

কাৰবি লংৰিৰ মৰ্যাদা অনুযায়ী জাম্বিলীবো ডাল থকা বুলি আগতে উল্লেখ কৰিছোঁ। ৰংহাং (বৰ্তমান ৰংখাং) অঞ্চলত লিন্দক চাৰিজন। গতিকে এই অঞ্চলৰ জাম্বিলী আথনৰ ডাল হ'ল চাৰিটা। এই ডাল চাৰিটাই লিন্দকৰ প্ৰতিনিধিত্ব কৰিছে। ভীমৰাজ চৰায়ে উপৱেশন কৰা মূল ডালটো লিন্দকপ অৰ্থাৎ কাৰবি ৰজা ৰংহাং লিন্দকৰ প্ৰতীকস্বৰূপে প্ৰকাশ পাইছে। ৰংহাং অঞ্চলতকৈ চিনুথং অঞ্চলত লিন্দকৰ সংখ্যা কম। এই অঞ্চলৰ জাম্বিলীত তিনিটাহে ডাল থাকে। এই তিনিটা ডালৰ অৰ্থ তিনিজন লিন্দকৰ কথাকেই সূচনা কৰিছে। আমৃৰি অঞ্চলৰ জাম্বিলীত মুঠ ডাল দুটাহে। এই অঞ্চলত লিন্দকো দুজনহে। এনে অৰ্থতহে জাম্বিলীৰ ডাল নিৰ্ধাৰণ কৰা হৈছে। কিলিং অঞ্চলত লিন্দকৰ আসন নথকা বাবেই এই অঞ্চলত জাম্বিলী আথনৰ প্ৰয়োজন সম্ভৱ নহ'ল। হাবে-পিনৰ' নথকা নিলীপ-লুম্বাজং অঞ্চলৰ বাইজে ৰংহাং অঞ্চলৰ শাসন ব্যৱস্থাকে গ্ৰহণ কৰিছে। ৰংহাং অঞ্চলৰ লগত শাসনৰ সামঞ্জস্য ৰক্ষা কৰা হেতুকে এই অঞ্চলৰ জাম্বিলী আথনৰ ডাল চাৰিটা দেখা যায়। এই সমগ্ৰ লংৰিৰ জাম্বিলীৰ মূলত ভীমৰাজ চৰায়েহে শোভাবৰ্ধন কৰে। ইয়াৰ প্ৰতীকী অৰ্থ হ'ল এয়ে যে সমগ্ৰ কাৰবি সমাজখনক ঐক্যতা ৰক্ষা কৰিবলৈ ৰংহাং লিন্দকৰে গঠিত শাসনতন্ত্ৰক স্বীকৃতি দিয়া। সমাজৰ ঐক্য, শৃংখলা, নীতি-নিয়মেৰে সঞ্জীৱিত কৰিবলৈ হ'লে এই পন্থাই শ্ৰেষ্ঠতম বুলি জাম্বিলীৰ প্ৰতীকেৰে বুজাবলৈ চেষ্টা কৰা হৈছে।

কাৰবি সমাজতন্ত্ৰৰ বিষয়াসকলৰ কাৰ্য-প্ৰণালীৰ লগত জাম্বিলী আথনত স্থান পোৱা চৰাইবোৰৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কিছু সাদৃশ্য থকা দেখা যায়। চৰাইৰ ভিতৰত ভীমৰাজ চৰাইৰ আদৰ কাৰবি সমাজত বেছি ৰকমে দেখা যায়। কাৰবি যুৱকৰ চুলিৰ খোপাত শোভাবৰ্ধন কৰাবলৈ এই জাতৰ চৰাইৰ দীঘল নেজহে ব্যৱহাৰ কৰে। ভীমৰাজ চৰাইৰ নেজ চুলিত গোঁজ মাৰি চমাংকানৰ চোতালত নৃত্য কৰোঁতে, ডেকাজনে নিজকে গৌৰৱবোধ কৰে। এনে নেজ পৰিহিত যুৱকজনে সমাজত নেতৃত্বৰ সন্মানো লাভ কৰে। ভীমৰাজ চৰাইৰ কিছুমান মন কৰিবলগীয়া বিশেষত্ব আছে। সেইবোৰৰ ভিতৰত নেতৃত্বৰ দায়িত্ব লৈ পক্ষীৰ দলক পৰিচালনা কৰাটো এক উল্লেখযোগ্য দিশ। এইবিধ চৰাইৰ লগত বহুতো পালি-পহৰীয়া চৰায়ে দলবদ্ধভাৱে অনুসৰণ কৰা দেখা যায়। বিভিন্ন চৰাইৰ দল লৈ অৰণ্যত বিচৰণ কৰা চৰাইৰ ভিতৰত ভীমৰাজ চৰাই পক্ষী-জগতত এক ব্যতিক্ৰম। নেতৃত্বৰ গুণৰ লগত সাদৃশ্য ৰাখি, কাৰবি ৰজা লিন্দকপ'ৰ প্ৰতীকৰূপে জাম্বিলীৰ মূলত এইবিধ চৰাইক প্ৰতিষ্ঠিত কৰিলে। ফে'চু আৰু ৰ'ৰালি চৰাইবোৰৰ গাটো অনিষ্টকাৰী চৰাইবোৰক খেদিবপৰা ক্ষমতা থকা দেখা যায়। এনে ধৰণৰ সাদৃশ্য থকা বাবেই ৰজাৰ তলৰ বিষয়া লিন্দক, হাবে-পিনপ' এইসকলৰ প্ৰতীকৰূপে জাম্বিলীৰ ডালবোৰত এনে জাতৰ চৰাইক আদৰা হ'ল। এইকেইটাৰ উপৰিও জাম্বিলীৰ গাত লাগি থকা বাটেৰটোকা চৰাইৰ নিৰ্বাচনত কাৰবি শিল্পীক শলাগিবলগীয়া। গছৰ যি কোনো অৱস্থাতেই নহওক, এইবিধ চৰায়ে অতি সহজতে খোপনি ধৰি পোক-পৰুৱা সংগ্ৰহ কৰিব পাৰে। এইবিধ চৰাইৰ পাখিৰ ৰং বৈচিত্ৰ্যময়। ইয়াৰ মূৰত থকা ৰঙচুৱা ৰঙৰ ফুলৰ সংকোচন আৰু সম্প্ৰসাৰণ কৰিব পৰা কাৰ্যই কাৰবি শিল্পীক আকৰ্ষণ কৰিছিল। এনে বৈচিত্ৰ্যময় চৰিত্ৰৰ এই চৰায়ো এক ব্যতিক্ৰম। এইবিধ চৰাইৰ লগত কাৰবি শাসন-তন্ত্ৰৰ অতি প্ৰয়োজনীয় বিষয়া ফেৰাংকেৰ প্ৰতীক-ৰূপে জাম্বিলী আথনত সংযোজন কৰিছে বুলি ধাৰণা হয়। যিমানেই কঠিন কাম নহওক, লিন্দ-কপ'ৰ কাৰ্য সম্পাদনত ফেৰাংকেজনে কুণ্ঠাবোধ নকৰে। এনে ধৰণৰ সাদৃশ্য থকা হেতুকে, বাটেৰটোকা চৰাইক ফেৰাংকেৰ প্ৰতীকৰূপে ইয়াত সংস্থাপন কৰা হৈছে।



এনে বিশ্লেষণৰপৰা এইটোৱেই ধাৰণা হয় যে দূৰ-দৃষ্টিসম্পন্ন কলাসাধক বেংছেমন ইংতিয়ে সপোনত পোৱা এই আপুৰুগীয়া সাংস্কৃতিক সম্পদৰ মূল তাৎপৰ্য হ'ল—ইয়াৰ প্ৰতীকীত। জাম্বিলী আথনক কাৰবি সমাজতন্ত্ৰৰ Symbolical representation বুলি ক'লে সম্ভৱ ভুল নহ'ব। মৃতকৰ আত্মাৰ সদ্গতিৰ কাৰণেই এই চমাংকান উৎসৱ। হাঁহি আৰু অশ্ৰুৰ মায়াজালেৰে সৃষ্টি হোৱা চমাংকানৰ চোতালত ৰজা-প্ৰজা সকলোৰে একেৰি সহানু-ভূতিৰে মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰাই হৈছে ইয়াৰ আধ্যাত্মিক মূল্য। কাৰবি জাতিৰ সমাজ, সংস্কৃতি, আধ্যাত্মিক জীৱনৰ মূল্যায়নেৰে সমুজ্জ্বল ৰূপত আত্মপ্ৰকাশ কৰিব পৰাকৈ এই জাম্বিলী আথনৰ সৃষ্টি হ'ল বুলি ভবাৰ যুক্তি আছে। সেয়েহে সম্ভৱ আজিকোপতি কাৰবি সমাজতন্ত্ৰৰ মূল গাঁথনিলৈ দৃষ্টি ৰাখি, পাঁচটা তামোল আৰু পাঁচখিলা পাণেৰে জাম্বিলীক সেৱা জনাই চমাংকান উৎসৱত অংশ গ্ৰহণ কৰিব পৰা নিয়ম মানি চলা দেখা যায়। জাম্বিলী আথনৰ মৌলিক তাৎপৰ্য ইমানেই বুলি ধাৰণা হয়।

——

শ্ৰীনাহেন্দ্ৰ পাদুন

# মিচিং ভাষাত অংগ-প্ৰত্যংগবাচক শব্দ

মানুহ বুলিলে হাত, ভৰি, নাক, কাণ যুক্ত সকলো অংগ-প্ৰত্যংগৰে পৰিপূৰ্ণ এজন ব্যক্তিক বুজায়। এই মানুহেই ব্যৱহাৰ ভাবৰ ধ্বনি প্ৰতীক হৈছে ভাষা। সেই কাৰণে প্ৰত্যেক ভাষাতেই শৰীৰৰ অংগ-প্ৰত্যংগ বুজাব পৰা পৰ্যাপ্ত পৰিমাণৰ শব্দ পোৱা যায়। শৰীৰৰ অংগ-প্ৰত্যংগ বুজাব পৰা শব্দৰ অভাৱত সাধাৰণতে এটা ভাষাই আন এটা ভাষাৰপৰা শব্দ ধাৰ নকৰে। লিখিত বা অলিখিত সকলো ভাষাত প্ৰয়োজন অনুসৰি শৰীৰৰ অংগ প্ৰত্যংগ বুজাবপৰা শব্দ আছে। কোনো কোনো ভাষাত শৰীৰৰ অংগ-প্ৰত্যংগ বুজোৱা শব্দৰ বাদেও এইবোৰৰপৰা নানা ধৰণৰ শব্দাংশ, খণ্ডবাক্য, জতুৱা ঠাঁচ আদি সৃষ্টি কৰি লোৱা দেখা যায়।

মিচিং ভাষাতো শৰীৰৰ অংগ-প্ৰত্যংগ বুজোৱা শব্দ পৰ্যাপ্ত পৰিমাণে আছে আৰু সেই সেই শব্দবোৰৰপৰা নানা ধৰণৰ শব্দাংশ, বাক্যাংশ, খণ্ডবাক্য, জতুৱা ঠাঁচ আদি গঠন কৰি লোৱা দেখা যায়। এই প্ৰবন্ধত মিচিং ভাষাত ব্যৱহৃত অংগ-প্ৰত্যংগ-বাচক শব্দৰ গঠন আৰু সেইবোৰৰপৰা গঠিত জতুৱা ঠাঁচৰ বিষয়ে আভাস দিবলৈ যত্ন কৰা হৈছে।

মিচিং ভাষাত শৰীৰৰ অংগ-প্ৰত্যংগবাচক শব্দ গঠনৰ এটা বিশেষ নিয়ম দেখা যায়। সাধাৰণতে শৰীৰৰ প্ৰধান অংগ—যেনে হাত, ভৰি, মূৰ আদি (major parts of the body) বুজাবলৈ মূল ধাতু বা প্ৰাতিপাদিকৰ আগত 'আ' পূৰ্বপ্ৰত্যয় (prefix) সংযোগ কৰি জাতিবাচক বিশেষ্যৰ দৰে গঠন কৰা হয়। আকৌ হাত, ভৰি, মূৰ আদিৰপৰা সেইবোৰৰ ক্ষুদ্ৰাংশ (minor parts of the body) বুজাবলৈ মূল ধাতু বা প্ৰাতিপাদিকটো আগত ৰখাই সেই-বোৰৰ লগত বেলেগ বেলেগ বৰ্ণনাত্মক পৰ-প্ৰত্যয় (descriptive suffix) সংযোগ কৰি গঠন কৰা হয়। কথাখিনি সহজে বুজিবলৈ কেইটামান উদাহৰণ লোৱা যাওক। যেনে—

| মিচিং শব্দ | অসমীয়া অৰ্থ |
|---|---|
| আতুগ্ | মূৰ |
| আলাগ্ | হাত |
| আলী | ভৰি |
| আকিঃ | পেট |

এই উদাহৰণৰ প্ৰতিটো শব্দৰ আগত 'আ' পূৰ্ব-প্ৰত্যয় বা উপসৰ্গ সংযোগ হৈছে। 'আ' অক্ষৰ অৰ্থাৎ পূৰ্ব প্ৰত্যয় বাদ দিলে শব্দবোৰৰ ধাতু বা প্ৰাতিপাদিক পোৱা যায়। শৰীৰৰ ক্ষুদ্ৰাংশ বুজাবলৈ সেই প্ৰাতিপাদিকবোৰ শব্দৰ আগত ৰাখি বিভিন্ন বৰ্ণনাত্মক প্ৰত্যয় সংযোগ কৰি শব্দ গঠন কৰিব পৰা যায়। যেনে—





তুক্তা — কপাল
লাক্প — হাতৰ তলুৱা
লীপ — ভৰিৰ তলুৱা বা খোজ
কিঃপম্ — পেটুৱা, ইত্যাদি

চমুকৈ ক'বলৈ হ'লে এইদৰে ক'ব পাৰি যে (১) জাতিবাচক বিশেষ্য শব্দৰ গঠন—পূৰ্বপ্ৰত্যয়+ধাতু বা প্ৰাতিপাদিক; যেনে—আ+ √লাগ্=হাত (২) জাতিবাচক বিশেষ্যৰপৰা শ্ৰেণীবাচক (Class) বিশেষ্য শব্দৰ গঠন=ধাতু বা প্ৰাতিপাদিক+বৰ্ণনা-ত্মক প্ৰত্যয়; যেনে—√লাগ্–কেং=লাক্কেং= আঙুলি।

এই পদ্ধতিৰে মিচিং ভাষাত শৰীৰৰ অংগ-প্ৰত্যংগ বুজোৱা শব্দবোৰ কি কি গঠিত হৈছে তাৰ এটি চমু আভাস তলত দিয়া হ'ল। বন্ধনীৰ ভিতৰত ধাতুৰ মূল আৰু অৰ্থ দিয়া হৈছে। একাধিকবাৰ অৰ্থ উল্লেখ কৰা শব্দৰ ক্ষেত্ৰত পিছলৈ অৰ্থ দেখুওৱা হোৱা নাই।*

১। মূৰ: মিচিং ভাষাত 'মূৰ' বুজাবলৈ 'আতুগ্' বা 'মিত্তুগ্' শব্দ ব্যৱহাৰ হয়। মূৰৰ অন্যান্য অংগ-প্ৰত্যংগ বুজাবলৈ 'আ' আৰু 'মিত্' অক্ষৰ অৰ্থাৎ পূৰ্বপ্ৰত্যয় বাদ দি মূল ধাতু 'তুগ্'ৰে আৰম্ভ হয়। 'তুগ্'ৰ লগত বিভিন্ন প্ৰত্যয় যোগ হৈ আন আন শব্দ সৃষ্টি হৈছে। যেনে:

| মিচিং শব্দ | অসমীয়া অৰ্থ |
|---|---|
| *আতুগ্ | মূৰ |
| মিত্তুগ্ | মূৰ |
| তুক্কু | মূৰ |
| তুক্তা | কপাল |
| তুগ্য়ং (য়ং=দীঘল) | দীঘল মূৰ |
| তুগ্য়ম্ (য়ম্=দীঘলীয়া) | দীঘলীয়া মূৰ |
| তুগ্দীং (দীং=চুটি) | চুটি মূৰ |
| তুক্কুত্ (কুত্=টকলা) | টকলা মূৰ |
| তুগ্লগ্ (লগ্=টপা) | টপা মূৰ |
| তুক্চিগ্ (আচিগ্=ছাল) | কপালৰ ছাল |
| তুক্কা (কা<য়াকা=ক'লা) কপালৰ ক'লা | দাগ/ৰেখা |
| তুক্কীম্ (কীম্=বেঁকা) | বেঁকা মূৰ |
| তুগ্লীম্ (লীম্=বেঁকা, এঢলীয়া) | এঢলীয়া মূৰ |
| তুগ্লং (আলং>লং=হাড়) | মূৰৰ লাওখোলা |

'আতুগ্' শব্দৰপৰা বেলেগ বেলেগ খণ্ডবাক্য আৰু জতুৱা ঠাঁচো গঠন হ'ব পাৰে। যেনে:

অকুম্ তুক্কু (ঘৰৰ মূৰ) ঘৰৰ মূৰব্বী, প্ৰধান গিৰিহঁত,
তুক্কু কামাঃনৌ (মূৰ নাইকিয়া) চিন্তা কৰিব নোৱাৰা, নিৰ্বোধ, নিৰ্লজ্জ।
তুক্চিগ্ কামাঃনৌ (কপালৰ ছাল নোহোৱা) লজ্জাহীন
তুক্কু গুম্চাং (মূৰ দণ্ড) সকাহ পোৱা, আৰোগ্য হোৱা
তুক্কু গুম্মাব্ (মূৰ তল কৰা) বিনয়ী হোৱা, অপৰাধ স্বীকাৰ কৰা।

২। 'গুম্পং'—অৰ্থ মূৰ। সম্ভৱতঃ ই 'আগুম্' শব্দৰ-পৰা আহিছে। 'আগুম্' শব্দই সমষ্টি, গোট বা একেলগে থুপ খাই থকা বুজায়। এই আগুম্ শব্দৰ 'আ' পূৰ্বপ্ৰত্যয় বাদ দি 'গুম্' ধাতু হিচাপে ব্যৱহাৰ কৰি আন প্ৰত্যয়ৰ যোগত বেলেগ বেলেগ শব্দ গঠন কৰা হয়। যেনে—

---

*ইয়াত ব্যৱহৃত ধ্বনি লিপি লেখকৰ "মিচিং ভাষাৰ লিপি —এটি পৰীক্ষামূলক আঁচনি" গ্ৰন্থৰ আহিত দিয়া হৈছে।
•তুগ্~তুক্। পৰৱৰ্তী অক্ষৰৰ পূৰ্বধ্বনিৰ প্ৰভাৱত সমীভৱনৰ ফলত গ>ক হয়। এই সমীভৱন ঘোষ+ঘোষ=ঘোষ, অঘোষ+ঘোষ=ঘোষ, অঘোষ+অঘোষ=অঘোষ, ঘোষ+অঘোষ=অঘোষ হোৱা দেখা যায়।

হুম্পং মূৰ

হুম্পাং (পাং = পথাৰিকৈ থোৱা) মূৰ-শিতান, গাৰু।

হুম্ভান (ভান্ = অতিৰিক্ত, বেছি অৰ্থত) ঐ

হুম্মুৰ্ (মুৰ্ = সুমুৱাই দিয়া) মূৰৰ টুপী

হুম্লুৰ্ (লুৰ্ = সুমুৱাই দিয়া) ঐ

৩। 'আমুদ্' শব্দৰ সাধাৰণ অৰ্থ নোম। আমুদ শব্দৰ 'আ' বাদ দি আন শব্দ গঠন কৰা হয়। যেনে—আহুম্ + আমুদ্ = 'হুমুদ্' মূৰৰ চুলি। ইয়াৰ দুয়োটা শব্দৰ পূৰ্বপ্ৰত্যয় 'আ' লুপ্ত হৈছে। 'হুমুদ্' শব্দও কোনোবাৰ সংকুচিত হৈ কেৱল 'হুম্' থাকেগৈ। যেনে—

আহুম্ + আমুদ্ = হুম্ + মুদ = হুমুদ্ = মূৰৰ চুলি।

হুম্লাব্ (লাব্ = চিকুণ, মিহি কৰা) = কপৌৱৰা, দীঘল চুলি।

হুম্চৰ্
হুম্চল্ } (চৰ্ ~ চল্ = খোলা, মেলি দিয়া) = মূৰৰ মেলা চুলি, খোপা নবন্ধা চুলি।

হুম্দোং (দোং = চুটি) = চুটি চুলি

হুম্ৰব্ (ৰব = বহল, মেলা) = মেলা চুলি, বহলাই থোৱা চুলি

হুম্বুং (বুং = পৰিপূৰ্ণ) = জপৰা চুলি।

হুম্ৰাগ্ (ৰাগ = ঘূৰণীয়াকৈ কটা) = মূৰৰ চাৰিওফালে ঘূৰণীয়াকৈ কটা চুলি।

হুম্কোল্ (কোল্ = কেঁকোৰা, পকোৱা) = কেঁকোৰা চুলি

হুম্কোৰ (কোৰ = কেঁকোৰা, পকোৱা) = ঐ

হুম্ভোগ্ (ভোগ্ = কটা) = চুটিকৈ কটা চুলি

হুম্তুংগ্ (তুংগ্ = ওকণি) = মূৰৰ চুলিৰ ওকণি

(৪) 'আমিগ্'— অৰ্থ চকু। ইয়াৰে পূৰ্বপ্ৰত্যয় 'আ' বাদ দি 'মিক্' বা 'মিগ্' ধাতুৰে আৰম্ভ কৰি বিভিন্ন পৰা-প্ৰত্যয়ৰ সহযোগত আন আন শব্দ গঠন কৰা হয়। যেনে—

মিক্চি— (চি = পানী) = চকুৰ পানী

মিগ্জেৰ্— (জেৰ্ = (লেতেৰা, পিঁচৰিত) কেঁচকুৰি

মিগ্ৰ্ = চকুৰ পতাৰ ৰেখা

মিগ্ৰে— চকুৰ পতাৰ ওলমি থকা ৰেখা

মিগ্জেম্— (জেম্ = চেপা খোৱা) = চকু মূদা

মিগ্লং— (আলং = হাড়) = চেলাউৰিৰ ওচৰৰ মূৰৰ হাড়

মিগ্লু— কণা

মিগ্লে— চকুৰ মণিৰ বগাখিনি উলিয়াই মেলি দিয়া, মৃতপ্ৰায়

মিগ্লে ৰেগে— মৃতপ্ৰায়, চকু চেল খাই যোৱা

মিগৰ্— (অৰ্ = শুকান) চকুনমা বেমাৰ

মিক্প্— (আপ্ = কণী) = চকুৰ মণি

মিগ্ৰাং— ঘূৰণীয়া চেলাউৰি বা ৰেখা

মিক্বাং— (বাং < লীবাং = বামধেনু) ঘূৰণীয়া চেলাউৰি (বামধেনুৰ দৰে ঘূৰণীয়া চেলাউৰি)

মিক্পেম্— সৰু চকুৰা

মিক্কোৰে— বেঁকাকৈ চোৱা, কেঁৰা

মিক্কৃ— চকুৰ নিমেষ, চকুৰ পচাৰ

মিগ্দাব্— (দাব্ = মেলা) চকু মেলি থকা

মিগ্মুদ— (মুদ = বেঁকা) = বেঁকা চকু, টেৰা, বক্ৰদৃষ্টি

মিক্চাৰ্— চকুৰ নোম

মিক্চিৰি— সৰু চকু অথচ ধুনীয়া

মিক্চিপ্— (আচিপ্ = ছাল) = চকুৰ পতা, ছাল

মিক্কৃ— চকুৰ পতা জপোৱা, চকুৰে ইংগিত দিয়া

মিক্কে— (কে < আকে = আধা) এটা চকু মুদি আনটোৰে মেলি চোৱা

মিক্পুং— (পুং = বগা) চকুৰ বগা অংশ, চকুৰ বগা হোৱা বেমাৰ

মিগ্য়াব্— (য়াব্ = বা দিয়া) = এটা চকুৰ পতা মুদি ইংগিত দিয়া, চকুৰ ঠাৰ, ফোপৰ মতা।



মিগ্ম, মিংম— (ম = ঠাই) মুখমণ্ডল, বদন, গাল।

মিক্পান্— (পান্ = ছেদ) = পাহৰা, বিস্মৃতি।

মিগ্লোম্— ওপৰে ওপৰে চোৱা, আচল বস্তুলৈ নাচাই আনফালে চোৱা।

এই শব্দবোৰ বিশেষ্য আৰু ক্ৰিয়া হিচাপেও ব্যৱহাৰ কৰিব পাৰি। এইবোৰত বাদেও জঁতুৱা ঠাঁচো 'আমিগ্' শব্দৰপৰা গঠন কৰিব পাৰি। যেনে—

মিক্চি বুত্— (বুত্ = বৈ যোৱা) = চকুপানী বৈ যোৱা, কন্দা।

মিক্চি লেন্— (লেন্ = ওলোৱা) = চকুপানী ওলোৱা।

মিগ্য়াব্লে— চকুৰ নিমিষতে, ক্ষন্তেকতে, তৎক্ষণাৎ।

মিক্কৃ-মিক্কৃ— বাৰে বাৰে চকুৰ পতা মেলা আৰু জপোৱা, ক্ৰন্দনপ্ৰায় অৱস্থা।

আমিগ্ কামাঃ— (চকু নোহোৱা, দেখিও নেদেখা)

আমিগ্ কামাঃনী— (চকু নোহোৱা লোক) দেখিও নেদেখা লোক।

আমিগ্ দাব্চু— (নিজে চকু মেলিব পৰা) ডাঙৰ-দীঘল হোৱা, জ্ঞান পোৱা, বুজিব পৰা অৱস্থা হোৱা।

আমিগ্ দাব্চু মাঃনী— (নিজে চকু মেলিব নজনা) সৰু, কেচুৱা।

এইদৰে চকু বুজোৱা শব্দ 'আমিগ'ৰপৰা আৰু বহুতো শব্দ গঠন কৰিব পৰা যায়।

৫। কাণ, নাক এই দুটা শৰীৰৰ বৃহৎ অৰ্থাৎ major অংগ হিচাপে ধৰা নহয়। এই দুটাক minor বা ক্ষুদ্ৰ বুলি মিচিং ভাষাত গণ্য কৰে। কাণ, নাক শব্দৰ আগত য—, য়ে—, এঃ—, এে—পূৰ্বপ্ৰত্যয় ব্যৱহাৰ হয়। এই ধ্বনিকেইটাৰ বিকল্প প্ৰয়োগ (Complementary distribution) হোৱা দেখা যায়। অৰ্থাৎ য় ~ য়ে ~ এঃ ~ এে।

কাণ বুজোৱা শব্দ, 'য়কং' ~ 'এঃকং' ~ 'য়েকং' ~ 'এেবুং' ইয়াৰে—কং < আকং অৰ্থাৎ গাঁত বা বিন্ধা শব্দৰপৰা আহিছে। 'য়েকং' বা 'এেক'ৰপৰা আন শব্দ গঠন কৰিবৰ সময়ত 'কং' শব্দৰ আগত বহুৱাই পৰা-প্ৰত্যয় সংযোগ কৰি কৰা হয়। যেনে—

কঃৰে (ৰে = শব্দ, ধ্বনি) = কলা, কাণ কলা।

কঃজেগ্ (জেগ্ = ছিগা, ফাটি যোৱা) = কাণৰ লটি ছিগা।

কঃলগ্ (লগ্ = এডোখৰ) = কাণৰ এডোখৰ ছিগা, কাণ ছিগা।

কঃমুদ্ (মুদ < আমুদ্ = নোম) কাণৰ নোম।

কঃয়াং (য়াং = গেলা) কাণৰ পুঁজ।

কংকাম্ (কাম্ = শুকাই যোৱা) কাণৰ মলি

কঃতং (তং = থিয়) কাণ থিয়।

কঃতুং (তুং = টুকুৰা) কাণ ছিগা

কঃদং (দং = দীঘল) কাণ দীঘল।

কঃমীম্ (মীম্ = মিছা,) শুনিও নুশুনা, ভাও জোৰা,

কঃলোম্ (লোম্ = ওপৰে ওপৰে যোৱা) ওপৰে ওপৰে শুনা, মনোযোগ দি নুশুনা।

কঃদাব্ (দাব্ = জাগা, চেতন পোৱা) ভালকৈ শুনা।

কংগগ্ (গগ্ = মতা, ধ্বনি) কাণৰ চিঁচিঁয়নি শব্দ, কোনোবাই কাৰোবাৰ বিষয়ে ক'লে দ্বিতীয়জনৰ কাণত চিঁচিয়ঁনি শব্দ উঠে বুলি বিশ্বাস কৰা হয়।

জঁতুৱা ঠাঁচ— য়েকং কানী (কাণ থকা) কথা শুনা, কথা ক'লে সেইমতে পালন কৰা লোক।

য়েকং কামাঃনী— নুশুনা, মন-কাণ নিদিয়া লোক।

য়েকং ৰাকৃতগ্— (কাণ ওলোমা) কাণৰ লটি ওলমি যোৱা।

৬। নাক বুজোৱা শব্দ য়বুং ~ এঃবুং ~ য়েবুং ~ এেবুং। এেবুঙৰপৰা গঠিত হোৱা শব্দ:

এেবুং— (বুং < আবুং = গোটা বিন্ধাযুক্ত বস্তুৰ ক্ষেত্ৰত) নাক।

এেবুং আকং— নাকৰ বিন্ধা

ঞেবুং গাঁঞিং—[ আভিধানিক অৰ্থ=নাক, পিছিৰলৈ অসুবিধা ) পানীলগা ( বেমাৰ)

ঞেবুং অ্‌চু—নাক বন্ধ কৰি ভিতৰৰ বতাহ বাহিৰ কৰা

ঞেবুং ঙাচু " " "

ঞেবুং কচু " " "

ঞেবুঃ চাগ্‌ৰা গাঁঞিং—কাহ, পানীলগা ( বেমাৰ )

ঞেবুং তৃত্‌চু—নাক মোহৰা, বুদ্ধি উলিওৱা

'ঞ ধ্বনি কেতিয়াবা 'ন্য'ৰ দৰে উচ্চাৰণ হয়।

ঞ~ন্য~ন আৰু কেতিয়াবা 'ন' ও হ'ব পাৰে।

যেনে :

ঞপ্‌চি~ন্যপ্‌চি~নপ্‌চি~নাপ্‌চি=শেঙুণ

ইয়াত পৰা-প্ৰত্যয় 'বুং'ৰ কেৱল ব্‌ বা প্‌ যোগ হৈছে। সেইদৰে -

নপ্‌চি≃নাপ্‌চি—শেঙুণ

নব্‌বৰ—নাব্‌বৰ্‌—নাক ডাঙৰ, নাক বহল

নাপ্‌পিন্‌—( পিন্‌=বন্ধ হোৱা )—নাক বন্ধ হোৱা

নাপ্‌চি বৃত্ত—শেঙুণ ওলা (ক্ৰিয়া)

নাপ্‌চি ঙাচু } শেঙুণ পেলোৱা
নাপ্‌চি অ্‌চু }

নাপ্‌চি লেন্‌—শেঙুন ওলোৱা ইত্যাদি।

৭। মিচিং ভাষাত থুঁতৰিকো ক্ষুদ্ৰাংশ হিচাপে ধৰা হয়। 'চক্‌কৰ্‌, শব্দৰ অৰ্থ থুঁতৰি। ইয়াৰপৰা গঠিত শব্দসমূহ :

চক্‌লং—( লং<আলং=হাড়) থুঁতৰিৰ হাড়

চক্‌হুল—(হুল্‌=ওলমা, কোমল, ঢিলা,)—গালৰ ওলমি থকা মাংস, গাল

চক্‌কা—(কা<ককা=মুখ মেলা ) মুখ মেলা

চক্‌কাব্‌—( কাব্‌=জপোৱা, লাগি ধৰা ) মুখ জপোৱা, গাল সোমোৱা মুখ

চক্‌কে—কোৰাৰি, ওঁঠৰ দুয়ো কাষ

চক্‌পে—( পে=ভাগৰলগা ) =থাওঁতে ভাগৰলগা, থুঁতৰি হাড়ৰ লগত গালৰ ওপৰৰ শিৰ আৰু পেশী টানি ধৰা

চক্‌বাল্‌—( বাল=কোমল, ঢিলা ) ওলমা গাল

চক্‌তাম্‌— } গালৰ ৰেখা, টেঁটু আঁকা
চক্‌চাম্‌— }

চক্‌কাৰ্‌-চক্‌বাৰ্‌—সোঁতোৰা গাল, ক্ষীণ

চগ্‌গং—গালৰপৰা থুঁতৰিলৈকে থকা দাড়ি

চগ্‌গং বুক্‌—ঐ ( ক্ৰিয়া)

চগ্‌লঃ বদং—দীঘল থুঁতৰি

চগ্‌লঃ দৃব্‌নী—অতি বুঢ়া, সকামত ব্যৱহাৰ কৰা বুঢ়া গাহৰি।

৮। 'নাপ্‌পাং' অৰ্থ 'মুখ'। ইয়াৰ নাপ্‌ বা নাব্‌ শব্দৰ আগত বহে। নাপ্‌পাঙৰপৰা গঠিত শব্দ যেনে—

নাপ্‌পাং—মুখ

নাব্‌বেল্‌~নাব্‌বেৰ্‌—ওঁঠ

নাপ্‌কীৰ্‌—বাহিৰলৈ ওলাই ওলমি থকা ওঁঠ, বেঁকা ওঁঠ।

নাব্‌জে্‌ব্‌—চেপেটা ওঁঠ, জপোৱা মুখ

নাব্‌জেৰ্‌—চেপেটা লেতেৰা ওঁঠ

নাব্‌বুদ্‌—ওঁঠ দুটা আগুৱাই বন্ধ কৰি ফুলাই থকা, অনিচ্ছা প্ৰকাশ কৰা, মুখ ওন্দোলাই থকা

নাপ্‌চেৰ্‌—ওঁঠ পাতল, অতি কথা কোৱা, মিছলীয়া, পৰচৰ্চা কৰা লোকৰ ওঁঠ।

নাব্‌দং—ওঁঠ জোঙা, মুখ দীঘল

নাপ্‌ভং—আগলৈ ওলোৱা থিয় ওঁঠ বা মুখ

নাপ্‌কা—ওঁঠ মেলা

নাব্‌য়দ্‌—বেঁকা ওঁঠ

নাব্‌লী—ওঁঠৰ আগ, বেছি কথা কোৱা মুখ

নাপ্‌তৰ্‌ দাঁত ওলোৱা মুখ ( ওঁঠ বহলাই দিয়াৰ ফলত )

নাব্‌য়—( য়<আয়=জিভা ) জিভা আগলৈ ওলোৱা, মিছলীয়া, মিছা কথা কোৱা লোকৰ মুখ।

নাব্‌বগ্‌—মুখলৈকে পোৱা, পাত্ৰ আদিৰ মুখলৈ পৰিপূৰ্ণ অৱস্থা।



নাম্‌নগ্‌—পিঠাগুৰি বা সেই জাতীয় গুৰি বস্তু লাগি থকা মুখ।

নাম্‌মুৰ—দাড়ি, মোচ

নাব্‌য় গানী—মিছলীয়া লোক

নাব্‌লী কামাঃনী—ওঁঠ নোহোৱা,

নাব্‌বেল্‌ কামাঃনী—ঐ

নাব্‌য় গান্‌নাম্‌—মিছা কথাৰ বাবে ওঁঠ কটা লোক বা মিছা কথাৰ বাবে দিয়া শাস্তি বা জৰিমনা।

৯। ওঁঠেৰে সৈতে মুখৰ সম্বন্ধ থকা শব্দ :

ককা—মুখ মেলা

কবুৰ্‌—মুখ জপোৱা

কহিন্‌—দাঁত ওলো-ৱাকৈ ওঁঠ মেলা

কতাং—দাঁত পৃথক হোৱাকৈ মুখ মেলা

কজুম্‌—সোঁতমোচ খোৱাকৈ ওঁঠ জপোৱা

কয়েম্‌—মিচিকিয়া হাহি, ওঁঠ বেঁকা

কয়ুম্‌—দেখনিয়াৰ হোৱাকৈ ওঁঠ বেঁকা কৰি হঁহা

কহিন্‌-কতাং—দাঁত ওলোৱাকৈ মুখ মেলা আৰু পোৱা, অসুখত মুখ বিকটোৱা

কহিন্‌ তিন্‌ তিন্‌—টঁটঁকৈ জিলিকি থকাকৈ দাঁত নিকটোৱা

১০। ডিঙি বুজাবলৈ 'আলং' শব্দ ব্যৱহাৰ হয়। ইয়াৰে 'আ' বাদ দি 'লং, শব্দৰ আগত দি বাকী শব্দ গঠন কৰা হয়। যেনে—

আলং—ডিঙি

লংগুং—ডিঙি, গল

লংপু—গলবেৰা

লংপৰ্‌—ডিঙি বহল, ডিঙি বঢ়া বেমাৰ

লংবাৰ্‌—ডিঙি বঢ়া, বহল হোৱা বেমাৰ

লংবৰ্‌—বহল ডিঙি, (যেনে : ফেঁটী সাপৰ)

লংদিদ্‌—সৰু ডিঙি, মুঠিত বাখিব পৰা ডিঙি

লংগং—সমস্ত ডিঙি অঞ্চল, ডিঙি

লংকং—ডিঙিৰ বিহ্বা, কণ্ঠনলী

লংতাঃম্‌—(আঃন্‌=বহি, শিৰ) ডিঙিৰ শিৰ, টেঁটু

লংগুং আবাং—ডিঙিৰ ভিতৰ

লংপং আইনী } (ডিঙি ভাল) ভাল গলা, সুৱলা কণ্ঠস্বৰ
আলং আইনী }

১১। ডিঙিৰ পিছফাল : 'কংগাগ্‌'। 'কংগাগ্‌ গীকুৰ'—আভিধানিক অৰ্থ ডিঙিৰ পিছফাল ঘূৰাই দিয়া অৰ্থাৎ পিঠি দিয়া বা পৰিত্যাগ কৰা বুজায়।

১২। কান্ধৰপৰা অহা শব্দ :

গৰ্‌দুং—কান্ধ

গৰ্‌পং—কান্ধৰ হেলনীয়া অংশ

গৰদুঃ লক্‌ জঃবম্‌—কান্ধত কঢ়িওৱা, ভাৰ বহন কৰা, দুখ গাত পাতি লোৱা

গৰদুঃ বুগাৰ্‌—(বুগাগ্‌—কান্ধত ওলমা) কান্ধত ধৰি আশ্ৰয় লোৱা, দুখৰ ভাৰ পাতলাই দিয়া।

১৩। মন শব্দৰ অৰ্থ মিচিং ভাষাত 'আঃং'। 'আঃং, শব্দই মনৰ বাদেও হৃদয়, কলিজা, অন্তৰ, জ্ঞান, বোধ ইত্যাদিও বুজায়। 'আঃঙ'ৰপৰা গঠিত হোৱা শব্দ :

আঃং কাৰ্‌—( কাৰ্‌=খাপ খাই পৰা, লাগি ধৰা ) =মনমৰ, প্ৰিয়তম, প্ৰেয়সী

আঃংকামাঃ-(কামা=নাই) হৃদয়হীন, নিমৰমিয়াল

আঃংকামাঃনী—হৃদয়হীন লোক,

আঃংআবাং—মনৰ ভিতৰ, অন্তঃকৰণ, অন্তৰৰ গোপন কোণ

আংঙাবাং—শূন্য, একো নোহোৱা, বিবস্ত্ৰ, অস্ত্ৰহীন, উদা

আঃং-আমে—( আমে=সৰু ) ভয়াতুৰ, মন সৰু, ভীৰু।

আঃংঅনী—মনতপৰেঁাত্তা, মৰমিয়াল

আঃংঅনাম্‌—মনত পৰা, সোঁৱৰণ ( প্ৰিয়জনলৈ

মনত পৰা অৰ্থত )

আঃংঅমাঃনী—মনত নপৰা লোক, নিয়মমিয়াল লোক

আঃংআন্‌দীং—(আন্‌দীং=চুটি)-মন চুটি, সোনকালে খং উঠা

আঃংআনচু—মন সৰ্তক হোৱা, সচেতন

আঃং বদং } (বদং, আয়াৰ=দীঘল)-মন দীঘল, ধৈৰ্যশীল, দীঘলীয়া যাতনা সহ্য কৰা, ধীৰে খং উঠা
আঃংআয়াৰ }

আঃংবীত্‌তী—(বীত্‌তী=ডাঙৰ)-মন ডাঙৰ, সাহসী, বীৰ, আত্মবিশ্বাসী

আঃং দৃগ্—(দৃগ্=জ্বলা, বিষোৱা) মনপুতি লাগ, যত্ন কৰ

আঃংকি—(কি=বিষ হোৱা) ঐ

আঃদৃগ্‌নী—মনপুতিলাগোঁতা, যত্নকৰোঁতা

আঃংঅ্‌ৰ্‌মী—অ্‌ৰ্=পকা, জ্বলন্ত হোৱা) মনপুতি-লাগোঁতা, একাগ্ৰতীয়া হোৱা

আঃংঅ্‌ৰ্‌মোঃ—মনপুতি নলগা, চেলেপু, দুষ্ট

আঃংগীনী—মনমাৰি থকা লোক,

আঃংদৃৰ্~আঃদৃৰ্~আদৃৰ্—আমনি, অসুবিধা, গণ্ডগোল

১৪। বুকু বুজাবলৈ মিচিং শব্দ 'আংকীং' ব্যৱহাৰ হয়। ইয়াৰ 'আং' বা 'আঃং' মনৰপৰা অহা। মন 'আঃংৰ যি আধাৰ 'কীং' (অৰ্থ আধাৰ) সেয়া হৈছে বুকু অৰ্থাৎ আং+কীং=মনৰ আধাৰ, বুকু। আংকীঙৰপৰা গঠিত শব্দ—

আঃংকীঃ বীত্‌তী=বুকু ডাঙৰ, বহল বুকু, সাহসী, বীৰ

আঃংকেদ্—কাষলতিৰ তলৰ বুকুৰ সমান্তৰাল অংশখিনি

১৫। ইঃপাং—অৰ্থ দাঁত। ইয়াৰে 'ইঃ' শব্দৰ আগত বহে। যেনে—

ইঃপাং—দাঁত

ইঃবৃং—(বৃং=ফুলা, ডাঙৰ হোৱা) গুবিদাঁত

ইঃৰ—(ৰ<আৰ ৰনাম্=অতিৰিক্ত, আলহী সোধা) একে ঠাইত দুটাকৈ গজা দাঁত

ইঃবুম্—দাঁতৰ গুৰি ফুলি উঠা

ইঃলী—দাঁতৰ আলু

ইঃতৃং—দাঁতৰ আগ

ইঃপান্—(পান্=লাগি ধৰা) দাঁতৰ ফাঁকত লাগি ধৰা (খাদ্য আদি)

ইঃচাম্—(চাম্=লাগি ধৰা) ঐ

ইঃপান্ অ্‌চু— } দাঁতত লাগি ধৰা বস্তু খৰিকাৰে খুঁচি উলিওৱা।
ইঃচাম্ অ্‌চু— }

ইঃচল্ } —লালতি
ইঃচৰ্ }

ইঃপাং কিনাম্—দাঁতৰ বিষ

ইঃপান্‌চু—দুফালে ঢাল খোৱা দাঁত

ইঃপাঃ পম্‌নী—দাঁতৰ আলু ফুলা

ইঃপাঃ পুঃনী—সৰা দাঁত, দাঁত সৰা

১৬। 'আলাগ্' অৰ্থ হাত। কান্ধৰপৰা আঙুলি-লৈকে গোটেইখিনিক আলাগ্ বুলি কোৱা হয়। 'আলাগ'ৰ বাকী অংশ বুজাবলৈ 'আ' বাদ দি 'লাগ্' অক্ষৰেৰে আৰম্ভ কৰি বিভিন্ন প্ৰত্যয়ৰ সংযোগত শব্দবোৰ গঠন কৰা হয়। যেনে—

আলাগ্—হাত

লাক্‌পং—বাহু (কান্ধৰপৰা কিলাকুটিলৈকে)

লাক্‌পুম্—বাহুৰ মাংসপেশী

লাগ্‌দ্—কিলাকুটিৰপৰা হাতৰ মুঠিলৈ, এহাত (জোখ), কিলাকুটি

দুতুম্ (লাগ্‌দ্+তুম্=মুঠি মৰা) এমুঠন, মুঠন

লাগ্‌গ্‌লুং—কিলাকুটি, কিলাকুটিৰ ঘিলা

লাগ্‌নী—(নী<আনী=মাক) বুঢ়া আঙুলি

লাগ্‌য়িন (য়িন্, ইন্=গজি উঠা) আঙুলিৰ নখ



লাক্‌চিন্—আঙুলিৰ নখৰ আগছোৱা

লাক্‌প—হাতৰ তলুৱা

লাক্‌ভীং—(ভীং<পাঃভীং=গাঁথি) হাতৰ মুঠিৰ গাঁথি, মণিবন্ধ

লাগ্‌মিক্—আঙুলিৰ গাঁথি

লাক্‌তুম্—মুঠি মৰা,

লাক্‌তাৰ—মুঠি মেলা, আঙুলি মেলা

লাগ্‌জিন্—হাতৰ মণিবন্ধত বন্ধা সূতা

লাক্‌পিত্—হাতৰ জিন্‌জিননি

লাগ্‌ৰে—পংগু হাত

লাগ্‌গাৰ্—হাতৰ কিলাকুটিৰ তল ফাল

লাক্‌তাল্—হাতৰ তলুৱাৰ চট

লাক্‌চৰ্—(চৰ্=ফাটি যোৱা) ফলা আঙুলি, অতিৰিক্ত আঙুলি

লাক্‌পেঃ—হাতৰ ভাগৰ

লাগ্‌মুদ্—হাত বা বাহুৰ নোম

লাগ্‌পেদ্—আঙুলিৰে জালবন্ধা; কাষলতিৰ বেমাৰ

লাগ্‌লং—হাতৰ হাড়

লাগ্‌পদ্—দুবাহুৰে সাৱটি ঢুকি নোপোৱা

লাক্‌পন্=(পন=বন্ধা) হাতত বন্ধা ৰছি, দুবাহুৰে ধৰি থাকিব পৰা ৰছি

লাক্‌তুম্—হাতৰ মুঠিমাৰি সাৱটি থকা, হাত সাৱটি থকা

লাগ্‌ৰেঃলে—হাত ভাগি ওলমি থকা

লাগ্‌ৰেঃ—ভগা হাত

লাগ্‌বৃগ্—সোঁ হাত

লাগ্‌কেঃ—বাঁও হাত

লাক্‌পান্—দুহাত মেলি দিয়া

লাক্‌তক্—তললৈ হাত ওলোমাই দিয়া

লাক্‌কুত্—হাত দুখন পিঠিৰ ফাললৈ নি থোৱা

লাক্‌পাং—হাতেৰে ঢুকি পোৱা

লাক্‌জুম্—জখলাত উঠিবলৈ সহায়ক এডাল মাৰি (হাতেৰে ধৰি উঠা হয়)

লাক্‌কুত্ চুলাঃ দুঃনী—হাত সাৱটি থকা, এলেহুৱা

লাক্‌তত্ দনাম্—(অৰ্থ=হাত খোৱা) যাৰ হাতৰ ৰন্ধা খাব পাৰি

আলাগ্ শব্দৰপৰা সৃষ্টি হোৱা জতুৱা ঠাঁচ:

আলাগ্ কামাঃ—(হাত নাই) অকামিলা, এলাগী

আলাগ্ কামাঃনী—(ঐ) অকামিলা লোক

আলাগ্ কাঃ—(ক্ৰি) হাত চা, মংগল চা

আলাগ্ কাঃনাম্—হাত চোৱা কাৰ্য, মংগল চোৱা

আলাগ্ গাক্‌কু—হাতত ধৰি চোৱা, হাতত ধৰি বেমাৰৰ উম লোৱা

আলাগ্ দনাম্—(হাত খোৱা) যাৰ ৰন্ধা-বঢ়া খাব পৰা যায়

আলাগ্ লান্‌নী—(লান্‌নী=চেঙা) খৰ হাত, কামিয়াল

আলাগ্ আন্‌নী—(আন্‌মী=চোকা)=হাত চোকা, খৰকৈ সকলো কাম কৰিব জনা লোক

আলাগ্ আৰ্‌নী—(√আৰ্—হাতৰ তলুৱা নৃত্য-ভংগীৰ দৰে ঘূৰোৱা)=যি কাম কৰে তাতে সিদ্ধি লাভ কৰা মানুহৰ হাত

আলাগ্ লাৰ্‌নী—(লাৰ্‌নী=কঠিন, পুষ্ট) কঠিন হাত, বলিষ্ঠ হাত

আলাগ্ পুংন্—(পুঃন=পোন, স্থিৰ লক্ষ্য)—লক্ষ্য স্থিৰ হাত (চিকাৰ আদিত)

আলাগ্ আন্‌ক্ৰ—(আন্‌ক্ৰ=উমান লোৱা)=হাত দি উমান লোৱা, জ্বৰ পৰীক্ষা কৰা, আনৰ হাত কিমান কঠিন তাক পৰীক্ষা কৰা।

১৭। 'আলী—ভৰি। ইয়াৰে 'আ' বাদ দি 'লী'ৰে আৰম্ভ কৰা হয়। যেনে—

লীলং—ভৰিৰ হাড়

লীপুম্—ভৰিৰ কলাফুল

লীদ্—গোৰোহা

লীপ—ভৰিৰ তলুৱা, খোজৰ চিহ্ন

লীনী—ভৰিৰ বুঢ়া আঙুলি

লাকেং—ভৰিৰ আঙুলি
লোঘিন্—ভৰিৰ নখ
লাচিন্—ভৰিৰ নখৰ আগ
লাতাল্—ভৰি তলুৱাত গোটমৰা বা চউ
ফুটা অংশ
লামিগ্—ভৰিৰ আঙুলিৰ গাঁথি
লাংগলুং—ভৰিৰ আঁঠুৰ আগডোখৰ, আঁঠুৰ বিলা
লাবুং—ভৰিৰ আঁঠু
লাবুঃ পঃপে—আঁঠুৰ ঘিলা
লাগাৰ্—আঁঠুৰ পিছফাল ডোখৰ
লামিগ্—ভৰিৰ তলৰ গাঁথি, ভৰিৰ মণিবন্ধ
লাপান্—ভৰি মেলা, ভৰিত লাগি ধৰা বছি
লাজুৰ্—ভৰি জপোৱা
লাপিদ্—ভৰিৰ জিনাজননি
লাপিদ্-লাতাম্—ভৰিৰ হাড়, গাঁথি আদি বিষ হোৱা, অথৰ হোৱা
লাগাল্—থিয় হওঁতে ভৰি পিছলৈ হাউলি থকা
লাগাৰ্—ভৰি দুখনৰ মাজত ফাঁক থকাকৈ থিয় হোৱা
লাপে—ভৰিৰ ভাগৰ (খোজ কঢ়াৰ বাবে)
লাপেন্—খোজ কাঢ়িব নজনা বা নোৱাৰা
লাবেঃ—খোৰা, লেঙুৰা
লাজুম্— } ভৰিৰ আঁঠু আগলৈ হাউলি খোজ কঢ়া
লাজুং—
লাজুন্—ভৰি মেলি পোনাই লোৱা
লাদজন্— ,, ,,
লাত্চৰ্—ভৰি দীঘলকৈ মেলি দিয়া
লামান্—খেমালিতে ভৰি দুখন জৰাই থকা
লাজিন্—ভৰিৰ গাঁথিত বন্ধা বছি বা সূতা
লাতাগ্—ভৰিৰ কাঁইট (কুকুৰাৰ ভৰিৰ পিছফালৰ দীঘল নখ)
লাগং—যেনিয়ে তেনিয়ে ভৰি গুৰিয়াই থকা
লাপন্—ভৰিত লাগি ধৰা বছি, গছত উঠিবলৈ ভৰিত বান্ধি লোৱা বছি
লায়ুৰ্—জোতা

লাম্বদ্—ভৰিৰ নোম
লাতুম্—ভৰিৰ আঁঠু কোঁচাই দিয়া
লাকং—দীঘল ভৰি, ক্ষীণ অথচ দীঘল ভৰি
লাকঃ তাংকং—দীঘল ভৰি
লাপান্ লাবান্—গোৰ মাৰি থান্‌বান্ কৰা
লাপৰ্—গোৰ মাৰি গুৰি কৰা, গুৰি বস্তুৰ ধ'ৰ ভৰিৰে গুৰিয়াই থান্‌বান্ কৰা
লাচুম—ভৰিৰে ঠেলি একেঠাইত গোটোৱা
লালেন্—ভৰি উলিয়াই দিয়া (আঁৰ বা আশ্ৰয়-পৰা উলিয়াই অনা।)

জুঁতুৰা ঠাঁচ

আলা কামা—(ভৰি থকা) খোজ কাঢ়িব জনা, খোজ কাঢ়িব পৰা
আলা পানা—(ভৰি পিন্ধা) খোজ কাঢ়িব জনা (ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত) বাহৰ পেং ব্যৱহাৰ কৰা
আলা কামা'না—খোজ কাঢ়িব নজনা, লেঙেৰা
আলা লাগ্ কামাঃনা—হাত-ভৰি নোহোৱা, পংগু

১৮। আকিঃ—অৰ্থ পেট, পেটু, ভুক ইত্যাদি। ইয়াৰে 'কিঃ' শব্দৰ আগত বহে। যেনে-
আকিঃ—পেট
কিঃপম্—পেটুৱা, গৰ্ভৱতী
কিঃএঃ } নাভি
কিঃনি }
কিঃতল } নাভি আগলৈ ওলোৱা, নাভি বাঢ়ি অহা
কিঃতুৰ }
কিঃডা—ডাঙৰ পেট,
কিঃদং—দীঘলীয়া পেট
কিঃদাং—চুটি পেট
কিঃচাগ্—পেটৰ ভিতৰৰ কলিজা, হাঁওফাঁও আদি

জতুৰা ঠাঁচ

আকিঃহুগ্—পেট চলা (বেমাৰ)
আকিঃগ্— ,, ,,



আকিঃ কি—পেট বেমাৰ হ, পেট বিষা, যন্ত্ৰণ
আকিঃপা গৃ } চিলাকৈ শোঁচ হোৱা
আকিঃপা হুগ্ }
আকিঃ উক্কাং—পেটত হাত দি বেমাৰৰ লক্ষণ চোৱা

১৯। শৰীৰ বুজোৱা শব্দ 'আম্বৰ্'। আম্বৰ্ শব্দই 'গা'কো বুজায়।
আম্বৰ্—শৰীৰ, গা
আম্বৰ্ কাত—(গাত থকা) গা হোৱা, গা ধৰা, গৰ্ভৱতী হোৱা।
আম্বৰ্ কামাঃ—(গা নোহোৱা) ক্ষীণ, গৰ্ভৱতী নোহোৱা
আম্বৰ কামাঃ না—বাঞ্জী
আম্বৰ্ আমং—গোটেই শৰীৰ
আম্বৰ্ কাঃচু—(শৰীৰ দেখা, চোৱা) তিৰোতাৰ ৰজস্বলা সময়
আদুন্=মাংস। ইয়াৰপৰা দুন্‌চান্=শুকান মাংস, দুন্‌বুম্=মাংসপেশী, মাংসল আদি শব্দ আহিছে।

২০। 'আম্বদ' শব্দই নোম বুজায়। ইয়াৰে 'আ' বাদ দি শৰীৰৰ বেলেগ বেলেগ অংগ-প্ৰত্যংগ বুজোৱা শব্দ যোগ কৰি শৰীৰৰ বিভিন্ন অংগত থকা নোম বুজায়। যেনে—
হুমদ্ (হুম্‌পং+আম্বদ্)=চুলি (মূৰৰ)
কামদ্ (যকং+আমদ্)=কাণৰ গুৰিত থকা নোম
কামদ্ (কিঃকং=কাষলতি+আমদ্)=কাষলতিৰ নোম
বুমদ্ (যবুং+আমদ্)=নাকৰ নোম
কোমদ্ (আক্‌কোং+আমদ্)=বুকুৰ নোম
কিঃমদ্ (আকিঃ+আমদ্)=পেটৰ নোম

মাগমঃ—দপুৰুষৰ গুপ্তাংগৰ নোম
তুমদ্—তিৰোতাৰ গুপ্তাংগৰ নোম
লামদ্ (আলা+আম্বদ্) ভৰিৰ নোম
বেঃমদ্ (বেঃ<চিবে=বান্দৰ) বান্দৰৰ নোমৰ দৰে ৰঙচুৱা নোম
লাগমদ্ (আলাগ্+আম্বদ্) হাতৰ নোম
কেঃমদ্ (লাক্‌কেং+আমদ্) আঙুলিৰ নোম

২১। শ্বাস-প্ৰশ্বাস লোৱা কাৰ্যক শৰীৰৰ অংগ হিচাপে ধৰা নাযায়। তথাপি শৰীৰৰ এক অবিচ্ছেদ্য ক্ৰিয়া হিচাপে ধৰা যায়। 'ঙা' মিচিং ভাষাত উশাহ লোৱা। ই ক্ৰিয়া হিচাপে ব্যৱহৃত হয়। এই 'ঙা' ক্ৰিয়াৰ-পৰাও অনেক শব্দ গঠন কৰিব পাৰি। যেনে—
√ঙা—ধাতু—উশাহ ল
ঙাত—উশাহ ল
ঙাম্বিঃ—বুকুৰ ভিতৰলৈ যোৱাকৈ উশাহ নমাই আন
ঙাচাং=ওপৰলৈ যোৱাকৈ উশাহ ল
ঙাম্বিঃ-ঙাচাং—তললৈ আৰু ওপৰলৈ উশাহ টনা, শ্বাস-প্ৰশ্বাস
ঙালেন্—মুখৰ বাহিৰলৈ নিশ্বাস লোৱা
ঙা-আঃং—মুখৰ ভিতৰলৈ যোৱাকৈ উশাহ লোৱা
ঙাতুম্—উশাহ লওঁতে বাধা পোৱা, আঘাতে বাধাপ্ৰাপ্ত শ্বাস
ঙাপিন্—উশাহ লওঁতে বাট বন্ধ হোৱা
ঙাচৰ—মুকলি হোৱাকৈ উশাহ লোৱা
ঙাচুৰ } উশাহ লওঁতে শ্বাস-নলী ফাটি যোৱা,
ঙাচুল্ } মৃত্যু হোৱা
ঙাকেৰ্—উশাহ লওঁতে বুকু বা পেটৰ কাষত খোঁচ মাৰি ধৰা
ঙাপান্—উশাহ লওঁতে লাগি ধৰা

শ্ৰীচিত্তৰঞ্জন চৌধুৰী

# বস্ত্ৰ শিল্প ঃ বড়ো জনগোষ্ঠীৰ ভূমিকা

মানৱ জাতিয়ে বস্ত্ৰ পিন্ধিবলৈ লোৱাৰ দিনাৰপৰাই মানৱ জাতিৰ সভ্যতাৰ বুৰঞ্জী আৰম্ভ হ'ল বুলি ক'ব পাৰি। মানুহে প্ৰথমতে গছৰ পাত, গছৰ বাকলি আৰু বিভিন্ন জীৱ-জন্তুৰ ছাল আদিৰে গা ঢাকিছিল। অতি চেঁচা ঠাইৰ লোকসকলে অতি প্ৰাচীন কালৰপৰাই জীৱ-জন্তুৰ ছাল পৰিধান কৰি শীত নিবাৰণ কৰিছিল। কৈলাসত থকা শিৱয়ো বাঘৰ ছাল পিন্ধিছিল। প্ৰাচীনকালৰ আৰ্যসকলে ছামৰাৰ কাপোৰ আৰু বল্কল পিন্ধিছিল। পৃথিৱীৰ প্ৰায়বোৰ শীতপ্ৰধান দেশৰ মানুহেই পুৰণিকালত ছামৰাৰ পোচাক পিন্ধিছিল। এতিয়াও ছামৰাৰ কোট, জেকেট আদি বিবিধ পোচাক আধুনিকতাৰ নিদৰ্শন হৈ আছে।

প্ৰাচীনকালৰ লোকসকলে প্ৰথমতে কাপোৰ বৱলৈ শিকা নাছিল। তেতিয়া গছৰ বাকলি আৰু ছামৰাহে পিন্ধিছিল। লাহে লাহে কাপোৰ বৱলৈ শিকিলে। প্ৰথমতে গছৰ বাকলি আৰু পাতৰ আঁহেৰে কাপোৰ বৱলৈ শিকিলে। পুৰণি ভাৰতত আৰ্যসকলে কুশ আৰু বিৰিণাৰ পাতেৰে এবিধ বস্ত্ৰ তৈয়াৰ কৰিছিল। ভাৰতবৰ্ষত খ্ৰীঃ পূৰ্ব প্ৰায় তিনি হাজাৰ বছৰৰ আগৰপৰাই গছৰ ছালৰ আঁহেৰে কাপোৰ বোৱা হৈছিল।

অসমতো অতি পুৰণিকালৰপৰাই বিভিন্ন গছৰ আঁহেৰে সূতা তৈয়াৰ কৰা হৈছিল আৰু সেই সূতাৰপৰা পথা, ফট, খাঁচ, জাল, ডাঠ কাপোৰ আদি বোৱা হৈছিল। মৰাপাট, মেষ্টাপাট, শিমল, এলাৰৈ, কুকুৰসূতা, শণ, কুঁথাৰা, ওডাল আৰু বিবিধ বনৰীয়া গছৰ ছালৰ আঁহৰপৰা সূতা উলিয়াই বিভিন্ন বস্ত্ৰ তৈয়াৰ কৰি লৈছিল। আবৰ আৰু গাৰোসকলে বিভিন্ন গছৰ ছালেৰে বস্ত্ৰ কাপোৰ তৈয়াৰ কৰি লৈছিল। এতিয়াও গছৰ আঁহৰপৰা সূতা উলিয়াই বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। পুৰণি অসমত যে গছৰ ছালৰ আঁহৰপৰা সূতা উলিয়াই বিবিধ কামত ব্যৱহাৰ কৰিছিল, এই কথাৰ বহুতো প্ৰমাণ আছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰত আছে যে পুৰণি কামৰূপত গছৰ আঁহৰপৰা তৈয়াৰ কৰা পত্ৰোৰ্ণ নামৰ এবিধ বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। পুৰণি কামৰূপত শণৰ আঁহৰপৰা শাণবস্ত্ৰম আৰু তিচিৰ আঁহৰপৰা ক্ষৌম বস্ত্ৰ তৈয়াৰ কৰিছিল।

কপাহৰ জন্মভূমি ভাৰত। অষ্ট্ৰিকসকলে পোন প্ৰথমে বনৰীয়া কপাহৰপৰা সূতা তৈয়াৰ কৰি কাপোৰ বৈ লৈছিল। বোধকয় অসমৰ পাহাৰত পোনপ্ৰথমে বনৰীয়া কপাহৰ জন্ম হৈছিল। ভাৰতবৰ্ষত অতি পুৰণিকালৰপৰাই কপাহী কাপোৰৰ ব্যৱহাৰ হৈছিল। খ্ৰীঃ পূৰ্ব তিনি হাজাৰবো আগৰপৰা ভাৰতীয় লোকে



কপাহী কাপোৰৰ ব্যৱহাৰ জানিছিল বুলি সিন্ধু উপত্যকাৰ সভ্যতাই প্ৰমাণ দিয়ে।

অসমৰ মানুহেও অতি পুৰণিকালৰপৰা কপাহী কাপোৰৰ ব্যৱহাৰ জানিছিল। মহাৰাজ নৰনাৰায়ণে বস্ত্ৰ শিল্পৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেওঁ বামনি অসমত কাটনী, যুগী আদি বৃত্তিৰ লোক বহুৱাইছিল। আহোম ৰজাসকলেও বোৱা-কটাৰ ওপৰত বেছি গুৰুত্ব দিছিল। অসমত জাতি-ধৰ্ম নিৰ্বিশেষে সকলো তিৰোতাই কাপোৰ বোৱাৰ কাৰণে গৌৰৱ অনুভৱ কৰে। আনকি মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱেও 'বৃন্দাবনী' কাপোৰ বৈ সকলোকে চমক খুৱাইছিল। বৰপেটাৰ আন এটা পুৰণি নাম তাঁতীকুছি। আহোম যুগত অসমীয়া তিৰোতাই ৰণলৈ যোৱা সিপাহীবিলাকক 'কবচ-কাপোৰ' দিহে ৰণলৈ পঠাইছিল। বুৰঞ্জীত আছে "মাজনিশা ৰাতি কপাহ লৈওঠি, পাঁজি কাটি ৰাতি নোপুৱাওঁতেই কাপোৰ বৈ উলিয়াব লাগে। তাকে আহোম মতে ল'ব, তাকে কবচ কাপোৰ বোলে।"

অসমৰ বেচম শিল্পৰ বুৰঞ্জী অতি প্ৰাচীন। কৌটিল্যৰ অৰ্থশাস্ত্ৰত কামৰূপজ দুকুল নামৰ পাট কাপোৰৰ প্ৰচলন আছিল বুলি উল্লেখ আছে। গ্ৰীক ভূগোলবিদ টলেমীয়ে ওঠৰশ বছৰৰ আগৰেপৰা কামৰূপ ৰাজ্য পাট শিল্পত প্ৰখ্যাত আছিল বুলি লিখি থৈ গৈছে। ভাস্কৰবৰ্মাৰ দিনতো কামৰূপ ৰাজ্য মুগা, পাট আদিৰ বাবে বিখ্যাত আছিল। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ বিবিধ বস্ত্ৰৰ লগতে মিহি পাটৰ কাপোৰ পঠাইছিল। এটা সময়ত গোটেই পৃথিৱীৰ ভিতৰত অসম পাট শিল্পত অগ্ৰগণী আছিল। কাৰণ এৰী, মুগা, পাট, মেজাংকৰী আদি বেচম অসমৰ বাহিৰে পৃথিৱীৰ আন ক'তো একেলগে পোৱা নাগৈছিল। আগতে অসমত এৰী, মুগা, মেজাংকৰী, পাট, বৰপাট, কুটকুৰী, দেওপলু, আমৰলি আদি পলুৰপৰা বেচম সূতা তৈয়াৰ কৰা হৈছিল। আহোম ৰজাসকলেও বিবিধ বেচম সূতা উৎপাদনত গুৰুত্ব দিছিল। বৈষ্ণৱ সাহিত্যসমূহতো নেত (পাট) কাপোৰৰ উল্লেখ সঘনাই পাওঁ।

অতি পুৰণিকালৰপৰা অসমত বেচম কাপোৰৰ ব্যৱহাৰ হৈছিল যদিও বেচমৰ আদিভূমি চীন দেশ বুলি জনা যায়। খ্ৰীঃ পূৰ্ব ২৬০০ অব্দমানত চীন দেশৰ হোৱাংতি বা পীট সম্ৰাটৰ ছি-লিং (Hsi-Ling) নামৰ এগৰাকী গাভৰু ৰাণীয়ে পাট সূতা আৱিষ্কাৰ কৰে।

আদি বৈদিক যুগৰ আৰ্যসকলেও বেচমৰ ব্যৱহাৰ জানিছিল। তেওঁলোকে বোধহয় মংগোলীয়গোষ্ঠীৰ লোকসকলৰপৰা বেচম কাপোৰৰ ব্যৱহাৰ শিকিছিল। কথিত আছে যে কাশ্মীৰৰ এজন ৰজাই এগৰাকী চীনা গাভৰুক বিয়া কৰাইছিল। এই গাভৰুগৰাকীয়ে চীনৰপৰা পাট পলুৰ কণী ভাৰতলৈ লৈ আহে। তেৱেঁই ভাৰতত প্ৰথমতে পাট পোহা, পাট সূতা কটা আৰু পাট কাপোৰ বোৱা বিদ্যা প্ৰচলন কৰে।

**বড়োসকলৰ বস্ত্ৰ শিল্প ঃ** মংগোলীয়গোষ্ঠীৰ লোকসকলে প্ৰথমতে অসমত বেচম শিল্পৰ প্ৰচলন কৰে বুলি বহুতে ভাবে। ভৈয়াম আৰু পাহাৰত থকা প্ৰায় সকলো মংগোলীয়গোষ্ঠীৰ লোকে কাপোৰ বব জানিছিল। কপাহৰপৰা সূতা কাটি কপাহী কাপোৰ বৈ ল'ব জানিছিল। তেওঁলোকে পাট, মুগা, এৰী আদি পলু পুহি তাৰপৰা সূতা উলিয়াই কাপোৰ বৈ লৈছিল। ভৈয়ামত থকা লোকসকলেও অতি পুৰণিকালৰপৰাই কপাহী আৰু বেচম কাপোৰ বব জানিছিল। পুৰণি কামৰূপৰ মংগোলীয়গোষ্ঠীৰ কিৰাটসকল বেচম ব্যৱসায়ী লোক আছিল। পুৰণি কামৰূপক কোষজ বস্ত্ৰৰ ব্যৱসায়ৰ দেশ বুলিছিল। 'কোষ' শব্দৰপৰা কহাৰী শব্দটো আহিব

পাৰে বুলি কোনো কোনোৱে ভাবে। কোষাৰী> কাছাৰী> কছাৰী।

বড়োগোষ্ঠীৰ বড়ো লোকসকলৰ মাজত অতি পুৰণি কালৰপৰাই কাপোৰৰ ব্যৱহাৰ আছিল বুলি জনা যায়। তেওঁলোকে নিজ মাতৃভূমিৰপৰা অসমলৈ প্ৰব্ৰজন কৰোঁতে তেওঁলোকৰ বোৱা-কটা নীতিকো লগত লৈ আহে বুলি অনুমান কৰা হয়। আগতে বড়ো তিৰোতাই এৰী, মুগা, পাট পুহি নিজে সূতা কাটি কাপোৰ বৈ লৈছিল। সেইদৰে কপাহৰপৰাও সূতা কাটি কাপোৰ বৈ লৈছিল। সময়ৰ সোঁতত পাট আৰু মুগা দুষ্প্ৰাপ্য হৈ পৰাত, বড়ো তিৰোতাই পাট আৰু মুগা পলু পোহা সূতা কটা আৰু ইয়াৰে কাপোৰ বোৱা বিদ্যা পৰিত্যাগ কৰিবলগীয়া হৈছে। এতিয়া বড়োসকলৰ মাজত এৰী পোহা, আৰু এৰী সূতা কটা আৰু এৰী কাপোৰ বোৱা বিদ্যাহে প্ৰচলিত আছে। এতিয়া নামনি অসমত এৰী পোহাটো বড়োসকলৰ একচেটীয়া বুলি ক'ব পাৰি। যদিও বড়োসকলে ব্যৱসায়ভিত্তিত এৰী নোপোহে, তথাপি তেওঁলোকে প্ৰচুৰ পৰিমাণে এৰী পলুৰ লেনদেন কৰে। সেইদৰে কপাহী সূতা কটাও আজিকালি প্ৰায়ে বন্ধ হৈছে। মিলৰ সূতা ওলোৱাত তেওঁলোকে মিলৰ সূতা কিনি কাপোৰ ববলৈ লৈছে। দুই-এগৰাকী বয়সীয়াল তিৰোতাইহে আজি-কালি অলপ-অচৰপ সূতা কাটে।

বড়োসকলৰ সাজপাৰ : বড়ো তিৰোতাই পিন্ধা মুখ্যবস্ত্ৰ হ'ল মেখেলা আৰু দখনা। সাধাৰণতে গোৱালপাৰা জিলাৰ কোকৰাঝাৰ মহকুমা আৰু পশ্চিম অঞ্চল, কোচবিহাৰ আৰু জলপাইগুৰি অঞ্চলৰ বড়ো তিৰোতাই বুকুত দখনা পিন্ধে। অসমৰ কামৰূপ, নগাঁও, দৰং আৰু অন্যান্য অঞ্চলৰ তিৰোতাই মেখেলা পিন্ধে। সাধাৰণতে বুকুত মেঠনি মাৰি মেখেলা পিন্ধে। উত্তৰ কাছাৰৰ ডিমাছা কছাৰী, ত্ৰিপুৰাৰ ত্ৰিপুৰা কছাৰী, গাৰোপাহাৰ আৰু বাংলা দেশৰ হাজং কছাৰী-সকলে হুখন কাপোৰ পিন্ধে। এখন কঁকালত আৰু এখন বুকুত মেৰিয়াই লয়। উজনি অসমৰ সোণোৱাল কছাৰীসকলে মেখেলা চাদৰ লয়।

আজি-কালি দখনাখন বড়ো তিৰোতাৰ জাতীয় পোছাকত পৰিণত হৈছে। কামৰূপ, দৰং আৰু নগাঁও অঞ্চলতো এতিয়া বড়ো তিৰোতাই মেখেলা পিন্ধিবলৈ লৈছে। আজি-কালি দখনাক টেবুল ক্লথ, পৰ্দা, বিচনা চাদৰ, থিয়েটাৰৰ উইংচ আদি হিচাপেও ব্যৱহাৰ কৰিবলৈ লৈছে। বড়ো ভাষাত দখনা মানে বেৰ (fencing)। ঘৰৰ সীমাৰ বেৰক সীমা দখনা বোলা হয়। কোনো কোনোৱে 'হুখন'ৰপৰা দখনা হৈছে বুলি কয়। গাড়ো আৰু হাজং তিৰোতাসকলে পিন্ধা হুখন কাপোৰ বড়ো তিৰোতাই লগলগাই এখন কৰি লৈছে যাৰে হুখনৰপৰা দখনা হৈছে। দখনা দীঘলে পাঁচ হাত। দখনাখনৰ এটা মূৰ বুকুত পিন্ধি আন মূৰ গাত মেৰিয়াই কঁকালত বান্ধি লয়। আগতে নিজে কপাহৰপৰা সূতা কাটি বড়ো তিৰোতাই কাপোৰ বৈ লৈছিল। আজি-কালি মিলৰ সূতাৰে দখনা বা অন্যান্য কাপোৰ বোৱা হয়। বৰ্তমানে কাপোৰত ফুল উঠাবলৈ আঠবাতি তুলি মূৰ বাছি'তেই ফুলৰ আহি দিয়ে। কাপোৰ বওঁতে ফুলবোৰ উঠি যায়। দখনাত বিভিন্ন ধৰণৰ ফুল তোলা হয়। ফুলৰ নাম অনুযায়ী দখনাবিলাকৰো বেলেগ বেলেগ নাম। ফুল বছা দখনাক থাওছি বোলে আৰু ফুল নথকা দখনাক ছালামাথা বোলে। ফুলাম দখনাবোৰৰ নামবোৰ হ'ল—(ক) দখনা থাওছি, (খ) দাওথু গদো, (গ) ফাৰৌ মেগন,—



দাইশ্ৰি আঠেং (ঙ) থাহেওবিথা, (চ) থাংগ্ৰায় গাচি ইত্যাদি।

বড়ো গাভৰুসকলে ফুল বৰ ভাল পায়। কাপোৰত ফুল বছাত তেওঁলোক অতি পাৰ্গত। বড়ো সমাজত ফুল বাছিব নোৱাৰা বা কাপোৰ বব নোৱৰা ছোৱালীক ভাল চকুৰে চোৱা নহয়। বড়ো তিৰোতাই তেওঁলোকৰ কাপোৰত অসমৰ প্ৰকৃতিৰ বিবিধ প্ৰতিকৃতি তুলিবলৈ ভাল পায়। ফুলাম দখনা আৰু মেখেলাত পুৰণি অসমৰ বিভিন্ন দৃশ্যাৱলীয়ে শোভা বৰ্ধন কৰি আছে। সময় আগবঢ়াৰ লগে লগে বড়ো তিৰোতাৰ কাপোৰৰ ফুলৰ চানেকিও সলনি হৈ আহে। বড়ো ভাষাত ফুলক আগড় বোলে। বড়ো তিৰোতাই তেওঁলোকৰ কাপোৰত তোলা কেইবিধমান ফুল হ'ল :

১) পাহাৰৰ আগড় (পাহাৰৰ দৃশ্য ফুল), ২) থৱৈ বিবাৰ (ভেঁট ফুল), ৩) পদু বিবাৰ (পদুম ফুল), ৪) শিংগ্ৰি বিবাৰ (শিঙৰি ফুল), ৫) থাইগিৰি বিবাৰ (ঔ ফুল), ৬) বৈখ্ৰি বিবাৰ (বগৰী ফুল), ৭) চিংখা মহৰ (চেঁকীয়া বনৰ আহি), ৮) মাগ্ৰি আগড় (ধানৰ আহি), ৯) লাউ বেগড় (লাও গুটিৰ আহি), ১০) ফাৰৌৰ মেগন (পাৰ চৰাইৰ চকুৰ আহি), ১১) দাউথু গদ (কপৌ চৰাইৰ গল কণ্ঠি) ১২) খাহেও বিথা (কাছৰ বুকু), ১৩) মগৰ বাজা (মকৰাৰ জালৰ নিচিনা), ১৪) মৈছেৰ আকা (গাড়ীৰ গোজ) ইত্যাদি।

আধুনিক সভ্যতাৰ পোহৰ পৰাৰ লগে লগে তেওঁলোকে কাপোৰত মটৰ-গাড়ী, এৰোপ্লেন, ৰেলগাড়ী, আদিৰো প্ৰতিকৃতি তুলিবলৈ লৈছে।

বড়োসকলে ব্যৱহাৰ কৰা আন কেইবিধমান কাপোৰ উল্লেখ কৰা হ'ল।

১) ইন্দিচি : ইন্দিচি মানে এৰী চাদৰ। আগতেই উল্লেখ কৰা হৈছে যে বড়োসকলে এৰী পুহি, এৰীৰ লেটা কাটি সূতা উলিয়াই এৰী কাপোৰ বৈ লয়। বড়োসকলৰ এৰী কাপোৰখন বৰ প্ৰিয়। পুৰুষৰ কাৰণে ডাঙৰ আকাৰৰ আৰু তিৰোতাৰ কাৰণে সৰু আকাৰৰ এৰী চাদৰ বোৱা হয়। তিৰোতাৰ কাৰণে বোৱা চাদৰত ৰঙা, সেউজীয়া, কলা, নীলা আদি ৰঙৰ সূতাৰে ফুল বাছি লয়।

২) ফালি : ফালি মানে গামোচা। বড়ো তিৰোতাই বিভিন্ন ৰঙৰ গামোচা বয়। কিছুমান গামোচা ফুলাম আৰু কিছুমানত ফুল নাথাকে।

৩) গামছা (তিনিহতীয়া) : পুৰুষ মানুহে পিন্ধিবৰ কাৰণে বিভিন্ন গামোচা বয়। সাধাৰণতে ঘৰত থাকোঁতে বা পথাৰত কাম কৰোঁতে ধুতীৰ সলনি বড়োসকলে গামোচা পিন্ধি থাকে।

৪) বিছনা চাদৰ : বড়ো তিৰোতাই ধুনীয়া ধুনীয়া বিছনা চাদৰ বয়। বিচনা চাদৰবিলাকৰ বিভিন্ন নাম যেনে—ঢাৰা মহৰ, হানি কম মহৰ ইত্যাদি।

৫) চিমা : বড়োসকলে ৰাতি গাত ল'বলৈ বৰকাপোৰ বৈ লয়। বৰকাপোৰক বড়ো ভাষাত জিমা বা জিমা বোলে। বৰো ভাষাত কাপোৰক ডি, জি, বা জি বোলে। আগতে বড়ো সমাজত তুলী-লেপৰ ব্যৱহাৰ নাছিল। বগা সূতাৰে বোৱা বৰকাপোৰ গাত লৈ জাৰ নিবাৰণ কৰিছিল।

৬) ফালি ফিচা : ৰুমালৰ আকাৰৰ সৰু ফুলাম গামোচা। বড়ো ছোৱালীয়ে ফালি ফিচা প্ৰিয়জনক উপহাৰ দিয়ে। ফালি ফিচা বিভিন্ন উজ্জ্বল ৰঙৰ।

৭) গান্দুচি : গাকৰ বাবে দুজৰপীয়াকৈ বোৱা এবিধ কাপোৰ।

৮) ফালি পাগাড : পিঠি আৰু কঁকালত মেৰাই বন্ধা দীঘল ফুলাম গামোচা। সাধাৰণতে বয়সীয়াল তিৰোতাই এই কাপোৰ ব্যৱহাৰ কৰে।

৯) চি খেথা : সৰু সৰু ছোৱালীয়ে দহিসূতাৰে বোৱা কাপোৰ। এই কাপোৰ সৰু সৰু ছোৱালী-বিলাকে ধুনুচা হিচাপে ব্যৱহাৰ কৰে।

১০) বাগ্ৰ চি : কেচুৱাক বোকোচাত ল'বৰ কাৰণে বোৱা কাপোৰ। বড়ো তিৰোতাই কাম কৰাৰ সময়ত কেচুৱাক বোকোচাত বান্ধি লয়। ৰঙ উজ্জ্বল হালধীয়া বা অন্য ডাঠ ৰঙৰ বাগ্ৰা চিৰ মাজত সোমাই থকা কেচুৱাই নিশ্চিন্তে টোপনি গৈ থাকে।

১১) চাগ্ৰি চি বা ফাছ্ৰাচি : ছোৱালীবিলাকে গাত লোৱা নানা ৰঙৰ চাদৰ। এই চাদৰখনৰ বা আৰোৱানখনৰ ৰং সাধাৰণতে হালধীয়া, নীলা, ৰঙা বা অন্য ডাঠ ৰঙৰ হয়। আজি-কালি বহুতো ছোৱালীয়ে বগা বা পাতল ৰঙৰো আৰোৱান গাত লয়। এই কাপোৰখন সাধাৰণতে চিল্ক বা লিলেন সূতাৰে ফুলামকৈ বৈ লয়। ৰং-বিৰঙৰ দখনা পিন্ধা ছোৱালীয়ে যেতিয়া ৰং-বিৰঙৰ উজ্জ্বল ৰঙৰ আৰোৱান পিন্ধে, তেতিয়া দেখিবলৈ বৰ আকৰ্ষণীয় হয়।

১২) মাফ্লাৰ, পেণ্ট আৰু চাৰ্টৰ কাপোৰ : আজি-কালি বহুতো বড়ো-ডেকাই ৰং-বিৰঙৰ সূতাৰে বোৱা মাফ্লাৰ লয়। আধুনিকতাৰ প্ৰতি লক্ষ্য ৰাখি বড়ো তিৰোতাসকলে ফুলাম মাফ্লাৰ বৈ বয়ন শিল্পৰ উন্নতি সাধন কৰিবলৈ সক্ষম হৈছে। আজি-কালি ধুনীয়াকৈ বোৱা কাপোৰেৰে চাৰ্ট পেণ্ট, ব্লাউজ আদিও চিলায়।

১৩) মোনা : মোনা বা বেগ চিলাবলৈও বড়ো তিৰোতাসকলে ধুনীয়া ধুনীয়া কাপোৰ বয়। ইয়াৰ বাহিৰেও প্ৰয়োজন অনুসৰি বিবিধ কাপোৰ বড়ো তিৰোতাসকলে বৈ লয়। বড়োসকলৰ সৰহসংখ্যক লোকেই খেতিয়ক। পুৰুষ-তিৰোতা সকলোৱে মিলি কৃষিকাৰ্য চলায়। তাৰ মাজতে যেতিয়া আজৰি ওলায় সেই সময়তে বড়ো তিৰোতাসকলে পৰিয়ালৰ প্ৰয়োজনীয় কাপোৰখিনি বৈ লয়। তেওঁলোকে হাতশালহে ব্যৱহাৰ কৰে। সেয়েহে বয়নবিদ্যাত খৰতকীয়া হ'ব নোৱাৰে। অৱশ্যে আজি-কালি বহুতে তাঁতশাল ব্যৱহাৰ কৰিবলৈ লৈছে ; কিন্তু তেওঁলোকে এতিয়াও ব্যৱসায় ভিত্তিত কাপোৰ বৈ কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। সূতাৰ দাম আৰু পাৰিশ্ৰমিকৰ তুলনাত কাপোৰৰ দাম নিচেই কম। ইয়াৰ উপৰি আজি-কালি ৰং-বিৰঙৰ কলৰ কাপোৰ ওলোৱাত আৰু বহুতে সেইবিলাকৰ প্ৰতি আকৃষ্ট হোৱাত বড়োসকলে হাতেবোৱা কাপোৰে বজাৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা নাই। এই ক্ষেত্ৰত ৰক্ষণাবেক্ষণৰ প্ৰয়োজন। ইয়াৰ উপৰি বড়ো বোৱনীসকলে বোৱা কাপোৰ-বিলাক মহাজনৰ ওচৰত কম দামতে বিক্ৰী কৰে। মহাজনসকলে নগৰৰ দোকানবোৰত বেছি দামত বিক্ৰী কৰে। যিসকলে এইবোৰ কাপোৰ কিনে তেওঁলোকে অযথা বেছি দাম ভৰিবলগীয়া হয় আৰু আনহাতে বোৱনীসকলে উচিত মূল্য নাপায়।

সময় আগবঢ়াৰ লগে লগে বহুতো বড়ো ছোৱালীয়ে কাপোৰ ববলৈ এৰিলে। স্কুল-কলেজত পঢ়া ছোৱালী-য়েতো তাঁতশালত বহিবলৈ সময়কে নাপায়। কষ্ট কৰি কাপোৰ বোৱাতকৈ বজাৰৰপৰা কিনি আনি পিন্ধা বেছি ভাল বুলি বহুতে ভাবি ললে। সেয়েহে তেওঁলোকে বজাৰৰপৰাই মহাজনৰপৰা দখনাখন কিনি আনিপিন্ধে। মহাজনসকলে বোৱা দখনাখন এতিয়াও বড়ো বোৱনীসকলে বোৱা দখনাই আৰে; কিন্তু আমাৰ সন্দেহ হয় অদূৰ ভৱিষ্যতে ইয়াৰ সলনি মিলৰ দখনা ওলাব। এবাৰ তেনে কাপোৰ



বজাৰত ওলালে বৰ্তমান প্ৰচলিত দখনাবোৰৰ কি অৱস্থা হ'ব ভাবিবলগীয়া। এই বিষয়ে চিন্তাশীল বড়োসকল সজাগ থাকিব বুলি আশা ৰাখিছোঁ। শেষত এফাঁকি বড়ো লোকগীতেৰে আলোচনা সামৰণি মাৰিলোঁ :

বাছাৰহে আবাদ জায়াইখো দাগাৰ,
হানজাও হাবা বাং়ায়াইখো গাৰ।

অৰ্থাৎ — এবছৰ আবাদ ( খেতি ) নোহোৱাৰ বাবে নাকান্দিবা। ( নিজৰ ) তিৰোতাই কাম নজনাটোৰ কান্দিবা। •

প্ৰবন্ধটো যুগুত কৰোঁতে সহায় পোৱা গ্ৰন্থ আৰু তথ্য

(১) বস্ত্ৰ শিল্পৰ ইতিবৃত্ত—৺হৰেশ্বৰ শৰ্মা, এম, এ
(২) পুৰণি অসমৰ শিল্প—শ্ৰীভুবনচন্দ্ৰ সন্দিকৈ, বি. এ,
(৩) বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি— শ্ৰীভবেন নাৰ্জি।
(৪) বড়ো তিৰোতাৰ ফুলাম মেখেলা ( 'গগনা'ত প্ৰকাশিত প্ৰবন্ধ ) শ্ৰীসুকুমাৰ বসুমতাৰী
(৫) শ্ৰীমোহিনীমোহন ব্ৰহ্মৰপৰা পোৱা তথ্য।

শ্ৰীলোকেশ্বৰ গগৈ

# তিৱাসকলৰ বৰঘৰ

অসমৰ তিৱা বা লালুং জনজাতিৰ ধাৰ্মিক প্ৰক্ৰিয়াবোৰ পালন কৰিবলৈ বৈষ্ণৱসকলৰ নামঘৰসদৃশ এটা "বৰঘৰ" আছে, যাক তেওঁলোকে অতি মহান আৰু পবিত্ৰ বুলি জ্ঞান কৰে। ইয়েই তিৱা জনজাতিৰ কৃষ্টি-সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ বুলিব পাৰি। কোনো দূৰ ঠাইত পাম কৰিবলৈ গলে বা ন-বৃত্তি বা পেশা অৱলম্বন কৰা বা কোনো অভিষ্ট সিদ্ধিৰ বাবে তিৱাই বৰঘৰৰ সন্মুখত দীঘল দি পৰি আজিও আঁঠু লয়। তিৱা সমাজত লুপ্ত হৈ যাবলৈ ধৰা 'বৰঘৰ'ৰ বিষয়ে এই প্ৰবন্ধটিত চমুকৈ আলোচনা কৰা হ'ল।

বৰঘৰ সজা, থুনা খুটা প্ৰতিষ্ঠা কৰা, কাঁড় বা জেলা তৈয়াৰ কৰা আদি কামত পৰম্পৰাগত চলি অহা কিছুমান প্ৰথা আছে, যাক তেওঁলোকে আজিও পালন কৰিবলৈ পাহৰা নাই। সাধাৰণতে বৰঘৰ পূবা-পশ্চিমাকৈ সাজে কিন্তু; ঠাইভেদে উত্তৰা-দক্ষিণাকৈও সজা দেখা যায়। পূবফালে মুধৰ খুটাৰ ওচৰত মিন্দাইনে থুনা (পবিত্ৰ খুটা) থাকে। এই খুটা গমাৰি কাঠৰ হ'ব লাগে, য'ত কাঁড় বা জেলা অতি যত্নৰে সংৰক্ষিত কৰা হয়। তিৱা কমাৰে একে বহাই কোৰ মাৰি খনা মাটিৰে এই কাঁড়পাত তৈয়াৰ কৰিব লাগে কিন্তু; কমাৰে উপবাসে থাকিহে এনে কৰ্মত ৰত হ'ব লাগে।

থুনা খুটাৰ সন্মুখত এটা ঢিপ বা থাপনা থাকে, যাক তেওঁলোকে অতি পবিত্ৰ বুলি ভাবে। থাপনাৰ মাটি কোনো এক বিশেষ ঠাইৰপৰা আনিব লাগে। কাঁড়ৰ লগত এখন বলি কটা দা বা অস্ত্ৰ বৰঘৰত থোৱা হয়। মিকিৰ কুলৰপৰা উৎপত্তি হোৱা মেলাং কুলত কাঁড় নাথাকে। বলি কটা দা আৰু কাঁড়-পাত বৰঘৰত অনুষ্ঠিত হোৱা অশেষ পূজা-পাতলত ব্যৱহাৰ কৰা হয়।

সাধাৰণতে বৰঘৰ দুকোঠলীয়া আৰু দুৱাৰবোৰ দীঘ আকৃতিৰ। ন'পাৰ'ৰ (বৰঘৰ) আগ আৰু পাছ ফালে দুখন বাৰান্দা আছে। আগফালৰ খনত পানী থোৱা চুঙা আৰু আনখনত খৰি থোৱাৰ ব্যৱস্থা আছে। ন'পাৰ'ৰ প্ৰথম কোঠাক ন-মাজি (বাহিৰ চ'ৰা) আৰু ভিতৰ চ'ৰাক নংঠি বোলে। বাহিৰ চ'ৰা ধুনীয়াকৈ সজোৱা থাকে, য'ত আলহী-অতিথিৰ সেৱা-সৎকাৰ আৰু বহা-মেলা কৰা হয়। বাহিৰ চ'ৰাৰ সোঁমাজতে এখন জুহাল থাকে, যাৰ ওপৰত এখন ডাঙৰ আৰু এখন সৰু বাঁহৰ চাং থাকে। ডাঙৰ চাংখনত পানী অনা লাউ, মাটি কলহ আৰু পূজা-পাতলত ব্যৱহাৰ কৰা আৱশ্যকীয় বস্তুবোৰ থোৱা হয়। সৰু চাঙত মাছ-মাংস, বাঁহ গাজ, জলকীয়া আদি শুকুৱাই থোৱা হয়। বাহিৰ চ'ৰাৰ চাৰিওফালে থকা বাঁহৰ বেৰত





ধানৰ পুৱা বা টোম সজাই থোৱা তাৎপৰ্যপূৰ্ণ। ভিতৰ চ'ৰাৰ দুৱাৰ মুখত আৰু এখন পাভটি চাং আছে, য'ত থোৱা সঁজুলিবোৰ ৰখা হয়। ভিতৰ-চ'ৰাত ৰন্ধা-বঢ়া কাম হয় আৰু ইয়াতেই বৰঘৰৰ দেৱতা আৰু ঘৰৰ গোসাঁনীক পূজা কৰাৰ বেদী সাজি লয়। বাহিৰ চ'ৰাৰপৰা ভিতৰচ'ৰালৈ প্ৰৱেশ কৰাৰ পথৰ বেৰত নানা বনৰীয়া জন্তুৰ হাড়, মূৰ, শিং, নখ, চৰাইৰ ডোকা, ঠোঁট আৰু হাবি-জংঘলৰ গছ-পাত খুঁচি বা আঁৰি থয়। ইয়াক একপ্ৰকাৰে ক্ষুদ্ৰ যাদুঘৰ বুলিও ক'ব পাৰি। থল আৰু পৰ্বতৰ মৰং অনুষ্ঠানতো এইলেখীয়া যাদুঘৰ দেখিবলৈ পোৱা যায়। বনৰীয়া জীৱ-জন্তুৰ হাড়-মূৰ বৰঘৰৰ দুৱাৰমুখত থাকিলে কোনো অমংগলীয়া দেৱ-দেৱী আৰু বেমাৰ-আজাৰে স্পৰ্শিব নোৱাৰে বুলি তিৱাসকলে বিশ্বাস কৰে।

বৰঘৰত দুখন আসন থাকে, তাৰে এখনত উপাস্য দেৱ-দেৱীৰ পূজা আৰু আনখনত মৃত পিতৃ-মাতৃৰ পূজা কৰা হয়। প্ৰথমখন আসনৰ সন্মুখত 'থুনা' খুটা থাকে। তিৱাৰ উপাস্য দেৱ-দেৱীসকল হ'ল মহাদেউ (ফা), ঘৰ জুতি (ঘৰৰ জ্যোতি), ভগৱতী, কালিখা, কামাখ্যা, কেঁচাইখাতি, মাহামায়, মালঠাকুৰ আৰু কুলানুপাতে বাঘদেউ আদি দুই-এক পৃথক দেৱতাৰ নাম পোৱা যায়। দ্বিতীয়খন আসনত পিতৃ-মাতৃক অন্যান্য উপাস্য দেৱ-দেৱীৰ দৰেই পূজা কৰা হয়।

বৰঘৰৰ আসনৰ মূৰত একোখনকৈ চাং আছে তাত ৰংড'খ্ৰী (চাউল) আৰু মাইড'খ্ৰীৰ (ধান) টপা (টোম) একোটাকৈ ৰখা হয়। কোনো কোনো বৰঘৰত টপাৰ সলনি টেকেলিত চাউল ৰখা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, ৰং মানে চাউল আৰু মাই মানে ধান বা ভাত। এই ৰং আৰু মাই যি টোমত থোৱা হয় তাকেহে ৰংড'খ্ৰী আৰু মাইড'খ্ৰী বোলা হয়। তিৱা সমাজত বৰঘৰত কোনো বিগ্ৰহৰ ব্যৱস্থা নাই।

কুলানুপাতে বৰঘৰৰ সন্মুখভাগত দেৱ-দেৱীৰ পূজা কৰিবলৈ প্ৰায় এশ বৰ্গফুট পৰিসৰৰ একোখন মুকলি থলি থাকে, যাক 'খলা' বুলি কয়। এই খলাত বহাগ বিহুত (বচাক পিচু) গৰু-গাইক গা-ধুৱাবলৈ নিয়াৰ আগতে উপাস্য দেৱ-দেৱীক পূজা কৰে। এই খলাত পূজা নকৰে মানে গৰু গা ধুৱাবলৈ নিব নোৱাৰে। দেৱ-দেৱীৰ উদ্দেশ্যে ইয়াত কুকুৰা বলি দিয়ে, কুকুৰাৰ তেজ আৰু পেটু আসনত দি মংগল চায়। বিশেষকৈ মহাদেউৰ উদ্দেশ্যে আগ-বঢ়োৱা বলিৰ কুকুৰাটো বলি কটাৰ পিছত ওপৰ-মুৱাকৈ পৰিলে বছৰ খৰাং আৰু তললৈ মুখ কৰি আসনত পৰিলে বছৰ বৃষ্টিময় হ'ব বুলি বিশ্বাস কৰে। এই আসনতে গৰু-গাই আৰু গৰখীয়াৰ নিৰাপদৰ বাবে বাঘদেউক পূজা কৰে। ওপৰত উল্লেখ কৰা দেৱ-দেৱীৰ পূজাৰ বাহিৰেও বৰঘৰত বিহু, ভকত-সেৱা, কৰম, মনশ্ব আৱশ্যক অনুসাৰে কৰা ঘৰুৱাহি বা খুটাৰ কাজ, নতুন তামোল-পাণ দেৱতাত লগোৱা আদি পালন কৰা দেখা যায়। এই বিষয়ে তলত থূলমূলকৈ আলোচনা কৰা হ'ল।

দেও পূজা : এই পূজা ভাদত পাতে। দেও সেৱাৰ দিনা বৰঘৰৰ এচুকত আঁৰি থোৱা নল বা বাঁহেৰে সজা খাংটো নমায় আৰু ইয়াতেই কেবাবছৰো দেৱতালৈ আগবঢ়োৱা বস্তুবোৰ সাঁচি থোৱা হয়। সেই বস্তুবোৰৰ ভিতৰত সাতোটা আৰৈ চাউলৰ টোপোলা, পানী ভৰোৱা নলৰ চুঙা, ন তামোল-পাণৰ বটা, খাগৰি খৰি সাত পোলা, ডিমৰু পাতেৰে বন্ধা সাতটা ফুটভাইৰ টোপোলা, ডিমৰু পাত সাত মুঠা আৰু পাঁচ গুচি বৰ বৰত'ন খেৰ গুঁঠি থোৱা হয়। বস্তুবোৰ নমোৱাৰ পিছত বাঁহৰ নতুন খাং এটা সাজে আৰু ওপৰত উল্লেখ কৰা বস্তুখিনি নতুনকৈ ভৰাই খাংটো যথাস্থানত আঁৰি থয়। বাঁহৰ

চুঙা দুটা চোঁচৰ তমালেৰে বাহিৰ এডাল মাৰিৰে চালত আঁৰি থয় আৰু পূৰণা খাহুটো কোনো আও-হতীয়া ঠাইত পেলাই দিয়েগৈ। খাহুত ভৰোৱা প্ৰত্যেকটো বস্তুৱেই মানুহৰ দৈনিক জীৱনত ব্যৱহৃত হোৱা লোণ, ভাত খোৱা বাচন-বৰ্তন, তেল আদিৰ প্ৰতীকস্বৰূপ। সেও সেৱা বৰঘৰত পালন নকৰালৈকে তিৱাই ন-তামোল-পাণ খাব নাপায় বুলি বিশ্বাস কৰে।

কালিখা (কালিকা) পূজা : তিৱা জন-জাতিয়ে খুটাৰ লোকৰ অপায়-অমংগল দূৰ কৰিবৰ বাবে আৰু শস্যৰ বৃদ্ধি হেতু এই পূজা পাতে। এই পূজা কাতি মাহত পালন কৰে। 'খেল গংগা'ৰ উপস্থিতিত বৰঘৰত প্ৰতি কুলৰ 'বাৰিলে' কালিখা আৰু কামাখ্যা দেৱীৰ পূজা কৰে। ভিতৰচ'ৰাৰ পূব দিশত মাটিত এটা ঢিপ সাজে আৰু ঢিপৰ আগত সাতজাপ কলপাত পাৰি মাহ-প্ৰসাদ আগ বঢ়ায় আৰু বন্তি এগছি জ্বলাই। এই ঢিপটোৰ ওচৰত উত্তৰ দিশে এটা ঢিপ সাজে আৰু তাত মহাদেউলৈ উৎসৰ্গ কৰি এটা বগা কুকুৰা থৈ, এগছি বন্তি জ্বলায়। প্ৰথম ঢিপৰ সম্মুখত মৃচাৰে সৈতে উঘালি একোপা কল ওভতাই পোতে। সেই মূঢ়াটো চাৰে তিনি পৰ্য্যন্ত ওখ হ'ব লাগে। মূঢ়াটো সমানকৈ কাটি খাজ কৰি কাচ তুজনীৰ চলাখন তললৈ দিয়ে আৰু ভক্তিৰে মূঢ়াটোত বহুৱাই দিয়ে। ঘৰ বূঢ়াই তুতি-মিনতি কৰি কাচ তুজনীৰ চাৰিওফালে সাতবাৰকৈ ঘূৰি কাচ তুজনী বলি দিয়ে। তিৱাসকলে বিশ্বাস কৰে যে, সময় আহিলেই কাছই মূৰটো বাহিৰলৈ উলিয়াই দিব আৰু বলি কটা দাৰে ঘৰবুঢ়াই কাটিব। ইয়াৰ পিছত মহাদেউৰ বাবে উৎসৰ্গা কৰি থোৱা কুকুৰা চৰাই বলি দিয়ে।

ভকতসেৱা : ভকতসেৱাৰ দিনা পুৱা বৰঘৰত বংশৰ দেৱতা, কালিখা, কামাখ্যা, বৰ আই, সৰু আই, বংড'খ্ৰী, মাইড'খ্ৰী আৰু মৃত পিতৃ-মাতৃ-সকলক ঘৰবুঢ়াই তুতি-মিনতি কৰি তামোল-পাণৰ বটাফুলাই দেৱ-দেৱীক সন্তুষ্ট কৰে। প্ৰতিগৰাকী দেৱ-দেৱীক কেই বটাকৈ তামোল-পাণ দিব লাগে তাৰো নিৰ্দিষ্ট সীমা আছে। প্ৰতি কুলৰ দেৱতাৰ বেলেগ বেলেগভাৱে নামকৰণ কৰা হয়। তিৱাৰ এটা কুলত কেইবাটাও বংশ বা খুটা থাকে। প্ৰতি খুটাৰ অন্তৰ্গত কেইবাটাও পৰিয়ালৰ সৃষ্টি হৈছে। এখন খেলত দুই বা ততোধিক খুটাৰ মিলন হয়। প্ৰতি পৰিয়ালৰ এজন ব্যক্তিৰ লগত আন এজন ব্যক্তিৰ নিবিড় সম্বন্ধ আছে। ভকতসেৱাৰ ভকত-সকল বিভিন্ন খুটাৰ জেলা আৰু সন্মানীয় ব্যক্তি-সকলক লৈয়ে গঠিত। প্ৰতি খুটাৰ পৰিয়ালবোৰে ভকতসেৱাৰ বাবে যথেষ্ট অৰিহণা যোগায়। প্ৰতি পৰিয়ালৰ মংগলৰ বাবে প্ৰতি খুটাৰ জেলাই ন'পাৰত গোট খোৱা ভকতসকলৰপৰা আশীৰ্বাদ প্ৰাৰ্থনা কৰে। জেতিয়া জেউঁলোকে তামোল-পাণ আৰু লোণ দি ভকতসকলক মানি ধৰে। ভকত-সেৱাৰ সকলো কাম সমূহীয়াভাৱে তিৱাই বৰঘৰত পালন কৰি আহিছে।

বিহু উৎসৱ : তিৱাই কাতি, মাঘ আৰু বহাগ বিহু বৰঘৰত আনুষ্ঠানিকভাৱে পালন কৰি আহিছে। প্ৰতি খুটাৰ লোকে নানা দেৱ-দেৱী আৰু পূৰ্বপুৰুষ-সকলৰ উদ্দেশ্যে পিঠা, সান্দহ, মদ আৰু অন্যান্য দ্ৰব্য আগবঢ়োৱাৰ প্ৰথা চলি আহিছে। সেইদিনা খেলৰ সকলো নাঙল-যুঁৱলি বৰঘৰত গোট খায়হি। ঘৰবুঢ়াই সঁজুলিবোৰৰ আগত বন্তি জ্বলাই আৰু কুকুৰা বলি দি তাৰ তেজ সঁজুলিবোৰত ছটিয়াই। ই পৃথিবীৰ লগত মানুহৰ তুমুল সংগ্ৰামৰ কথাকেই সূচায়। গোহালি, তাঁতশাল, ঘৰ-দুৱাৰ, মানুহৰ যতনসমূহত মন্ত্ৰপূত পিঠাগুড়ি পানী বনমালা পাতেৰে ছটিয়ায়। বিহুত পুৱাতে বৰঘৰৰ আগত অহা বছৰৰ মংগলৰ বাবে মাহ-প্ৰসাদ আগবঢ়ায় আৰু মহাদেউৰ উদ্দেশ্যে শুভ্ৰ বগা কুকুৰা এটা বলি দিয়ে।



মনখ : মনখ মানে সন্তান জন্মৰ চুৱা খেদা অনুষ্ঠান। বিশেষ মনখৰপৰা বৰ্তমান কৰিবলৈ পোৱা মনখৰ সময়লৈকে যিমানবোৰ সন্তান জন্ম হৈছে, সেইসকলৰ মনখ সমূহীয়াভাৱে বৰঘৰত পাতে। খেলৰ সকলো ব্যক্তিৰ উপস্থিতিত সন্তান জন্মৰ চুৱা খেদি মানুহৰ মন-প্ৰাণ পবিত্ৰ আৰু ঘৰ-দুৱাৰ শুচি কৰাই ইয়াৰ প্ৰধান উদ্দেশ্য। মনখত খুটাৰ ঘৰবুঢ়াই কুকুৰা বলি দি মংগল চাই আৰু সন্তানৰ মংগলামংগল গণনা কৰে। মনখৰ সামৰণিত খেলৰ বুঢ়াই আলো-হিলাকী গীত গাই চুৱা খেদা সন্তানসকলক নচুৱায় আনন্দ কৰে। অতীজতে তিৱা সমাজত ল'ৰা আৰু ছোৱালী জন্ম হ'লে যথাক্ৰমে বাৰটা আৰু ছটা কুকুৰা বলি দিয়াৰ প্ৰথা আছিল।

কৰম : তিৱাই সমূহীয়াভাৱে কৰম বৰঘৰত পাতে। অন্যান্য হিন্দুৰ দৰে তিনিদিনত তিলনি, দহদিনত দহা বা কুৰিদিনত কৰম কৰা প্ৰথা অতীজতে তিৱা সমাজত নাছিল। মূল কৰমৰ ছদিনৰ আগৰে-পৰা এদিন পিঠা, এদিন খাৰ আদিৰে পিণ্ড দিয়াৰ নীতি সাতদিনলৈকে চলি থকাৰ প্ৰথা আছে। বিশেষ কৰমৰ পিছৰপৰা বৰ্তমান পালন কৰিবলৈ পোৱা কৰমৰ সময়লৈকে যিসকল ব্যক্তিৰ মৃত্যু হৈছিল, সেইসকলৰ কৰম একেলগে পালন কৰা হয়। ঘৰৰ বৰজেলাই কৰমৰ ৰীতি-নীতি পালি খেলৰ সকলোৰে উপস্থিতিত পবিত্ৰ অন্তৰেৰে মৃতকৰ উদ্দেশ্যে উৎসৰ্গা কৰা গাহৰিটো কাঁড়েৰে বধ কৰে। এই কাঁড়পাতৰ কথা ওপৰত উল্লেখ কৰি অহা হৈছে। কৰমৰ সকলো কাম সমাধা কৰে পিয়াতিয়ে। পিয়াতিয়ে গাহৰিটোৰ মাংস এভাগ বৰঘৰত আত্মীয়াকৈ ৰাখে। কৰম কৰা মৃতকৰ আত্মীয় ঘৰৰপৰা একোখনকৈ ভাৰ মৃতকৰ পৰিয়ালৰ ঘৰলৈ আহে। এনে ভাৰত এটেকেলি মদ, এথোক তামোল, এপাচি চাউল, পাণ কেইবা গুছি আৰু নানা খাদ্য বস্তু থাকে। এইদৰে অহা ভাৰ কেইবাখনো খেলৰ অন্যান্য খুটাৰপৰা বৰঘৰলৈ আহে। এনেকৈ অহা ভাৰৰ বস্তুবোৰ কৰমত খৰচ কৰা হয়। কোনো কোনো নজমায়ে গাহৰি বা কুকুৰা ভাৰত কঢ়িয়াই অনাৰো ব্যৱস্থা আছে। পিয়াতিয়ে কৰমকাৰী ব্যক্তিৰ মূৰ খুৰায়, তাৰ পাছত নিৰ্বাচিত পিয়াতি দুগৰাকীক মাহ-হালধিৰে ধুঁহি মৃতকৰ পৰিয়ালবোৰৰ উপস্থিতিত আনুষ্ঠানিকভাৱে স্নান কৰায়। খুটাৰ ঘৰবুঢ়াই কাঁড়পাত বৰঘৰৰ ভিতৰৰপৰা সেৱা-সংকাৰ কৰি আনি বৰঘৰৰ চোতালত থয়হি। এই ক্ষেত্ৰত হাৰী কুঁৱৰীয়ে তুলসী আদিৰে মিশ্ৰিত জল ছটিয়াই। বৰঘৰৰ চোতালত খেলে নিৰ্বাচিত কৰা দেউৰীয়ে খেলৰ আৰু বংশৰ সকলোৰে কাৰণে ভোজ-ভাত ৰান্ধে। মহিলা পিয়াতিয়ে পিণ্ড দিয়াৰ পিছত পুৰুষ পিয়াতিয়ে পিণ্ড দিয়াৰ নিয়ম আছে। তাৰ পিছত মৃতকৰ আত্মীয় লোকে পিণ্ড দি মৃতকৰ উদ্দেশ্যে সেৱা জনায়। আগলি কলপাত এখনত ভাত, মাংস, পিঠা-সান্দহ দি পিণ্ড দিয়াৰ প্ৰথা আজিও প্ৰচলিত। মহিশালীত একোপা গছৰ তলত পিণ্ডৰ এভাগ এৰি থৈ অহাৰ পিছত সকলোৰে বৰঘৰত একেলগে ভোজ-ভাত খায়। ভোজৰ ভাত খোৱাৰ শেষত পিয়াতিক শুশ্ৰূষা কৰি টকা-পইচা আৰু গামোচা দি মান ধৰে। শেষত 'চূণচিৰা-পাণচিৰা' প্ৰথাৰে কৰমৰ কাম সামৰণি পৰে।

বৰঘৰত পূজা আৰু উৎসৱ পালন কৰিবলৈ কিছুমান দায়িত্বশীল আৰু সামাজিক কামত পটু ব্যক্তি আছে, যাৰ তিৱা সমাজত একোখন বিশিষ্ট আসন আছে। সেইসকলৰ ভিতৰত ঘৰ বুঢ়া, সৰু বুঢ়া, পিয়াতি, হাৰী কুঁৱৰী, দেউৰী আদি পদবিধাৰীসকলেই অন্যতম।

ঘৰ বুঢ়া : ঘৰ বুঢ়া দুবিধ। এবিধ প্ৰতি খুটাৰ-পৰা আৰু আন বিধ প্ৰতি খেলৰপৰা নিৰ্বাচিত হয়। বৰঘৰত ঘৰবুঢ়া (জেলা গাবি) বা বৰজেলা

একজন পুৰোহিত। বংশৰ বয়োবৃদ্ধজন ঘৰবুঢ়া হ'ব নোৱাৰে। পুৰুষানুক্ৰমে ঘৰ বুঢ়া হোৱাৰ প্ৰথা তিৱা সমাজত আছে। সাধাৰণতে পিতৃৰ পিছত পুত্ৰই এই পদত অধিষ্ঠিত হয়। তেওঁক ৰবঘৰত আনুষ্ঠানিক-ভাৱে বৰণ কৰে। খেলৰ বুঢ়াসকলৰ অনুমতি-সাপেক্ষে ৰবঘৰৰ চোতালত নোৱাই-ধুৱাই, ৰবঘৰৰ দেৱতাৰ ওচৰত তামোল-পাণ ফুৰাই ঘৰবুঢ়া পতাৰ ৰীতি বিশেষত্বপূৰ্ণ। সাধাৰণতে ঘৰ বুঢ়া বিবাহিত ব্যক্তি। তেওঁ কৌলিক পূজা-পাৰ্বণৰ সকলো নিয়ম আৰু স্তুতি সম্পূৰ্ণকৈ আয়ত্ত কৰি ল'ব লাগে। তেওঁৰ খোৱা-বোৱা, চলন-ফিৰণ আৰু সামাজিক কাৰ্যাৱলীৰ কিছুমানত বাধা আছে। তেওঁ শৱ-দাহ কৰিবলৈ যোৱাত বাধা নাই, কিন্তু শৱ-দাহ কাৰ্যত গিয়াতি হিচাপে সম্পূৰ্ণ অংশ গ্ৰহণ কৰিব নোৱাৰে। তেওঁ কেকোৰা, কুচিয়া আদি কেতবোৰ খাদ্য খোৱা নিষেধ। তেওঁ ব্যক্তি সেৱাৰ ভকত হ'ব পাৰে কিন্তু সচং ঘৰৰ মুখ্য ভকত হ'ব নোৱাৰে। মৃতকৰ উদ্দেশ্যে আগ বঢ়োৱা গাহৰিটো তেওঁ ৰবঘৰত থকা জেলা পাতেৰে হানে। মিকিৰ কুলৰপৰা উৎপত্তি হোৱা মেলাং আৰু তৰম কুলৰ ঘৰবুঢ়াই গাহৰিটো বলিকটা দাৰে বেপিহে কাটে। ঘৰবুঢ়াক সহায় কৰিবলৈ একজন সৰু বুঢ়া থাকে।

**হাৰী কুঁৱৰী :** তিৱাৰ প্ৰতি খেল, প্ৰতি খুটা বা বংশ আৰু ৰজাৰ ঘৰত একজনীকৈ হাৰী কুঁৱৰী থাকে। প্ৰত্যেকৰে কাম বেলেগ বেলেগ। পূজা আৰু উৎসৱ আদিত পুৰোহিতৰ কাৰ্যত হাৰী কুঁৱৰীৰ এখন বিশিষ্ট আসন আছে।

**গিয়াতি :** তিৱাই পুৰুষ আৰু তিৰোতা ফালৰপৰা দুগৰাকী গিয়াতি নিৰ্বাচিত কৰি লয়। পুৰুষ গিয়াতিৰ শৱ-দাহৰ সম্পূৰ্ণ দায়িত্ব মৰিশালিত আৰু মহিলা-গৰাকীৰ দায়িত্ব মৃতকৰ শৱ ঘৰ আৰু মৰিশালি পোৱাৰলৈকে। হাঠাম (মৰিশালিৰ শয্যা) নিৰ্মাণ কৰা ক্ষেত্ৰত গিয়াতিৰ কাৰ্যাৱলী তাৎপৰ্যপূৰ্ণ।

**শ'দল :** (হাঠাম) একেকুলৰ মৃতলোকৰ সকলো হাড় একেঠাইতে জমা হোৱা অস্থি-ভস্মৰ সমষ্টি।

**জেলা :** খুটাই প্ৰতি থকা ৰবঘৰৰ পূজা-পাটল কৰা পদবিধাৰী এগৰাকী ব্যক্তি। বিয়া-বাৰুৰ কাৰ্যাৱলী ক্ষেত্ৰত জেলাৰ ক্ষমতা অদ্বিতীয়।

**ন-জমায় :** কৰমৰ ভাৰ পাচি কঢ়িয়াই অনা একজন বিশিষ্ট ব্যক্তি।

**দেউৰী :** তিৱাৰ পূজা-সেৱা বিধিখন নিয়াৰিকৈ পৰিচালনা কৰা ব্যক্তি।

**চুণচিৰা-পাণচিৰা :** কৰমৰ সমাজত বহা সকলোৱে আগত সৰু কলপাত এখন পাৰি, তাৰ ওপৰত বাকলিৰে সৈতে কটা তামোল এখন আৰু পাণ এখন দিয়ে। সমজুৱাই পাণখিলা ছিঙি কলপাত-খনৰ সৈতে লুটিখুৱাই পেলাই দিয়াকে চুণচিৰা-পাণচিৰা প্ৰথা বোলে।●

●এই প্ৰবন্ধটি যুগুত কৰোঁতে শ্ৰীগণেশ সেনাপতি বি,এ, শ্ৰীমনেশ্বৰী দেউৰী এম, এ, আৰু শ্ৰীবলাইৰাম সেনাপতিৰপৰা সহায় পোৱা হৈছে।

সহায়ক গ্ৰন্থ : বিংচাং ১ম আৰু ২য় খণ্ড; 'অসমৰ জনজাতি' আলোচনী ১ম খণ্ডৰ পৰা ৪ৰ্থ খণ্ডলৈ

— —

শ্ৰীমনোৰঞ্জন লাহাৰী

## বড়ো নিচুকনি গীত

বড়ো নিচুকনি গীত বড়ো লোক-সাহিত্যৰ এটা প্ৰধান অংগ। গীতবোৰ বংশ পৰম্পৰাভাৱে মুখে মুখে বাগৰি আহি বৰ্তমানলৈ বুজন পৰিমাণে প্ৰচলিত হৈ আছে। জন-সাহিত্যৰ অন্তৰ্গত এইন এইন লৌকিক গীতবোৰৰ দৰে বড়ো নিচুকনি গীতবোৰৰ ৰ'চোতাৰ নাম ক'তো উল্লেখ নাই। নাথাকিবৰো কথা। নিৰ্দ্দিষ্ট সময়ত আৰু নিৰ্দ্দিষ্ট ৰ'চোতাৰ কিম্বা গায়িকাই (গায়কো হ'ব পাৰে) নিচুকনি গীতবোৰ ৰচনা কৰি গোৱা নাছিল। প্ৰয়োজন অনুসৰি আকস্মিকভাৱে আৰু তত্তা-তৈয়াকৈ গীতবোৰ মুখে মুখে ৰচনা কৰি গোৱা হৈছিল। বিভিন্ন ভাষাৰ প্ৰায়বোৰ লোক-গীত তেনেকৈ জন্ম হৈছিল।

**গায়ক আৰু শ্ৰোতা :** বড়ো নিচুকনি গীতৰ গায়ক অথবা গায়িকা একজন বা একজনী আৰু শ্ৰোতাও একজন বা একজনী। গায়িকাজনী সাধাৰণতে কেঁচুৱাৰ মাক আৰু শ্ৰোতাজন কেঁচুৱা নিজেই। কিছুমান ক্ষেত্ৰত 'বোখালি' বা ধাইজনীয়ে গায়; কিছুমান ক্ষেত্ৰত কেঁচুৱাৰ বায়েক ককাদেউতাক নাইবা আইতাকে গীত গাই কেঁচুৱাক টোপনি নিয়ায়।

**উদ্দেশ্য :** কেঁচুৱাক শুৱাবৰ কাৰণে গোৱাই হৈছে বড়ো নিচুকনি গীতৰ মুখ্য উদ্দেশ্য। বড়ো নিচুকনি গীতৰ এইন এইন উদ্দেশ্যবোৰ হ'ল — (১) গীতৰ জৰিয়তে কেঁচুৱাক চৰাই আকৰ্ষিত কৰি বাঁটি দিয়া, জন্তুৰ নামবোৰ জনাই দিয়া, তথা শিশুক আধাআধি বুজিবলৈ শিকোৱা, পৰিয়ালৰ পৰা আত্মীয়বৰ্গক চিনি পোৱাৰ সহায় কৰা, আৰু উৎসাহ দিয়া। (২) সংখ্যা গণনা কৰিবলৈ শিকোৱা, (৩) শৰীৰৰ অংগবোৰৰ ব্যৱহাৰ শিকোৱা আৰু (৪) সৎ আচৰণ কৰিবলৈ শিকোৱা। কেঁচুৱা টোপনি গলেই মাকে ঘৰৰ যাৱতীয় বন কৰি লয়। কেঁচুৱা শান্ত হলে নাইবা টোপনি গলে কেঁচুৱাৰ মতুলওতাজনীয়ে শাৰীৰিক আৰু মানসিক বিশ্ৰাম পায়। সেই উদ্দেশ্যে কেঁচুৱাক নিচুকাই তন্দ্ৰা অনা হয়।

**পটভূমি আৰু পৰিবেশ :**

কল্পনা আৰু বাস্তৱ জগৎ এই দুয়ো মিলি নিচুকনি গীতবোৰৰ পটভূমি সৃষ্টি হয়। কল্পনাৰ জগৎখন হ'ল গায়িকাৰ মনেৰে সজোৱা কিছুমান বস্তুৰ ছবি। কেঁচুৱাক বিশ্বাস জন্মাবৰ বাবে কিছুমান বাস্তৱ প্ৰাণী নাইবা জন্তু নাইবা চৰাই আৰু পোক-পৰুৱাৰ কথা গীতত উল্লেখ কৰা হয়। সেই মেক্-বিলিত'ৰ পতিয়ন গৈ কেঁচুৱাই শান্ত ভাৱ ধাৰণ কৰে আৰু লাহে লাহে নিদ্ৰাই তাক আবৰি ধৰে। কেঁচুৱাই কোনোদিনে নেদেখা নাইবা সদায় দেখি পোৱা কিছুমান ভয়াবহ প্ৰাণীৰ নামযুক্ত গীত গালেই ভঁকৰা নাইবা দুৰ্দান্ত ল'ৰা-ছোৱালীয়ে ভয়ত কোঁচ খাই শান্ত হৈ যায়। এইদৰে বড়ো নিচুকনি গীতৰ কল্পিত পটভূমি সৃষ্টি হয়। বড়ো নিচুকনি গীতৰ

বাস্তৱ পটভূমি হ'ল এই দৃশ্যমান জগৎ। সীমাহীন নীলাভ আকাশ, তাৰ গ্ৰহ-নক্ষত্ৰবোৰ ; যেনে— চন্দ্ৰ, সূৰ্য, তৰা, মেঘ আদি ; নদ-নদী, খাল-বিল, হাবি-বননি আৰু তাত থকা নানাবিধৰ জীৱ-জন্তু, চৰাই, পোক-পৰুৱা আদি আৰু নানা ধৰণ লোভনীয় ফল-মূল আৰু খাদ্যবস্তু—এইবোৰ লৈয়েই নিচুকনি গীতৰ বাস্তৱ পটভূমি তৈয়াৰ হয়। কেঁচুৱাটিক শুৱাবলৈ হ'লে পৰিৱেশটো হ'ব লাগিব শান্ত, হ'ব লাগিব মিঠা। শীতকালত ৰ'দালি দিনবোৰ, গৰমকালত শীতল সন্ধিয়া — এই সময়বোৰেই হৈছে বড়ো নিচুকনি গীতৰ উপযুক্ত পৰিবেশ।

**গীত আৰু তাৰ ব্যাখ্যা :**

তলত প্ৰতিনিধিমূলক কেইটিমান বড়ো নিচুকনি গীত দিয়া হৈছে আৰু লগতে অসমীয়া ভাঙনি দি গীতবোৰৰ ব্যাখ্যা দিয়া হৈছে—

গীত—১ ঐ ডু ডু ফৈ ফৈ
ঐ ডু ডু ফৈ
নীং ফৈয়াবোলা থালিৰ থাইচে হৰ,
থালিৰ থাইচে নঙাবোলা থালিৰ থাইনৈ হৰ,
ঐ ডু ডু ফৈ ফৈ।

অসমীয়া ভাঙনি : অ' জোনবাই, আহাঁ আহাঁ
অ' জোনবাই আহাঁ।
তুমি নাহা যদি তুমি কল এটাকে দিয়াঁ,
এটা কল নিদিলে দুটাকে দিয়াঁ।
অ' জোনবাই, আহাঁ আহাঁ।

**ব্যাখ্যা :** 'ডু' অৰ্থে জোনবাই। সময় সন্ধিয়া নাইবা জোনাক ৰাতি। আকাশত জোনবায়ে তিৰ্‌বিৰাই পোহৰ দি আছে। মাকে পাটিত শুৱাই কেঁচুৱাটিৰ চকুলৈ টোপনি আনিবৰ চেষ্টা কৰিছে। জোনবাই দৰদী। তাইৰ হাতত বহুত কল আছে। কল হ'ল শিশুৰ প্ৰিয় খাদ্য। গতিকে কেঁচুৱাটিলৈ এটা নহলে দুটা কল দিবলৈ জোনবাইৰ ওচৰত মিনতি কৰা হৈছে। তাই যেন চন্দ্ৰলোকৰপৰা নামি আহি কেঁচুৱাটিৰ লগত খেলে।

গীত ২ : অথাফাৰ অথাফাৰ থালিৰ থাইচে হৰ,
থালিৰ থাইচে নঙা, থালিৰ থাইনৈ হৰ।
(ফিন) থালিৰ গৈলিয়া মাখো হানো আংলাই।
দাংচেমানি ডাউকা জালাংবায়,
বৰাইফাৰা ফৈনানৈ যাবায় অমাচি,
বুৰুৰোৰা গানদাং দখনা যাওছি।

**অসমীয়া ভাঙনি :**

জোনবাই, জোনবাই, কল এটা দিয়াঁ,
এটা কল নেলাগে, দুটাকে দিয়াঁ।
(জোনবায়ে যেনিবা উত্তৰ দিছে)
কল নাই, কি দিম তোক
এআথি কল কাউৰীয়ে খাই গ'ল।
শহুৰে আহি খাবলৈ একোকে নেপালে,
শাহুও আহিছিল ফুটুকা ফুটুকী 'দখনা' পিন্ধি।

**ব্যাখ্যা :** এই গীতত জোনবায়ে নিজে উত্তৰ দিছে। কল দিব নোৱাৰাৰ কাৰণে তাই দুঃখিত। গোটেই আথি খাই পেলোৱাৰ বাবে জোনবায়ে কাউৰীক দোষাৰোপ কৰিছে। আলহীখোৱা বড়ো-কছাৰীৰ দস্তুৰ। আলহী খাবলৈ গ'লে বড়ো তিৰোতাসকলে ফুলাম নাইবা ফুটুকা-ফুটুকী 'দখনা' পিন্ধি যায়। আলহীক কলেৰে সৎকাৰ কৰিব নোৱাৰিলে গৃহস্থই বেজাৰ অনুভৱ কৰে।

গীত : ৩ ফৈ ফৈ বাদিনি ফৈ
দা খাংগ্ৰাই লাইনো থাংগোন
আবুয়া দা জা দা ফৈগোন।



খাংগ্ৰাই ছাওদাং, বেদৎ ছাওদাং
লাবাদো লাবাদো লাবানো
না বেদং মীনৰাইবা লাবাদো
গাবছাবায় ইনায়নো।
লাবাবায় লাবাবায় জাদো,
না বেদং মীনবায় ছিবি খাদো।

**অসমীয়া ভাঙনি :**

আহাঁ, আহাঁ, বোকোচাত লওঁ তুলি,
পিছত কেঁকোৰা আনিবলৈ যাম।
পিছত পিয়াহ খাবা।
কেঁকোৰা পুৰিছে, মগুৰ পুৰিছে,
আনা আনা আনা।
মাছ-মগুৰ সিজিছে যদি আনা।
কান্দিছে, বৰকৈ কান্দিছে।
সোৱা আনিছে, খোৱাঁ।
মাছ-মগুৰ পাইছা, (এতিয়া) মনে মনে থাকাঁ।

**ব্যাখ্যা:** ল'ৰা-ছোৱালী কান্দিলে এই গীত গাই নিচুকোৱা হয়। কেঁচুৱাক বোকোচাত লোৱা বড়ো মাতৃ নাইবা 'বোৱালী'ৰ এটা জাতীয় বৈশিষ্ট্য। কেঁকোৰা আৰু মগুৰ বড়োৰ প্ৰিয় খাদ্য। মাকে কেঁচুৱাক শুৱাই নাইবা ধাইৰ তত্ত্বাৱধানত থৈ ওচৰৰ খাল-বিলত আৰু নদীত কেঁকোৰা-মাছ ধৰিবলৈ যায়।

গীত—৪ : না বাথীন ছিথাউ গাম্বৰাৰ মাউ
দাগাব দাগাব আগৈ আংনি নাও।

অসমীয়া ভাঙনি : মাছ পিটিকা চুৰ কৰি খোৱা মেকুৰী,
গছৰ টিৰ্চিত আছে বহি।
নেকান্দিবা মোৰ সোণাই,
নেকান্দিবা।

**ব্যাখ্যা :** মনত ভয় ভাৱ সুমুৱাই অঁকৰা নাইবা কান্দি থকা কেঁচুৱাক শান্ত কৰিব পৰা যায়। কণ কণ ল'ৰা ছোৱালীবোৰে মেকুৰীক ভয় কৰে। সেই কাৰণে মেকুৰীৰ কথাকৈ কেঁচুৱাক নিচুকাবলৈ চেষ্টা কৰা হয়।

গীত— ৫ : দাউবো দাউবো গাঙা ৰবো ৰবো
হাবছা গথো নুৱ দৈয়াও জবো জবো।

অসমীয়া ভাঙনি : বগলী বগলী তোৰ ডেউকা কোমল,
'হাবচা' ল'ৰাক দেখি তই বুৰ
মাৰিছ পানীৰ তল।

**ব্যাখ্যা :** বড়ো-কছাৰীসকলে অ-বড়োক 'হাবছা' বুলি কয়। 'হাবছা' বুলি কলেই ল'ৰা-ছোৱালীহ'তে ভয় পায়। কান্দি থকা ল'ৰা নাইবা ছোৱালীক 'হাবছা' বুলি ক'লেই সিহঁতে শান্ত ভাব ধাৰণ কৰে।

গীত— ৬ : গো গ্ৰে গে গো
আমাইনি ন'
আংনি খৰোথো যায় জায়ো
বি ৰাজা জো।

অসমীয়া ভাঙনি : গো গেৰে গো
মোৰ মোমাইৰ ঘৰ।
মোৰ মূৰ যিয়ে খাব
সি নিশ্চয় ৰজা হ'ব।

ব্যাখ্যা : কুকুৰা পোহা বড়ো সমাজৰ এটা মৌলিক বৈশিষ্ট্য। কুকুৰা নাথাকিলে বড়ো গৃহস্থালি সম্পূৰ্ণ নহয়। ৰাতিপুৱা দোকমোকালিতে কুকুৰাই মাত দিয়াৰ লগে লগে এই গীত গাই কেঁচুৱাক নিচুকোৱা হয়।

গীত—৭ : চিলা, চিলা,
নীংনি মেগন মীজাঙা লাবো
আমোকানি মেগন গাজ্ৰিয়া লাং, উঃ ফুঃ।
হৈনে চিলায় বিৰলাংবায়।

অসমীয়া ভাঙনি : অ', চিলা', চিলা অই,
তোমাৰ ভাল চকুটো দিয়া'
আমাৰ বেয়া চকুটো নিয়া'।
উস্ ফুঃ।
সোৱা, চিলাটো উৰি গ'ল, চোৱা'।

ব্যাখ্যা : চকুত ধূলি নাইবা ময়লা সোমালে কেঁচুৱাটিয়ে চকু মোহাৰি কান্দে। তেতিয়া এই গীত গাই কেচুৱাক শান্তনা দিয়া হয়। চিলাই কেঁচুৱাৰ বেয়া চকুটো লৈ যোৱা কথাটো সম্পূৰ্ণ কাল্পনিক।

গীত—৮ : চলদং মলদং জাৱিলং
নাচ্ৰাই মাচে গাং দং
আং অজা দং।

অসমীয়া ভাঙনি : চলদং মলদং জাৱিলে'
এটা চেং মাছৰ পাখি।
মই আছোঁ কবিৰাজ, থুঃ।

ব্যাখ্যা : দা-কটাৰি ল'ৰা-ছোৱালীৰ প্ৰিয় বস্তু। কটাৰী লৈ খেলি থাকোঁতে কটাৰীয়ে হাত কাটিলে এই গীত গোৱা হয়। কাল্পনিক কবিৰাজে থুঃ বুলি কটা ঠাইত সেপ দিলেই যেনিবা কটাৰীৰ আঘাত ভাল হৈ যায়।

গীত—৯ :

দাউ খুনথুলো খুনথুলো বংফাং মুৱানি টিয়া,
আলাই-বিলাই গাবল্লাবী বাওবী লানী গৈয়া।
জগ্ৰপ্ জগ্ৰপ্ মীহাল্লাবী বাওবী নাই নী গৈয়া।

অসমীয়া ভাঙনি : চেটুলুকা চৰাই, গছৰ মূড়াত বহিছে টিয়া চৰাই, বুকু মাৰি মাৰি কান্দিলেও কোনে লওঁতা নাই। জপিয়াই জপিয়াই নাচিলেও কোনো চাওঁতা নাই।

ব্যাখ্যা : মাকে মাছ মাৰিবলৈ যায়। কেঁচুৱাটি কান্দি থাকে। 'বোৱালী'য়ে এই গীত গাই কেঁচুৱাটিক শুৱাবলৈ চেষ্টা কৰে।

গীত—১০ : বগলানিটু গেপ্ গেপ্,
আংনি আবৌনি থুগায়া গাগেপ্ গেপ্।

অসমীয়া ভাঙনি :

চেক্ চেকী চৰায়ে মাতে চেক্ চেক,
মোৰ নাতিৰ মুখখন হ'ল চেপেটা।

ব্যাখ্যা : ককা-দেউতাক নাইবা আইতাকে এই গীত গায়। গীত গাই গাই নাতিনীৰ ওঁঠ দুটা আঙুলিৰে চেপি ধৰা হয়।

গীত : ১১ দাংগ্ৰেমা লিউ লিউ,
অমা বুন্দানি ফিলো।

অসমীয়া ভাঙনি :

জোনাকী-পৰুৱাই জোকৰ দৰে লি-লিয়াইছে,
মতা গাহৰিৰ পেটত কৃমি হৈছে।

ব্যাখ্যা : জোনাকী-পৰুৱালৈ কেঁচুৱাৰ সদায় আগ্ৰহ; কৃমিলৈ কেচুৱাৰ সদায় ভয়। সেইকাৰণে জোনাকী পৰুৱা আৰু কৃমিৰ কথা কৈ কেঁচুৱাক শান্ত কৰা হয়।

গীত : ১২ হৰাথখি বিগি বিগাং
থাংখু খোফোলা গাং।

অসমীয়া ভাঙনি :

তৰা জিৰবিৰাইছে,
ধপাতৰ টোপোলাৰ পাখি মেলিছে।

ব্যাখ্যা : তৰাক আঙুলিয়াই গীত গালেই ল'ৰা-ছোৱালী শান্ত হয়। কেঁচুৱাই বুজি নাপায় তৰানো কি বস্তু। জিৰবিৰাই থকা তৰাটোৰ প্ৰতি ৰ-লাগি চাই আচৰিত হৈ কেঁচুৱাটি শান্ত হয়।

সামাজিক প্ৰতিবিম্ব :

ওপৰত যিকেইটা নমুনাস্বৰূপে বড়ো নিচুকনি গীত উদ্ধৃত কৰা, হ'ল তাৰপৰা আংশিকভাৱে হলেও বড়ো সমাজৰ কেইটামান চিত্ৰ পোৱা যায়। বড়ো নিচুকনি গীতবোৰত পোহনীয়া জীৱ-



জন্তুৰ উল্লেখ আছে। তাৰ ভিতৰত কুকুৰা, মেকুৰী, গাহৰি আদিপ্ৰাণীবোৰে গীতত ডাঙৰ ভূমিকা লৈছে। বড়ো সমাজত বেজালিৰ প্ৰচলন আছে। বড়ো নিচুকনি গীতত বড়ো তিৰোতাই মাছ মাৰিবলৈ যোৱাৰ চিত্ৰ, আলহীক ফলেৰে (কল) আপ্যায়ন কৰাৰ কথা আৰু বড়ো সাজ-পাৰ (বিশেষকৈ 'দখনা')ৰ কথাও উল্লেখ কৰা আছে।

সামগ্ৰিক ক'ব পাৰি যে বড়ো নিচুকনি গীতবোৰ বড়ো জন-সাহিত্যৰ এটা প্ৰধান শাখা। গীতবোৰৰ ৰচনা আৰু সুৰ মৌলিক আৰু বৈশিষ্ট্যপূৰ্ণ। বড়ো নিচুকনি গীতৰ ওপৰত কোনো বেলেগ ভাষাৰ নিচুকনি গীতৰ প্ৰভাৱ পৰা দেখা নাযায়। তুলনা-মূলকভাৱে আলোচনা কৰিলে এইটো স্পষ্ট হৈ ওলায় যে বিভিন্ন ভাষাৰ নিচুকনি গীতবোৰৰ উদ্দেশ্য একেই। এইটো হৈছে—কেঁচুৱাক নিচুকোৱা। বড়ো নিচুকনি গীতবোৰৰ ব্যৱহাৰ সময়ৰ গতিত কমি যাব ধৰিলেও লোক-সাহিত্য নাইবা মৌখিক সাহিত্য হিচাপে ইয়াৰ মূল্য কমা নাই। আজিৰ বড়ো সাহিত্যৰ বিকাশত নিচুকনি গীতে বহুমূলীয়া ইন্ধন যোগাইছে।

ড° দীপাঞ্জলা দত্ত

# প্ৰজাতীয় বিভেদ্যাকৰণত চৰ্মছাপৰ ভূমিকা আৰু মানৱ জীৱনত ইয়াৰ প্ৰভাৱ

বংশগতিৰদ্বাৰা নিয়ন্ত্ৰিত যিবোৰ আৱয়বিক চৰিত্ৰ বা লক্ষণৰ ওপৰত ভিত্তি কৰি প্ৰজাতীয় শ্ৰেণীকৰণ কৰা হয় বা প্ৰজাতিৰ বৰ্ণনা দিয়া হয়; সেইবোৰকে প্ৰজাতীয় নিকষ বা লক্ষণ বোলা হয়। যেনে: চৰ্মবৰ্ণ, কেশ, নেত্ৰ, দৈহিক উচ্চতা, মস্তক, নাসিকা, মুখমণ্ডল আৰু ৰক্তপ্ৰকাৰ। চৰ্মছাপও এনে এবিধ প্ৰজাতীয় নিকষৰ অন্তৰ্গত। এই প্ৰজাতীয় নিকষবোৰৰ ওপৰত ভিত্তি কৰিয়েই নৃতত্ত্ববিদসকলে মানৱ-গোষ্ঠীক (Homo Sapiens) কিছুমান সৰু সৰু ভাগত ভাগ কৰিছে। এই ভাগবোৰক প্ৰজাতি (Race) বোলা হয়; যেনে: ককেচয়েদ, মংগলয়দ আৰু নিগ্ৰয়দ। আমি ইয়াত কেৱল চৰ্মছাপৰ ওপৰত ভিত্তি কৰি মানৱগোষ্ঠীক কেনেকৈ তিনিটা মুখ্য প্ৰজাতিত বিভক্ত কৰিব পাৰি সেই বিষয়েহে আলোচনা কৰিম। অৱশ্যে এই কথা মনত ৰখা উচিত যে, দুই-এটা প্ৰজাতীয় লক্ষণ ব্যৱহাৰ কৰি গোষ্ঠী শ্ৰেণীকৰণ কৰা সম্ভৱ নহয়; কেইবাটাও লক্ষণ একেলগে কামত লগাব লাগে।

এই চৰ্মছাপনো প্ৰকৃতাৰ্থত কি? মানৱ শৰীৰৰ বহিঃআৱৰণখন অগণন ৰোম কূপেৰে পৰিপূৰ্ণ হৈ থাকে। কেৱল হস্তাংগুলি তল, কৰতল, পদাংগুলি তল আৰু পদতলত এনে ৰোমকূপ নাথাকে। তাৰ সলনি কিছুমান অণুৰেখা দেখিবলৈ পোৱা যায়। এই অণুৰেখাবোৰৰ প্ৰণালীবদ্ধ অধ্যয়নকেই চৰ্মছাপ বিজ্ঞান (Dermatoglyphic) বোলা হয়।

প্ৰজাতি বিভেদনত চৰ্মছাপৰ প্ৰয়োগৰ মূলতে হৈছে ই তলত উল্লিখিত গুণসমূহৰ অধিকাৰী হোৱাৰ বাবে। কাৰণ কোনো লক্ষণে প্ৰজাতীয় নিকষ হিচাপে স্বীকৃতি পাবলৈ হলে সেই গুণসমূহৰ অধিকাৰী হোৱাটো নিতান্তই প্ৰয়োজনীয়।

কোনো লক্ষণ প্ৰজাতীয় নিকষ হিচাপে স্বীকৃতি পাবলৈ হলে সি পৰিৱেশৰদ্বাৰা প্ৰভাৱান্বিত হ'ব নালাগিব। এই বিষয়ত চৰ্মছাপ এটা উৎকৃষ্ট লক্ষণ। কিয়নো অণুৰেখাবোৰ শিশু মাতৃৰ গৰ্ভত থকা প্ৰথম, তৃতীয় আৰু চতুৰ্থ মাহৰ ভিতৰতে গঠন হয় আৰু মৃত্যুৰ সময়লৈকে ইয়াৰ কোনো সালসলনি হোৱা দেখা নাযায়।

লক্ষণটো এনে হোৱা উচিত যাতে ব্যক্তিভেদে তাক বেলেগে চিনাক্ত নকৰে বা বৰ্ণনা নিদিয়ে। এটা নিচিন্ত মানদণ্ড থাকিব লাগে আৰু তাৰদ্বাৰা লক্ষণটো বিচাৰ কৰিব লাগে। এনে গুণো চৰ্মছাপৰ থকা দেখা যায়।

এনে লক্ষণ অনুকূলনশীল হ'ব নালাগে। তেতিয়া হলে প্ৰাকৃতিক নিৰ্বাচনে কোনো ভূমিকা ল'ব নোৱাৰে। চৰ্মছাপ এই গুণৰো অধিকাৰী।



লক্ষণটো কোনো এটা জিনৰদ্বাৰা নিয়ন্ত্ৰিত হ'ব লাগে আৰু তাৰ বংশগতি জানিব লাগে। এনে অৱস্থা চৰ্মছাপত দেখা নাযায়; যিহেতু চৰ্মছাপৰ বংশগতি বৰ জটিল আৰু ইয়াক আজিলৈকে নিশ্চিতভাৱে জানিব পৰা হোৱা নাই।

লক্ষণটোৰ উৎপৰিবৰ্তনৰ হাৰ কম হ'ব লাগে। চৰ্মছাপৰ অণুৰেখা কৃতিৰ উৎপৰিবৰ্তনৰ হাৰ সম্বন্ধে ভালদৰে জনা নাযায়। সম্ভৱতঃ ইয়াৰ হাৰ লেখত ল'বলগীয়া নহয়।

গতিকে দেখা গ'ল যে প্ৰজাতীয় নিকষ হিচাপে পৰিগণিত হ'বলৈ চৰ্মছাপ যথেষ্ট গুণৰ অধিকাৰী হ'ব লাগে। সেইবাবেই নৃতত্ত্ববিদসকলে প্ৰজাতি বিভেদনত ইয়াক ব্যৱহাৰ কৰি আহিছে।

চৰ্মছাপৰ অণুৰেখাকৃতিবোৰ নানান ধৰণে অধ্যয়ন কৰিব পাৰি। Francis Galton য়ে হস্তাংগুলি প্ৰান্তৰ অণুৰেখাকৃতিবোৰক তিনিটা মৌলিক প্ৰকাৰত ভাগ কৰিছে। যেনে: চক্ৰ (Whorl), শংখ (Loop) আৰু বৃত্তখণ্ডাকাৰ (Arch)। আনহাতেদি E. R. Henry য়ে হস্তাংগুলি প্ৰান্তত থকা এই অণুৰেখা-কৃতিবোৰক চাৰিটা মৌলিক প্ৰকাৰত ভাগ কৰিছে। যেনে: বৃত্তখণ্ডাকাৰ (Arch), শংখ (Loop), চক্ৰ (Whorl) আৰু মিশ্ৰিত (Composite)। সাধাৰণতে হস্তাংগুলিত থকা ত্ৰিত্ৰিজ্যাৰ উপস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকাৰবোৰ চিনাক্ত কৰিব পৰা হয়।

H. H. Wilder য়ে পোন প্ৰথমে চৰ্মছাপৰ শ্ৰেণী বিভাগ আৰু ইয়াৰ অধ্যয়ন আৰম্ভ কৰিছিল। আনহাতেদি এই ক্ষেত্ৰত Francis Galton আৰু Inez Whipple আদিৰ দৰে বৈজ্ঞানিকসকলৰ অৱদানো কম নহয়।[1]

ইতিমধ্যে বিভিন্ন বৈজ্ঞানিকে বিভিন্ন ঠাইৰ মানুহৰ হস্তাংগুলি প্ৰান্তৰ অণুৰেখাকৃতিবোৰৰ ছাপ সংগ্ৰহ কৰি অধ্যয়ন কৰিছে। সেইবোৰ তথ্যপাতি বিশ্লেষণ কৰি দেখা গৈছে যে মংগোলিয়ান আৰু মংগো-লিয়ান গুণসম্পন্ন মিশ্ৰিত মানুহৰ সমষ্টি যেনে: এমেৰিকান, ইণ্ডিয়ান আৰু ইণ্ডোনেচিয়ানসকলৰ বৃত্তখণ্ডাকাৰ প্ৰকাৰ চক্ৰ প্ৰকাৰতকৈ বেছি হোৱা দেখা যায়। ককেচিয়ানসকলৰ ক্ষেত্ৰতো আকৌ চক্ৰ প্ৰকাৰতকৈ বৃত্তখণ্ডাকাৰ প্ৰকাৰ বেছি হোৱা দেখা যায়। আনহাতেদি নিগ্ৰোসকলৰ মৌলিক প্ৰকাৰ ককেচিয়ানসকলৰ শাৰীত পৰা দেখা যায়। ইয়াৰ উপৰিও তথ্য-পাতি বিশ্লেষণ কৰি দেখা গৈছে যে কংগোপিগ্‌মিসকলৰ বাহিৰে অধ্যয়ন কৰা মানুহৰ সকলো গোষ্ঠীতে পুৰুষতকৈ মহিলাৰ চক্ৰ প্ৰকাৰতকৈ বৃত্তখণ্ডাকাৰ প্ৰকাৰৰ ছাপ বেছি হয়।[2]

সাধাৰণভাৱে চালে অনঃশংখৰ প্ৰাধান্য মানুহৰ মাজত বেছি হোৱা দেখিবলৈ পোৱা যায়। শতকৰা ৪৫ ৰপৰা ৬৫ ভাগেই এনে প্ৰকাৰৰ; আকৌ চক্ৰৰ সংখ্যাও জনসমষ্টিভেদে কম নহয়। বহিঃশংখৰ সংখ্যা মাত্ৰ শতকৰা ২ৰপৰা ৬ মানলৈ; বৃত্তখণ্ডা-কাৰৰ সংখ্যাও বৰ কম হোৱা দেখা যায়। সাধাৰণতে চক্ৰৰ সংখ্যা বঢ়াৰ লগে লগে বৃত্তখণ্ডাকাৰৰ সংখ্যা কমি আহে।[3]

১. Cummins and Midlo, Finger Prints, Palms, and Soles 1961, pp 20-21.

২. ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ 'নৃতত্ত্ব পৰিচয়' ১৯৭৭, পৃঃ ৩৪

৩. গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি সমন্বয় সমিতিৰ 'প্ৰাথমিক আৱয়বিক নৃতত্ত্ব, ১৯৭৪, পৃঃ৪৭

আনহাতেদি কিছুমান প্ৰকাৰ কিছুমান নিৰ্দিষ্ট আঙুলিত থকাটো মানুহৰ এটা স্থিৰ বৈশিষ্ট্য বুলি ক'ব পাৰি। যেনে: চক্ৰ-প্ৰকাৰ সাধাৰণতে বুঢ়া আঙুলি আৰু অনামিকা আঙুলিতহে পোৱা যায়। আকৌ বৃত্তখণ্ডাকাৰ প্ৰকাৰ তৰ্জনী আঙুলি আৰু মধ্য আঙুলিতহে বেছিকৈ থকা দেখা যায়। আনহাতেদি বহিঃশংখৰ প্ৰকাৰ সাধাৰণতে তৰ্জনী আঙুলিতহে পোৱা যায়। এইখিনিতে উনুকিয়াব পাৰি যে মানুহ আৰু চিম্পাঞ্জীৰ মাজত থকা পাৰ্থক্যৰ মূলতে হৈছে এই জন্তুবোৰৰ বৃত্তখণ্ডাকাৰ প্ৰকাৰ; আকৌ সাধাৰণতে অনামিকা আৰু কেঞা আঙুলিত আৰু বহিঃশংখৰ প্ৰকাৰ বুঢ়া আঙুলিতহে বেছিকৈ দেখিবলৈ পোৱা যায়।

হস্তাংগুলিত থকা অণুৰেখাবোৰৰ দৰে কৰতলত থকা অণুৰেখাবিলাককো নানান ধৰণে অধ্যয়ন কৰা হয় আৰু সেই অনুযায়ী জনসমষ্টিৰ মাজত তুলনা কৰা হয়।

হাতৰ তলৰ দৰে পদতলৰ ছাপৰ অধ্যয়নকো প্ৰজাতি বিভেদ্যকৰণত ব্যৱহাৰ কৰিব পাৰি যদিও এই বিষয়ে বিশদভাৱে এতিয়ালৈকে কোনো অধ্যয়ন কৰা হোৱা নাই। ৱাইলডাৰ নামৰ নৃতত্ত্ববিদজনে অৱশ্যে জাপানী, চীনা আৰু ইউৰোপীয় লোকসকলৰ মাজত এই বিষয়ে কিছু অধ্যয়ন কৰি দেখিছিল যে চীনা আৰু জাপানীসকলৰ মাজত থকা অনুপাত ইউৰোপীয়সকলৰ মাজত থকা অনুপাতত্তকৈ তুলনামূলকভাৱে বহুতো কম।[৪] অৱশ্যে এই বিষয়ে অধ্যয়ন যে চলি থকা নাই সেইটো নহয়। মানুহৰ হাতৰ ছাপৰ কিছুমান লক্ষণৰ লগত কেতবোৰ ৰোগৰ সম্পৰ্ক জড়িত থকাটো বহুতো নৃতত্ত্ববিদে বিশ্বাস কৰে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই উনৈশ শতিকাৰ শেষৰ ভাগত আৰু কুৰি শতিকাৰ প্ৰথম ভাগত বহুতো পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছিল। ডি. প্ৰৱান্দুয়ে গৱেষণা কৰি পাইছিল যে মূৰ্খ আৰু মানসিকভাৱে দুৰ্বল মানুহৰ হাতৰ ছাপ আৰু বান্দৰৰ হাতৰ ছাপ প্ৰায় একে।[৫] অৱশ্যে হাতৰ ছাপৰ এই বিভাগটো এতিয়াও বহুলভাৱে গৱেষণা কৰি থকা হৈছে। সুদূৰ ভৱিষ্যতে বৈজ্ঞানিকসকলে এই বিষয়ত বিশেষ সফলতা লাভ কৰিব বুলি তেওঁলোকৰ দৃঢ় বিশ্বাস। আনহাতেদি নিউৰো-মেটোচিচ, চোৰিয়াচিচ, চিজোফ্ৰেনিয়া, ইপিলেপ্‌চি ইত্যাদি বেমাৰৰ লগত যে হাতৰ ছাপৰ সম্বন্ধ আছে এই বিষয়ে অধ্যয়ন কৰি ইতিমধ্যে বৈজ্ঞানিকসকলে এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব পাৰিছে আৰু তাৰ বাবে যথেষ্ট জনপ্ৰিয়তাও অৰ্জন কৰিছে।

আনহাতেদি ব্যক্তি চিনাক্তকৰণৰ বাবে হস্তাংগুলি ছাপৰ প্ৰয়োগ আজি আৰু হয়তো কাৰো অবিদিত নহয়। নিৰক্ষৰ ব্যক্তিয়ে চহীৰ পৰিবৰ্তে সোঁ বা বাঁও হাতৰ বুঢ়া আঙুলিৰ ছাপ বা টিপ চহী দিয়াৰ নিয়ম সকলো দেশতে থকা দেখা যায়। এই টিপ চহীবোৰক স্বীকৃতি দিয়াৰ গুৰিতে এয়ে যে শিশু মাতৃগৰ্ভত থকা কালৰেপৰা মৃত্যুলৈকে ই অপৰি-বৰ্তনশীল। অৱশ্যে কেতিয়াবা কিবা কাৰণত নষ্ট হৈ মনিব নোৱাৰা হ'ব পাৰে; কিন্তু ই অতি নগণ্য। এনে স্থায়ী লক্ষণৰ বাবেই চৰ্মছাপ প্ৰাচীন কালৰে-পৰা নানান দেশত বিভিন্ন ধৰণে ব্যক্তি চিনাক্তকৰণত ব্যৱহৃত হৈ আহিছে।

ডাঃ হেনৰী ফল্ডে পোন প্ৰথমে হস্তাংগুলি ছাপক অপৰাধী চিনাক্তকৰণত ব্যৱহাৰ কৰিছিল। কাৰণ দুজন মানুহৰ হস্তাংগুলি ছাপ কেতিয়াও একে হ'ব নোৱাৰে, আনকি যঁজা সন্তানৰ ক্ষেত্ৰতো ইয়াৰ

৪ E.A. Hooton, 'Up from the Ape,' 1946, PP H 528f.
৫. Cummins and Midlo, 'Finger prints, Palms and Soles' 1961, PP 276 f.



প্ৰকাৰভেদ হোৱা দেখা যায়। অৱশ্যে খালী চকুৰে চালে একে যেন দেখি যদিও মাইক্ৰ'চকোপৰ তলত চালে সহজেই তাত থকা বিভেদ্যতা ধৰিব পৰা যায়।

প্ৰত্নতত্ত্ববিদসকলেও কিছুমান প্ৰাক্-ঐতিহাসিক মাটিৰ পাত্ৰতো হস্তাংগুলিৰ ছাপ আৱিষ্কাৰ কৰিছিল; কিন্তু এই ছাপবোৰৰ গুৰুত্বৰ বিষয়ে আজিলৈকে কোনো স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই যদিও তাৰ মূল্য নুই কৰিব নোৱাৰি।

ইয়াৰ উপৰিও প্ৰাচীন কালৰেপৰা ভাৰতবৰ্ষত জ্যোতিষীসকলে চৰ্ম-বিজ্ঞানৰ সহায়ত ভৱিষ্যতবাণী কৰাৰ লগতে মানুহৰ ব্যক্তিত্বৰ বিশ্লেষণ কৰি মানৱ সমাজত বিশেষ সমাদৰ লাভ কৰা দেখিবলৈ পোৱা গৈছে। জাপানীসকলৰ জনবিশ্বাসত দেখা যায় যে যি মানুহৰ হস্তাংগুলিত চক্ৰ-প্ৰকাৰ সংখ্যা বেছি তেনে মানুহ শিল্পী আৰু জেদী স্বভাৱৰ হয়। আকৌ যাৰ হাতত মিশ্ৰিত প্ৰকাৰ সংখ্যা বেছি তেনে মানুহ মিছলীয়া, বিশ্বাসঘাতক আৰু অবিশ্বাস্য হয়। আন-হাতেদি শংখ প্ৰকাৰ সংখ্যা যাৰ হাতত বেছি সি অধ্যৱসায়শীল আৰু বৃত্তখণ্ডাকাৰ প্ৰকাৰ যাৰ হাতত বেছি সি কঠিন হৃদয় আৰু নিষ্ঠুৰ স্বভাৱৰ হয়।[৬] অৱশ্যে এইটো ঠিক যে চৰ্মছাপৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ ব্যক্তিত্বৰ বিষয়ে যিবোৰ বিশ্লেষণ কৰা হয় সেইবোৰ জনবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিয়েই দিয়া হয়—কোনো বৈজ্ঞানিক ভিত্তিত নহয়।

সেয়ে দেখা গৈছে যে চৰ্মবিজ্ঞানে মানৱ জীৱনত আদিমকালৰেপৰা বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

— —

৬. Cummins and Midlo, 'Finger prints, Palms and Soles, 1961 PP-281 f.

শ্ৰীযোগেন চেতিয়া

# অসমীয়া নাটকত জনজাতীয় জীৱন

ভৌগোলিক দৃষ্টিকোণৰপৰা অসম পৰ্বত আৰু ভৈয়ামৰ মিলনভূমি। অসমীয়া সাহিত্য-সংস্কৃতিত সেই কাৰণে পৰ্বত তথা জনজাতীয় উপাদান প্ৰচুৰ পৰিমাণে আছে। অৰুণাচল, মেঘালয়, নগাৰাজ্য, মিজোৰাম আদি ৰাজ্য সৃষ্টি হোৱাৰ আগলৈকে এই সমগ্ৰ পাৰ্বত্য অঞ্চল অসমৰ অংগ আছিল কাৰণেই অসমীয়া সাহিত্যতো তাৰ প্ৰভাৱ আজিও সজীৱ হৈ আছে। অসমীয়া বৈষ্ণৱ সাহিত্যত শ্ৰীমন্ত শংকৰদেৱে গাৰো, কছাৰী আদি বিভিন্ন জনজাতিৰ নাম উল্লেখ কৰিছে। জোনাকী যুগত ঔপন্যাসিক-সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে ‘মিৰি জীয়ৰী’ উপন্যাস মিৰি জনজাতীয় জীৱনক ভিত্তি কৰি ৰচনা কৰিছে। সুসাহিত্যিক শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ‘ইয়াৰুইংগম’ উপন্যাসত নগা জনজাতি আৰু নগাপাহাৰৰ কাহিনীৰ পটভূমি হিচাপে ব্যৱহাৰ কৰিছে। অন্য এজন জনপ্ৰিয় ঔপন্যাসিক শ্ৰীকৈলাস শৰ্মাৰ ‘বিদ্ৰোহী নগাৰ হাতত’ উপন্যাস নগা জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে। শ্ৰীলুম্মেৰ দাই আদিয়ে জনজাতিক প্ৰতিফলিত কৰি ‘পৃথিবীৰ হাঁহি’ উপন্যাস লিখিছে। সুসাহিত্যিক ৺দৈৱচন্দ্ৰ তালুকদাৰে ‘অপূৰ্ব’ উপন্যাসত আংশিকভাৱে কাৰি জনজাতীয় চৰিত্ৰ সন্নিৱিষ্ট কৰাৰ দৰে কেইবাজনো ঔপন্যাসিকে বিভিন্ন জনজাতীয় চৰিত্ৰ উপন্যাসত সংযোগ কৰিছে।

অন্যান্য শাখাৰ তুলনাত অসমীয়া নাটকত জনজাতীয় জীৱন আৰু তাৰ পটভূমি বেছি ব্যাপকভাৱে গ্ৰহণ কৰা হৈছে। এনেধৰণৰ জীৱনৰ চিত্ৰ ঐতিহাসিক, সামাজিক আৰু কাল্পনিক নাটকত সাধাৰণতে প্ৰয়োগ কৰা দেখিবলৈ পোৱা যায়। স্বৰ্গীয় বেণুধৰ ৰাজখোৱাৰ ‘দৰবাৰ’ নাট্যচিত্ৰত মহাৰাণী ভিক্টোৰীয়াৰ দৰবাৰ চাবলৈ অহা বিভিন্ন লোকৰ মাজত কছাৰী, নেপালী, খাটোৱা, মণিপুৰী, মিছিং আদি অসমীয়া জনজাতিৰ বাহিৰেও কাবুলী আদিকো প্ৰদৰ্শন কৰিছে। মিছিং তেকাই কয়: আমাৰ মিৰিয়ণীৰ মান কোনেও নাচিব নোৱাৰে। আমাৰ মিৰিয়ণীইতে কংকাল ছিঙি যাব তেওঁ নাচিব নহয়—তই পাৰ্বতী গাবৰুক চিনি পাব না?

অসমীয়া: নেপাওঁ, কেলই নো সুধিছ?

মিৰি: তাইৰ সমান কোনে নাচিব পাৰে চাওঁচোন? কলিতা নেলাগে তাতোকৈ ভাটিয়লীয়া গুৱাহাটী চহৰৰ নাচনী আহিলেও আমাৰ উজনীয়াল মিৰিয়ণী গাবৰুৰ চেৰ পেলাব নোৱাৰে।

ৰাজখোৱাদেৱৰ ‘দৰবাৰ’ প্ৰকৃত নাটক নহয়। এই সৰু নাট্যচিত্ৰখনৰ মাজেদি অসমৰ বিভিন্ন জনজাতিৰ চৰিত্ৰগত বৈশিষ্ট্য আৰু কথনভংগীৰ এটি



ধুনীয়া নাট্যচিত্ৰখনৰ মাজেদি আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে।

ঐতিহাসিক নাটকৰ ভিতৰলৈ জনজাতীয় জীৱনক মুকলি কৰি তুলি অনা নাট্যকাৰসকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱাৰ নাম প্ৰথমেই উল্লেখ কৰিব লাগিব। চাকৰি সংক্ৰান্তত গোহাঞিবৰুৱাই বহু বছৰ নগা পাহাৰত বাস কৰিছিল। গতিকে নগাসকলৰ সামাজিক জীৱনৰ লগত গভীৰভাৱে চিনাকি হোৱাৰ সুবিধা লাভ কৰিছিল। তেখেতৰ আত্মজীৱনী ‘মোৰ সোঁৱৰণী’ত নগাসকলৰ বৈচিত্ৰ্যপূৰ্ণ সৰল সহজ জীৱন আৰু দৰদী হৃদয়ৰ বৰ্ণনা সুন্দৰকৈ দাঙি ধৰা হৈছে। সেই কাৰণেই ‘জয়মতী’ নাটকত নগা জনজাতীয় জীৱনৰ চিত্ৰ বাস্তৱ অভিজ্ঞতাসম্পন্ন চিত্ৰ। চিনু, জিনু আদিৰ কথোপকথন নগাৰাজ্যত প্ৰচলিত ‘নগামিজ’ ভাষাত দিয়া হৈছে। চৰিত্ৰবিলাকৰ আচৰণ কাম-কাজ আদিৰ মাজেদি সৰল জীৱনযাত্ৰাৰ ৰূপ নাটকখনত দাঙি ধৰা হৈছে। ভৈয়ামৰ সুশিক্ষিত অথচ হিংসা-অসূয়াৰে পৰিপূৰ্ণ জীৱন পাহাৰীয়া অনাখৰী লোকৰ সহজ সৰল নাটকৰ ৰস সৃষ্টিত বৈসাদৃশ্য (Contrast) স্বৰূপে ব্যৱহাৰ কৰা হৈছে। ‘গদাধৰ’ নাটকত লুকী পাৰোৱণীয়ে গদাধৰৰ আত্মগোপন কৰাত সহায়তা কৰিছে। তাইৰ মৰম আৰু আন্তৰিকতাত গদাকোঁৱৰ মুগ্ধ।

গদা: তই মোক কি দুখ দিবি, মইহে তোক দুখ দিছোঁ। কিমান দিননো এইদৰে ৰহি খাম তাকে গুণিছোঁ।

লুকী: অঃ মুকনো কি দুখ দিছুৱা হা? মুই কুনু দুখ নাপাং দে। তুহঁ নাক মোৰ বৰ মৰাম লাগে।

গদা: এৰা, মৰম যে কৰ সেইটো বুজিছোঁ; কিন্তু মোক সদায় পুহিবলৈনো তই ক’ৰ পাবি?

লুকী: অঃ মুৰ নহলি, মাগি আনি খুৱাম দে। ডাঙৰীণী গিলাখান মুক বৰ মৰাম কৰে, ঔ।

[৩য় অংক, প্ৰথম দৃশ্য]

এই যুগৰ অন্য এজন দিশপাল নাট্যকাৰ হৈছে—সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাই “জয়মতী কুঁৱৰী” নাটকত নগা জীৱনৰ ৰূপ পৰিবেশন কৰিছে। বেজবৰুৱাৰ ‘জয়মতী কুঁৱৰী’ নাটকৰ ডালিমী গোহাঞিবৰুৱাৰ ‘জয়মতী’ নাটকৰ জিনুৰ পৰৱৰ্তী সৃষ্টি। গতিকে বহুতো সমলোচকে ডালিমীৰ অংকুৰ জিনুৰ মাজতে লুকাই আছিল বুলি কয়। নগা পাহাৰত আত্মগোপন কৰি থকা কালছোৱাত গদাপাণি কোঁৱৰে নগা গাভৰুৰ প্ৰেমত আসক্ত হোৱাৰ কথা কিম্বদন্তী হিচাপে নগাপাহাৰত আজিও প্ৰচলিত হৈ আছে। তেনেদৰে ভৈয়ামৰ বিভিন্ন অঞ্চলতো গদাপাণিৰ কিম্বদন্তীৰ সংখ্যাও অলেখ। ভৈয়ামত এইবিলাকক লৈ গীত-পদ সৃষ্টি হোৱাৰ দৰে নগাপাহাৰত কিম্বদন্তী, লোক-নাট্য আদিও সৃষ্টি হৈছে।

Mrs. L. Tinula Amur এ ‘Relics of Godapani (Ahom Prince) in Changki’ নামৰ প্ৰবন্ধ এটাত লিখিছে It is also said that while in Mon area Godapani married a Konyak woman Watlong of Wanching Village. When she died she was buried and a village was founded by the name of Naginimara. Her grave is still preserved in this village. The other Naga woman whom he married was Sentichila of Merinokpo village who shared the pleasure of victory when Godapani became King. (The Warrior, Vol. 8 No 3) এনে লোক বিশ্বাসৰ ওপৰতেই জিনু, ডালিমী চৰিত্ৰৰ সৃষ্টি হৈছে। গোহাঞিবৰুৱাৰ জিনু নগা গাভৰুৰ বাস্তৱ ৰূপায়ণ। তাই প্ৰকৃতিৰ সৌন্দৰ্যৰ কথা ক’ৰ

নোৱাৰে ; কিন্তু সৰল সহজ অন্তৰৰ ভালপোৱাৰ কথা ভঙা অসমীয়া ভাষাৰে ব্যক্ত কৰি এক কৰুণ পৰিৱেশ সৃষ্টি কৰিছে।

গদা : ( ব্যগ্ৰভাৱে ) জিনু। মই ভৈয়ামত যাম। ৰৰ ডাঙৰ কাম আছে। মই বাজে বাজে যাওঁগৈ। তই ঘৰলৈ উলটি যাগৈ। আমাৰ আজক কৰি, মই আকৌ আহিমগৈ ; দেই।

জিনু : ( বোচ উত্তাৰল হৈ ) তুমি হলে ক'তে যাব, আমি ভি লগতে যাব। আমি হলে গৰতে অকলে নবহে। ( কান্দো কান্দো। )

গদা : আও! তই কেনেকৈ যাবি? ভৈয়ামৰ মানুহে তোক কাটিব। ঘৰলৈ যাগৈ জিনু।

জিনু : ( কান্দি কান্দি ) আমি হলে অকলে নবহে। তুমি লগতে যালে হলে বাল আছে।

( ৪ৰ্থ অংক, ১ম গৰ্ভাংক )

জিনুৱে ধান থবলৈ ডুলি সাজে। ভূ'ই ৰখে। বাঘ-ঘোঙলৈ ভয় নকৰি পাহাৰত ঘুৰি ফুৰিব পৰা সাহস তাইৰ আছে। বেজবৰুৱাৰ নাটকত মানামা বুঢ়াগাম, গামনীৰ চৰিত্ৰ অংকন কৰাৰ বাহিৰেও ডালিমী চৰিত্ৰই বেজবৰুৱাক এজন শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে প্ৰতিষ্ঠিত কৰিলে। জ্যোতিপ্ৰসাদ আগৰৱালাই ডালিমীৰ চৰিত্ৰৰ সম্পৰ্কে কৈছে "ডালিমী এটা স্বৰ্গীয় মংগলময়ী শক্তি। তাই মৰতৰ বাছক-বনীয়া সৌন্দৰ্যৰ ৰূপত থানিকা লৈছেহি।" সেয়েহে গোহাঞি বৰুৱাৰ জিনু চৰিত্ৰৰ বাস্তৱতা ডালিমীৰ চৰিত্ৰত নাই। "ডালিমীৰ চৰিত্ৰত সৰ্বসাধাৰণ নগা বা নাগিনীৰ সৰলতা বিদ্যমান যদিও সাধাৰণ নাগিনীৰ-পৰা তাই বহুত আগবঢ়া।" তাইৰ মুখতো শুদ্ধ অসমীয়া ভাষাৰ সংলাপ দিয়া হৈছে। ৰোমাণ্টিক চৰিত্ৰ হিচাপে ডালিমীৰ চৰিত্ৰৰ আকৰ্ষণ অস্বীকাৰ কৰিব নোৱাৰি। বেজবৰুৱাৰ ডালিমী চৰিত্ৰৰ সমধৰ্মী চৰিত্ৰ দেখা যায় জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকত। 'কাৰেঙৰ লিগিৰী' নাটক কাল্পনিক নাটক। ৰাজ্যৰপৰা নিৰ্বাসিত হৈ অনংগৰাম ডেকাফুকন আৰু শেৱালীয়ে আশ্ৰয় ল'ব লগা হৈছে নগাপাহাৰৰ নগা জনজাতীয় লোকৰ ওচৰত। "ভৈয়ামৰ ৰক্তপাত পাহাৰলৈ নুতুলিবা। শান্তিৰ ৰাজ্যত অশান্তিৰ বীজ নিসি'চিবা।" অনংগৰ এই কথাৰ মাজৰ পাহাৰত শান্তিময়, মুকলিমূৰীয়া সৰস জীৱনৰ আভাস দাঙি ধৰা হৈছে। প্ৰেম-পাগল নগা ডেকাজনক সহজভাৱে তাৰ প্ৰেমিকাৰ অস্তিত্বৰ কথা বুজোৱাৰ চেষ্টাৰ লগত বেজবৰুৱাৰ নাটকৰ ডালিমীক গদাপাণিয়ে উপলব্ধি কৰোৱাৰ চেষ্টাৰ লগত সাদৃশ্য আছে। 'কাৰেঙৰ লিগিৰী' নাটকৰ শগুক, জুগুক, ঠুনুকৰ হাতত ধেনু-কাঁড় নাই। সিহঁত সৰলতা, মুকলিমূৰীয়া প্ৰকৃতি আৰু মৰম-প্ৰীতিৰ যেন জীৱন্ত প্ৰতীক। ৺দণ্ডিনাথ কলিতাৰ 'সতীৰ তেজ' নাটকৰ গোহাঞি বৰুৱাৰ জিনু চৰিত্ৰৰ সমতুল্য চৰিত্ৰ হৈছে ৰেণু নাগিনীৰ চৰিত্ৰ। উগ্ৰ সাহস, সৰলতা আৰু ত্যাগৰ প্ৰতীক ৰেণুৰ চৰিত্ৰ। গদাক ৰক্ষা কৰিবলৈ যাওঁতে নিজৰ প্ৰাণদান কৰিলে।

এটা ঐতিহাসিক কাহিনীক ভিত্তি কৰি ৰচনা কৰা ৺কমলানন্দ ভট্টাচাৰ্যৰ "নগাকোঁৱৰ" নাটকখন জনজাতীয় চৰিত্ৰ প্ৰতিফলনৰ দিশৰপৰা এক উল্লেখযোগ্য সৃষ্টি বুলি ক'ব পাৰি। "চুপিমফা স্বৰ্গদেৱে চন্দ্ৰা কুঁৱৰী এগৰাকীক সৰ্গভা অৱস্থাত নগাৰ খুনবাও এটালৈ এৰি দিয়ে আৰু নগাৰ চাঙত গৈ কুঁৱৰীয়ে এটি পুত্ৰ জন্ম দিয়ে। কালত সেই পুত্ৰটি চুপিমফা স্বৰ্গদেৱৰ সন্তান বুলি জনাজাত হোৱাত চুহুংমুং স্বৰ্গদেৱে তেওঁক সমাদৰেৰে চপাই আনি কনচেং নাম দি বৰপাত্ৰ গোহাঞি ডাঙৰীয়া পাতিলে।" ( অসমৰ বুৰঞ্জী : পদ্মনাথ গোহাঞি বৰুৱা )। বুৰঞ্জীত উল্লিখিত এই নগাৰ ঘৰত জন্ম লাভ কৰি ডাঙৰ হোৱা আহোম ৰাজকোঁৱৰ কনচেঙৰ জীৱনৰ



কাহিনী লৈ এই 'নগাকোঁৱৰ' নাটক ৰচনা কৰা হৈছে। খুনবাও, লুকু আদিৰ চৰিত্ৰ সজীৱৰূপত নাটকখনত প্ৰকাশ পাইছে। এই নাটকতো জনজাতীয় চৰিত্ৰ পৰিৱেশন কৰোঁতে পূৰ্বৰ নাট্যকাৰ-সকলৰ ৰীতিকেই অনুসৰণ কৰা দেখিবলৈ পোৱা যায়। খুন্‌বাও ৰাজকুঁৱৰীৰ আশ্ৰয়দাতা। খুন্‌বাও আৰু লুকুৰ চৰিত্ৰ প্ৰেম-প্ৰীতি আৰু উদাৰতাৰে ভৰপূৰ। লুকু বহু দিশত গোহাঞি বৰুৱাৰ জিনুৰ সমধৰ্মী। তাই অকপটভাৱে কনচেং বা চেংলুঙক অন্তৰ উৰাৰি দিলিল ; কিন্তু চেংলুং ভৈয়ামলৈ আহি ৰাজবিষয়া হৈ ব্যস্ত হৈ পৰিল। শেষত লুকুৱে হতাশা আৰু বিৰহত পৰ্বতৰ টিঙৰপৰা জাপ মাৰি প্ৰেমৰ মহত্ব প্ৰদৰ্শন কৰিলে। খুনবাৱে জীয়েকৰ কৰুণ মৃত্যু দেখি চেংলুঙক বিচাৰি আহি যুদ্ধক্ষেত্ৰত কাছিতাবাই গুপ্তভাৱে হত্যা কৰিবলৈ উদ্যত হওঁতে চেংলুঙক মৃত্যুৰপৰা ৰক্ষা কৰিলেহি। আচলতে খুনবাৱে কনচেঙক ৰক্ষা কৰিবলৈ অহা নাছিল ; আহিছিল যাৰ নিষ্ঠুৰতাৰ কাৰণে তাৰ মৰমৰ জীয়েকৰ জীৱনৰ নঙাফুল মৰহি গৈছিল সেই কনচেঙক হত্যা কৰি প্ৰতিশোধ ল'বলৈ। সেইকাৰণেই সি কাছিতাবাক কৈছে :

খুনবাও : তই নঅয়—মই মাৰিব। ইমান কেদিছু—তুকে কিয় মাৰিব দিম।

[ কন্‌চেং উঠি খুনবাওক দেখিব লাগে ]

কন্‌চেং : বুবু—তই! তই মোক গুপ্তঘাতকৰ হাতৰপৰা ৰক্ষা কৰিলি।

খুন্‌বাও : পাইছু— ইমান কেদি পাইছু। তাকে তুকে মাৰিব দিয়া নাই। মই মাৰিব ৰাকিছে। জাতি ল! বুজি পা — মই তুকে জাতি দৰিব ইকাইছে — মুৰ লকতে যুঁজি পা — মুৰ আঙতে মৰি পা।

কন্‌চেং : কি কৈছ বুবু — লুকুৰ কথা ক। লুকু ভালে আছে?

খুন্‌বাও : হাঃ হাঃ লুকু! লুকু কন্তা উদিছে তুৰ! লুকুক কাই আয়ি আৰু' লুকু কথা উদিছে তুৰ।

[ ৫ম অংক, প্ৰথম দৃশ্য ]

কিন্তু সভ্যতাৰ ৰ'দ নেদেখা নগা হলেও তাৰ হৃদয়ৰ উদাৰতাৰ কাষত চেংলুং লুকুতকৈ বেছি মৰমৰ হৈ পৰিল। সি চেংলুঙৰ বুকুত যাঠি বহুৱাই তাৰ কন্যাৰ অপমৃত্যুৰ প্ৰতিশোধ ল'ব নোৱাৰিলে। বৰঞ্চ সেই যাঠি নিজৰ বুকুত মাৰি অকলশৰীয়া লুকুৰ লগ হবৰ কাৰণে ব্যৱস্থা ললে। নাটকখনত ভৈয়ামৰ জন জীৱনক অৱৰুদ্ধ জীৱন হিচাপে প্ৰদৰ্শন কৰা হৈছে। কনচেঙে সেয়েহে কৈছে :

কন্‌চেং : মই ডাঙৰ আছিলো তোৰ ওৰিত বুবু। মই ডাঙৰ আছিলো হাবিৰ পহু খাই, জুৰিৰ পানী খাই, গছৰ গুটি খাই। মুকলি মনেৰে পৰ্বতে পাহাৰে ঘুৰি ফুৰি আজি মই সৰু—নিচেই সৰু। সোণৰ পিজ্‌ৰাত বন্দী মইনাৰ দৰে পৰৰ বন্ধুৱা গোলাম।

সেইকাৰণে কন্‌চেঙে ৰাজপুৰীৰ সুখ-সম্পদ, ঐশ্বৰ্য পৰিত্যাগ কৰি পাহাৰৰ বুকুলৈ উধাও হবলৈ সততে উদ্যত।

নাট্যকাৰ শ্ৰীসুৰেশচন্দ্ৰ গোস্বামীৰ 'ৰণুমী' জগত বিখ্যাত নাট্যকাৰ হেন্‌ৰিক ইব্‌ছেনৰ Warriors Helgeland নাটকৰ অসমীয়া ৰূপান্তৰ। গোস্বামীদেৱে ভফলা জনজাতীয় জীৱনৰ পৰিৱেশ লৈ মূল নাটকৰ পৰিৱেশ আৰু কাহিনী ৰূপান্তৰ কৰিছে। মূল

নাটকৰ নামৰ লগত ধ্বনিগত সাদৃশ্যত 'কণ্ডুমী' নাটকৰ চৰিত্ৰবোৰৰ নামকৰণ কৰা হৈছে। আৰু, উক্ত জনজাতিসকলৰ অতীতকালৰ জীৱনৰ ৰীতি-নীতি, লোক বিশ্বাস নাট্যকাৰে সতৰ্কভাৱে নাটকত ঠাই দি চৰিত্ৰ আৰু কাহিনী বিন্যস্ত কৰি তুলিবলৈ যত্ন কৰিছে। এই জনজাতিসকলৰ যুদ্ধপ্ৰিয় প্ৰকৃতি, প্ৰতিহিংসাপৰায়ণতা, নাৰী অপহৰণ কৰি দণ্ড ভৰা, শপত খাই কুৰ্মা কৰা, গীবিচিগিৰী দেৱতাৰ নামত শপত খোৱা, গৰু-ম'হ আদি কাঢ়ি নিয়াৰ কাৰণে সংঘৰ্ষ হোৱা আদি কথাবোৰ নাটকৰ কাহিনী আৰু চৰিত্ৰৰ অন্তৰংগ কৰি তোলা হৈছে এনে ধৰণেৰে সম্পূৰ্ণৰূপে জনজাতীয় জীৱনক নাটকৰ কাহিনীৰ দীঘ-বাণিৰূপে লৈ নাটক ৰচনা কৰা গোস্বামী-দেৱৰ ই বলিষ্ঠ প্ৰচেষ্টা। সাহিত্যৰথী বেজবৰুৱা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই 'কণ্ডুমী' নাটকৰ ৰচনাৰ বিষয়ে উচ্চ মত পোষণ কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' কণ্ডুমীৰ লগত আন এক উল্লেখযোগ্য নাটক। ইয়াত যথাৰ্থ জন-জাতীয় জীৱন নহ'লেও এক কাল্পনিক জনজাতীয় জীৱনৰ দ্বন্দ্ব-সংঘাত ৰূপায়িত কৰিবলৈ যত্ন কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মা ভাওবীয়াই নাটকত সন্নিৱিষ্ট কৰা ৰুকমী জনজাতীয় জীৱনৰ লগত মণিপুৰী জন-জাতীয় লোকৰ কিছু সাদৃশ্যৰ কথা লক্ষ্য কৰিছে। আগৰৱালাদেৱৰ 'লভিতা' নাটকত জাপানী সৈন্যৰ আক্ৰমণত আক্ৰান্ত হোৱা নগা জনজাতীয় লোকৰ এটা আংশিক চিত্ৰ প্ৰদৰ্শন কৰিছে। তেখেতৰ প্ৰায় আঠাইকেইখন প্ৰধান নাটকতে জনজাতীয় চৰিত্ৰ উত্থাপন কৰা এটা লক্ষ্য কৰিবলগীয়া কথা।

অসমৰ প্ৰথিতযশা নাট্যকাৰ স্বৰ্গীয় নকুলচন্দ্ৰ ভূঞা-দেৱৰ 'চন্দ্ৰকান্ত সিংহ' নাটকত ৰহিলা, মিৰিগাম আদি চৰিত্ৰ আৰু কাৰ্যৰ জৰিয়তে মিৰি সমাজৰ এটা দিশ নাটকখনত প্ৰকাশ পাইছে। আহোম বিষয়া চক্ৰধ্বজৰ বীৰত্ব আৰু ৰূপ-যৌৱনে সৰল মিৰি গাভৰু ৰহিলাৰ মন-প্ৰাণ হৰণ কৰে। চক্ৰধ্বজক তাই 'এনেয়ে ভাল পায়'। চক্ৰধ্বজে মানৰ লগত যুদ্ধত আঁতৰি থাকিব লগা হোৱাত ৰহিলা উপেক্ষিতা হৈ থাকিল। চন্দ্ৰকান্ত সিংহৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰি চক্ৰধ্বজে যুদ্ধক্ষেত্ৰতে দেৱযানীক জীৱন-সংগী হিচাপে গ্ৰহণ কৰে। এই মিলনৰ ক্ষণত অতৰ্কিতে ৰহিলাই তাত উপস্থিত হৈ দেৱযানীক চক্ৰধ্বজৰ হাতত সমৰ্পণ কৰি তাই কেনিবা অদৃশ্য হৈ গ'ল। ৰহিলাৰ সহজ, কামগন্ধহীন প্ৰেমে চৰিত্ৰটোৰ মনোহাৰিত্ব প্ৰকাশ কৰিছে। গীত-নৃত্যত নিপুণা আৰু বিহুৰ ৰত্না পাই উতলা হোৱা ৰহিলা সঁচাই যথাৰ্থ মিৰি গাভৰু। মিৰিগামে নাটকখনৰ ২য় অংকৰ ২য় দৃশ্যত কৈছিল —"কেলইনো দিম অ' আমি মিৰি হ'লো বুলি আৰু অপিয়ান হ'মনে? কিহ'লেনো কাক সুধি আগৰ ৰজাটো ভাঙি নতুন ৰজা পাতিলি? আমি হলে মিৰিয়ে নতুন ৰজাটোক ৰজা বোলা নাই। এইদৰে হ'লে দেখোন যোকো ভাঙি এটা নতুন পাব পাতিবি। আগৰ ৰজাটোৱে আমাক একো দুখ দিয়া নাই। এইটোৱে কেনো মানুহক বৰ শাস্তি কৰে। আমি হ'লে আগৰটো ৰজাকহে ৰজা বুলিম; নতুন ৰজাটোক হ'লে কৰ নিদিম।" এই কথাখিনিৰ মাজেদি মিৰিসকলৰ চৰিত্ৰগত বৈশিষ্ট্য আৰু আহোম ৰাজপাটৰ কম্পনে তেওঁলোকৰ মাজত সৃষ্টি কৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। যশস্বী নাট্যকাৰ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ 'টিকেন্দ্ৰজিৎ' নাটকত মণিপুৰৰ জাতীয় জীৱনৰ এক সন্ধিক্ষণৰ ইতিহাস প্ৰকাশ পাইছে। স্বৰ্গীয় দৈৱচন্দ্ৰ তালুকদাৰৰ 'লহৰা' নাটকত মিকিৰ গাভৰু লফা-চেনীৰামৰ প্ৰেমৰ কৰুণ পৰিণতি দেখুওৱা হৈছে।

দেশে স্বাধীনতা লাভ কৰাৰ পিছত ৰচনা কৰা নগাঁও নাট্য সমাজৰ 'পিয়লি ফুকন' নাটকৰ অৰুণ-দিৰ মেলা দৃশ্যত মিৰি, গাৰো, খাচিয়া, নগা আদি জনজাতীয় লোক আৰু গামসকলক মণিৰাম দেৱানে যোগেদি ইংৰাজ বিষয়াসকলৰ লগত চিনাকি কৰি দিয়া হৈছে। ভৈয়ামৰ লগতে পাহাৰ অঞ্চলত প্ৰতিপত্তি লাভ কৰাৰ পিছত অসমৰ পাহাৰবিলাকৰ প্ৰাকৃতিক সম্পদ, খনিজ দ্ৰব্য আদিৰে অসমত ইংৰাজৰ সাম্ৰাজ্য স্থায়ী কৰাৰ লালসা দেখা গৈছে। তাৰ বিপৰীতে পিয়লি ফুকনে তেওঁলোকক অসমৰ-পৰা খেদি পঠাবলৈ বিদ্ৰোহৰ নিচান তুলিছে। আচলতে পিয়লি ফুকনে ইংৰাজক বহিষ্কাৰ কৰিবলৈ পাহাৰীয়া জাতিবিলাকৰ সহযোগ লাভ কৰিবলৈ যত্ন কৰিছিল। In the year 1850 Piyali Borphukan attempted to organise a confederacy of the Assam Tribes to wrest back the country from the hands of the British (Dr. S. K. Bhuyan). লব্ধপ্ৰতিষ্ঠ নাট্যকাৰ শ্ৰীপ্ৰবীণ ফুকনদেৱৰ 'লাচিত বৰফুকন' নাটকত মণিপুৰী গাভৰু মদনাৰজীয়ে ৰাজপুত নাৰীৰ বেশ ধৰি ৰামসিংহৰ বিৰুদ্ধে চক্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে। ৺চন্দ্ৰধৰ বৰুৱাৰ 'মোগল বিজয়' নাটকৰ 'ৰূপসিং', শ্ৰীউত্তম বৰুৱাৰ 'জেৰেঙাৰ সতী' নাটকৰ 'আবোগা' কছাৰী ডেকাৰ সাহস আৰু সৰলতাৰ প্ৰতীক।

অতি আধুনিক কালত ৰচিত নাটকৰ ভিতৰত যশস্বী নাট্যকাৰ শ্ৰীঅৰুণ শৰ্মাৰ "জিন্‌টি", জনাৰ্দন ঠাকুৰৰ 'ভৈয়ামৰ সেন্দুৰীয়া আলি', অতুল বৰদলৈৰ 'তেজেৰোৱা কামেং", ফণী তালুকদাৰৰ "জুয়ে পোৰা সোণ" আদি নাটকত জনজাতীয় জীৱনক নতুন দৃষ্টিৰে পৰিৱেশন কৰা হৈছে। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰোঁতে প্ৰধান বলি হৈছিল কামেং অঞ্চল। এই আক্ৰমণৰ জৰিয়তে সমগ্ৰ ভাৰতে উত্তৰ-পূৰ ভূভাগৰ মনপা-নেপালী আদি জনজাতীয় লোকৰ জীৱন আৰু তেওঁলোকৰ শৌৰ্য-বীৰ্যৰ কথা জানিবলৈ পালে। এই জনজাতীয় জীৱন আৰু তাৰ পটভূমিত ৰচনা কৰা "তেজেৰোৱা কামেং" আৰু 'জুয়ে পোৰা সোণ' নাটক দুখনত দেশ ৰক্ষাৰ কাৰণে এই লোকসকলে কিদৰে সকলো ভেদাভেদ পাহৰি জীৱন পণ কৰিছে তাৰ ৰক্তাক্ত ছবি প্ৰকাশ পাইছে। পৰ্বতীয়া নাচনী গাভৰু জিন্‌টি আৰু লুইত চলিহাৰ প্ৰেম আৰু তাৰ শোকাবহ সমাপ্তি নাটকত প্ৰকাশ পাইছে। 'ভৈয়ামৰ সেন্দুৰীয়া আলি' পৰ্বত-ভৈয়ামৰ মিলনেই প্ৰতিপাদ্য বিষয়। স্বাধীনতাৰ পিছৰ কালত ৰচিত নাটকবোৰত পৰ্বত-ভৈয়াম আৰু বিভিন্ন জাতি সম্প্ৰদায়ৰ ঐক্য আৰু সংহতিৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে।

প্ৰথম অৱস্থাত ৰচিত হোৱা সৰহভাগ নাটকতে পাহাৰৰ জনজাতীয় জীৱনৰ শান্ত, সৰল ৰূপটো দাঙি ধৰা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাই ডালিমীৰ চৰিত্ৰৰ জৰিয়তে চৰিত্ৰাংকণত ৰোমান্সৰ ৰহন দিয়া ৰীতি পিছৰ বহুতো নাট্যকাৰে অনুসৰণ কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত এই ৰীতিৰ সফল ৰূপায়ণ দেখিবলৈ পোৱা যায়। তাৰউপৰি পাহাৰ বা জনজাতীয় জীৱনক ভৈয়ামৰ জীৱনৰ বৈসাদৃশ্য হিচাপে ব্যৱহাৰ কৰি ভৈয়াক হিংসা—নিষ্ঠুৰতাৰ আশ্ৰয় স্থান হিচাপে প্ৰদৰ্শন কৰা হৈছে। তাকে কৰিবলৈ যাওঁতে জনজাতীয় লোকসকলৰ চৰিত্ৰ সদায় সৰল, সৎ আৰু মৰমীয়াল হিচাপে ৰূপ দিয়া হৈছে। প্ৰেম—প্ৰীতিৰ বাহিৰে এই জনজাতি-সকলৰ কোনো কঠিন সমস্যা নাটকবিলাকত উত্থাপন কৰা হোৱা নাই। অৰ্থাৎ সোতৰ শতিকাৰ ইংৰাজ দাৰ্শনিক টমাচ্ হব্‌চ্‌ৰ মতবাদতকৈ ওঠৰ শতিকাৰ ফৰাচী দাৰ্শনিক ৰুচোৰ ৰোমাণ্টিক মতবাদ য'ত সভ্যতাৰ নীতি-নিয়মৰ মাজত মানুহ আজি জৰ্জৰিত অথচ আদিম প্ৰাকৃতিক জীৱন আছিল মুক্ত আৰু শান্তিময় তাক অনুসৰণ কৰা দেখা যায়। পাহাৰীয়া জনজাতীয় জীৱনক ৰোমাণ্টিক দৃষ্টি-ভংগীৰে লক্ষ্য কৰাৰ এটা কাৰণ হ'ল তেওঁলোকৰ জীৱন—যাত্ৰাৰ সম্পৰ্কে থকা অজ্ঞতা আৰু অনভিজ্ঞতা।

গতিকে একে ৰং একে তুলিকাৰে নাট্যকাৰসকলে তেওঁলোকৰ জীৱনৰ ৰূপদান কৰিছিল; কিন্তু আজি এই অঞ্চলবোৰ আৰু তেওঁলোকৰ জীৱনত পৰা পোহৰ ক্ৰমে প্ৰখৰ হৈ অহাৰ কাৰণে আজিৰ নাট্যকাৰসকলে ভৈয়ামৰ জীৱনৰ স্মৃতিৰ লগত সম্পৰ্ক ৰক্ষা কৰি জনজাতীয় চৰিত্ৰ অংকন কৰিবলৈ যত্ন কৰিছে। জনাৰ কুঁৱলীৰ আৱৰণৰপৰা এই জীৱন ক্ৰমে আঁতৰি আহি যথাৰ্থৰূপ পৰিগ্ৰহণ কৰিছে।

অসমীয়া জনজীৱনৰ বৈচিত্ৰ্যপূৰ্ণ ৰূপ নাটকত ৰস-সৌন্দৰ্য পৰিস্ফুট কৰাৰ ক্ষেত্ৰত সংযোজিত হোৱা জনজাতীয় জীৱনৰ বিষয়বস্তু ঐতিহাসিক দিশৰপৰা যেনেদৰে তাৎপৰ্যপূৰ্ণ তেনেদৰে জীৱন-জিজ্ঞাসাৰ ব্যাপকতা দান কৰাৰ ক্ষেত্ৰতো ইয়াৰ এটা অৰ্থপূৰ্ণ ভূমিকা অসমীয়া সাহিত্যত সদায় স্বীকৃত হৈ ৰ'ব।

—

...নাৰায়ণ দাস

## ...চমৰীয়া সত্ৰৰ কথা

...মৰীয়া কামৰূপৰ দক্ষিণকোণত অৱস্থিত এখনি ...খ্যাত মহাপুৰুষীয়া সত্ৰ। অধুনা বংগদেশৰ অন্তৰ্গত ...ক্ৰমপুৰত জন্মগ্ৰহণ কৰা বৰবিষ্ণু আতা ইয়াৰ প্ৰতিষ্ঠাপক। আঘোণৰ শুক্লা-একাদশী তিথিত ভূমিষ্ঠ হোৱা বৰবিষ্ণু আতাৰ জন্ম শক নিশ্চিতভাৱে নিৰ্ণীত ...'লেও তেওঁ যে ষোড়শ শতাব্দীৰ ষষ্ঠ বা সপ্তম দশকৰ লোক সেইটো হ'লে খাটাং। উমাকান্ত ...ঠকা অধিকাৰ আৰু শ্ৰীযুত অচ্যুতকান্ত অধিকাৰীৰ দ্বাৰা সম্পাদিত "শ্ৰীশ্ৰীবড়বিষ্ণু আতাৰ চৰিত"ত[1] আতাৰ প্ৰকৃত নাম কংসাৰিৰূপে কথিত হৈছে। কংসাৰিয়ে মাৰি-মাৰকৰ ভয়ত পিতৃভিঠা এৰি ...চালৈ উজাই ভাৰে কৃষ্ণ ভূঞাৰ ঘৰত থাকি তেওঁৰ কন্যা একজনীৰ পাণি গ্ৰহণ কৰি কিছুকাল থাকিবলৈ লয়। তাতেই শ্ৰীশ্ৰীঠাকুৰ আতাৰসৈতে তেওঁৰ সাক্ষাৎ হয় আৰু তেওঁৰে সৈতে সুন্দৰীদিয়ালৈ ...ই শ্ৰীশ্ৰীমাধৱদেৱৰ ওচৰত শৰণ লয়। শৰণ দিয়াৰ পিছত মাধৱে তেওঁৰ নাম ৰাখিলে বৰবিষ্ণু।[2] বৰবিষ্ণুৱে পোনতে মালচাত সত্ৰপাতি বহুজনক শৰণ দিয়াৰ ব্যৱস্থা কৰিছিল যদিও সেই ঠাইখনি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ উপক্ৰম হোৱাত গুৰুজনাৰ আদেশত মালচাৰপৰা নাৱেৰে উজাই 'বৰঘাটৰৰ আম'ৰ কাঠ কাটি 'কাঠামি'[3] নাম দি সত্ৰৰ স্থাপনা কৰে আৰু অৱশেষত অধুনা বকোৰপৰা প্ৰায় ডেৰ কিলোমিটাৰ উত্তৰ-পশ্চিমে কলহী নদীৰ পাৰত অৱস্থিত গোবিন্দপুৰত সত্ৰৰ পুনৰ্সংস্থাপন পৰ্বটি সমাপ্ত কৰে।[4] আনুমানিক ইং ১৫৮০ চন মানত প্ৰতিষ্ঠা কৰা গোবিন্দপুৰৰ সত্ৰ খনিয়ে পিছলৈ 'চমৰীয়াৰ সত্ৰ'ৰূপে জনাজাত হয়।[5]

বৰবিষ্ণু আতা চমৰীয়াৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ যদিও পিছলৈ উত্তৰ-কামৰূপৰ বৰ নগৰৰপৰা মালচা সত্ৰলৈ সহায়কৰূপে শ্ৰীশ্ৰীমাধৱদেৱে পঠিয়াই দিয়া বিষ্ণুপণ্ডিতৰ পুত্ৰ শিৱানন্দ আতাৰ বংশধৰসকলেহে বংশানুক্ৰমিকভাৱে সত্ৰাধিকাৰ পদত সমাসীন হৈ সত্ৰখনি পৰিচালনা কৰি আহিছে।[6] শিক্ষাবিদ্ শ্ৰীযুত অচ্যুতকান্ত অধিকাৰীদেৱ হ'ল বৰ্তমান সত্ৰৰ অধিকাৰ।

(১) প্ৰথম প্ৰকাশ, চমৰীয়া, ১২ ফাগুন,' ৮০ (২) শ্ৰীশ্ৰীবড়বিষ্ণু আতাৰ চৰিত, পিঠি ২৬
(৩) উল্লিখিত গ্ৰন্থ, পিঠি ৫১ (৪) ৰাজেন মহন্ত — বৰবিষ্ণু আতা আৰু তিনিখন সত্ৰ (অসমবাণী, ১২ মাৰ্চ, ১৯৭৬),
(৫) 'পূৰ্বত গোবিন্দপুৰ নাম আছিলন্ত চামগাছে চমৰীয়া নামেষে হৈবন্ত ॥' — ৬৮ পিঠি, বৰবিষ্ণু আতাৰ চৰিত; 'গুৰুৰ আদেশে গোবিন্দপুৰৰ নামক ভেৰে গুচায়া। তাহাৰ নামক কৰি যুগমীয়া ৰাখিলন্ত চমৰীয়া।' — ঐ, পিঠি ৮৭ (৬) পাতনি, বৰবিষ্ণু আতাৰ চৰিত।

কলহী নদীৰ পাৰত অৱস্থিত চমৰীয়া সত্ৰখনিত বাটচ'ৰা, ভঁৰালঘৰ, কীৰ্তনঘৰ, মঠ, দ'ল আদিৰ উপৰি একাধিক হাটীৰো অৱস্থিতি মনকৰিবলগীয়া। নদীৰ পাৰেৰে সত্ৰলৈ আগবাঢ়িলে পোৱা যায়—শাৰী শাৰী শিলৰ খটখটী। সত্ৰৰ ভিতৰতো অ'ত-ত'ত পৰি আছে বিভিন্ন জোখৰ উকা আৰু কাৰুকাৰ্য খচিত শৈলখণ্ড। এইবোৰে উক্তস্থানত আদিতে শৈৱালয় থকাৰ সন্দেহ ঘনীভূতকৰে। প্ৰাচীন শৈল-দেৱধাম কিবা প্ৰাকৃতিক কাৰণত ধ্বংসপ্ৰাপ্ত হোৱাত হয়তো সেই ধ্বংসস্তূপতেই পিছলৈ মহাপুৰুষীয়া সত্ৰখনি সংস্থাপন কৰা হ'ল। প্ৰাক্-আহোম যুগীয় বাসুদেৱ বা আন বৈষ্ণৱথানৰ ধ্বংসাৱশেষ মোকোলাই তাত সত্ৰ পতাৰ ইতিহাস অসমত বিৰল নহয়। উত্তৰ লক্ষীমপুৰৰ নৰোৱা সত্ৰ (বাসুদেৱ থান) আৰু তেজপুৰৰ সমীপৱৰ্তী বৰালিমৰা সত্ৰ ইয়াৰ উৎকৃষ্ট নিদৰ্শন। চমৰীয়াৰ পুৰণি নাম "গোবিন্দপুৰেও আদতে সেই স্থানত বাসুদেৱ বা শ্ৰীকৃষ্ণৰ ধাম থকাৰ স্মৃতি বহন কৰিছে। আদিম দেৱধামৰ কাষত থকা চামগছৰ ওচৰত বৰবিষ্ণু আতাই সত্ৰখনি পাতি তাক চমৰীয়া সত্ৰলৈ ৰূপান্তৰিত কৰাৰ সংবাদ বৰবিষ্ণু আতাৰ চৰিত পুথিতেই পাওঁ।

চমৰীয়া সত্ৰৰ সৰ্বাগ্ৰে উল্লেখনীয় সম্পদটি হ'ল—ইয়াৰ মঠটি। অন্যান্য আহোম যুগীয় মঠৰ দৰে ইয়াৰটিতো গোপুৰম সমন্বিতে মণ্ডপ আৰু গৰ্ভগৃহ—এই অংগত্ৰয়ৰ অৱস্থিতি লক্ষ্য কৰোঁ। গৰ্ভগৃহৰ অধিষ্ঠান ত্ৰিৰথসমৃদ্ধ আৰু তাৰ একোটা ফালৰ বিভিন্ন ৰথৰ জোখ হ'ল—৭০ চে. মি. × ৭০ চে. মি. × ৭০ চে. মি. × ৪০ চে. মি. × ৪০ চে. মি.। জংঘাৰ ওপৰৰ শুকনাসাকৃতিৰ শিখৰটি শিৱদ'লৰ দৰে কৰ্দৈশিৰীয়া। তাৰ ওপৰত বেকী আৰু আমলকৰ পৰিৱৰ্তে ইটাৰে নিৰ্মিত ঘূৰণীয়া তিনটা আমলকাকৃতিৰ 'বাচন', তাৰ ওপৰত কলচী আৰু তাৰ শীৰ্ষস্থানত আয়ুধ। জংঘাত 'বন্ধনা' আৰু 'বৰন্ত'ৰ অৱস্থিতি মন কৰিবলগীয়া। 'ত্ৰিৰেখা'যুক্ত সাধাৰণ 'বন্ধনা'ৰ সলনি ইয়াত আছে—মুন্ময়ফলক সমৃদ্ধ ডেৰকুৰি চতুষ্কোণী 'প্ৰকোষ্ঠ'। সমুখৰ দুচলীয়া মণ্ডপটিৰ জোখ ৭ মিটাৰ × ৪ মিটাৰ। ইয়াৰো দুকাষৰ জংঘাৰ চতুষ্কোণী প্ৰকোষ্ঠত আছে—ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন লীলাব্যঞ্জক টেৰাকটা ফলক। মণ্ডপৰ সমুখৰ বেৰৰ বাওঁহাতে তলৰ ফালৰ প্ৰকোষ্ঠত ৪৫ চে. মি. × ৩০ চে. মি. জোখৰ শৈললেখ এখনি থাকি থোৱাটোও উল্লেখযোগ্য। ফলিখনত মুঠতে ১৫ শাৰীৰ লেখা আছে। আখৰৰ দৈৰ্ঘ গড়ে ২ চে. মি.। পিছে দুৰ্ভাগ্যৰ কথা, বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত ফলিৰ আখৰবোৰ বৰ বেয়াকৈ নষ্ট হ'ল। আমি ইয়াৰ যি অংশৰ পাঠোদ্ধাৰ কৰিছোঁ, সেই অংশৰ পাঠ এনে ধৰণৰ :

শ্ৰীৰাম—

১। × × × ×
২। × × × ×
৩। × × × ×
৪। নৰেন্দ্ৰ প্ৰত × ×
৫। × × × ×
৬। পদাৰবিন্দ মধু × প্ৰতাপ ×
৭। × × উৎপোদ × বিক্ৰম প্ৰতাপ
৮। × × মঠা ব্ৰহ্মপুত্ৰস্য তীৰৈঃ
৯। × × × × সন্দিকৈ
১০। বক্ক বড়ফুকনৰ স্বৰ্গনৰেশ্বৰঃ ৰি ×
১১। × × পৰো শ্ৰীমান্ × × ×
১২। × সত্ৰো × বৈষ্ণৱা × ×
১৩। × বিষ্ণুকান্তি × × × ×
১৪। শাকেন্দ্ৰ × × × বেদো সুন্দৰ
১৫। বিষ্ণুমন্দিৰং ॥

ফলিখনৰ সম্পূৰ্ণ পাঠোদ্ধাৰে সত্ৰৰ প্ৰামাণ্য ইতিহাসত নতুন পোহৰ পেলাব বুলি আশা কৰিব পাৰি। এইখিনিতে স্বৰ্গদেৱ শ্ৰীশ্ৰীলক্ষ্মীসিংহই এই



সত্ৰৰ ৰামনাথ সত্ৰিয়ালৈ ১৬৯৩ শকৰ জেঠ মাহত ভকত আৰু মাটিবৃত্তি দি আগবঢ়োৱা ফলিখনো উল্লেখযোগ্য। সত্ৰাধিকাৰদেৱৰ হাতত থকা এই তামৰ ফলিখন (৫০ চেঃ মিঃ × ১৬ চেঃ মিঃ) কোনোবা কাহানিতে পথালিয়ে পথালিয়ে দুডোখৰ হোৱাত পিছকালে লোৰ শলখাত গজাল মাৰি পাঠৰ যোগ্য কৰি ৰাখে যদিও পৰৱৰ্তী কালত কিবা দুৰ্যোগত ফলিখন আকৌ দুডোখৰ হ'ল। সৌভাগ্যগুণে কেইটামান আখৰত বিনে অধিকাংশই পাঠৰ অলায়ক হোৱা নাই। তদুপৰি ফলিখনৰ নকল কামৰূপ জিলাৰ মহাক্ষেত্ৰ থানাৰ মহজৰ বতীৰ উপৰি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ "শিল আৰু তামৰ ফলিৰ নকল বহী"তো (পিঠি ৩—৫) সংৰক্ষিত হৈছে। অৱশ্যে ড° নেওগৰ 'প্ৰাচ্য শাসনাৱলী'ত ইয়াৰ পাঠ অন্তৰ্ভুক্ত হোৱা নাই। ফলিখনৰ এপিঠিত মুঠ ৩০ শাৰীৰ লেখা। ইয়াৰে ওপৰ আৰু তলৰ দুশাৰী দুশাৰীকৈ মুঠ চাৰিশাৰী লেখা 'ৰানিং'—বাকী মাজৰ ২৬ টা শাৰী এঘাৰটা স্তম্ভত বিভাজিত। সোঁকালে থকা সিংহছাবৰ ওপৰৰ ৰাজকীয় মোহৰৰ চাৰিশাৰী লেখা :

'শ্ৰীশ্ৰীস্বৰ্গ/নাৰায়ণদেৱ শ্ৰী/লক্ষ্মীসিংহ নৰে/শ্বৰাণাং'

মূল ফলিৰ পাঠ :—[১] ৺৭ স্বস্তি শ্ৰীযুত কামাখ্যা পদপদ্ম মধুব্ৰত:। শ্ৰীশ্ৰীলক্ষ্মীসিংহ নৃপানলঃ স্বৰ্গ নাৰায়ণো মহান॥ অসৌ ধৰ্ম্মৰতস্তাম্ৰ পত্ৰিকা মদদাদি মাং ভক্তায় কামৰূপেস্মিন তদেতস্মৃতি ৰক্ষিণীং॥ কামৰূপ দে [২] শৰ বড়ুৱা ও বৰকায়স্থ ও চৌধাৰী ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গইৰহ সকলো সাৱধানে জানিব ৺ ৰে পুণ্যাৰ্থে শ্ৰীমহাপুৰুষ চমুৰিয়া থানৰ ৰামনাথ সত্ৰিয়াক ভকত মাটিৰ এই [৩] তাম্ৰ পট্ট কৰি দিলে। (প্ৰথম স্তম্ভ, ওপৰৰপৰা তললৈ) নিৰমাই ডেকা/ভকত ব্ৰাহ্মণ/কলিয়া ১/ বগা—১। নিসব—১/ লখি ১/ সনাতন ১/ বঙ্কুগন—১/ জয়—১/ দলৈ সৰ্ব্বানন্দ—১/ জিৱৰাম ১/ বগা—১/ নিৰঞ্জন—১/ সাধু সৰ্ব্বানন্দ/বঙ্কা—১/ ৰাঙ্ক—১/ হৰিপতি—১/ হৰিমধ ১/ কালদাস ১/ দাহৰাম / জগত—১/ পড়া—১/ অৰ্জুন—১/ ৰূপৰাই—১/ বেঙা—১/ (দ্বিতীয় স্তম্ভ, ওপৰৰপৰা তললৈ) বগা—১/ হৰিজয়—১/ পানিয়া—১/ কেৰা ১/ ভগি—১/ দয়াল—১/ কালদাস—১/ কলিয়া ১/ কিৰ্তনদাস—১/ বগা—১/ পুন্নী—১/ গঠিয়া—১/ বিহু—১/ জগন্নাথ—১/ বিষ্ণুপতি—১/ কুজা—১/ অজা—১/ ধুলা—১/ মধু—১/ ভকতদাহ—১/ ডাঙৰ অপা—১/ কাল—১/ ভকতদাহ—/ আদিত্য ১/ ৰামপতি—১/ (তৃতীয় স্তম্ভ, ওপৰৰপৰা তললৈ) ৰামৰাই—১/ হোইৰাম—১/ জিয়ু—১/ মণি—১/ হাটিৰ উদাসিন/ৰামজিয়—১/ নাৰান—১/ কমলা ১/ সৰ্ব্বানন্দ—১/ কৃষ্ণচৰণ—১/ বলভদ্ৰ—১/ ৰামদাস ১/ লখন—১/ ভৰত—১/ কৈৱৰ্ত জিৱন—১/ পৰবা—১/ ধুলি ওঝা ১/ কলাবিষ্ণু—১/ কৈলান বকো—২/ ভকতদাস—১/ কুপা কেঠা—১/ সদানন্দ—১/ খেৰাম—১/ নিৰমই—১/ কিৰ্ত্তনদাস—১/ গত্ৰো পণ্ডা ২/ (চতুৰ্থ স্তম্ভ, ওপৰৰপৰা তললৈ) খুনু বলাই—২/ আত্মাৰাম—১/ হৰি কানু—১/ ধুনী—১/ বনমালী—১/ গেড়া গুদা ২/ হৰিময়—১/ পটিয়া ১/ কলিয়া—১/ গোকুল ১/ দাহিকা—১/ কালুৱা—১/ কেঠাল—১/ দায়াৰাম—১/ কামেশ্বৰ/কোঁচ চিদানন্দ ১/ কমলা খৰা—২/ বিষ্ণুৰাম ১/ ৰামহৰি—১/ বিহিলা ১/ হৰি পতি—১/ ফৰিঙা—১/ ৰামবল্লভ—১/ ধুলিচিৰাম—২/ শশাংক বৰা—২/ তালুক—১/ (পঞ্চম স্তম্ভ, ওপৰৰ পৰা তললৈ) কালাপৰা—১/ ৰামনাথ—১/ ৰাঙা—১/ টেটা—১। গগন—১/ নিৰঞ্জন—১/ মধু—১/ হৰিনাথ চৰণ—১/ কেৰা ১/ ডাঙৰ অপা—১/ ভকত চৰণ—১/ বলোৰাম—১/ গুথা ধন—১/ ধেনা—১/ কালা কানু—১/ মংগলা মনো ২/ তিতাৰাম ২/ মেখো—১ পেটুৱা কিনা—২/ সনাতন হৰিচৰণ—১/ পৰাপদ্ম ২/ ৰামপতি—১/ নবান—১/ মেঙ্কাৰিয়া—১/ পলিয়া ১/ (ষষ্ঠ স্তম্ভ,

ওপৰৰ পৰা তললৈ) ভগি ভৰংগ ২/ ভেদাজয় —২/ নাথোৰন্দা—২/ চাৰধন—১/ কলিতা চিৰাম—১/ চিৰি পৰ্ব্বানন্দ—১/ভগি মনিয়া—২/ সৰ্বানন্দ ১/ ৰমাকান্ত ১/ সুভংকৰ—১/ কিৰ্ত্তন দাস—১/ মধুগেড়া—২/ ফুলপানি—১/ কান্দুৰা—১/ ভকত দাস ১/ ৰামপতি—১/ টেঙু—১/ খড়া—১/ জয়ানন্দ—১/ ৰঘু—১/ ৰামবল্লভ—১/ ৰামচৰণ ১/ হৰিবল্লভ—১। ওৱালু'কয়া'—১/ গেড়ালখি—২/ (সপ্তম স্তম্ভ, ওপৰৰ পৰা তললৈ) হৰিমনু—২/ কৈলাস—১/ আৰেণা ১/ আনন্দ—১/ জিৱন ১/ হৰিচাৰা—২/ অৰ্জ্জুন ১/ ধুলি—১/ হৰিচৰণ—১/ কৈলাস—১/ আদিত্য ১/ গেড়া ১/ধুলি—১/ কালিয়া—১/ সভা ১/চৰণ ১/ কিৰ্ত্তন দাস—১/ • সুবুলি—১/ • সৰবথ—১/ • একাদস—১/ • ঘোশাময়—১/ কৃপাময়—১/ নাৰান ১/ মধু—১/ হ'ৰ—/ হৰিময়—১/ (অষ্টম স্তম্ভ, ওপৰৰ পৰা তললৈ) কৈলাস—১/ মেকা—১। সৰধা ১/ তিতা /সনা—১/ ৰামধুলি ১/ সক্ৰবন—১/ হৰিজয়—১/ ৰামগতি—১/ কালা—১/ পূৰ্ণ—১/ কেচু ১/ ওৱালুকিয়া—১/ জয়ৰাম—১/ হৰিজয়—/ জয়নন্দ ১/ ভুগি—১/ খদা—১/ ৰামজয়—১/ ভকতদাস—১/ আদিত্য—১/ বেঙা—১/ জন্মি—১/ মধু—১/ মন্তই ১/ ধন—১/ ( নৱম স্তম্ভ, ওপৰৰ পৰাতললৈ ) • ভুগী—১/ পূৰ্ণ—১/ • ডাঙৰ অপা—১/ • গোবিন্দ ১/ • বগৰ—১/ • বিৰঞ্চ—১/ বলাই—১/ মনুপদ্ম ২/ মধুবগা—১/ আঠপৰীয়া—/প্ৰাপ্ত'াথ ১০/ জড়িয়া ১০/ খেন—১০/ ৰমাবন—১০/ কলিমন—১০/ কেন্তুৰা ১০/ পটিয়া—১০/ ধুনি—১০/ নিৰমল—১০/ পেটুৰা ১/ বগাৰাম—১/ বৈষ্ণ—/ বলভদ্ৰ—১/ কান্দুৰা ১/ ভগি— / ধোবা—১/ ( দশম স্তম্ভ ওপৰৰপৰা তললৈ) নৰৰাম—১/ ৰমা—১/কেচু—১/ কুমাৰ / হৰিধন—১/ বঠিয়া—১/ খদোকিনা—২/ পেটুয়া—১/ গনোদয়—২/ চণ্ডাল—/ পকামুৰা—১/ গাঠিয়া—১/ গেলাসনা—২/ ৰামপতি ১/ জপান—১/ • গদ—১/ • বলিয়া—১/ • ভেলু ১/ • বুদীয়া—১/ • ৰামচৰণ—১/ • ডুম—/ • ফুইসৰ/• লুলুৱা—১/ • বগা—১/ • ফুটীয়া কঠা (একাদশ স্তম্ভ ওপৰৰপৰা তললৈ) গেড়া—১/ মুঠত ২৭৯/ পূবে মিঠা/আমৰ/গোড়/পচিমে—/ ৰৰঘাই—/ দখিনে—/ চকিৰ জান—/• হুতু পেগক কদমৰ/ গুড় এই চাৰি হদৰ/ভিতৰত মাটি পাচে চটা/থাকিবৰ ন পায় পায়/হুপুনি ৪পুৰা আগ্ৰ/কলঠী বিন—১বটা/ চমুৰিয়া বিন—১ এক আতৰ জন •/

(২৯) এই ভক্তসকলে সহিতে মহাজনে পুত্ৰ পৌত্ৰাদি ক্ৰমে শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মত থাকি ৺ক আশীৰ্ব্বাদ কৰি থাকিব। ইহাৰ কৰ কাটল পদ—পঞ্চক বেঠ বেগাৰ জলকৰ জঙ্কাৰ চিনালাবা ধুমুষি মাড়েৱা (৩০) হাট ঘাট ফাট দণ্ড বন্ধ দান যুক্ত সৰ্ব্বৰাৰ পৰিত্যাগ হৈল। ইয়াত কোনোজনে অন্যথা নকৰিব। শক ১৬৯৩ মাস জেষ্ঠ ৭।

আহোম যুগীয় বহুবোৰ মঠ-মন্দিৰৰ বহিৰ্জংঘাত দেৱকোষ্ঠত বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমা সন্নিৱেশ কৰা চকুত পৰে। এই প্ৰতিমাবোৰৰ অধিকাংশই শিলৰ। জয়সাগৰৰ দেৱীদ'ল আৰু হাজোৰ হয়গ্ৰীৱ মাধৱ দেৱালয়ৰ জংঘাই ইয়াৰ প্ৰমাণ। কোনো কোনো মন্দিৰ বা দ'লৰ জংঘাত পোৰা মাটি-ফলকো খাঁজি দিয়া চকুত পৰে। এইক্ষেত্ৰত জয়সাগৰ পাৰৰ ঘনশ্যাম দ'লটিৰ নাম সৰ্বাগ্ৰে উল্লেখনীয়। বিগ্ৰহবিহীন এই দলটিৰ জংঘাত বৰ্তমানে ২১খনি অক্ষত। 'কলা সম্মত মৃন্ময় ফলক দেখিবলৈ পাই। শিৱসাগৰৰ জগদ্ধাত্ৰী দ'লৰ বেৰতো এনে ফলক



দেখা নাযায়। মন্দিৰৰ দৰে দুই-এখন সত্ৰৰ মঠৰ জংঘাতো মৃন্ময় ফলকৰ সংযোজন মনকৰিবলগীয়া, যাৰ ভিতৰত সুন্দৰীদিয়া সত্ৰ ৮ আৰু পাটবাউসী সত্ৰৰ (৯) মঠ দুটিৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। উপৰি উক্ত মঠ দুটিৰ দৰে আলোচ্যমান চমৰীয়াৰ মঠটিৰো বহিৰ্জংঘা বিভিন্ন মূৰ্তি সম্বলিত মৃন্ময় ফলকেৰে সুশোভিত। জনশ্ৰুতিমতে ১৬৯৩ শকৰ জেঠ মাহত স্বৰ্গদেৱ লক্ষ্মীসিংহই এই মঠটি নিৰ্মাণ কৰায়। (১০) পণ্ডিতকে ইয়াৰ মৃন্ময় ভাস্কৰ্য-সমূহে অষ্টাদশ শতাব্দীত এই বিধ কলাই কৰা প্ৰগতিৰ পথটি পোহৰলৈ আনে।

চমৰীয়াৰ মঠটিৰ অধিকাংশ মৃন্ময় ফলকেই দিনে প্ৰাকৃতিক দুৰ্যোগত ক্ষতি হৈ গ'ল। ভালে থকা-কেইখনিৰ ওপৰতো চুণ-চুৰ্কীৰ অত্যাচাৰ সহিব লগীয়া। মূল মঠটিৰ সোঁফালৰপৰা প্ৰথম আঠ-খনি ফলক সম্পূৰ্ণৰূপে ক্ষয়প্ৰাপ্ত হৈছে। নৱমখনিত 'কালীয় দমন' ( ৩৪ চে:মি:×৪৪ চে:মি: ) আৰু দশমখনিত 'ৰাসলীলা' ( ৩৫ চে:মি:×৪৩ চে:মি: )ৰ কাহিনী উদ্ঘাটিত হোৱা দেখা যায়। একাদশ সংখ্যক ফলকখনি নষ্ট হৈছে আৰু দ্বাদশ সংখ্যক প্ৰকোষ্ঠটি উকা। ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ সংখ্যক ফলকৰ মূৰ্তিসমূহো চিনাক্তকৰণ অৱস্থাত নাই। ষোড়শ সংখ্যক ফলকখনিত দেখো অনন্ত-নাগৰ ওপৰত শায়িত বিষ্ণু ( ৪৬ চে:মি: ×৩৫ চে:মি:)। সপ্তদশ ফলকত আছে ম'হৰ পৃষ্ঠত যমৰাজ (৪৪ চে:মি:×৩৭ চে:মি: )। ত্ৰিশূলহস্ত মহেশ্বৰৰ মূৰ্তিয়ে অষ্টাদশ ফলকখনি শোভা কৰিছে ; উনবিংশ ফলকত আছে সূৰ্যৰ বিভোপন মূৰ্তি। শিৱসাগৰৰ জগদ্ধাত্ৰী দ'লৰ জংঘাশোভিত সূৰ্যৰ প্ৰতিমাৰদৰে ইয়াতো সাতোটা ঘোঁৰাই টনা ৰথখন ঘোঁৰাৰ পৃষ্ঠদেশত স্থাপন কৰা। প্ৰথম ঘোঁৰাৰ বাওঁফাল আৰু বাকী ছটাৰ মুখমণ্ডল পৰিদৃশ্যমান। ঘোঁৰাকেইটাৰ পিছত ৰথৰ ওপৰত স্থানকভংগীৰ সূৰ্যদেৱতা—তেওঁৰ সন্মুখত ৰথৰ সাৰথি অৰুণ। ( জোখ—৪৭ চে:মি:×৪০ চে:মি: ) বিংশ সংখ্যক ফলকত আছে ৰাজহাঁহৰ পিঠিত বহি থকা চতুৰ্মুখ ব্ৰহ্মা। ( ৩৯ চে:মি:×৩৫ চে:মি: ) একবিংশ ফলকত শিৱ ( ৩৮ চে:মি:×৩০ চে:মি: ), দ্বাবিংশ ফলকত পঞ্চানন চতুৰ্হস্ত শিৱ ( ৩৮ চে:মি:×৩৩ চে:মি: ), ত্ৰয়োবিংশ ফলকত নমস্কাৰৰতা নাৰী ( ৪০ চে:মি:× ২৯ চে:মি: ), চতুৰ্বিংশতি ফলকত আয়ুধহস্ত কিৰীটি পৰিহিত ইন্দ্ৰদেৱ ( ৩৮ চে:মি:×৩২ চে:মি: ) আৰু পঞ্চবিংশ ফলকত দেখোঁ অষ্টভুজা ত্ৰিমুখী ভদ্ৰকালী ( ৩৮ চে:মি:×২ চে:মি: )। ষড়বিংশ, সপ্তবিংশ আৰু অষ্টবিংশ এই ফলকত্ৰয়ত আছে ছাগলীৰ পিঠিত বহি থকা অগ্নিদেৱ ( ৩৮ চে:মি:× ২৮ চে:মি:) অগ্নিৰ ওষ্ঠমুখ আৰু শিৰোস্ত্ৰাণ স্পষ্ট। তেজপুৰৰ কোনোবাখিনিৰপৰা নি ৰাজ্যিক সংগ্ৰহালয়ৰ বিথী শোভা কৰা হৈছে অগ্নিদেৱৰ সৈতে আলোচিত প্ৰতিমাত্ৰয় অভিন্ন। উনত্ৰিংশৎ সংখ্যক ফলকত কাৰ্ত্তিক (৩২ চে:মি:×২৮ চে:মি: ) আৰু ত্ৰিংশৎ সংখ্যক ফলকখনি শোভিছে কুবেৰৰ প্ৰতিমাই। ( ৩৮ চে:মি:×৩১ চে:মি: )।

মূলমঠটিৰ সন্মুখত থকা মণ্ডপটিৰ দুকাষৰ জংঘাতো মৃন্ময়ফলক সংলগ্ন কৰাৰ কথা আগতে উল্লিখিত হৈছে। ইয়াৰ সোঁফালৰ বেৰত থকা মূৰ্তিবোৰ হ'ল যথাক্ৰমে—(ক) শংখ-চক্ৰ-গদা-পদ্মধাৰী চতুৰ্হস্ত সমপাদ স্থানকভংগীৰ বিষ্ণু ( ৫৮ চে:মি:× ৪২ চে:মি: ), (খ) শ্ৰীকৃষ্ণৰ হয়াসুৰ বধ ( ৫২ চে:মি:×৫১ চে:মি: ), গ, ঘ, ঙ আৰু চ সংখ্যক ফলকত আছে দুজন লোকৰ সংগ্ৰামৰ দৃশ্য। শ্ৰীকৃষ্ণই বিভিন্ন অসুৰক বধ কৰা কাহিনী হয়তো ইয়াৰ মাজেদি ফুটাই তোলা হৈছে ( জোখ— ৫৫ চে:মি:×৫৮ চে:মি: )। ছ সংখ্যক ফলকত

(৭) তামৰ ফলিত নষ্ট হোৱা লিপিৰ পাঠ 'বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ'ত সংৰক্ষিত "শিল আৰু তামৰ ফলিৰ নকল বহী"ৰ পৰা চয়ন কৰা হৈছে আৰু তেনে পাঠাংশ তাৰকা (*) চিহ্নৰে বুজোৱা হৈছে। বানান মূলানুগ।

(৮) শ্ৰীশ্ৰীবড়বিষ্ণু আতাৰ চৰিত, পাতনি, পিঠি—২

দেখোঁ—জন্তুৰ ওপৰত স্থানকভংগীৰ এজন লোক। সেই লোকজনক মাৰিবলৈ উদ্যত হোৱা আন এজন লোকক উপৰ্যুক্ত লোকজনৰ নিম্নদেশত খোদিত কৰা দেখা যায়। জ আৰু ঝ সংখ্যক ফলক দুখনিত আছে বিভিন্ন মুদ্ৰাযুক্ত দুগৰাকী নাৰী। (৩৭ চে:মি:×৪৮ চে:মি:) সোঁফালৰ দৰে বাওঁফালৰ অংঘাতো দেখা পাওঁ (ক) ললিতাসনস্থ গণপতি (৩৭ চে:মি:×৪৮ চে:মি:), (খ) কল্কি (গ) বুদ্ধ (ঘ) পৰশুৰাম (ঙ) ৰাম (চ) বামন (ছ) নৰসিংহ (জ) বৰাহ (ঝ) কূৰ্ম আৰু (ঞ) মৎস্য—এই দশাৱতাৰৰ জীৱন্তৰূপ। আটাইকেইখন ফলক ৫০ চে:মি:×৪৭ চে:মি: জোখৰ। পৰশুৰাম, ৰাম আৰু কল্কিৰ হাতত আয়ুধ আছে, নৰসিংহৰ প্ৰতিমাখনি ভয়ংকৰ, মৎস্য আৰু কূৰ্মৰ উৰ্ধাংশ মনুষ্যৰূপত খোদিত কৰা। ইয়াৰ বিভিন্ন প্ৰতিমাৰ চিনাক্তকৰণত যাতে অসুবিধা নহয়, তাৰ কাৰণে ভালেকেইখন প্ৰতিমাৰ তলত অনামী শিল্পীয়ে পৰিচয়নামা লিখি যোৱাটো মনকৰিবলগীয়া কথা। যেনে কুবেৰ, কাৰ্ত্তিক, অগ্নি আদি।

ফলকৰ মূৰ্তিবোৰৰ দেহাভৰণ চকুত লগা। সত্ৰীয়া চিত্ৰকলাৰ পূৰ্ণপ্ৰভাৱ সিবোৰত স্পষ্ট। মোগলাই টুপী বা পশ্চিমভাৰতীয় গুজৰাটীশৈলীৰ শিৰোস্ত্ৰাণ, দুই কান্ধেৰে বুকুৰ ওপৰেদি আঁঠুলৈ ওলমিপৰা চাদৰ আৰু ভুণিমৰা ধুতি পিন্ধনৰ ৰীতি চিত্ৰ-ভাগৱতৰ চিত্ৰৰে অভিন্ন। মুখবোৰো সাধাৰণতে একফলীয়াকৈ খোদিত কৰা। চূণ আৰু শেলুৰৈয়ে প্ৰতিমাবোৰ অস্পষ্ট কৰি পেলাইছে। সিবোৰ সত্ৰৰ পৰিচালকসকলে চিকুণাই দিলে নিশ্চয় দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব আৰু সত্ৰৰো গৌৰব বাঢ়িব। কিয়নো মহাপুৰুষীয়া সত্ৰসমূহত মৃন্ময় শিল্পতকৈ দাৰু শিল্পহে অধিক প্ৰাণৱন্ত অনুশীলন লক্ষ্য কৰা যায়।

এটা সময়ত চমৰীয়া সত্ৰৰ পুথিভঁৰালটো বিভিন্ন সাঁচিপাত-তুলাপতীয়া পুথিৰে ঠাহখাই আছিল। বৈয়াকৰণিক কালিৰাম মেধি ডাঙৰীয়াই 'অংকাৱলী' সংকলন কৰা সময়ত এই সত্ৰৰ সংৰক্ষিত তুলাপতীয়া ৰুক্মিণী হৰণ নাট (১২৮৮ ভাস্কৰাব্দৰ নকল), চোৰধৰা আৰু ভূমি লুটিয়া (১৮০৩ শকৰ জেঠ মাহত নকল কৰা), ভূষণ হৰণ (১৮০৩ শক) আৰু তন্ত্ৰ হৰণ পুথিৰ বৰ্ণবিন্যাস ৰীতি বাহাল ৰখাটো তাৎপৰ্যপূৰ্ণ। সময়ৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ বহুতো পুথি-পাঁজি নষ্ট হ'ল। বৰ্তমানে ইয়াত থকা হস্তলিখিত পুথি কেইখন হ'ল—(ক) শংকৰদেৱকৃত আদ্য দশম। সাঁচিপাতত লিখা ১০৬ টা ফলকযুক্ত (১৪ চে:মি:×২৫ চে:মি:) পুথিখনৰ নকল কৰা কৰ্ম সমাপ্ত হয় ১৮২৩ শক বা ১৩০৮ চনৰ ২৭ আহাৰত (খ) মাধৱদেৱ ৰচিত নামঘোষা—১৮১১ শকৰ মাঘ মাহৰ ১১ দিন যোৱাত সম্পূৰ্ণ হোৱা এই সাঁচিপতীয়া (২৭ চে:মি:× ৯ চে:মি:) নকলটি সম্পূৰ্ণ নহয় (গ) মাধৱদেৱৰ ভক্তি ৰহস্য—তুলাপাতত (৭ চে:মি:× ২৩ চে:মি:) নকল কৰা এইখন পুথিও অসম্পূৰ্ণ (ঘ) ভক্তি ৰত্নাকৰ - ৰামচৰণ ঠাকুৰৰদ্বাৰা অনূদিত এই তুলাপতীয়া (৩৬ চে:মি:× ১২ চে:মি:) পুথিখনি ৫৪ টা ফলকত '১৮১৭ শকৰ কাৰ্ত্তিক মাহৰ ১৫ দিন যোৱাত বৃহস্পতিবাৰে দিনা শেষ হৈছে।' (ঙ) হৰিশ্চন্দ্ৰ উপাখ্যান—২৫ টা সাঁচিপাতৰ ফলকত সম্পূৰ্ণ হোৱা, শংকৰদেৱ বিৰচিত এই পুথিৰ নকলটি (১১ চে:মি:× ৩৮ চে:মি:) '১৩৪১ চনৰ ১ আহাৰত' সম্পূৰ্ণ হয়। (চ) বৰগীত—মাধৱদেৱ ৰচিত এই সাঁচিপতীয়া নকলটি (৩০ চে:মি:× ৮ চে:মি:) ৫৯টি ফলকত অসম্পূৰ্ণ হৈছে (ছ) নিমিনৱসিদ্ধ সংবাদ—৩২ টা সাঁচিপতীয়া ফলকযুক্ত (২৪ চে:মি× ৯ চে:মি:) এই পুথিখনিৰ নকল কৰা তাৰিখ জনা নাযায় (জ) ৰুক্মিণীহৰণ—শংকৰদেৱৰদ্বাৰা ৰচিত এই তুলাপতীয়া নকলটি (২৮ চে:মি:× ১০ চে:মি:) তেৰকুৰি ফলকত শেষ হৈছে। (ঝ) ভক্তি প্ৰদীপ সাঁচিপাতত লিখা এই পুথিখনি (২৪ চে:মি:× ৬ চে:মি:) ১৩৩৯ চনৰ জেঠ মাহত নকল কৰোঁতে মুঠতে ৩১ টা ফলক লয়। (ঞ) ৰুক্মিণী হৰণ—তুলাপতীয়া ৫০টি ফলকযুক্ত এই পুথিখনৰ (২৬ চে:মি:× ৮ চে:মি:) নকল কৰাৰ কাল অজ্ঞাত (ট) কুৰুক্ষেত্ৰ—শংকৰদেৱ বিৰচিত ৬৫টি ফলকযুক্ত এই সাঁচিপতীয়া নকলটো (২৮ চে:মি: ×৮ চে:মি:) ৬০৩টা পদত সম্পূৰ্ণ হোৱা দেখা যায় (ঠ) অজামিল উপাখ্যান—৩৩টা সাঁচিপতীয়া ফলকযুক্ত এই নকলটো (২৭ চে:মি:×৭ চে:মি:) কৰা হয় ১৮০৮ শকত। (ড) কীৰ্তন ঘোষা—১৮২৩ শকত সাঁচিপাতত নকল কৰা এইখন পুথিত (৪০ চে:মি:× ১২ চে:মি:) ৮২টা ফলক আৰু ২৩২৬ টি পদৰ সংযোজন হৈছে। (ঢ) আদিকাণ্ড ৰামায়ণ—মাধৱদেৱ ৰচিত এই সাঁচিপতীয়া নকলটো (৭০টা ফলক, জোখ ৩৪ চে:মি:× ২১ চে:মি:) '১৩৩৬ চনৰ কাতি মাহৰ ২৫ তাৰিখে' সম্পূৰ্ণ হয় (ণ) লংকা কাণ্ড—মাধৱ কন্দলি বিৰচিত এই পুথিখনিৰ নকলটি (৭ চে:মি:× ১২ চে:মি:) ৬৬টা সাঁচিপাতত ফলকত শেষ হয়। লংকা কাণ্ড (২)—১৭৫০ শকত তুলাপাতত নকল কৰা এই পুথিখন অসম্পূৰ্ণ (থ) সুন্দৰাকাণ্ড—তুলাপতীয়া এই নকলটিও (৩০ চে:মি:× ১০ চে:মি:) সম্পূৰ্ণ অৱস্থাত নাই (দ) আদিকাণ্ড ৰামায়ণ—মাধৱদেৱ বিৰচিত এই তুলাপতীয়া নকলটি (৩২ চে:মি:× ১০ চে:মি:) ৮০টা ফলকত সম্পূৰ্ণ হৈছে আৰু (ধ) উত্তৰাকাণ্ড ৰামায়ণ ১৮২৩ শকত নকল কৰা এই তুলাপতীয়া (৩২ চে:মি:× ১০ চে:মি:) পুথিখন পূৰ্ণ হৈছে ৫৪টা ফলকত।





এই সত্ৰত মাধৱদেৱৰ দিনৰে অক্ষয়-বন্তি আৰু মহাপুৰুষে নিজহাতে কটা কাঠৰ গুৰু-আসন আজিও বিদ্যমান। আজিৰপৰা প্ৰায় এক শতিকা পূৰ্বে এই সত্ৰৰ ভাগৱতী সকৰামে গৈ দক্ষিণ-কোলৰ 'নহিৰা সত্ৰ'ৰ সংস্থাপন কৰাটোও এইখিনিতে উল্লেখযোগ্য। সত্ৰত নিত্য-নৈমিত্তিক নাম-প্ৰসংগ আৰু উৎসৱাদি যথাবিহিতভাৱে উদ্‌যাপন কৰাৰ লগতে সত্ৰৰ প্ৰতিষ্ঠাপক ৰৱিবিষ্ণু আতাৰ তিৰোধান দিৱসো ফাগুন মাহৰ শুক্লা দ্বিতীয়া তিথিৰপৰা ৩/৪ দিন ধৰি উৎসৱমুখৰ পৰিৱেশত পালন কৰা হয়। অসমৰ অন্যান্য সত্ৰসমূহৰ দৰে চমৰীয়া সত্ৰৰ চলমান ইতিহাসেও যে আমাক মধ্যযুগীয় অসমৰ; বিশেষকৈ কামৰূপৰ দুয়োকুলৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীৰ নতুন দিগন্তৰ সন্ধান দিয়ে—সেই বিষয়ে সন্দেহৰ অৱকাশ নাই।

—০—

ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা

# কাৰক বিচাৰৰ নতুন চিন্তাধাৰা

কাৰক বুলিলে সাধাৰণতে বাক্যত থকা ক্ৰিয়াৰ লগত আনপদৰ—বিশেষকৈ বিশেষ্য আৰু সৰ্বনাম পদৰ সম্বন্ধকে বুজায়। এই হিচাপত কাৰক ছটা: কৰ্তা, কৰ্ম, কৰণ, সম্প্ৰদান, অপাদান আৰু অধিকৰণ; কিন্তু কেতিয়াবা এবোটা বিশেষ্য বা সৰ্বনাম পদে বাক্যৰ ক্ৰিয়াৰ লগত যিমান ওচৰ সম্বন্ধ দেখুৱায় তাতকৈ বেছি নিবিড় সম্বন্ধ দেখুৱায় অন্য এটা বিশেষ্য বা সৰ্বনাম পদৰ লগত। যেনে—
(১) গ্ৰন্থগাৰিকে ৰীতাক পুথিভঁৰালৰপৰা কিতাপ দিলে। ইয়াত 'পুথিভঁৰাল' পদত 'দিলে' ক্ৰিয়াতকৈ 'কিতাপ' পদৰ লগতহে বেছি ওচৰ সম্বন্ধ। 'পুথিভঁৰালৰপৰা কিতাপ' এই বিশেষ্য খণ্ডবাক্য (Noun phrase)ৰ সলনি 'পুথিভঁৰালৰ কিতাপ' খণ্ডবাক্য ব্যৱহাৰ কৰিব পাৰি। এনেস্থলতো যিহেতু (১) বাক্যত প্ৰকাশ পোৱা ক্ৰিয়াৰ লগত শিথিল অথচ বিশেষ্যৰ লগত ওচৰ সম্বন্ধক (=উক্ত বাক্যত 'পুথিভঁৰাল' পদৰ সম্বন্ধক) 'কাৰক' পদে সামৰিব পাৰে সেইহেতু দুই বিশেষ্যৰ (বহল অৰ্থত সৰ্বনামো 'বিশেষ্য' শ্ৰেণীভুক্ত) মাজত থকা সম্বন্ধকো কেতিয়াবা 'কাৰক'ৰ ভিতৰত সামৰা হয়। এই সম্বন্ধ (বিশেষ্য-বিশেষ্যৰ) বুজাবলৈ আমাৰ ভাষাবোৰত অন্যান্য কাৰকৰ নিচিনাকৈয়ে ৰূপগঠনৰ (=inflection) বা বিভক্তি সংযোগৰ নিয়ম আছে। ইংৰাজীত কেৱল এই সম্বন্ধ বুজাবলৈহে বিশেষ্য বা সৰ্বনামৰ নিয়মিত ৰূপগঠনৰ নিয়ম আছে; যেনে Ram's, his, their ইত্যাদি। কোনো কোনো পণ্ডিতে অৱশ্যে 'সম্বন্ধ'ক কাৰক নুবুলি 'সম্বন্ধ পদ' বুলিছে। 'সম্বন্ধ'ক কাৰক ধৰিলে সাৰ্বজনীন কাৰকৰ সংখ্যা হ'বগৈ সাতোটা। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীত সেয়ে সাতোটা কাৰকৰ কথা কোৱা হৈছে।

ভিন্ ভিন্ ভাষাত কাৰকৰ সংখ্যা ভিন্ ভিন্। ফিনিচ ভাষাত কাৰক চৈধ্যটা। টোখাৰীয়গোষ্ঠীৰ ভাষাত এক বচনত আঠটা আৰু বহুবচনত নটা কাৰক। সংস্কৃত ভাষাত 'সম্বন্ধ'কো কাৰকৰ তালিকাত ধৰি সাতোটা কাৰকৰ কথা কোৱা হৈছে। সংস্কৃত ব্যাকৰণকাৰসকলে দিয়া ক্ৰম অনুযায়ী[1] কাৰকবোৰ হ'ল:

১। কৰ্তা : ১মা বিভক্তিযুক্ত
২। কৰ্ম : ২য়া বিভক্তিযুক্ত
৩। কৰণ : ৩য়া বিভক্তিযুক্ত
৪। সম্প্ৰদান : ৪ৰ্থী বিভক্তিযুক্ত
৫। অপাদান : ৫মী বিভক্তিযুক্ত
৬। সম্বন্ধ : ৬ষ্ঠী বিভক্তিযুক্ত
৭। অধিকৰণ : ৭মী বিভক্তিযুক্ত

[1] Whitney এ কোৱামতে সংস্কৃত ব্যাকৰণকাৰসকলৰ এই ক্ৰম নিৰ্ধাৰণৰ অৰ্থ আছিল কোন সংখ্যাৰ কাৰক কোন সংখ্যাৰ কাৰকৰ লগত কম বা বেছি পৰিমাণে সদৃশ, তাৰ আভাস দিয়া।



পাণিনি'ক সংস্কৃত ব্যাকৰণকাৰসকলে কাৰকৰ ভিতৰত ধৰা নাই। সংস্কৃতত প্ৰতিটো কাৰকৰ সম্বন্ধ বুজাবলৈ পদত বেলেগ বেলেগ বিভক্তিযুক্ত হৈছিল; (কেৱল অকাৰান্তভিন্ন অন্য পদৰ অপাদানৰ ৰূপ ষষ্ঠীৰ সৈতে একে আছিল) সেইবোৰক ১মা, ২য়া আদিৰ ক্ৰমত উল্লেখ কৰা হৈছিল। সকলোবোৰ কাৰকৰ ভিতৰত কৰ্তা আছিল সৰ্বাতকৈ গুৰুত্বপূৰ্ণ; সেয়ে কৰ্তা কাৰকৰ বিভক্তিক বোলা হৈছিল ১মা। কোনো কোনো কাৰক বিভক্তিৰ সামান্য ৰূপভেদ (=Variation) আছিল আৰু সেই ৰূপভেদ পদৰ লিংগ অথবা বচন অনুযায়ী নিয়ত আছিল। এক কথাত ক'বলৈ গ'লে সংস্কৃতত কাৰক বিচাৰ আছিল অৰ্থগত (=Semantic) আৰু ৰূপগত বা ব্যাকৰণগত (Grammatical) বিচাৰৰ সুসমন্বয়। কাৰক বিচাৰ সমন্বিতে সংস্কৃত ব্যাকৰণতত্ত্বই শীৰ্ষবিন্দু লাভ কৰে আনুমানিক খ্ৰীঃপূঃ ২য় বা ৩য় শতিকাৰ প্ৰখ্যাত ব্যাকৰণবিদ পাণিনিৰ হাতত; পতঞ্জলিৰ 'মহাভাষ্য' পাণিনিৰ ব্যাকৰণৰ টীকা মাত্ৰ। অসমীয়া আদি আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ ব্যাকৰণ ৰচনা কৰোঁতেও সংস্কৃত ব্যাকৰণৰ এই বলিষ্ঠ পৰম্পৰাকে মুখ্যভাৱে অনুসৰণ কৰা হৈছে, যদিও ৰূপগতভাৱে আধুনিক ভাৰতীয় আৰ্য-ভাষাসমূহ সংস্কৃতৰপৰা বহুলাংশে ভিন্ন হৈ পৰিছে। আধুনিক ভাৰতীয় আৰ্য ভাষাৰ ব্যাকৰণ ৰচনাত ইংৰাজী ভাষাৰ প্ৰভাৱো কিছু পৰিমাণে পৰিছে। (আনপক্ষে ইংৰাজী ভাষাৰ ব্যাকৰণ ৰচনাৰ পৰম্পৰাও গ্ৰীক-লেটিন ব্যাকৰণ ৰচনাৰ পৰম্পৰাৰদ্বাৰা অবাঞ্ছিতভাৱে প্ৰভাৱগ্ৰস্ত বুলি সম্প্ৰতি অভিযোগ উঠিছে। উদাহৰণস্বৰূপে অসমীয়াত যা-, আহ-আদি গতিবাচক ধাতু অকৰ্মক, অথচ সংস্কৃতত এনে গতি বুজোৱা ধাতুৱে কৰ্ম গ্ৰহণ কৰিছিল।[2]

ইয়াৰ পিছত বিংশ শতাব্দীৰ মাজভাগত যেতিয়া বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ চৰ্চা বাঢ়িল তেতিয়া কাৰক বিচাৰত পদৰ অৰ্থগত বিচাৰক বহুত পৰিমাণে অৱজ্ঞা কৰা হ'ল আৰু ৰূপগত বিচাৰকহে মুখ্য স্থান দিয়া হ'ল। কাৰক বুজোৱা বিভক্তিসমূহৰ গঠন অনুযায়ী কাৰকৰ নতুন ক্ৰম নিৰ্ধাৰণৰ চেষ্টা চলিল।[3] একেদৰে আধুনিক ভাষাতাত্ত্বিক পণ্ডিতসকলে 'কৰ্ম' আৰু 'সম্প্ৰদান' কাৰকৰ স্বতন্ত্ৰতা সম্পৰ্কেও প্ৰশ্ন তুলিলে। যদি 'কৰ্ম' আৰু 'সম্প্ৰদান'ত একে বিভক্তিয়ে যুক্ত হয়, তেনে হ'লে স্বত্ব ত্যাগ কৰি দান কৰা অৰ্থ কৰিছে (ৰবাৰ 'বহল ব্যাকৰণ, অনুচ্ছেদ ৩৭) বুলিয়েই সম্প্ৰদান কাৰক বেলেগ হ'বনে? তলৰ:

(২) গ্ৰন্থগাৰিকে ৰীতাক কিতাপ দিলে।
(৩) সভাপতিয়ে ৰীতাক পুৰস্কাৰ দিলে।

বাক্য দুটাত 'ৰীতা'ত—ক যুক্ত হৈ 'ৰীতাক' পদ নিষ্পন্ন হৈছে; দুয়োঠাইতে 'ৰীতাক' পদ কোনো বস্তুৰ গ্ৰাহক। বাংলা ব্যাকৰণকাৰ ৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদীয়ে এই সম্পৰ্কত তীক্ষ্ণ সমালোচনা কৰিছে আৰু ৰবীন্দ্ৰনাথ ঠাকুৰক উক্তি দি কৈছে যে যদি দান অৰ্থ কৰিছে বুলিয়েই (৩) বাক্যত 'ৰীতাক' পদৰ সম্প্ৰদান কাৰক হ'ব, তেনেহ'লে ভোজন ক্ৰিয়াৰ পাত্ৰক 'সম্ভোজন কাৰক', তাড়ন ক্ৰিয়াৰ পাত্ৰক 'সন্তাৰণ' কাৰক—এইদৰে প্ৰতিটো ক্ৰিয়াৰ লগত সম্পৃক্ত প্ৰতিটো পদৰ কাৰণে একোটা বিশিষ্ট কাৰক স্বীকাৰ কৰিব লাগিব।

[1] Whitney : Sanskrit Grammar. Sec . 274

[2] (ক) ড° গোলোক গোস্বামী সম্পাদিত ড° কাকতিৰ Assamese : Its Formation and Development গ্ৰন্থৰ কাৰক বিভক্তি অধ্যায়ৰ (Sec. 648) পাদটীকা দ্ৰষ্টব্য।

(খ) ড° উপেন্দ্ৰনাথ গোস্বামীৰ "অসমীয়া ভাষাৰ ৰূপ কথা," অনুচ্ছেদ ২১'১

ড° সুনীতিকুমাৰ চেটাৰ্জীয়েও[4] এই মতৰ সমৰ্থন কৰিছে। অসমীয়া ভাষাবিজ্ঞানৰ চৰ্চা কৰোঁতাসকলৰ চিন্তাধাৰাটো এই সিদ্ধান্ত প্ৰতিফলিত হৈছে।[5]

কিন্তু আমেৰিকান ভাষাতত্ত্ববিদ পণ্ডিত চাৰ্লচ ফিলমোৰে কাৰক বিচাৰৰ ওপৰত ১৯৬৭ চনত লিখা বিশ্ববিদ্যাত প্ৰবন্ধটোৱে কাৰক বিচাৰৰ চিন্তা-জগতত আলোড়ন সৃষ্টি কৰিলে। তেওঁৰ কিছুদিনৰ আগতে আন এগৰাকী মনস্তত্ত্ববিদ আৰু ভাষা-বৈজ্ঞানিক নোম চমস্কিয়ে ভাষাবিজ্ঞান বিচাৰৰ নতুন দিগন্ত উন্মোচন কৰে আৰু বাক্যৰ বাহ্যিক বা অভিধা ৰূপ (Surface structure) তকৈ বাক্যৰ গূঢ় বা ব্যঞ্জনাৰূপ[6] (deep structure) বেলেগ বুলি প্ৰতিপন্ন কৰে। অভিধা ৰূপৰ ফালৰপৰা একে যেন লগা দুটা বাক্য ব্যঞ্জনাৰূপত বা গভীৰ অৰ্থত একে নহ'বও পাৰে। চাৰ্লচ ফিলমোৰেও এই চিন্তাধাৰাকে অনুসৰণ কৰি তেওঁৰ "কাৰক বিচাৰ" উপস্থাপন কৰিছে। ফিলমোৰৰ উদাহৰণেৰে ক'বলৈ হ'লে বাহ্যিক ৰূপৰ ফালৰপৰা

(৪) চন্দনে চকীখন ভাঙিলে।

(৫) চন্দনে চকীখন বান্ধিলে।

বাক্য দুটা একেই; (৪) আৰু (৫)ৰ মাজত দ্ৰষ্টব্য প্ৰভেদ ক্ৰিয়াৰ আভিধানিক অৰ্থৰ বৈপৰীত্য, বাক্যৰ গঠনগত নহয়; কিন্তু ভালকৈ মন কৰিলে দুয়োটাৰে মাজত অন্য এটা প্ৰভেদ দেখা যাব। (৫) বাক্যত চন্দনে যি ক্ৰিয়া সম্পাদন কৰিলে 'চকীখন' তাৰ ফল; কিন্তু (৪) বাক্যত 'চকীখন' চন্দনে যি ক্ৰিয়া সম্পাদন কৰিলে তাৰ ফল নহয়; 'চকীখন' আগৰ-পৰাই আছিল; চন্দনে 'চকীখন'ৰ ওপৰত 'ভঙা' ক্ৰিয়া সম্পাদন কৰিলে। বৰ্ণনাত্মক কাৰক বিচাৰত বাক্যৰ এনে অভিধা আৰু ব্যঞ্জনাৰূপৰ তাৰতম্যৰ প্ৰতি কৰ্ণপাত কৰা হোৱা নাছিল। বাক্যৰ ব্যঞ্জনা ৰূপৰ বিচাৰৰ পৰিপ্ৰেক্ষিতত কাৰক বিচাৰৰ নতুন দিগন্ত উন্মোচিত হৈছে। ক'বলৈ গ'লে কাৰক বিচাৰৰ এই নতুন চিন্তাধাৰা বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰতি এক প্ৰত্যাহ্বানস্বৰূপ আৰু ই ঘূৰিপকি গৈ পুৰাতন অৰ্থভিত্তিক কাৰক বিচাৰৰ পৰম্পৰাৰ ওচৰ চাপিছে। কাৰক বিচাৰৰ চিন্তাজগতৰ এই চক্ৰাকাৰ পৰিবৰ্তন ( Cyclic change ) সচাঁকৈয়ে বৰ আমোদজনক।

পৰম্পৰাগত বৈয়াকৰণিক বিচাৰত বাক্যৰ উদ্দেশ্য (=Subject) আৰু কৰ্তা বা কাৰণ (=nominative or agent) অভেদ; যি কৰ্তা সিয়ে বাক্যৰ উদ্দেশ্য; কিন্তু স্বৰূপাৰ্থত বাক্যৰ উদ্দেশ্য (=Subject) বাক্যত থকা ক্ৰিয়াৰ কৰ্তা বা কাৰণ নহবও পাৰে।

[4] ড° চেটাৰ্জীয়ে 'সহজ ভাষা প্ৰকাশ বাংলা ব্যাকৰণ'ৰ কাৰক অধ্যায়ত ৰামমোহন ৰায়, হৰপ্ৰসাদ শাস্ত্ৰীৰ মত উদ্ধৃত কৰি ত্ৰিবেদীৰ লেখাৰো বহল উদ্ধৃতি সন্নিবেশিত কৰিছে। তেখেতে বাংলাত সম্প্ৰদান কাৰক নাই বুলি সিদ্ধান্ত দিছে আৰু দান ক্ৰিয়াৰ পাত্ৰকো 'কৰ্ম'ৰ ভিতৰত সোমাইছে।

[5] ড° কাকতিয়ে কৰ্ম—সম্প্ৰদানৰ পৰসৰ্গ—ক বুলি ৬৫০ অনুচ্ছেদত উল্লেখ কৰিছে। ৬৫৯—৬৬৪ লৈ এই অনুচ্ছেদবিলাকত সম্প্ৰদান কাৰকৰ যিবোৰ উদাহৰণ দিছে তাৰ ভিতৰত দানাৰ্থক সম্প্ৰদান কাৰকৰ দৃষ্টান্ত নাই। (Assamese—Its Formation and Development.) ড° উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়াত সম্প্ৰদান কাৰক নাই বুলি কৈ তাৰ ঠাইত নিমিত্ত কাৰক' বুলি এটা কাৰক স্বীকাৰ কৰিছে। (অসমীয়া ভাষাৰ ৰূপকথা; অনুচ্ছেদ ২১·৫ ) গোলোক ব্যাকৰণত 'ধোবাক কাপোৰ দিয়া' আৰু 'ব্ৰাহ্মণক দক্ষিণা দিয়া' দুয়োঠাইতে কৰ্মকাৰক হয় বুলি লিখিছে (৮ম অধ্যায়ৰ ২৫ অনুচ্ছেদ)।

[6] 'অভিধা ৰূপ' আৰু 'ব্যঞ্জনা ৰূপ'ৰ ব্যৱহাৰ পৰীক্ষামূলক; ইয়াতকৈ ভাল আৰু উপযুক্ত শব্দ বাক্য পালে ইহঁতক সহজেই বৰ্জন কৰিব পৰা যাব।



তলৰ উদাহৰণকেইটালৈ লক্ষ্য কৰা যাওক:

(৬) চন্দনে শিলটো ভাঙিলে।

(৭) হাতুৰীয়ে শিলটো ভাঙিলে।

(৮) চন্দনে হাতুৰীৰে শিলটো ভাঙিলে।

(৬) বাক্যৰ উদ্দেশ্য (=subject) হৈছে 'চন্দন' আৰু ই 'ভাঙিলে' ক্ৰিয়াপদৰ কৰ্তা বা কাৰণ (=agent); (৭) বাক্যৰ উদ্দেশ্য হৈছে 'হাতুৰী', ই এটা হাতিয়াৰ বা কৰণ (=instrument) মাত্ৰ; কিন্তু (৮) বাক্যত কৰ্তা আৰু হাতিয়াৰ উভয়ে বৰ্তমান; ইয়াৰ উদ্দেশ্য হৈছে 'কৰ্তা', 'হাতিয়াৰ' উদ্দেশ্য নহয়। পৰম্পৰাগত বিচাৰত (৬) বাক্যৰ 'চন্দনে' আৰু (৭) বাক্যৰ 'হাতুৰীয়ে' কৰ্তা কাৰকৰ পদ; কিন্তু গূঢ়াৰ্থ বা ব্যঞ্জনাৰ্থ বিচাৰ কৰিলে দুয়োৰে কাৰক একে নহয়। যদি দুয়োটাৰে কাৰক একে হ'লহেঁতেন তেতিয়াহলে (৯) বাক্য গ্ৰহণযোগ্য হ'ল-হেঁতেন:

(৯) *[7] চন্দন আৰু হাতুৰীয়ে শিলটো ভাঙিলে।

দ্বিতীয়ত: 'চন্দনে' আৰু 'হাতুৰীয়ে' পদৰ একে কাৰক হোৱাহলে 'চন্দনে' পদে যেনেকৈ (৮) বাক্যত হাতিয়াৰ গ্ৰহণ কৰিছে তেনেকৈ (৭) বাক্যৰ 'হাতুৰীয়ে' পদেও আন এটা হাতিয়াৰ গ্ৰহণ কৰিব পাৰিলেহেঁতেন আৰু তেতিয়াহলে আমি তলৰটোৰ নিচিনা এটা বাক্য পালোহেঁতেন:

(১০)* হাতুৰীয়ে বটালীৰে শিলটো ভাঙিলে;

কিন্তু এই বাক্যও স্বাভাৱিক নহয়, যিহেতু হাতুৰী অপ্ৰাণীবাচক[8] ই এটা হাতিয়াৰ গ্ৰহণ কৰিব নোৱাৰে; বৰং 'হাতুৰী' আৰু 'বটালী' দুয়ো একে কাৰককে বুজাব পাৰে:

(১১) চন্দনে হাতুৰী আৰু বটালীৰে শিলটো ভাঙিলে। কোনো কোনো ক্ষেত্ৰত একেটা অপ্ৰাণী-বাচক হাতিয়াৰে আন এটা অপ্ৰাণীবাচক হাতিয়াৰ গ্ৰহণ কৰা যেন লাগে; যেনে—

(১২) মৈদাখনে জোংটোৰে বিন্ধিলে;

ইয়াৰ 'জোং' শব্দ হাতিয়াৰে নহয়, মৈদাখনৰ অংশ-মাত্ৰ; ই যদি মৈদাখনৰ জোং নহৈ এটা স্বতন্ত্ৰ জোং হ'লহেঁতেন তেতিয়া আমি পালোহেঁতেন:

(১৩) *মৈদাখনে এটা জোঙেৰে বিন্ধিলে।

কিন্তু এইবাক্য শুদ্ধ নহ'লহেঁতেন। (১২) বাক্য গ্ৰহণীয় হৈছে এই কাৰণেই যে সি (১৪) বাক্যৰ সমাৰ্থক:

(১৪) মৈদাখনৰ জোংটোৱে বিন্ধিলে।

অৰ্থাৎ (১২) আৰু (১৭)ৰ মাজত ৰূপগত প্ৰভেদ বাহ্যিক, গূঢ় বা ব্যঞ্জনা ৰূপত দুয়ো সমান।

ফিলমোৰৰ মতে কাৰক বিচাৰৰ ভিত্তিভূমি হৈছে পাৰিপাৰ্শ্বিক জগতত সংঘটিত হোৱা বা হৈ থকা ঘটনাসমূহ সম্বন্ধে মানৱমনে পোষণ কৰা কিছুমান সাৰ্বজনীন অথচ সহজাত ধাৰণা। পাৰিপাৰ্শ্বিক জগতৰ ঘটনা সম্বন্ধে থকা আমাৰ কিছুমান সাৰ্বজনীন চিৰাচৰিত ধাৰণা এনেধৰণৰ:

(ক) কোনে ক্ৰিয়া কৰে অৰ্থাৎ কেনেধৰণৰ ক্ৰিয়া কেনেধৰণৰ কৰ্তা বা কাৰণৰদ্বাৰা সাধিত হ'ব পাৰে;

(খ) কাৰ ওপৰত ক্ৰিয়াৰ কাৰ্য সাধিত হয় অৰ্থাৎ কেনে কৰ্তাই কেনেধৰণৰ বিশেষ্যৰ ওপৰত কেনে-ধৰণৰ কাৰ্য সম্পন্ন কৰিব পাৰে;

(গ) কিহৰ সাহায্যত কৰ্তাৰ কামবোৰ সাধিত হ'ব পাৰে; হাতুৰী, দা, কটাৰী, তৰোৱাল, লাখুটি আদি সাৰ্বজনীন বিচাৰত অস্ত্ৰ, হাতিয়াৰ বা কৰণ;

(ঘ) কাৰ্য ক'ত সাধিত হয়; ইত্যাদি।

অৰ্থাৎ বহিৰ্জগতৰ ঘটনা আৰু বস্তুৰ চিৰাচৰিত প্ৰকৃতিৰ

[7] তৰা চিন (*) দিয়া বাক্যবিলাক ভ্ৰমাত্মক বাক্য।

[8] গোলোক ব্যাকৰণত বিভক্তিবোৰৰ চিৰাচৰিত ক্ৰম ভাঙি দিবৰ যত্ন কৰিছে আৰু শূন্য বিভক্তিক ১মা বিভক্তি বুলিছে। (৮ অধ্যায়ৰ ২২ অনুচ্ছেদ) প্ৰস্তাৱিত কাৰক বিচাৰৰ পৰিপ্ৰেক্ষিতত ইয়াৰো যুক্তিযুক্ততা পুনৰ বিচাৰ্য হৈ পৰিব পাৰে।

বিচাৰৰ ভিত্তিত কাৰক নিৰ্ণীত হ'ব। একে কাৰক বুজাবৰ কাৰণে বাহ্যিক ৰূপত বেলেগ বেলেগ শব্দ-বিভক্তি যুক্ত হ'ব পাৰে। সেই অনুসৰি, সংস্কৃত ব্যাকৰণকাৰসকলে সংশ্লিষ্ট কাৰকৰ লক্ষণ নিৰ্ণয় কৰি চিহ্নিত কৰা ১মা, ৪ৰ্থী, ৭মী আদি বিভক্তি-বোৰ সাৰ্বজনীন ভিত্তিত পুনৰ বিন্যাস কৰি, কোন কাৰকত, কি প্ৰসংগত, কি বিভক্তি যুক্ত হ'ব পাৰে ক'ব পৰা যাব। তলৰ উদাহৰণটোলৈ লক্ষ্য কৰা যাওক

(১৫) শিলটো ভাঙিল।

পৰম্পৰাগত বৈয়াকৰণিক বিচাৰত এই বাক্যৰ উদ্দেশ্য 'শিলটো' পদ 'ভাঙিল' ক্ৰিয়াৰ কৰ্তা যদিও ই স্বৰূপ অৰ্থত অৰ্থাৎ ব্যঞ্জনা ৰূপত কৰ্তা নহয়; ই কোনো কাৰ্য সম্পাদন কৰা নাই; বৰং ই 'ভাঙিল' ক্ৰিয়াৰ আধাৰহে। 'শিল, এটা অপ্ৰাণীবাচক শব্দ; ই 'ভঙা' ক্ৰিয়া কৰিব নোৱাৰে; বৰং কোনো প্ৰাণীবাচক কৰ্তাইহে 'শিল'ৰ ওপৰত 'ভঙা' ক্ৰিয়া সম্পাদন কৰিব পাৰে। গতিকে উক্ত বাক্যত 'শিলটো' কৰ্মহে। ইয়াত শূন্য [ $-\phi$ ] বিভক্তি যুক্ত হৈছে। (ইয়াক ১মা কোৱা হ'ব নে ২য়া কোৱা হ'ব তাৰ বিচাৰ অপ্ৰাধৰণে হ'ব।[৮])

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে পদৰ বাহ্যিক ৰূপ, যেনে শব্দ-বিভক্তি আদিৰ সংযোগ বিশ্লেষণৰ ভিত্তিত যিভাৱে কাৰক নিৰ্ণয় কৰিবৰ যত্ন কৰিছিল সিয়ে ক্ৰিয়াৰ লগত বিশেষ্য বা সৰ্বনামৰ প্ৰকৃত, গূঢ় বা বাঞ্জিত সম্বন্ধৰ সূচনা দিব নোৱাৰে। বাক্যস্থিত বিশেষ্য বা সৰ্বনাম পদৰ প্ৰকৃত কাৰক কি অৰ্থাৎ বিশেষ্য বা সৰ্বনামৰ ক্ৰিয়াৰ লগত প্ৰকৃত সম্বন্ধ কি সেইটো বিভক্তিয়ে নিৰ্ণয় নকৰে, কৰে সংশ্লিষ্ট বিশেষ্য বা সৰ্বনাম আৰু ক্ৰিয়াৰ প্ৰকৃতি সম্বন্ধে থকা মানৱ-মনৰ সাৰ্বজনীন আৰু সহজাত ধাৰণাৰ ওপৰত। সেই অনুসৰি:

(৬) বাক্যৰ 'চন্দনে' পদ কৰ্তা, 'শিলটো' কৰ্ম;

(৭) বাক্যৰ 'হাতুৰীয়ে' পদ কৰ্তা নহয়, কৰণ;

(৮) বাক্যৰ 'চন্দনে' কৰ্তা, 'হাতুৰীয়ে' কৰণ আৰু 'শিলটো' কৰ্ম;

(১২) বাক্যত 'মৈদাখনে জোংটোৱে' খণ্ডবাক্য আৰু (১৪) বাক্যত 'মৈদাখনৰ জোংটোৱে' খণ্ডবাক্য কৰণ, ইয়াত কৰ্তা নাই;

(১৫) বাক্যত 'শিলটো' কৰ্ম, কৰ্তা নহয়;

(২) আৰু (৩) বাক্যত 'ৰীতাক' পদ সম্প্ৰদান বা গ্ৰাহক[৯], 'কিতাপ' কৰ্ম আৰু 'গ্ৰন্থগাৰিক' আৰু 'সভাপতিয়ে' উভয়ে কৰ্তা।

বিশেষ্য-সৰ্বনাম আৰু ক্ৰিয়াৰ চিৰাচৰিত প্ৰকৃতিৰ ভেটিত ফিলমোৰে কেইটামান সাৰ্বজনীন কাৰকৰ লক্ষণ নিৰ্ণয় কৰিছে। সেইবোৰ হ'ল এনেধৰণৰ:

কৰ্তা (Agentive): ক্ৰিয়াৰ কাৰ্য সম্পাদন কৰোঁতা কোনো প্ৰাণীবাচক পদৰ কাৰক। কৰ্তা হ'ব লাগিলে সি প্ৰাণীবাচক হ'ব লাগিব।

কৰণ (Instrumental): ক্ৰিয়াৰ কাৰ্য সম্পাদন কৰাত অস্ত্ৰ বা হাতিয়াৰস্বৰূপে কৰ্তাৰ সহায়ক হোৱা বা হ'ব পৰা কোনো অপ্ৰাণীবাচক শক্তি বা বস্তুক বুজোৱা পদৰ কাৰক।

গ্ৰাহক বা সম্প্ৰদান (Dative): ক্ৰিয়াৰ অৱস্থা বা কাৰ্যৰদ্বাৰা প্ৰভাৱিত, লাভবান বা ক্ষতিগ্ৰস্ত হোৱা কোনো প্ৰাণীবাচক পদৰ কাৰক।

পৰিপূৰক[১০] (Factitive): ক্ৰিয়াৰ অৱস্থা বা কাৰ্যৰ

[৯] 'সম্প্ৰদান'ৰ ঠাইত 'গ্ৰাহক কাৰক' বেছি সমীচীন হ'ব যেন লাগে; কিয়নো 'সম্প্ৰদানে' দানৰ অৰ্থ মনলৈ আনে; 'তেওঁক গালি দিলোঁ।' বাক্যত 'তেওঁক' গালিৰ 'সম্প্ৰদান' বোলাতকৈ গালিৰ 'গ্ৰাহক' বোলাই বেছি স্বাভাৱিক। [১০] Factitive বুজাবৰবাবে 'পৰিপূৰক' যথাৰ্থ শব্দনে নহয় ভাবি চাবলগীয়া। ফিলমোৰে Factitive কাৰকৰ উদাহৰণ দিয়া নাই।



পৰা উৎপন্ন কোনো বস্তু বা প্ৰাণীবাচক পদৰ কাৰক; বস্তুত সময়ত ই ক্ৰিয়াৰ অৰ্থৰ অংশ বিশেষ মাত্ৰ। যেনে- তেওঁ ভাল মানুহ হয়নে?

অধিকৰণ (Locative): ক্ৰিয়াৰ অৱস্থা বা কাৰ্য য'ত সম্পাদিত হয় তেনে স্থানবাচক পদৰ কাৰক।

কৰ্ম (Objective): ফিলমোৰে কৰ্মক অৰ্থগতভাৱে নিৰপেক্ষ কাৰক বুলিছে। ক্ৰিয়াৰ অৱস্থা বা কাৰ্যৰ স্বাভাৱিক অৰ্থোপলব্ধিৰদ্বাৰাই যি পদৰ ক্ৰিয়াৰ লগত থকা সম্বন্ধ বুজা যায় সেই পদৰ কাৰকেই কৰ্ম। কৰ্মকাৰক প্ৰাণী নহৈ বস্তু হ'ব।

কোনো কোনো ভাষাত কাৰকৰ সংখ্যা ইয়াতকৈ বেছি আৰু কোনো কোনো ভাষাত ইয়াতকৈ কম হ'ব পাৰে। উদাহৰণস্বৰূপে অসমীয়াত অপাদান (Ablative) বুলি আন এটা কাৰক আছে। কোনো বিশেষ্য বা সৰ্বনামৰপৰা আন বিশেষ্য বা সৰ্বনাম উৎপন্ন বা অপসৃত হোৱা বুজালে অপাদান কাৰক হয়। (১) উদাহৰণত 'পুথিভঁৰাল'ৰ অপাদান কাৰক। অসমীয়াত 'লক্ষ্য'বোধক বুলি আন এটা কাৰক স্বীকাৰ কৰিব পৰা গ'লহেঁতেন যদিহে লক্ষ্যবুজোৱা পদ আৰু অধিকৰণৰ মাজত প্ৰভেদ স্পষ্ট হ'লহেঁতেন। 'লক্ষ্য বুজোৱা পদ আৰু 'অধিকৰণ' বুজোৱা পদৰ মাজৰ অৰ্থগত ব্যৱধান উপকৰাহে; কিয়নো গূঢ় বা বাঞ্জিত অৰ্থত (১৬) আৰু (১৭) সমাৰ্থক:

১৬ (ক) তেওঁ শিলটো চোতাললৈ আনিলে আৰু তাত থ'লে।

(খ) তেওঁ শিলটো চোতাললৈ আনি থ'লে।

(১৭) তেওঁ শিলটো চোতালত থ'লে।

'চোতালত' যদি বিশুদ্ধ অধিকৰণ হয়, 'চোতাললৈ' হ'ব শিথিল অধিকৰণ। যুক্তিবাদী দৃষ্টিকোণৰপৰা চালে 'লক্ষ্য' বুজোৱা আৰু 'অধিকৰণ' বুজোৱা পদৰ মাজত গুনগত প্ৰভেদ নাই। সেয়ে আমি কথিত ভাষাত গতিবাচক ক্ৰিয়াৰ লগত দ্বিধাহীনভাৱে অধিকৰণ ব্যৱহাৰ কৰোঁ। যেনে

(১৮) মই বজাৰত যাওঁ।

শিথিল অধিকৰণৰ আন এটা উদাহৰণ:

১৯ (ক) তেওঁ মন্দিৰলৈ গ'ল আৰু তাত সোমাল।

(খ) তেওঁ মন্দিৰত সোমাল।

'গ'ল' ক্ৰিয়াৰ বৰ্তমানত 'মন্দিৰলৈ' হলেও 'সোমাল' ক্ৰিয়াৰ সংযোগত 'তাত' আৰু 'মন্দিৰত' হৈছে। অৰ্থাৎ বহল অৰ্থত চাবলৈ গলে 'লক্ষ্য' বুজোৱা পদো অধিকৰণৰ ভিতৰত পৰে; 'বজাৰলৈ' আৰু 'বজাৰত'ৰ মাজৰ প্ৰভেদ বাহ্যিক।

ফিলমোৰৰ এই বিচাৰ অনুযায়ী পদৰ স্বীয় অৰ্থ অনুসৰি—সি উদ্দেশ্যই হওক বা বিধেয়ই হওক তাৰ কাৰক ধ্ৰুৱ থাকিব। তলৰ উদাহৰণবোৰৰ কাৰক নিৰ্ণয় লক্ষ্য কৰা যাওক:

(২০) প্ৰদীপে কাঁইটডাল উলিয়ালে। ['প্ৰদীপে' কৰ্তা]

(২১) প্ৰদীপৰ হতুৱাই কাঁইটডাল উলিওৱা হ'ল। [—'ৰ হতুৱাই' যুক্ত 'প্ৰদীপ' কৰ্তা]

(২২) কাঁইটেৰে কাঁইটডাল উলিয়ালে। ['কাঁইটেৰে' কৰণ]

(২৩) প্ৰদীপে কাঁইটেৰে কাঁইট উলিয়ালে। ['কাঁইটে' কৰণ, কাঁইট কৰ্ম]

(২৪) প্ৰদীপে ভাৱে যে তেওঁ জয়ী হ'ব। ['প্ৰদীপে' গ্ৰাহক বা সম্প্ৰদান, 'ভাৱ' দ্বাৰা প্ৰদীপ আক্ৰান্ত হৈছে। সেই অনুক্ৰমেই 'ভাল লগা', 'বেয়া লগা' আদি ক্ৰিয়াৰ সংযোগত উড়িয়া আদি ভাষাত ৰূপগতভাৱেও 'সম্প্ৰদান'ৰ বিভক্তি যুক্ত হয়।]

(২৫) প্ৰদীপৰ এনে লাগিছে যেন তেওঁ জয়ী হ'ব। ['প্ৰদীপৰ' গ্ৰাহক]

(২৬) ভুৱনেশ্বৰ বৰ গৰম। ['ভুৱনেশ্বৰ' অধিকৰণ]

(২৬) বাক্যৰ (২৭) বাক্য সমাৰ্থক:

(২৭) ভুবনেশ্বৰত বৰ গৰম।

(২৮) কাৰাগাৰত কৃষ্ণ জন্মিল। [ ইয়াত 'জন্মিল' ক্ৰিয়াৰ 'কৃষ্ণ' কৰ্তা নহয়, 'জন্মিল' ক্ৰিয়াৰ দ্বাৰা 'কৃষ্ণ' উপকৃত (affected) হৈছে, সেয়ে ইয়াৰ কাৰক গ্ৰাহক বা সম্প্ৰদান ]

অনুৰূপ বিচাৰ অনুযায়ী (২৯) আৰু (৩০) বাক্যত 'প্ৰদীপক' আৰু 'ডেকাল'ৰাক' গ্ৰাহক কাৰক ; 'লাগ— আৰু 'শুৱা –এনে একোটা ধাতুৱে কৰ্তা হিচাপে কোনো বিশেষ্য বা সৰ্বনাম পদৰ অস্তিত্ব স্বীকাৰ নকৰে ; কাজেই পুৰুষ অনুসৰি ইহঁতৰ ৰূপভেদো নহয়। একে 'লাগ' ধাতুৰপৰা উৎপন্ন 'লাগিছে' ক্ৰিয়াই (৩১) বাক্যত 'কৰ্তা' বা 'গ্ৰাহক' কাৰকৰ পৰিবৰ্তে অন্য এটা কাৰক গ্ৰহণ কৰি আমাক বিভ্ৰান্ত কৰে :

(২৯) প্ৰদীপক কিতাপ লাগে

(৩০) ডেকাল'ৰাক হতাশাই নুগুৱায়।

(৩১) প্ৰদীপৰ দুখ লাগিছে।

ভালকৈ চালে বুজা যাব (৩১) বাক্য (৩২) বাক্যৰ সংক্ষিপ্তৰূপ মাত্ৰ :

(৩২) প্ৰদীপৰ মনত/হৃদয়ত/অন্তৰত দুখ লাগিছে।

আনপক্ষে 'মনত দুখ লাগিছে' বাক্য (৩৩) বাক্যৰ সমান্তৰাল :

(৩৩) গছত আম লাগিছে।

সংযুক্ত বা লাগি ধৰা অৰ্থত 'লাগ –এনে এটা ধাতুৱে তাৰ কাৰ্যৰ আধাৰ বা অধিকৰণস্বৰূপে কোনো অপ্ৰাণীবাচক পদ গ্ৰহণ কৰে ; কোনো ব্যক্তিবাচক পদ থাকিব লাগিলে সি সম্বন্ধ পদৰ ৰূপত অধি-কৰণৰ লগত সংপৃক্ত থাকিব। (৩১) বাক্যৰ 'প্ৰদীপৰ' সম্বন্ধ পদ মাত্ৰ।

সম্বন্ধ পদৰ বিচাৰত ফিলমোৰে দুইপ্ৰকাৰ সম্বন্ধৰ কথা কৈছে : (ক) অবিভাজ্য সম্বন্ধ আৰু (খ) আৰোপিত সম্বন্ধ। (৩৪) বাক্যত দুই বিশেষ্যৰ মাজৰ সম্বন্ধ অবিভাজ্য অথচ (৩৫) বাক্যত সেই সম্বন্ধ আৰোপিত

(৩৪) প্ৰদীপৰ চকু।

(৩৫) প্ৰদীপৰ কিতাপ।

(৩৫) বাক্যত 'আছে, থ'লে, কিনিলে, লৰে[1], পঢ়ুৱে[1], চালা' ইত্যাদি ক্ৰিয়া সংযোজিত হ'ব পাৰে ; কিন্তু (৩৪) বাক্যত নোৱাৰে। অৰ্থাৎ এটা বিশেষ্যৰ লগত আন এটা বিশেষ্য বা সৰ্বনাম অবিভাজ্য সম্বন্ধত সম্পৃক্ত থাকিলে সিহঁতৰ লগত বিশেষ বিশেষ ক্ৰিয়াপদহে বহিব পাৰে ।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে :

(ক) ক্ৰিয়াৰ প্ৰকৃতি অনুসৰি বাক্যত ব্যৱহৃত পদৰ কাৰক নিৰ্ণিত হয়, অথবা

(খ) বাক্যত ব্যৱহৃত পদৰ কাৰকৰ পৰিবেশ (environment) অনুসৰি ক্ৰিয়া নিৰ্বাচিত হয়। বাক্যত ব্যৱহৃত কাৰকৰ পৰিবেশ আৰু ক্ৰিয়াৰ প্ৰকৃতি উভয়ে উভয়ৰে ওপৰত নিৰ্ভৰশীল।

সেয়ে আমাৰ অভিধানত বিশেষ্য আৰু ক্ৰিয়াৰ গুণগত উল্লেখ থাকিব। [11] কাৰক বিচাৰতো সেই গুণাগুণ বিচাৰে সহায় কৰিব। যেনে:- কৰ্তা বা গ্ৰাহক কাৰক হ'ব লাগিলে পদ প্ৰাণীবাচক হ'ব; অৰ্থাৎ [প্ৰাণী] চিহ্নিত পদ কৰ্তা বা গ্ৰাহক (সম্প্ৰদান) কাৰক হ'ব পাৰিব। বিকল্পে, বিশেষ্য পদটোতো [+ কৰ্তা, + গ্ৰাহক] বুলি উল্লেখ থাকিলেও সেই পদ যে প্ৰাণীবাচক হ'ব সেইকথা বুজা যাব। তেনেদৰে অধিকৰণত ব্যৱহাৰ হ'ব পৰা পদত [+ অধি ] উল্লেখ থাকিব; যিবিলাক পদ অধিকৰণত ব্যৱহাৰ নহয় তাত [— অধি ] উল্লেখ থাকিব।

সেইদৰে ক্ৰিয়াৰক্ষেত্ৰত সি কেনে কাৰক পৰিবেশত অৰ্থাৎ কোন কোন কাৰকৰ বৰ্তমানত প্ৰযুক্ত হয় তাৰ উল্লেখ থাকিব। যেনে :

[11]লেখকৰ পূৰ্ব উল্লিখিত প্ৰবন্ধ দ্ৰষ্টব্য।



দৌৰ :—[ কৰ্তা — [12] ]

শুচা,– খোল :—[কৰ্তা, কৰ্ম — ], অৰ্থাৎ কৰ্তা আৰু কৰ্ম তাৰ আগত বহিব; যেনে,

(৩৬) দীপকে ঢাকনি গুচালে।

(৩৭) দীপকে খিৰিকি খুলিলে।

বধ –: [কৰ্তা (+ প্ৰাণী +,) গ্ৰাহক(+ প্ৰাণী) ]অৰ্থাৎ কৰ্তা আৰু গ্ৰাহক তাৰ আগত বহিব; যেনে;

[৩৮] ৰামে ৰাৱণক বধিলে।

দে:– [কৰ্তা (+ প্ৰাণী) গ্ৰাহক(+ প্ৰাণী) কৰ্ম—] অৰ্থাৎ কৰ্তা, গ্ৰাহক আৰু কৰ্ম বুজোৱা পদ ক্ৰিয়াৰ আগত বহিব; যেনে, (২) গ্ৰন্থাগাৰিকে ৰীতাক কিতাপ দিলে।

একোটা ক্ৰিয়াই কেতিয়াবা কৰ্তা, গ্ৰাহক আৰু কৰ্ম, অথবা কৰ্তা, কৰণ আৰু কৰ্ম –তিনিওটাকে ল'ব পাৰে। তেনেক্ষেত্ৰত অপ্ৰধান কাৰকবোৰৰ স্থিতিৰ কথা বন্ধনীৰে সীমিত কৰি দেখুৱাব পৰা যাব। উদাহৰণস্বৰূপে,

ভাঙ:—( কৰ্তা ), কৰ্ম, [কৰণ] — ]; যেনে

[৮] চন্দনে হাতুৰীৰে শিলটো ভাঙিলে।

[৬] চন্দনে শিলটো ভাঙিলে।

[৭] হাতুৰীয়ে শিলটো ভাগিলে।

[১৫] শিলটো ভাঙিল।

'আছ' এনে এটা ধাতু যিয়ে পৰিপূৰক গ্ৰহণ কৰিলেও কৰ্তা হিচাপে কোনো বিশেষ্য বা সৰ্বনাম পদ গ্ৰহণ নকৰে ; বিশেষ্য বা সৰ্বনাম পদ গ্ৰাহক বা সম্প্ৰদান হিচাপেহে ব্যৱহৃত হয়। সেয়ে ইংৰাজী I have a book ৰ ঠাইত আমি অসমীয়াত পাওঁ,

(৩৯) মোৰ এখন কিতাপ আছে।

ফিলমোৰৰ এই বিচাৰ অনুসৰি কাৰক সকলো ভাষাৰ এটা সাৰ্বজনীন বন্ধন। কোনো কোনো ভাষাত বিভিন্ন কাৰক বুজাবলৈ পদত ভিন্ ভিন্ বিভক্তি যোগ কৰাৰ নিয়ম আছে ; কোনো কোনো ভাষাত নাই। ইংৰাজীৰ নিচিনা শব্দ-ক্ৰম (word order) সৰ্বস্ব ভাষাত কেতবোৰ সৰ্বনামৰ (him, his) ব্যতিৰিক্তে বিশেষ্য পদৰ কাৰক অনুসৰি ৰূপভেদ নহয়। তেনেবোৰ ভাষাত ফিলমোৰৰ ৰীতি অনুসৰি কাৰক বিচাৰৰ পুনৰ বিন্যাস তেনেই সহজ ; কিন্তু আমাৰ ভাৰতীয় আৰ্যমূলীয় ভাষাবোৰৰ ক্ষেত্ৰত কথাটো অলপ আহুকলীয়া। আমাৰ ভাষা-বোৰত কাৰক আৰু কাৰক-বিভক্তিৰ মাজত এনে গভীৰ সম্পৰ্ক যে বিশিষ্ট বিভক্তিযুক্ত পদে বাক্যৰ যি কোনো ঠাইত বহিলেও বিশিষ্ট কাৰককে বুজাব পাৰে, শব্দ-ক্ৰম এইবোৰ ভাষাত গৌণ। যেনে,—

(৪০) মগনীয়াক ভিক্ষা মই কেতিয়াও নিদিওঁ ; কিন্তু এই ভাষাবোৰতো কোনো ক্ষেত্ৰত একেটা কাৰক বুজাবলৈ একাধিক বিভক্তিৰ প্ৰয়োগ কৰা হয়, অথবা একাধিক কাৰক বুজাবলৈ একেটা বিভক্তিয়ে প্ৰয়োগ কৰা যায়। তেনেক্ষেত্ৰত ফিলমোৰৰ আদৰ্শত কাৰক বিচাৰৰ পুনৰ বিন্যাস বিশেষ ফলপ্ৰসূ হ'ব। অন্যান্য ক্ষেত্ৰতো ফিলমোৰৰ আদৰ্শত কাৰক বিচাৰৰ পুনৰ বিন্যাস কিমানদূৰ উপাদেয় হয় সেই বিষয়ে গভীৰভাৱে পৰ্যালোচনা কৰি চোৱাৰ অৱকাশ আছে।

[12]দীঘল ডেচ (—) বিয়োগ [–] চিনতকৈ বেলেগ। উক্ত প্ৰসংগত দৌৰ— ধাতুৰপৰা উৎপন্ন ক্ৰিয়াপদ ডেচৰ ঠাইত বহি কৰ্তাক গোনপটীয়াকৈ বা অন্য পদৰ ব্যৱধানত অনুসৰণ কৰিব পৰাকে বুজাইছে।

প্ৰসংগ গ্ৰন্থ ঃ


1. Whitney, W. D. "Sanskrit Grammar."
2. Taraporewala, I. J. S. "Sanskrit syntax"
3. Fillmore, C. J, "The case for case"
   Compiled in "Universals in Linguistic Theory"
4. Chatterjee, S. K. (a) "Origin and Development of Bengal Lang."
   b) "Saral Bhasa Prakash Bangala Vyakarana."
5. Kakati, B. K. : Assamese—its Formation and Development."
6. Goswami, G. C. : "Golok Vyakarana,"
7. Goswami, U. N. "Asamiya Bhasar Rupkatha."
8. Bora, Satyanath : "Bahal Vyakarana."
9. Dutta Baruah, P. N. : "Abhidhan pranayanat Nutun Chintadhara" in Assam Sahitya Sabha Patrika, 35 yr. 1st Issue.


——

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

## আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলীৰ লেছেৰি ঃ কবিতা ॥

বিভিন্ন কাৰণত আমাৰ পুৰণি লেখকসকলৰ ৰচনাৰাজি সম্পূৰ্ণৰূপে সংগ্ৰহ কৰাটো সম্ভৱ নহয়। গ্ৰন্থবোৰ ক্ষেত্ৰতে হাতে ঢুকি পোৱা সমলখিনিকে লৈ 'ৰচনাৱলী' বা 'গ্ৰন্থাৱলী' সংকলন আৰু সম্পাদনা কৰিব লগা হয় আৰু সেইবাবেই এনে ধৰণৰ সংকলনক 'সম্পূৰ্ণ' বুলি নিশ্চয় ক'ব নোৱাৰি। লেখকজনৰ 'ৰচনাৱলী' প্ৰকাশ কৰাৰ মূল উদ্দেশ্য যদিও লেখকজনৰ সমস্ত লেখা একেটা থূপতে ৰখাটো, তথাপি 'ৰচনাৱলী' প্ৰকাশ হোৱাৰ পিছত ৰোটলা লেছেৰিৰ মূল্যও নিশ্চয় অস্বীকাৰ কৰিব নোৱাৰি। আমাৰ ভাষাত এতিয়ালৈকে প্ৰকাশিত 'গ্ৰন্থাৱলী' বা 'ৰচনাৱলী'সমূহৰ ক্ষেত্ৰত কৰণীয় সেইবাবেই এতিয়াও বহুত বেছি। দুটা খণ্ডৰ 'বেজবৰুৱা গ্ৰন্থাৱলী'ত প্ৰকাশ পোৱা "বেজবৰুৱাজনতকৈ বিভিন্ন আলোচনীৰ পাততে এতিয়াও সিঁচৰতি হৈ থকা বেজবৰুৱাজনৰ গুৰুত্ব উলাই কৰিব পৰা বিধৰ নহয়; কিন্তু সেইজন বেজবৰুৱা যে অদূৰ ভৱিষ্যতত আমাৰ আগত ওলাবহি, তেনে আশা দুৰাশা মাথোন; আৰু যদি সেয়ে সঁচা হয়, তেন্তে আমি দেখা লক্ষ্মীনাথ বেজবৰুৱাৰ ৰূপটো সদায়েই অপূৰ্ণ হৈ থাকিব। আজিৰপৰা তিনি-চাৰি কুৰি বছৰৰ আগৰ কিবা এটা আজিৰপৰা তিনি—চাৰি কুৰি বছৰৰ পিছতো যাতে বিচাৰিলে পাব পাৰি, তাৰ ব্যৱস্থা আমি এতিয়াই হাতত ললে অসমীয়া ভাষা-সাহিত্যৰ বহুতো সম্পদ অনাৱিষ্কৃত হৈয়ে ৰ'ব।

'আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী'ৰ ড° মহেন্দ্ৰ বৰাই সংকলন আৰু সম্পাদনা কৰা কবিতাখণ্ডৰ কিছু লেছেৰি কবিতা আমি বুটলিছোঁ। কবি আগৰৱালাৰ সম্পূৰ্ণ পৰিচয়টো পাবলৈ হ'লে এইকেইটা লিখাৰো প্ৰয়োজন নিশ্চয় হ'ব। পাঠ্যপুথি প্ৰণেতা আগৰৱালাৰ কবিতাৰ "সৰহভাগেই শিশু মনৰ উপযোগীকৈ ৰচনা কৰা" বুলি সম্পাদক ড° বৰাই উল্লেখ কৰিছে। আমি পোৱা কবিতাকেইটাও এই শ্ৰেণীৰহে।

বছৰ বাগৰাৰ লগে লগে অসমীয়া পাঠ্যপুথিৰ ক্ষেত্ৰত আনন্দচন্দ্ৰ গুপ্তৰ 'কোমল পাঠ' (প্ৰথম তাঙৰণৰ তাৰিখ ১।১১।১৯০০) আৰু 'অসমীয়া আদিপাঠ'ৰ (প্ৰথম প্ৰকাশৰ তাৰিখ ৩১।১।১৯২০) মূল্যও নিশ্চয় বাঢ়ি যাব। প্ৰত্নতাত্ত্বিক আনন্দচন্দ্ৰৰ পৰিচয় ইয়াত নাথাকিলেও শিশু-সাহিত্যিক আনন্দচন্দ্ৰক এই দুখন পুথিৰ মাজতহে নিশ্চয় পোৱা যাব। 'অসমীয়া আদিপাঠ'ৰ 'বাৰমাহ' শীৰ্ষক লিখাটো 'গ্ৰন্থাৱলী'ত সন্নিবেশ কৰাটো সেইবাবেই ভাল কথা হৈছে। 'কোমল পাঠ'ৰ অন্তৰ্গত 'ঈশ্বৰৰ কাৰ্য্যবিলাক'; 'যত্ন কৰিলে ৰত্ন পায়', 'সৰু আহঁটী আৰু সৰু চৰাই' আৰু 'সুখৰ ঠাই' কবিতাকেইটাও গ্ৰন্থাৱলীত সন্নিৱিষ্ট হৈছে। 'কোমল পাঠ'ত থকা কবিতাধৰ্মী আনকেইটা

লিখা আমি তলত তুলি দিলোঁ। আৰু জোঁটনি মূল গ্ৰন্থখনৰ দৰে ৰখা হৈছে। এইবাবেই যে গ্ৰন্থখনৰ আহি কাকত চাইছিল পদ্মনাথ গোহাঞিবৰুৱাই।[১]

### ৰাতিপুৱাৰ প্ৰাৰ্থনা

১

এতিয়া উঠিলোঁ মই বিছনাৰ পৰা।
দেখিলোঁ আকাশ, বেলি, সুবিশাল ধৰা॥
করুণা সাগৰ পিতা, তোমাৰ কোলাত।
ৰাখিছিলা নিৰাপদে গোটেই নিশাত॥

২

হে প্ৰভো, হে দয়াময়, কৰিছোঁ মিনতি।
দিয়াঁ মোক সজ জ্ঞান, দিয়াঁ শুভমতি॥
দিয়াঁ মোক এনে জ্ঞান জগতৰ পতি।
তোমাৰ চৰণে যেন থাকে সদা মতি॥

—০—

### দয়া

দেখিছা নে মগনীয়া বুঢ়াৰ মুখত।
পেটত আহাৰ নাই বস্ত্ৰ শৰীৰত॥
জাৰত কঁপিছে চোৱাঁ থক্ থক্ কৰি।
অবশ অথিৰ বুঢ়া বয়সৰ ভৰি॥
আছিল যৌৱন যেবে তেজ বল গাত।
নেমাগিলে অন্ন-বস্ত্ৰ নেপাতিলে হাত॥
নেখেদাবাঁ নেখেদাবাঁ নকৰিবা দূৰ।
দয়া কৰাঁ বুঢ়াটিক অনাথ আতুৰ॥
একঠা চাউল আনা লাহৰী মাণিক।
চৰতীয়া এটি আনি দিয়াঁ বুঢ়াটিক॥
কণা-কুঁজা-বুঢ়া-খোঁৰা দেখিলে সদাই।
কেতিয়াও শুদা হাতে নিদিবাঁ খেদাই॥
অসহায় আতুৰক কৰিলে সহায়।
ঈশ্বৰ প্ৰসন্ন হয় আশীৰ্ব্বাদ পায়॥

—০—

### পখিলা

(১)

আহা! কি সুন্দৰ এই পখিলাটি দেহি!
কি সুন্দৰ সৰু পাখী জুৰি!
অথিৰ চঞ্চল কেনে ফুলৰ ওপৰে,
ফুৰিছে ৰঙত উৰি উৰি।

(২)

আহা মোৰ বাইদেউ, কৰিছোঁ কাকুতি,
পখিলাটি দিয়াঁ মোক ধৰি,
দিয়াঁ মোক পখিলাটি ফুটুকা ফুটুকি,
ৰাখিম মৰম-বেধা কৰি।

(৩)

সোৱা হেৰাঁ বাইদেও, গোলাপ ফুলত,
উৰি উৰি পৰিল পখিলা;
ধৰাঁ, ধৰাঁ, এইবাৰ, উৰিল উৰিল,
উৰি গ'ল,—হায়, কি কৰিলা!

(৪)

নোৱাৰোঁ ধৰিব মই প্ৰাণৰ লাহৰী,
ধৰিলেই তাৰ জীৱ যাব;
ফুটুকা ফুটুকি পাখী যাব ছিগি ভাগি,
একেবাৰে শোভা নাশ পাব।

৫

তেনেহলে বাইদেও, যক্ উৰি গুচি,

[১] "পুথিখনি ছপাওঁতে তেওঁ ('শ্ৰীযুত পদ্মনাথ বৰুৱা') অতি যত্নেৰে আহি-তোলা কাকত চাই দিয়াত তেওঁৰ নথৈ শলাগ লৈছোঁ।" —আগৰৱালা।

"আৰু যোঁটনিত মই 'হেম-কোষৰ' আহিৰে চলা ভাল দেখোঁ; আপোনাৰ লিখাত তাকে দেখি ৰং পাইছোঁ।" —গোহাঞিবৰুৱা।



পখিলাৰ পাখী নিছিঙিবাঁ;
নোৱাৰোঁ চকুৰে চাব তাৰ প্ৰাণ যোৱা,
বাইদেও, তাক যাব' দিয়াঁ।

—

### কাম আৰু খেমালি

১

খেমালিৰ বেলা তুমি কৰিবা খেমালি,
কামৰ বেলিকা কাম কৰিবা সদায়।
দুটা কাম একেলগে কোনোটো নহয়,
এটা এটা কৰি কৰা উত্তম উপায়।

২

যি কামকে কৰা তুমি মনপুতি কৰা,
আধৃখিনি কাম কৰি পেলাই নথবা,
পাচলই থলে কাম পাচ পৰি যায়,
সজ উপদেশ ইটো আনন্দেৰে ল'বা।

৩

সময় অমূল্য ধন জানিবা নিশ্চয়,
অবাৰত নকটাবা কৰি আওহেলা।
যেতিয়াৰ যিটো কাম কৰা তত্তালিকে,
কামৰ বেলিকা কাম তাৰ পাচে খেলা।

—

### সেৱা

(১)

অ' কুলি চৰাই, অ' কুলি চৰাই,
কোমল ডিঙিৰ পৰা,
কাৰ শিকনিত, গান সুললিত,
গোৱাঁ হিয়া জুৰ কৰা?

(২)

যাৰ কৃপাগুণে ভাই, লভিলোঁ পৰাণ,
ক্ষুদ্ৰ ই কণ্ঠত তেওঁ দিছে এনে গান।

(৩)

পখিলা, পখিলা, জগত মোহিলা,
ক'ত পালা এনে সাজ,
ইন্দ্ৰধেনু জিনি ফুলনী শুৱনী,
উৰিছা ফুলৰ মাজ?

(৪)

যি কৰিলে জোন-তৰা আকাশ অৱনী,
তেওঁ দিলে ভাই, মোক সাজ ই শুৱনী।

(৫)

হেৰা ৰঙা ফুল, কৰা বিয়াকুল,
সুগন্ধত নৰনাৰী
ক'ত পালা কোৱাঁ, হাঁহি এনেকুৱা,
শুৱাই ফুলনী বাৰী?

(৬)

গছ-বন, জল-থল, সৃষ্টি যি জনৰ,
দিলে মোক হাঁহি সেই জগত ঈশ্বৰ।

(৭)

চৰাই, পখিলা, ফুল, ধন্য তোমালোক,
শিকালাঁ কতনো সজ কথা আজি মোক।
যাৰ ভাই, এনে স্নেহ প্ৰতি সকলোৰ,
তেওঁৰ পদত শত কোটী সেৱা মোৰ।

—

### উপদেশ

কথকী ন'হবা,
গৰৱী নহ'বা
নহ'বা মিছলীয়া,
সজৰ লগত,

থাকিবা সতত,
নহ'বা কপটীয়া। [১]

### ক্ষুদ্ৰ বস্তু

ক্ষুদ্ৰ জলকণা মিলি বৃষ্টিৰ পতন।
ক্ষুদ্ৰ ইটাবোৰ মিলি প্ৰাসাদ গঠন॥
ক্ষুদ্ৰ ক্ষুদ্ৰ বালিকণা হই সমাহাৰ।
ধৰয় প্ৰকাণ্ড কত পৰ্ব্বত আকাৰ॥
পখীবোৰে ক্ষুদ্ৰ তৃণ কৰি আহৰণ।
অৱশেষে বাহ সাজে নয়ন-ৰঞ্জন॥
ক্ষুদ্ৰ ফিৰিঙতি পৰি ঘৰ হয় ছাই।
ক্ষুদ্ৰ এক ছিদ্ৰাতেই নাও বুৰি যায়॥
ক্ষুদ্ৰ মুহূৰ্ত্তৰ পৰা বছেৰেক হয়।
এতেকে ক্ষুদ্ৰক হেলা উচিত নহয়॥

——

### ফুলৰ প্ৰতি

(An Assamese Nursery Rhyme)

অ' ফুল, অ' ফুল, নুফুল কিয়?
—গৰুৱে যে আগ খায় মইনো ফুলিম কিয়।
অ' গৰু, অ' গৰু, আগ খাৱ কিয়?
—গৰখীয়াই যে মোক নৰখে, মইনো নেখাম কিয়।
অ' গৰখীয়া, অ' গৰখীয়া, গৰু নৰখ কিয়?
—বান্ধনীয়ে যে ভাত নিদিয়ে, মইনো ৰাখিম কিয়।
অ' বান্ধনী, অ' বান্ধনী, ভাত নিদিয়া কিয়?
—খৰিকটীয়াই যে খৰি নিদিয়ে, মইনো বান্ধিম কি।
অ' খৰিকটীয়া, অ' খৰিকটীয়া, খৰি নিদিয় কিয়?
—বৰ গছ যে কাটি থৈছোঁ, নুশুকাইনো কিয়?
অ' বৰগছ, অ' বৰগছ, নুশুকাৱ কিয়?
—মেঘে যে বৰষুণ দিছে, মইনো শুকাম কিয়।
অ' মেঘ, অ' মেঘ, বৰষুণ দিয় কিয়?
—ভেকুলীয়ে যে টোৰ্‌টোৰায়, মইনো নিদিম কিয়।
অ' ভেকুলী, অ' ভেকুলী টোৰ্‌টোৰাৱ কিয়?
—বাপাদেৱে আইকণক নপঢ়াই নো কিয়।
অ' বাপাদেও, অ' বাপাদেও, নপঢ়োৱা কিয়?
—আইকণে যে উমলি ফুৰে, মইনো পঢ়াম কিয়।
অ' আইকণ, অ' আইকণ, উমলি ফুৰা কিয়?
—দেউতাই নো পুথি-ফলি কিনি নিদিয়ে কিয়।
অ' দেউতা, অ' দেউতা পুথি নিদিয়ে কিয়?
—পেৰাত আছে পুথি ফলি, উলিয়াই নলয় কিয়।
পেৰাৰ পৰা পুথি-ফলি আইকণে নিলে।
কঠত ৰহি বাপাদেৱে নতুন পাঠ দিলে।
আইকণে পঢ়া শুনি ভেকুলি নিমাত হ'ল।
আকাশৰ মেঘবোৰ দিহাদিহি গুচি গ'ল।
পোহৰৰ মলা পিন্ধি ৰ'দালি ওলাল।
কাটি থোৱা বৰ গছ তেনেই শুকাল।
খৰিকটীয়াই খৰি ফালি ভাৰ বান্ধি নিলে।
বান্ধনীয়ে তাকে পাই ভাত ৰান্ধি দিলে।
গৰু লই গৰখীয়া গ'ল ভাত খাই।
ফুলিল ফুলৰ কলি ফুলনী শুৱাই।

——

এইকেইটা লেখাৰ উপৰি ফ্লোৰেন্স এইচ ডি' (Florence H. Doe)[৩] আৰু ইডিথ ই ক্ৰিচেনবেৰীয়ে (Edith E. Crisenberry)[৪] যুগুতোৱা আৰু

[১] 'অসমীয়া আদি পাঠ'ত আছে এনেদৰে:—
"কথকী নহবা, গপাল নহ'বা,
নহ'বা মিছলীয়া।
সজ লগৰীয়া, লগত ফুৰিবা,
নহ'বা খিয়লীয়া॥"

[৩] "Lady Superintendent, Nowgong Training and Middle English Model School for Girls."
[৪] "Supervisor of Kindergartens and Kindergarten Training, Nowgang."



এখীৰৰ আমেৰিকান বেপ্তিষ্ট ফোৰেইন মিশ্বন ছোচাইটিয়ে (The American Baptist Foreign Mission Society) ১৯১৭ চনত প্ৰকাশ কৰা 'শিশু খেল ও আনন্দৰ গান' নামৰ গ্ৰন্থত আগৰৱালাৰ কেইবাটাও লেখা সন্নিবিষ্ট হৈছে। গ্ৰন্থখনত সন্নিবিষ্ট 'ৰঙনৰ আই' লেখাটো 'গ্ৰন্থাৱলী'ত সংকলিত হৈছে। তাৰকেইটা লেখা তলত দিয়া হ'ল। আখৰ জে'টনি সংশ্লিষ্ট গ্ৰন্থখনৰ মতেই ৰখা হৈছে। 'ৰ' বোৰ বঙলা চৰিত্ৰৰ (ৰ)।

৫

### গণনা

এক, দুই, তিনি, চাৰি,
লৰা আছে শাৰি শাৰি।
পাঁচ, ছয়, সাত, আঠ
লৰাবোৰে পঢ়ে পাঠ।
ন, দহ, পাছত গাই
ঘৰা-ঘৰি গুচি যায়।

——

### অ—ফলা

অ… অমিতা গছৰ চনক ঠাল।
আ… আম পকিলে খাবলৈ ভাল॥
ই… ইটাৰে সাজে পকি ঘৰ।
ঈ… ঈহমাৰি থাকে নাঙলৰ॥
উ… উদে পানীত মাছ খায়।
ঊ… ঊস্‌ জহত তত নাই॥
ঋ… ঋষি সদায় থাকে জপত।
৯… ৯চু লাগে আমৰ দিনত।
এ… এৰা গুটিৰ তেল হয়।
ঐ… ঐৰাৱত এক হাতীক কয়॥
ও… ওলকচুৰ পাচলি খাবা।
ঔ… ঔটেঙাৰ সোৱাদ চাবা॥

——

### ক—ফলা

ক… কমলা পকে জাৰৰ দিনত।
খ… খৰগ্‌ থাকে গধঁড় শিৰত॥
গ… গছাৰ মূৰত চাকি থয়।
ঘ… ঘৰ শালিকাই মাত লয়॥
ঙ… ঙুঙা বাঢ়লি বাতি চৰে।
চ… চকা থাকে পদুমবনে॥
ছ… ছত্ৰ, ৰজাৰ ছাতিক কয়।
জ… জপাত কোনোৱে কাপোৰ থয়॥
ঝ… ঝৰ্ণ বয় পৰ্ব্বতত
ঞ… ঞ পাবা ছিঞ্চহত॥
ট… টকৌ পাতৰ জাপি লয়।
ঠ… ঠগাৰ ওপৰত পুথি থয়॥
ড… ডলাৰ বগৰী বাগৰি যায়।
ঢ… ঢোলত বহি নাম গায়॥
ণ… কণলৰাই অকণ পঢ়ে।
ত… তগৰ ফুল বতাহত পৰে॥
থ… থঙা লৰা তোটৰ দেশৰ।
দ… দৰৰ খাবা ভাল বেজৰ॥
ধ… ধনু কাঁড় কাঁড়ীৰ হাতত।
ন… নগাই কপাহ সজায় হাটত॥
প… পখিলা উৰে ফুলনিত।
ফ… ফৰিং চৰে হাঁহনিত॥
ব… বনৰজাই গোজৰে।
ভ… ভতৰা গৰুৱে হোঁকৰে॥
ম… ময়না চৰাইৰ শুৱলা মাত।
য… য' ধানৰ নেখায় ভাত॥

(৫) 'অসমীয়া আদি পাঠত দহ গণনা'। লেখাটো নিশ্চয় 'শিশু খেল ও আনন্দৰ গানৰ' বাবেহে যুগুতোৱা হৈছিল।

ৰ... ৰাজহাঁহে ঘাঁহ খায়।
ল... লৰাই হাঁহে তাকে চাই॥
ৱ... শৱ দেখিলে শগুন পৰে।
শ... শহা পহু বেগাই লৰে॥
ষ... ষট্ বুলিলে ছয়ক বুজায়।
স... সজাত এটা সৰু চৰাই॥
হ... হৰিণাৰ বাঘলৈ ভয়।
ক্ষ... ঋক্ষ ভালুকক কয়॥
ড়... ভেড়াৰ নোমৰ উল হয়।
ঢ়... পঢ়া লৰাৰ শলাগ লয়॥
য়... যকৃ পহুৰ নেজেই চোৱৰ।
ৎ... সৎ কথা শুনিবা লোকৰ॥
ং... বাং কুকুৰে পহু ধৰে।
ঃ... নিঃকিন দুঃখত মৰে॥

---

### অ-ফলাৰ গীত

ৰাতি পুৱাল, বেলি ওলাল, হাত মুখ ধোৱা।
কাপ মৈলাম, ফলি কিতাপ উলিয়াই লোৱা॥
কাউৰীয়ে ঘৰৰ চালত কৰে "কা কা"।
আগে "অ" বোলা তাৰ পাছে "আ"।
তাৰ পাছে সৰু "ই" আৰু বৰ "ঈ"।
চৰাই পোৱালিবোৰে কৰে "কি কি"॥
তাৰ পাছে সৰু "উ" বৰ "ঊ"।
কুলিয়ে ডালত পৰি কৰে "কু কু"॥
"ঋ" "ৠ" গোৱা হলে কোৱা "এ" "ঐ"।
কুলু, কুলু, কুলু, মাতে নৈ যায় বৈ॥
অ ফলা শেষ হ'ব কলে "ও" "ঔ"।
ভুলুকাই চোতালত কৰে ভৌ ভৌ॥

---

### দহ দিশ

পুৱাতে যি ফালে ৰঙ্গা
বেলিটি ওলায়,
সেই দিশ পূব বুলি
জানিবা সদায়॥
পূব ফালে মুখ কৰি
মেলা দুই কৰ,
সোঁফালে দখিণ হ'ব
বাওঁ দি উত্তৰ।
থাকিব পচিম দিশ
পাচতে তোমাৰ,
পচিমে নিতৌ চাব'া
বেলি যায় মাৰ।
পূব-উত্তৰৰ মাজে
যি দিশ ঈশান,
পচিম-উত্তৰ মাজে
বায়ু বিদ্যমান।
পচিম-দখিণ মাজে
নৈঋত যে হয়,
পূব-দখিণৰ মাজে
অগ্নি দিশ কয়।
মূৰৰ ওপৰ ফালে
ঊৰ্ধ দিশ হয়,
তলফালে অধ বুলি
সকলোৱে কয়।

---

এই আটাইকেইটা লেখা যে পঢ়াশলীয়া পাঠ্যপুথিৰ পদ্যহে, সেই কথা কোৱা বাহুল্য মাথোন; কিন্তু আগৰৱালাৰ 'অসমীয়া আদি পাঠ'ৰ 'বাৰ মাহ' যেতিয়া 'গ্ৰন্থাৱলী'ত সন্নিবিষ্ট হৈছেই, সগোত্ৰ এই লিখাকেইটাও যে আগৰৱালাৰে, উত্তৰ পুৰুষে



সেই কথা জনাত সহায়ক হ'ব বুলিহে আমাৰ এই প্ৰচেষ্টা। আন এটা কথা, লেছেৰি বোটলাত পূৰ্ণতাৰ গ্ৰ নিশ্চয় নুঠে।

কিঞ্চিৎ অপ্ৰাসংগিক যেন লাগিলেও আন এটা কথা এইখিনিতে উল্লেখ কৰিব লগা হ'ল। 'আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী'ৰ কবিতা খণ্ডৰ 'ওপৰঞ্চি'ত সন্নিবিষ্ট 'উপদেশ'ৰ গোটেইখিনি কথা 'জিলিকণি'ত থকা 'উপদেশ'তো আছে। 'জিলিকণি'ৰ 'নৱবৰ্ষ' নিশ্চয় 'ওপৰঞ্চি'ৰ, 'নৱবৰ্ষ'ৰ পৰিবৰ্তিত আৰু পৰিবৰ্ধিত ৰূপ। নিশ্চয় 'জিলিকণি'ৰ 'নৱবৰ্ষ'ত থকা ৪, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, আৰু ২০ সংখ্যক ফাঁকি-কেইটা 'ওপৰঞ্চি'ৰ 'নৱবৰ্ষ'ৰ পৰিবৰ্ধন। বাকীকেইটা ফাঁকিতো দুই-চাৰিটা শব্দৰ পৰিবৰ্তন কৰিয়ে নিশ্চয় ঘটাইছে। গতিকে 'ওপৰঞ্চি'ৰ উক্ত দুয়োটা লেখাই অনাৱশ্যকভাৱে 'গ্ৰন্থাৱলী'ত হেঁচা-টেপা লগালে।

শ্ৰীনগেন শইকীয়া

# হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জোঁটনি

'বঙ্গালী-বিচিত্ৰা' নামৰ গ্ৰন্থত থকা ড° মহেশ্বৰ নেওগৰ 'এখন চিঠি' শীৰ্ষক লেখাটিৰ কেইটামান মন্তব্যৰ সমালোচনা কৰি অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যাত শ্ৰীবিশ্বেশ্বৰ হাজৰিকাই লিখা প্ৰবন্ধটি পঢ়ি ভাব হৈছে শ্ৰীহাজৰিকাই এটা পূৰ্ব ধাৰণা লৈ ড° নেওগৰ প্ৰবন্ধটি বিচাৰ কৰিছে। আমাৰ এই ধাৰণা হোৱাৰ কাৰণ হ'ল—শ্ৰীহাজৰিকাই ড° নেওগৰ মন্তব্যৰ সমালোচনা কৰিবলৈ গৈ তেখেতৰ নিজৰ সুবিধামতে উদাহৰণ চয়ন কৰা দেখি। ড° নেওগ কিয়, যি কোনো এজন পণ্ডিতৰে মত বা মন্তব্য সমালোচনা কৰাৰ অধিকাৰ শ্ৰীহাজৰিকাৰ নিশ্চয় আছে। সেই একে যুক্তিতে শ্ৰীহাজৰিকাৰ মত বা মন্তব্য সম্পৰ্কে মতামত দাঙি ধৰাৰ অধিকাৰো তেখেতে আমাক নিশ্চয় দিব।

শ্ৰীহাজৰিকাই পুৰণি অসমীয়া আখৰ-জোঁটনিৰ বুৰঞ্জী দিবলৈ গৈ কোনো পুৰণি পুথি বা ফলিৰ আশ্ৰয় লোৱা নাই। তাৰ পৰিবৰ্তে তেখেতে 'প্ৰাচ্য-শাসনাৱলী'ৰ কেইখনমান ফলি বাছি লৈ তাৰ ওপৰত ভিত্তি কৰি যুক্তি দিছে আৰু ড° নেওগৰ 'শ্ৰীশ্ৰীশংকৰদেৱ' পুথিৰ অন্তৰ্গত বৰগীত পুথিৰ এটা পাতৰ ব্লক কৰা ছবিৰ আশ্ৰয় লৈছে; কিন্তু পুথিৰ পাতটোত থকা জোঁটনিৰ অসুবিধাজনক ভাগটোক 'অশুদ্ধ' বুলি ঘোষণা কৰিছে। কিন্তু কাক 'অশুদ্ধ' বোলা হৈছে সেই বিষয়ে স্পষ্টকৈ তেখেতে কোৱা নাই। 'অশুদ্ধ'বোৰ আঙুলিয়াই দিয়া ভাল আছিল।

তদুপৰি শ্ৰীহাজৰিকাই 'প্ৰাচ্য-শাসনাৱলী'ৰপৰা কেই-খনমান ফলিহে বাছি লৈছে, বাকী অসমীয়া ফলিবোৰ বাছি লোৱা নাই। 'প্ৰাচ্য-শাসনাৱলী'ৰ ১৬১৬ ৰপৰা ১৭৮৭ খ্ৰীষ্টাব্দৰ ভিতৰৰপৰা ফলিৰ বিষয়ে তেখেতে "স্বাভাৱিকতে সেইবোৰত হেমচন্দ্ৰ বৰুৱাৰ জোঁটনিৰ প্ৰভাৱ পৰিছে বুলিব নোৱাৰি" বুলি মন্তব্য কৰিছে আৰু পুথিখনৰপৰা ৪০ খন ফলিৰ তালিকা দি তাৰপৰা শব্দ উদ্ধাৰ কৰি তেখেতৰ মত প্ৰতিষ্ঠা কৰিবৰ যত্ন কৰিছে। এই ফলিৰ বাছনি মনকৰিব-লগীয়া। তলত আমি শ্ৰীহাজৰিকাৰ তালিকাখন চমুকৈ সজাই দিছোঁ। তাত হাজৰিকাৰ ব্যৱহৃত সংকেত, 'প্ৰাচ্য-শাসনাৱলী'ৰ ফলিৰ ক্ৰমিক সংখ্যা, পিঠি আৰু মূল ফলিৰ শক আৰু যি মূলৰপৰা 'প্ৰাচ্য-শাসনাৱলী'ত ফলিখনৰ পাঠ গ্ৰহণ কৰা হৈছে বুলি দেখুৱাইছে, তাকো নিৰ্দেশ কৰা হৈছে। দেখা যায়—তৰা চিন দি নিৰ্দেশ কৰা ফলিকেইখনৰ পাঠহে পোনে পোনে ফলিৰপৰা গ্ৰন্থলৈ আহিছে; আৰু সেই কেইখনিত যে আধুনিকৰপৰা বিচ্ছিন্ন সুকীয়া জোঁটনি প্ৰৱৰ্তিত হৈছিল আমি তাৰপৰা চয়ন কৰা শব্দাৱলীৰপৰাই বুজিব পৰা হ'ব।



কামৰূপ জিলাৰ মহাফেজখানাৰ মহৰৰ বাহীত নকল কৰাৰ ভাবিৰ নাই; সেইবোৰ উনবিংশ শতিকাৰ মাজ ভাগৰপৰা শেহ ভাগৰ ভিতৰত পৰিব পাৰে। তেনে ফলিবোৰ 'মহাফেজ' বুলিহে পুথিত বুজোৱা চকুত পৰিছে। প্ৰথমে বিশেষকৈ বঙালী আমোলাই ফলিবোৰ নকল কৰি-ছিল। তেওঁলোকে আৰু আনেও কৰা নকলবোৰত বিস্তৰ ভুল বৈ যোৱাটো নিতান্ত স্বাভাৱিক, বিশেষকৈ সংস্কৃত খণ্ডবোৰৰ নকলত। ৩১ সংখ্যক ফলিৰো মূল-খন নাপাই আনৰ সহায়ত পাঠ উদ্ধাৰ কৰা বুলি ড° নেওগে কৈছেই। অনুসন্ধান সমিতিৰ ফলিৰ নকল থকা বহীখনত বিবিধ সময়ত ফলিবোৰ সন্নিবিষ্ট হৈছিল; তথাপি 'প্ৰাচ্য-শাসনাৱলী'ত সেই ফলিবোৰ প্ৰশ্নবোধক চিনেৰে দেখুওৱা আছে। দেখা যায় — তৰাচিন দিয়া কেইখনৰ বাহিৰে ইয়াৰ বাকীবোৰ ফলিৰ আৰু 'প্ৰাচ্য-শাসনাৱলী'ত সন্নিবিষ্ট আন বহুতো ফলিৰ পাঠ মূলৰ ঠিক প্ৰতিৰূপ নহয়। ড° নেওগে 'প্ৰকাশ'ত তেনে এখন ফলিৰ মূল পাঠ উদ্ধাৰ কৰি প্ৰকাশ কৰিছে। গতিকে যিবোৰ ফলিৰ পাঠ পোনে পোনে সংগৃহীত হোৱা নাই, সেইবোৰত জৰ নিদি হাজৰিকাই অহা পাঠ বা নকলৰ ওপৰত জৰ দিয়াটো উচিত হৈছে জানো?

| হাজৰিকাৰ তালিকা | ক্ৰমিক ফলিৰ সংখ্যা | পিঠি | মূলৰ শক | প্ৰ, শ, ৰ মূলৰ শক |
|---|---|---|---|---|
| অ | ৪১ | ৩১ | ১৬৬১ | ১৮৪৬ |
| আই | ১০৪ | ৯১ | ১৭৪৪ | ১৮৬৩ |
| আউ | ৯০ | ৭৬ | ১৭১১ | ১৮৪৯ |
| ই | ৪০ | ৩০ | ১৬৬১ | ১৮৪৭ |
| ঔ | ৮৫ | ৭০ | ১৭০৬ | ১৮৪৭ |
| কা | ১৬ | ৯ | ১৬৩৭ | মহাফেজ |
| কাদা | ৬৮ | ৪৯ | ১৬৮১ | ১৮৬৩ |
| কে | ১৪৩ | ১৩১ | ১৭০৫ | * |
| কো | ৪৪ | ৩২ | ১৬৬৪ | ১৮৬৩ |
| ক্ষে | ৩৯ | ৩০ | ১৬৬১ | ১৮৬০ |
| খাতা | ৬৩ | ৪৫ | ১৬৭৭ | ১৮৬৩ |
| গু | ৪৩ | ৩২ | ১৬৬৪ | ১৮৪৬ |
| চ | ৭৭ | ৫৮ | ১৬৮৭ | ১৮৪৮ |
| চা | ৭ | ৫ | ১৫৩৮ | ১৮৩৮ |
| দ | ৫২ | ৩৮ | ১৬৭১ | ১৮৪৯ |
| দাক্ষ | ৮৬ | ৭১ | ১৭০৭ | ১৮৪৯ |
| দ্ৰু | ১৫৪ | ১৪৭ | ১৭৪২ | * |
| দে | ৩০ | ২০ | ১৬৫৬ | ১৮৬৬ ? |
| দেহ | ১০৩ | ৯০ | ১৭৪৩ | ১৮৬৭ |
| পা | ১৮ | ১২ | ১৬৩৯ | মহাফেজ |
| পাট | ৮০ | ৬০ | ১৬৯৮ | ১৮৬৩ |
| পু | ৬২ | ৪৪ | ১৬৭৫ | ১৮৪৭ |
| প্ৰা | ৭১ | ৫৫ | ১৬৮৭ | ১৮৪২ |
| ব | ১৭ | ১১ | ১৬৩৯ | মহাফেজ |
| বঙ্গা | ১৩৫ | ১১৯ | ১৬৬৪ | * |
| বন | ৩১ | ২২ | ১৬৫৭ | ? |
| বাঁ | ৯ | ৬ | ১৫৮৯ | ১৮৩৯,৫২ |
| বাউ | ১০১ | ৮৭ | ১৭৩৮ | ১৮৫১ |
| বিশ্ব | ১৪০ | ১২৬ | ১৬৯৬ | * |
| বে | ৮২ | ৬৩ | ১৬৯৯ | ১৮৪৯ |
| ব্ৰ | ৯৭ | ৮১ | ১৭২২ | * |
| মদ | ১৩১ | ১১৬ | ১৬৬০ | * |
| শ | ৯৫ | ৮০ | ১৭২১ | ১৮৪৯ |
| স | ৭৩ | ৫৩ | ১৬৮৬ | ১৮৪২ |
| সত্ৰ | ১০০ | ৮৪ | ১৭২৭ | ১৮৪৯ |
| সি | ২৪ | ১৬ | ১৬৫৫ | ১৮৪৬ |
| সু | ৩৭ | ২৬ | ১৬৬০ | ১৮৫৩ |
| হ | ৬৪ | ৪৫ | ১৬৭৭ | ১৮৪২ ? |
| হৰি | ৮৭ | ৭২ | ১৭০৯ | ১৮৪২ ? |

এই ফলিবিলাক লৈ যেতিয়া গুৰুত্বপূৰ্ণ ভাষাতাত্ত্বিক আলোচনা কৰা হৈছে, উল্লিখিত ফলিবোৰৰ পাঠযে আধুনিক কালত নতুন ধৰণে গ্ৰহণ কৰা হৈছিল,

এই গুৰুত্বপূৰ্ণ কথাটো শ্ৰীহাজৰিকাই এৰাই গৈ পুৰণি জোঁটনিৰ নমুনা দিবলৈ ঘাইকৈ আধুনিক পাঠত নিৰ্ভৰ কৰাটোৱে কি সূচনা কৰে? তদুপৰি এনে পৰিবৰ্তিত (tempered) পাঠৰ ফলিবোৰ গ্ৰহণ কৰি, যিবোৰ ফলি পোনে পোনে মূলৰপৰা লোৱা হৈছে সেইবোৰ ফলি বিচাৰৰ বাহিৰত ৰখাৰ কাৰণ কি? পুৰণি আখৰ জোঁটনিৰ উদাহৰণ চয়ন কৰিবলৈ পোনে পোনে মূলৰপৰা গ্ৰহণ কৰা পাঠবোৰহে ভিত্তিস্বৰূপে লাগিছিল। তাকে নকৰি তেখেতে মহজৰ বহীৰ নকলৰপৰা লোৱা বা আন উৎসৰপৰা লোৱা পাঠবোৰত ভৰ কৰিলে কিয়?

তেখেতে এই মহজৰ বহীৰ নকলৰপৰা লোৱা পাঠ সম্পৰ্কে লিখিছে, "স্বাভাৱিকতে সেইবোৰত হেমচন্দ্ৰ বৰুৱাৰ জোঁটনিৰ প্ৰভাৱ পৰিছে বুলিব নোৱাৰি।" তেখেতৰ এই উক্তিও বিচাৰ কৰিবলগীয়া। আমি ওপৰত দিয়া তালিকাৰ 'প্ৰাচ্য-শাসনাৱলী'ৰ পাঠ যি উৎসৰপৰা গ্ৰহণ কৰা হৈছে বুলি গ্ৰন্থত দেখুৱাইছে সেই উৎসৰ পাঠৰ প্ৰতিলিপি কৰা শকবোৰ উদ্ধাৰ কৰি দিছোঁ। সেই শকবোৰ চালেই ধৰা পৰিব যে সেইবোৰ হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ ৰচনাৰ পিছৰ শক। অতএব সেইবোৰত নতুন জোঁটনিৰ প্ৰভাৱ নাই পৰা বুলি হাজৰিকাই কিহৰ ভিত্তিত মন্তব্য কৰিছে?

তদুপৰি এই পাঠবিলাকতো নতুন জোঁটনিৰ প্ৰভাৱ পৰা সত্ত্বেও ঠায়ে ঠায়ে পুৰণি জোঁটনি ৰৈ যোৱাও মন কৰিবলগীয়া। শ্ৰীহাজৰিকাই সেই জোঁটনিবোৰ ভুল বুলি, হেমচন্দ্ৰ বৰুৱা সমৰ্থিত জোঁটনিবোৰহে আদিৰূপ বুলি ভবাৰ কাৰণ আৰু যুক্তি বিচাৰি পোৱা নাযায়।

হেমচন্দ্ৰ বৰুৱা সমৰ্থিত কিছু সংখ্যক জোঁটনিৰ বাহিৰেও ৰৈ যোৱা জোঁটনিবোৰেই যে চলিত জোঁটনি আছিল, সেই বিষয়ে প্ৰত্যয় যাবলৈ পোনে পোনে মূলৰপৰা গ্ৰহণ কৰা পাঠৰ জোঁটনিৰ লগত সিবোৰ মিলাই চালেই সহজে বুজিব পাৰি; কিন্তু হাজৰিকাই বিষয়ৰপৰা সিদ্ধান্তলৈ অহাৰ পৰিৱৰ্তে, আগতে নিজৰ সিদ্ধান্ত কৰি পিছত সেই সিদ্ধান্তৰ লগত খাপ খোৱা উদাহৰণ চয়ন কৰিছে। তাকে কৰিবলৈ যাওঁতেও পোনে পোনে মূলৰপৰা গ্ৰহণ কৰা পাঠ বৰ্জন কৰি নকলকাৰকৰ হাতেদি সৰকি অহা পাঠবোৰৰ ওপৰত ভৰ কৰিছে। গতিকে শ্ৰীহাজৰিকাই কেৱল ড° নেওগৰ মত খণ্ডন কৰিবলৈকে এনে কৰিছে বুলি ভাবিবৰ অৱকাশ আছে বুলিয়েই ধাৰণা হৈছে।

সেইবাবে, আমি ড° নেওগৰ মতক সমৰ্থন দিয়াতকৈও শ্ৰীহাজৰিকাৰ বিচাৰ পদ্ধতিকহে প্ৰশ্ন কৰিছোঁ।

আধুনিক জোঁটনিৰ প্ৰভাৱ পৰা পাঠতো কেনেকৈ হেমচন্দ্ৰ বৰুৱা-অসমৰ্থিত জোঁটনি পিছৰ পাঠবোৰত ৰৈ গৈছে তাৰ কেইটামান উদাহৰণ চাওক:

ইয়া প্ৰত্যয়ান্ত (হেমচন্দ্ৰ বৰুৱাৰ ঈয়া): ঠাকুৰিয়া ২৪, ৪১, ৪৩/ মৈদমিয়া ৩০/ সন্তৰিয়া ৩১/ শইকিয়া ৫২, ৮৬, ১০০/ কালাকুছিয়া ৬৮/ কলিয়া ৮০, ৮২, ১০০/ বায়ভড়িয়া ৮২/ পৰবতিয়া ৮২/ ধেনুধৰিয়া ৮৫/ চেকেৰাতলিয়া ৮২/গৰৈমৰিয়া ৮৬/ মঙলিয়া ৮৭/ সলগুৰিয়া ৯৫/ ধুনিয়া ৯৫।

ই <ঈ : সিমা ৭, ৮৬, ১০০/ পানি, অকুলিন ৩০/ বাৰিচোৰা ৮২/ কমলাবাৰি ৮২/কিৰ্ত্তন, আশিৰ্ব্বাদ ৬২/অধিকাৰি ৮০/চক্ৰৱৰ্ত্তি ৮০।

ই-ভাগান্ত : কাৰি (কাঁড়ী) ৯৭/ চৌধাৰি, পাটোৱাৰি ২৪,৪১/ পুখুৰি ৩০/দামোদৰি, সৎসঙ্গি ৭৩/কাকতি ৭৩
ই <এ : নৈবিদ্য ১০২
আ : (আজিকালি ৱা) বৰুআ, মচুআ ১৮



ৱা : কিচো ৮৭ মচুৱা ১৮, পাতিচে ৮৭,
এইবিলাক ৰূপ আধুনিকীকৰণৰ প্ৰভাৱৰপৰা ৰৈ যোৱা উদাহৰণ মাত্ৰ।

পুৰণি ভাষাত হ্ৰস্ব-দীৰ্ঘ স্বৰৰ মাজত হ্ৰস্ব, ন, ণ ৰ মাজত ন, শ, ষ, স, ৰ মাজত স-ৰ ব্যৱহাৰ এটা নিয়ম যেন হৈ চলিছিল। তাৰ মূল কাৰণ উচ্চাৰণৰ মাজত বিচাৰিলেই পাব পাৰি।

এটা ভাষাৰপৰা আন এটা ভাষালৈ যেতিয়া শব্দ আহি আহে, তেতিয়া সি নতুন ভাষাৰ নিয়ম মানি চলে আৰু চলিব লাগে। পুৰণি ভাষাৰ নিয়মে তেনে শব্দক শাসন নকৰে। অসমীয়া ভাষাত ণত্ব বিধিৰ প্ৰয়োগ হেমচন্দ্ৰ বৰুৱাৰ উদ্ভাৱন; কিন্তু পাণ, কোণ, বামুণ, সোণৰ 'ন' কোন নিয়মৰ দ্বাৰা 'ণ' হ'ল, ভাবি চাবলগীয়া। পুৰণি ভাষাত ইবোৰত 'ন' ব্যৱহাৰ সন্চালনী হৈ আছিল। বঙলা আৰু হিন্দীৰ আধুনিক ৰূপতো এনে শব্দত 'ন' ই চলে। পুৰণি অসমীয়াত স (শত), সো (সুপ্ত), সুণ (শুপোতি) —এইবোৰত দন্ত্য 'স' সন্চালনীকৈ চলিছিল। হিন্দীত এতিয়াও তেনেকৈ চলে।

শ্ৰীহাজৰিকাই পুৰণি ফলিৰপৰা পুৰণি অসমীয়া ভাষাৰ জোঁটনিৰ ৰূপ বিচাৰিব খুজিলে 'প্ৰাচ্য-শাসনাৱলী'ত সন্নিৱিষ্ট অপৰিবৰ্তিত (untempered) পাঠ থকা ৯৭, ১০৯, ১১০, ১২৮, —১৪১, ১৪৩—১৫৬ সংখ্যক ফলিৰ পাঠৰ খতিয়ান ল'ব লাগিছিল। প্ৰাচ্য-শাসনাৱলীৰ সম্পাদকো আধুনিক লোক। তেওঁ হাত লগালেও পুৰণি পাঠৰ বিকাৰ ঘটিব পাৰে; কিন্তু এই ফলিকেইখনত সম্পাদকৰ হাতৰ আঁচোৰ নাই পৰা যেতিয়া শ্ৰীহাজৰিকাই নিঃসন্দেহে এইকেইখন ফলিৰ পাঠ গ্ৰহণ কৰিব পাৰে।

এই ফলিৰ পাঠৰপৰা এটা কথা বুজা যায়— কেনেকৈ তত্ত্বৰ শব্দবোৰে পুৰণি অসমীয়া ভাষাত ৰূপ গ্ৰহণ কৰিছিল। আমি 'প্ৰাচ্য-শাসনাৱলী'ৰপৰাই তাৰ এখনি তালিকা যুগুতাই উলিয়াইছোঁ। ইয়াৰ মাজত অৰ্ধ তৎসম ৰূপো আছে।

ই <সং ঈ : ইকাদসি, একাদসি ১৫০ / গাখিৰ ১৩৭, ১৪৩ / গৃহিনি ১৩০ / দিঘলি ১৩৭ ক / নদি ১৪৩ / পানিগঞা ৯৭ / বগৰিবাড়ি ১৩৭ ক / বাড়ি (বাটী) ৯৭, ১৩১, ১৩৪. / পানিভণ্ডাৰ ৯৭/প্ৰদিপ ১৫০/ বাৰি ১৪৬ / জুপি ১৫৪ / তিৰত ১৫৫ / সোনপানি ১৫৬। কঠিয়াতলি ১৪৩ / কুঞ্জৰি ১৪৭ / কুৱাৰি ১৫৬/ আইকুৱৰি ১৫৬/ বামুনিজাৰ ১৩৮ / জিৰ্ন ১৪৬, ১৫৫/ জিনোধাৰ ১৪৬ / জিৰ্নোদ্ধাৰ ১৩৫ / ব্ৰহ্মচাৰি ৯৭ / সিমা ৯৭, ১২৮, ১৩৩, ১৩৭ ক ১৪৩ / লখি (লক্ষ্মী) ১৫৬ / লখিপঁতি ১৩৪

উ < সং উ : ৰূপ ১৩৭ ১৪৩, ১৫০ / সুপকৰ ১৩৭

ৰি < সং ঋ : ভাত্ৰি ১৪৮ [অসমীয়া ভাষাত ঋ'ৰ উচ্চাৰণ নাই]

ট < সং ত [ত্ত] : কেওট ৯৭ [ইয়াৰ 'ট' প্ৰাকৃতৰ মাজেদি সোমোৱা নিশ্চয়]

ন < সং ণ : অগ্ৰায়ন ১৩০ / গুনি [গুণ] ১৫০ / গুনিয়া ১৭২ দখিনে ১৩২/ ক্ৰয়ন ১৫০/ দোপোন ১৫৬/ গনক ১৩৭/ পান১৩৭, ১৫০, ১৫৬/ লোন ১৫০, ১৫৬/সোন ১৪৩ / সোনপানি ১৫৬/ পুন্যাৰ্থে ১৪৯/ব্ৰাহ্মনৰ ১৩১, ১৪৬/ব্ৰাঁমুন ১৩৭/ বামুনিমুৱা ১৫৬/নাৰানি (নাৰায়ণী) ১৫০

স < সং শ : স (শত) ১১৫/সয়ক ১৪৫/সয়েক ৯৭, ১৫২/ সই (স্ব) কিয়া ১৪৭, ১৪৮. ১৫২/আসিৰ্ব্বাদ ৯৭, ১৩৩/ সক ১২৮, ১৩৯, ১৪২, ১৩৩/বিয়ন্তৰ ৯৭/সুভ্ৰ ১৩৭/ দেসৰ ১৩৭ ক, ১৫৫/সয়ন ১৪৩/ মনুষ্য ১৪০/ সুনাই ১৪৭/

তৰ্কবাগিশ ১৫৫/নাওসালি ১৪৭, ১৪৮, ১৪৯

ঞ< সংয : জোগা ১১০/আয়োতে ১৩০/অদি ১৪৪
জে ১১০/জি ১২৯, ১৫০

ধাতুৰূপত চ : দিচে ১৬৪/কৈচে ১৪৮

ই-প্ৰত্যয়ান্ত : কাৰি(কাণ্ড)৯৭/সংসাঙ্গ ১৩২/সংচাঙ্গত১৩৭

ইয়া-প্ৰত্যয়ান্ত : আদাৰৱিয়া ৯৭/আঠিয়াবড়িয়া, থেকেৰাবৰিয়া ১৫২/ঠাকুৰিয়া ১২৮, ১২৯/দোলা-কাষৰিয়া ৯৭, ৫১/ তেলিয়া ৯৭/ডাঙ্গৰিয়া ৯৭ নীলাচলিয়া ১২৮/জোগনিয়া ১৩৩/আধপৰিয়া ১৩৭/ঢুলিয়াদগৰিয়া ১৩৭/কলিয়া ১২৭ক/কাঠকটিয়া ১৪০/বনভগিয়া ১৪৩/গুৱাৰিয়া, নাকলোঙ্গিয়া ১৪৪/ চহৰিয়া ১৪৬, ১৪৭/তাঙ্গৰিকিয়া ১৪৬, ১৪৭, ১৫৬/ দাতিয়ালিয়া ১৭৬/ সহকিয়া ১৪৭/সহকিয়া ১৪৮, ১৫২, ১৫৬/চুবুৰিয়া ১৫২ তামোলবৰিয়া কলিয়াবৰিয়া, গজপুৰিয়া ১৫৬

অসমত সংস্কৃতৰ চৰ্চা আছিল আৰু সেইবাবে সংস্কৃত ব্যাকৰণৰ অলিখিত প্ৰভাৱো অসমীয়া জোঁটনিত পৰিব—সেই যুক্তি বুজি পাওঁ। তদুপৰি যিহেতু অসমীয়া ভাষাৰ মাক নহলেও আজোবুঢ়ীমাক সংস্কৃত যেতিয়া অসমীয়া ভাষাৰ গঢ়ত সংস্কৃতৰ সম্পৰ্ক তৰ্কাতীত; কিন্তু তৎসত্বেও অসমীয়া ভাষা সংস্কৃত ভাষাৰ সদৃশ ভাবা নহয়। এই ভাষাৰ থলুৱা উচ্চাৰণৰ আৰু থলুৱা শব্দাৱলীৰ প্ৰভাৱ অনস্বীকাৰ্য।

জোঁটনিৰ প্ৰকৃতি নিৰ্ণয় কৰি দিয়ে উচ্চাৰণে। অসমীয়া ভাষাৰ উচ্চাৰণত হ্ৰস্ব দীৰ্ঘ, চ, ছ, জ, ৱ, য, দন্ত্য-মূৰ্ধণ্য-তালব্যৰ উচ্চাৰণ-পৃথকতা নথকাটোৱে কি সূচায়? পূৰণি অসমীয়া জোঁটনিৰ আঁতি-গুৰি বিচাৰোঁতে অসমীয়া ভাষাৰ এই বিশিষ্টতাবোৰ আওকাণ কৰি পোনে পোনে সংস্কৃতৰ ওচৰ চাপিলে শুদ্ধ ফল পোৱা যাবনে?

হেমচন্দ্ৰ বৰুৱাৰ সম্পৰ্কে ড° নেওগে তোলা অভিযোগ বিচাৰ কৰি আধুনিক অসমীয়া ভাষাৰ আধৰ-জোঁটনিক হেমচন্দ্ৰৰ প্ৰভাৱৰ পৰা আঁতৰাব পাৰিনে নোৱাৰি, বা সি উচিত হ'বনে নহয়—বেলেগ কথা; কিন্তু এই কথা বোধকৰোঁ অস্বীকাৰ কৰিবৰ উপায় নাই যে হেমচন্দ্ৰ বৰুৱাই সংস্কৃতত ভৰ দি আমাৰ জোঁটনিক জটিল ৰূপ এটি দিলে। আমি এতিয়া সেই জটিলতা কিবা প্ৰকাৰে হ্ৰাস কৰিব পাৰোনে কি তাক বিচাৰ কৰাটো বোধকৰোঁ বেয়া কথা নহ'ব। অৱশ্যে ড° নেওগে হেমচন্দ্ৰ বৰুৱাই প্ৰচলন কৰা জোঁটনিৰ জটিলতাৰ কথা কওঁতে আঁজোৰ মাৰি মন্তব্য নিদিয়াকৈও ক'ব পাৰিলেহেঁতেন। শ্ৰীগাজৰিকাই সেই আঁজোৰৰ প্ৰতিবাদ কৰিবলৈ গৈ নতুন আঁজোৰ মাৰিবৰ চেষ্টা কৰিছে যেনেই বোধ হৈছে; কিন্তু তাকে কৰিবলৈ যাওঁতে তেখেতে নিৰপেক্ষ আৰু বিজ্ঞানসম্মত দৃষ্টিভংগি হেৰুৱাই পেলাইছে যেন বোধ হৈছে।

—×—

## পুথি-পৰিচয়

### নলিনীবালা দেৱী

সংগ্ৰাহক আৰু সম্পাদক : ড° হেমন্তকুমাৰ শৰ্মা
সহযোগী সম্পাদক : অধ্যাপক শ্ৰীৰামচৰণ ঠাকুৰীয়া
প্ৰকাশক : অসম সাহিত্য সভা, যোৰহাট, ১৯৭৯
পৃষ্ঠা সংখ্যা : ১২+২৯৩
মূল্য : পোন্ধৰ টকা

অসম সাহিত্য সভাৰ ২৪শ অধিবেশনৰ সভানেত্ৰী, অসম-গৌৰৱ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কন্যা আৰু অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱিকা নলিনীবালা দেৱীৰ ব্যক্তিত্বৰ বিভিন্ন দিশ সামৰি এই স্মৃতি-গ্ৰন্থখনি যুগুত কৰা হৈছে। ব্যক্তিগৰাকীৰ বহুমুখী প্ৰতিভা, কৰ্মময় জীৱন, চিন্তা-চৰ্চা আৰু আদৰ্শৰ আধাৰত এনে এখনি গ্ৰন্থ প্ৰকাশ কৰি অসম সাহিত্য সভাই আদৰ্শ কাম কৰিছে।

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ভাৰতৰ মুক্তি-সংগ্ৰামৰ বীৰে এজন অগ্ৰগণ্য যুঁজাৰু, তেওঁৰ দুহিতা নলিনীবালা দেৱীও অসমীয়া সাহিত্য-মন্দিৰৰ সেইদৰে এগৰাকী বিশিষ্ট সেৱিকা। কবিতা, নাটক, জীৱনী আৰু প্ৰবন্ধ-সম্ভাৰেৰে তেওঁ সেই মন্দিৰ মহিমামণ্ডিত কৰি ৰাখিছে। আনহাতে, দেউতাকৰ দৰে সক্ৰিয় ৰাজনীতিত নামি কাৰাবৰণ নকৰিলেও তেওঁ পৰোক্ষভাৱে অসমৰ কেইবাটাও সংকটপূৰ্ণ অৱস্থাত বিশেষ ভূমিকা লৈছিল। ১৯২১ চনৰপৰা সমাজ-সেৱাত মনোনিৱেশ কৰি অসম প্ৰাদেশিক মহিলা সমিতিৰ লগত সংশ্লিষ্ট থাকি নলিনী দেৱীয়ে অসমৰ নাৰী-সমাজক নতুন বল, অধিক প্ৰেৰণা দিছিল। ১৯৫২ চনত গুৱাহাটীত আনুষ্ঠানিকভাৱে 'পাৰিজাত-কানন' স্থাপন কৰি অসম ৰাজ্যৰ শিশুসকলৰ স্বাস্থ্য আৰু মানসিক উন্নতিসাধনৰ প্ৰতি তেওঁ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। তদুপৰি ১৯৪১ চনৰপৰা ১৯৭৭ চনলৈকে তেওঁ সদৌ অসম আৰু সৰ্বভাৰতীয় প্ৰধান অনুষ্ঠান কিছুমানত সভানেতৃত্ব কৰি বা জড়িত থাকি উদাৰ মানৱতাৰ আদৰ্শ দাঙি ধৰিছিল। তেওঁৰ দৃষ্টিত জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো মানুহ এক আছিল। এই গৰাকী মহিয়সী নাৰী ১৯৫৪ চনত অসম সাহিত্য সভাৰ সভানেত্ৰী হৈছিল। কাব্যিক প্ৰতিভাৰ কাৰণে তেওঁ ১৯৫৭ চনত নবদ্বীপৰ সংস্কৃত সঞ্জীৱনী সভাৰ পৰা 'কাব্য-ভাৰতী' উপাধি পাইছিল; পিছৰ বছৰত ভাৰত-চৰকাৰে 'পদ্মশ্ৰী' উপাধিৰে সম্মান দেখুৱাইছিল আৰু ১৯৬৮ চনত 'অলকানন্দা' কবিতা-পুথিৰ বাবে সাহিত্য অকাডেমীয়ে তেওঁক পুৰস্কৃত কৰিছিল। অসম আৰু ভাৰতৰ অন্যান্য অনুষ্ঠানেও তেওঁক সম্বৰ্ধনা জনাইছিল।

নলিনী দেৱীৰ জীৱনৰ প্ৰধান ঘটনা-পঞ্জী পৰ্যালোচনা কৰিলে বুজা যায় যে তেওঁৰ কাৰ্য আৰু চিন্তাধাৰাত সাহিত্য-সাধনা আৰু মানৱ-সেৱাৰ মধুৰ সমন্বয়

ঘটিছে। আনহাতে আধ্যাত্মিক উৎকৰ্ষতা আৰু স্বদেশপ্ৰেমৰ উচ্চতাই তেওঁৰ কাৰ্য আৰু চিন্তাক মহিমোজ্জল কৰি তুলিছে। আমাৰ আলোচ্য স্মৃতি গ্ৰন্থখনিত নলিনী দেৱীৰ কৰ্মময় জীৱনটো পৰিস্ফুট হৈছে। সম্পাদক ড° শৰ্মাই গ্ৰন্থখন তিনিটা ভাগত দেখুৱাইছে। প্ৰথম ভাগটোত চাৰিটা কবিতাৰে আৰম্ভ কৰি চাব্বিশজন বৰেণ্য সাহিত্যিক লিখা প্ৰবন্ধ-আলোচনাৰদ্বাৰা নলিনীদেৱীৰ সাহিত্যকৃতি দেখুওৱা হৈছে। দ্বিতীয় ভাগত থকা 'স্মৃতি-মাধুৰী' শিতানত আঠগৰাকী লেখক-লেখিকাই কবিগৰাকীৰ ঘৰুৱা আৰু সামাজিক জীৱনৰ আভাস দিছে। তৃতীয় ভাগৰ 'পৰিশিষ্ট'ত নলিনী দেৱীৰ কবিতাৰ চানেকী, গদ্যৰ নিদৰ্শন, পত্ৰলেখা, অভিনন্দন-পত্ৰ, বংশাৱলী, গ্ৰন্থপঞ্জী; জীৱনৰ বিশেষ ঘটনা-পঞ্জী আৰু তেওঁৰ জন্ম-চক্ৰ সন্নিবিষ্ট কৰা হৈছে। সম্পাদকে প্ৰবন্ধবোৰ গুৰুত্ব আৰু ঔচিত্য অনুসৰি গ্ৰন্থত উপস্থাপন-কৰিবলৈ চেষ্টা কৰিছে যদিও 'অলকানন্দা', 'শান্তিপথ' আৰু 'এৰি অহা দিনবোৰ' শীৰ্ষক আলচ তিনিটা 'নলিনীবালাৰ অপ্ৰকাশিত ৰচনাৰাজি, আলোচনাটিৰ আগত স্থান দিয়া হলে উপস্থাপন কলাৰ পিনৰপৰা মন:পুত হ'লহেঁতেন।

স্মৃতি-গ্ৰন্থখনিত সন্নিৱিষ্ট কৰা আলোচনাসমূহ উচ্চখাপৰ হৈছে বুলি ক'ব পাৰি। ড° হেমন্তকুমাৰ শৰ্মাৰ 'দেশবৰেণ্যা নলিনীবালা দেৱী', অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ 'মহিয়সী নলিনীবালা আৰু অসম সাহিত্য সভা', অধ্যাপক শশী শৰ্মাৰ 'নলিনী প্ৰতিভাৰ পটভূমি', শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ 'কাব্য ভাৰতী নলিনীবালা দেৱীৰ কবিতাৰ উৎস', ড° উপেন্দ্ৰনাথ গোস্বামী, ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য আৰু শ্ৰীউপেন্দ্ৰনাথ বৰকটকীয়ে লিখা 'নলিনীবালাৰ কবিতাত ৰহস্যবাদ', ড° কালীচৰণ দাস আৰু শ্ৰীসুধেন্দু-মোহন ভদ্ৰৰ 'নলিনী কাব্যৰ সুৰ', শ্ৰীৰজনীকান্ত দেৱশৰ্মাৰ 'নলিনী কাব্যত ভাৰতীয় সুৰ', শ্ৰীআনন্দ ছাত্তাৰৰ 'নলিনী কাব্যত দেশ প্ৰেম' আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া সাহিত্যত নলিনীবালা দেৱীৰ স্থান' শীৰ্ষক প্ৰবন্ধকেইটি নলিনী দেৱীক জানিব খোজা পঢ়ুৱৈসকলৰ কাৰণে বেছি সহায়ক হৈছে। শ্ৰীঅতুল বৰুৱা আৰু শ্ৰীশশী শৰ্মাৰ প্ৰবন্ধ দুটাত সমধৰ্মী গুণ লক্ষ্য কৰা যায়। সেইদৰে ক'ব পাৰি—শ্ৰীকনকচন্দ্ৰ ডেকা, শ্ৰীনাৰায়ণ বেজবৰুৱা আৰু শ্ৰীৰাজেন্দ্ৰনাথ হাজৰিকাৰ আলচ তিনিটাৰ সাহিত্যিক মূল্য আগৰ প্ৰাবন্ধিকসকলে কাঢ়ি লৈছে। শ্ৰীনলিনীধৰ ভট্টাচাৰ্য আৰু শ্ৰীনৰেন্দ্ৰনাথ শৰ্মাৰ ক্ৰমে 'নলিনীবালাৰ কাব্যত ছন্দ-সজ্জা' আৰু 'নলিনী কাব্যৰ অলংকাৰ' শীৰ্ষক দুটি প্ৰবন্ধ কষ্টসাধ্য বুলি ক'ব লাগিব। ড° মহেশ্বৰ নেওগৰ আলচটি আৰু 'স্মৃতি-মাধুৰী' শিতানৰ লিখাখিনি অন্তৰপৰশা হৈছে। 'অলকানন্দা' 'নলিনীবালা দেৱীৰ নাটক', 'শান্তিপথ', 'এৰি অহা দিনবোৰ', 'নলিনীবালাৰ গদ্য-সম্ভাৰ', 'নলিনীবালাৰ জীৱনী-সাহিত্য' শীৰ্ষক আলচকেইটিত লেখকসকলৰ শ্ৰদ্ধানিখিল বিচাৰ-বোধ ফুটি উঠিছে। শ্ৰীনন্দ তালুকদাৰে নলিনীবালাৰ অপ্ৰকাশিত ৰচনাৰাজি উদ্ধৃতিসহকাৰে আলোচনা কৰি এজন কষ্টকাৰী তথ্যানুসন্ধিৎসুৰ পৰিচয় দিছে।

স্মৃতি-গ্ৰন্থবোৰ বেছিভাগেই প্ৰশস্তি-গ্ৰন্থলৈ ৰূপান্তৰিত হোৱা দেখা যায়। এইখন স্মৃতি-গ্ৰন্থও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। স্মৃতি-গ্ৰন্থৰ-আধাৰ ব্যক্তিগৰাকীৰ বিষয়ে লেখিলেই যে তেওঁৰ সাহিত্য-কৰ্মৰ কেৱল গুণহে বখানিব লাগে, তেওঁ লিখা সকলোবোৰ যে উচ্চখাপৰ বা সৰ্বাংগসুন্দৰ বুলি যুক্তিহীন প্ৰশংসা কৰিব লাগে তাৰ কোনো মানে নাই। একান্ত প্ৰশস্তি-বন্দনাই লেখকৰ স্বকীয় দৃষ্টিভংগী বিলোপ কৰে, আনহাতে নিন্দাগ্ৰ সমালোচকো নিৰপেক্ষ পঢ়ুৱৈৰ দৃষ্টিত মানদণ্ডহীন হৈ পৰে। যুক্তি, তথ্য আৰু সূক্ষ্ম বিচাৰ-বোধৰ সমতা ৰাখি আলোচ্য বিষয়-বস্তুক চালি-জাৰি চোৱা নিৰপেক্ষ সমালোচকৰ ধৰ্ম। স্মৃতি-



গ্ৰন্থ লেখকসকলৰপৰা এনে ধৰ্ম আশা কৰা প্ৰায়েই নিষ্প্ৰয়োজন। অৱশ্যে 'নলিনীবালা দেৱী' স্মৃতি-গ্ৰন্থত অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য, ড° নবীনচন্দ্ৰ শৰ্মা প্ৰমুখ্যে দুই-এজনে যথাস্থানত নলিনী-সাহিত্যৰ দোষ-ত্ৰুটী আঙুলিয়াই দিছে।

গ্ৰন্থখনিত বিষয়-বস্তু আৰু ভাৱাদৰ্শৰ পুনৰুক্তি দোষ থকাটো স্বাভাৱিক; কাৰণ ই বিভিন্নজনৰ লিখনীৰ সংগ্ৰহ। তথাপি নলিনী-সাহিত্যৰ কেইবাটাও দিশ ইয়াত উল্লিখিত হৈছে। সেইবোৰে ভৱিষ্যতে নলিনী দেৱীৰ সাহিত্য, চিন্তাধাৰা আৰু আদৰ্শৰ বিষয়ে গৱেষণা কৰোঁতাসকলক অধিক সহায় কৰিব। গ্ৰন্থ-প্ৰস্তুতিত সম্পাদক ড° শৰ্মাৰ পৰিকল্পনা, কষ্ট স্বীকাৰ আৰু সাহিত্য-সেৱাৰ আদৰ্শ প্ৰশংসনীয়।

ড° পৰীক্ষিত হাজৰিকা

●

স্বভাৱ কবি নঈম উদ্দিন দেৱান (জীৱন-আলেখ্য)।

লেখক: এম, ইলিম উদ্দিন দেৱান।

প্ৰকাশক: মঃ নাজিম উদ্দিন দেৱান,
নঈম উদ্দিন কিতাপ মহল, চেনিমাৰী,
বৰপেটা (অসম)।

পৃষ্ঠা: ৭৫। মূল্য: চাৰিটকা মাত্ৰ।

মঃ ইলিম উদ্দিন দেৱানৰদ্বাৰা ৰচিত 'স্বভাৱ কবি নঈম উদ্দিন দেৱান'ৰ জীৱন-আলেখ্যখনি অসমীয়া সাহিত্যৰ চ'ৰালত এপদ নতুন সম্পদ। পুথিখনিত লেখকে স্বভাৱ কবিজনাৰ জীৱন আৰু কাৰ্যাৱলীৰ এখনি সম্যক চিত্ৰ অংকন কৰিবলৈ যত্ন কৰিছে।

ইং ১৮৬০ চনত পূৰ্ববংগৰ মৈমনসিংহ জিলাৰ ভাওৰা গাঁৱত পীৰ ইমাম আলি দেৱানৰ পৰিয়ালত জন্মগ্ৰহণ কৰা মঃ ফালু দেৱানৰ দ্বিতীয় সন্তান মঃ নঈম উদ্দিন দেৱানে জীৱিকাৰ্জনৰ পথ বিচাৰি ১৯১৩ চনত পূৰ্ববংগ ত্যাগ কৰি জাহাজেৰে আহি বৰপেটা মহকুমাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ চেনিমাৰী চৰ অঞ্চলত সপৰিবাৰে থিতাপি লয়হি। ইতিমধ্যে সেই অঞ্চলত মাটিৰ পত্তন আৰম্ভ হ'লত আন বহু-জনৰ লগতে নঈম উদ্দিনেও পট্টাদি গ্ৰহণ কৰি ন-অসমীয়া মুছলমানৰূপে অসমৰ মাটিক আপোন কৰি ললে। প্ৰথমা পত্নী মোছাম্মৎ ৰাহাতন নেছাৰ বিয়োগ হোৱাত ১৯১৯ চনত মোছাম্মৎ মিৰচন নেছাৰ লগত তেখেত দ্বিতীয়বাৰ বিবাহপাশত আবদ্ধ হয় আৰু দুয়োপত্নীৰ ফালৰপৰা মুঠ দহোটা ল'ৰা-ছোৱালীৰ পিতৃস্বৰূপে ভৰপূৰ সংসাৰ এখনৰ গৰাকী হ'ল। প্ৰায় ৫০ বছৰকাল অসমত কটোৱাৰ পিছত ১৯৬০ চনৰ ৯ এপ্ৰিলৰ দিনা তেখেতৰ নশ্বৰ দেহৰ অৱসান ঘটে।

আলেখ্যখনিৰমতে চেনিমাৰী অঞ্চলৰ মুছলমানসকল বিশেষকৈ ন-অসমীয়া মুছলমানসকলৰ মাজত দেৱান আছিল এজন মৰমী 'কথক' আৰু সুমধুৰ কণ্ঠৰে 'কিচ্ছা' আৰু 'শাস্তৰ' গানেৰালা সংগীতজ্ঞ হিচাপে সুপৰিচিত ব্যক্তি। তেখেতৰ ব্যক্তিত্বৰ প্ৰভাৱো সেইসকলৰ ওপৰত কম নাছিল।

দেৱানৰ অষ্টম পুত্ৰ সাহিত্যসেৱী মঃ ইলিম উদ্দিনে স্বভাৱ কবিগৰাকীৰদ্বাৰা ৰচিত কবিতাসমূহৰপৰা ১৫ টা পংক্তি অসমীয়ালৈ অনুবাদ কৰি পুথিখনিত সন্নিবিষ্ট কৰিছে। অৱশ্যে এই পংক্তিসমূহক কবিতা বোলাতকৈ নীতিবচন আৰু ফকৰা-যোজনাৰ এধাৰি মালা বোলাহে বেছি সমীচীন হ'ব। প্ৰতিটো স্তৱকক মিত্ৰাক্ষৰ ছন্দত সজাবলৈ যত্ন কৰা হৈছে যদিও সকলো অৱস্থাতে ধ্বনি আৰু অক্ষৰৰ সমতা ৰক্ষা পৰা নাই। ইয়াৰ আটাইবিলাকতে ভাবাও নিমজ আৰু শুৱলা হৈছে বুলি ক'ব নোৱাৰি; কিন্তু এটা কথা স্বীকাৰ নকৰি নোৱাৰি যে কবিতাসমূহে

কবিজনাৰ গভীৰ আৰু সু-শৃংখল চিন্তাশক্তি, অভিজ্ঞতাৰে পৰিপুষ্ট এটা জীৱন আৰু সুস্থ-সবল মন এটাৰ স্বাক্ষৰ বহন কৰিছে।

মুদ্ৰণ-প্ৰমাদৰপৰা পুথিখনি একেবাৰে মুক্ত হ'ব পৰা নাই। আকাৰ অনুপাতে অৰিহণাও অলপ অধিক হোৱা যেন অনুমান হৈছে।

যি নহওক, অসমীয়া সাহিত্যজগতত, বিশেষকৈ ন-অসমীয়া মুছলমান সমাজৰ মাজত পুথিখনি আদৰৰ বস্তু হৈ ৰ'ব। আমি আশা কৰোঁ সেই অঞ্চলৰপৰা লেখকে যেন আগলৈকে এনে ধৰণৰ প্ৰচেষ্টাৰে অসমীয়া সাহিত্য-কানন শুৱনি কৰাত বিশেষ অৰিহণা যোগায়।

শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন

●

সংক্ৰমণ

লেখক : ডাঃ বীৰেন্দ্ৰনাথ ডেকা।
প্ৰকাশক—বাণী মন্দিৰ, ডিব্ৰুগড়।
পৃষ্ঠা-সংখ্যা—১২৫
প্ৰকাশ কাল—১৯৭৯
মূল্য—৮'০০

ডিব্ৰুগড়ৰ চিকিৎসা মহাবিদ্যালয়ৰ পটভূমিত ডঃবীৰেন্দ্ৰনাথ ডেকাই 'সংক্ৰমণ' নামৰ এখন বাস্তৱধৰ্মী উপন্যাস পঢ়ুৱৈৰ সমাজলৈ আগবঢ়াইছে। এজন নিম্ন মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰই কেনেকৈ সীমিত আয় আৰু নানান আলৈ-আথকালৰ মাজেৰে অতিবাহিত কৰি নিজৰ ভৱিষ্যত গঢ়াৰ মানসেৰে সুদূৰ কামৰূপ জিলাৰ বাসিন্দাৰপৰা আহি ডিব্ৰুগড় মেডিকেল কলেজত সুদীৰ্ঘ সাতোটা বছৰ কটাই ডাক্তৰী পাছ কৰিলে, এই সাতোটা বছৰত তেওঁ কি অভিজ্ঞতা লাভ কৰিলে তাকে সমল হিচাপে লৈ এই উপন্যাসখনৰ ৰূপ দিছে। এই উপন্যাসখনত লেখকে সমাজৰ বিভিন্ন স্তৰৰ গাঁথনি, ৰাজনৈতিক জীৱনৰ পটভূমি, অসম মেডিকেল কলেজৰ চৌহদৰ পৰিবেশ, ইয়াৰ কৰ্মকৰ্তাসকলৰ কাৰ্যাৱলী আদি সকলো দিশ ফঁহিয়াই পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছে।

উপন্যাসখন ফ্লেছ বেক ষ্টাইলত লিখা হৈছে। এই উপন্যাসখনৰ মূল নায়ক অৱনীন্দ্ৰ বৰুৱা ওৰফে নিকুণদা। এটা নিম্ন মধ্যবিত্ত পৰিয়ালৰপৰা আহি অসম চিকিৎসা মহাবিদ্যালয়ত সাতোটা বছৰ কটোৱাৰ মূৰত পাৰ্শ্ব চৰিত্ৰ অনুপমৰ সৈতে হোৱা এনিশাৰ কথা-বতৰাৰ মাজেৰে গোটেই সাতোটা বছৰত সংঘটিত হোৱা ঘটনাসমূহৰ এটা সম্যক ৰূপ দিছে। সাধাৰণতে এজন লোকে এখন ঠাইৰপৰা অহি এখন অচিনাকি ঠাইলৈ গ'লে যিটো অৱস্থাৰ সৃষ্টি হয় অৱনীন্দ্ৰ বৰুৱাৰো সেই অৱস্থাই হোৱা দেখা গৈছে। অৱশ্যে তেওঁ যেতিয়া 'চানবাইজ' হোটেলত উঠিছিল, তেতিয়া তেওঁৰ পূৰ্ব বান্ধৱী আকাশী চলিহাক লগ পাই তেওঁক কিছু সকাহ পোৱা দেখা গৈছিল। এই হোটেলতেই জোঁৰ শ্ৰেণীত পঢ়া আকাশী চলিহাৰ সম্বন্ধীয় দাদাক এজনৰ সৈতেও চিনাকি হোৱা আৰু তেওঁৱেই মেডিকেল কলেজৰ ছাত্ৰসকলৰ 'দাদা' ৰূপে পৰিচিত দীপুদাই নানা ধৰণেৰে কৰা প্ৰশ্নৰ অৱতাৰণাই অৱনীন্দ্ৰ বৰুৱাক চিন্তিত কৰি পেলোৱা পৰিলক্ষিত হয়।

সাধাৰণতে দেখা যায় যে কলেজ বা বিশ্ববিদ্যালয়বোৰত যেতিয়া নতুন ছাত্ৰই 'এডমিছন' ল'বলৈ আহে তেতিয়া পুৰণি ছাত্ৰবিলাকে ৰেগিঙৰ সহায়েৰে চিনাকি হোৱাৰ উজুপথ বুলি ভাবে। অসম মেডিকেল কলেজো ইয়াৰ ব্যতিক্ৰম নহয়।





যেই ঘৰলৈ উভতি যোৱাৰ আগনিশা ৰাতিটো গুৱাহাটীৰে থাকি অনুপমৰ আগত বৰ্ণাই যোৱা অভিজ্ঞতা আৰু ঘটনাসমূহত ঠাই পাইছে বেৰী হোৱাইট মেডিকেল স্কুলৰ ইতিবৃত্ত, অসম মেডিকেল কলেজৰ জন্ম, ছাত্ৰজীৱনৰ বিভিন্ন ঘটনা, হাঁতি-আন্দোলনৰ চিত্ৰ, ডিব্ৰুগড় চহৰৰ বৰ্ণনা, ডাক্তৰ-ছাত্ৰ নাৰ্চ-ৰোগী আৰু কলেজ কৰ্মচাৰীৰ সম্পৰ্ক, কলেজ কৰ্তৃপক্ষৰ মনোভাব, নানান অভাৱ-অভিযোগ আৰু মানুহৰ জীৱন-মৃত্যুৰ সমস্যা। লেখকে অৱনীন্দ্ৰ বৰুৱাৰ ভূমিকা লৈ এই সমস্ত কথা অনুপমক কৈ গৈছে। লেখকে বৰ্ণিত সকলো ঘটনাৰ লগত অৱনীন্দ্ৰ বৰুৱাক সাঙুৰি ৰখা নাই, অথচ বৰ্ণনাৰ শক্তিৰ মাধ্যমত গোটেই ঘটনাটোকে এডাল সূতাৰে সাঙুৰি ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও কিতাপখনত থকা চৰিত্ৰ আৰু পাঠকৰ মনৰ মাজত আন্তৰিক সম্পৰ্ক স্থাপন কৰিব পাৰিছে। সেই কাৰণেই খাজিদা বাইদেউ, মেধিখুড়া আৰু বুঢ়া মানুহজনৰ কৰুণচিত্ৰই পঢ়ুৱৈৰ মন দুখত অভিভূত কৰি তোলে। আনহাতে আকাশী চলিহা মুক্ত বিহংগৰ দৰে ৰবাবাৰীলৈ আহি ডাক্তৰী পাছ কৰি ওলাই যোৱা আৰু তেওঁৰ কোনো মানসিক সংঘাত ঘটা ইত্যাদিত আমি তেওঁত কোনো ক্ৰিয়াত্মক বৈশিষ্ট্য দেখা নাপাওঁ; কিন্তু দুখীয়াৰ সন্তান অৱনীন্দ্ৰ বৰুৱাৰ আৰ্থিক অনাটন আৰু মানসিক দ্বন্দ্বই পঢ়ুৱৈৰ মন চুই গৈছে।

ধাৰাবাহিক গতি নাথাকিলেও ডাঃ ডেকাই এই উপন্যাসখনৰ মাজেৰে চিকিৎসা মহাবিদ্যালয়ৰ অন্তঃবিভাগসমূহৰ খুলমূল এটা খটিয়ান সজীৱ দৃষ্টিভংগীৰে পাঠকৰ আগত দাঙি ধৰিছে। ইয়াৰ উপৰিও লেখকে এই বিভাগত ৰোগী হিচাপে থকা মানুহৰ মাজত উদ্ভৱ হোৱা হৰ্ষ-বিষাদ, দুখ-শোক সকলো তন্ন তন্নকৈ দেখুৱাব পাৰিছে। তাকে কৰিবলৈ যাওঁতে তেখেতে অনাহ্য সংস্কৃত সাহিত্য, ইংৰাজী সাহিত্য আদিৰপৰাও উদ্ধৃতি দিছে।

ঘৰলৈ উভতি যোৱাৰ আগ মুহূৰ্তত অৱনীন্দ্ৰই অনুপম আৰু বন্ধুবৰ্গৰ সৈতে পতা কথা-বতৰাত লেখকে এটা বৈপ্লৱিক দৃষ্টিভংগী দাঙি ধৰিছে। চৰকাৰৰ অমনোযোগিতা, নিবনুৱা সমস্যা, খাদ্য সমস্যা, পুষ্টিহীনতা আদিৰ ফলত দেশৰ লাখ লাখ যুৱক-যুৱতীৰ ভৱিষ্যত অন্ধকাৰ হোৱাৰ সমস্যা এটা যে হৈছে তাক লেখকে কণমইনাৰ চৰিত্ৰৰ মাজেৰে দেখুৱাইছে। ভৱিষ্যতৰ অনিশ্চয়তা আৰু অন্ধকাৰ দূৰ কৰিবলৈ দেশৰ প্ৰত্যেকজন নাগৰিকেই যে সচেতন হ'ব লাগিব তাৰ ওপৰত লেখকে গুৰুত্ব দিছে।

'সংক্ৰমণ' উশৃংখল প্ৰেমৰ উপন্যাস নহয়; অতীত আৰু বৰ্তমানৰ মানুহৰ সমস্যা চিত্ৰিত হৈ এখন ৰসাল উপন্যাস। অসম মেডিকেল কলেজৰ ই এক সুন্দৰ চিত্ৰ। এটা পূৰ্ণাংগ কাহিনীৰ সৃষ্টি নকৰাকৈ ডাঃ ডেকাই 'সংক্ৰমণ'ৰ মাজেৰে পাঠকৰ প্ৰিয়ভাজন হ'ব বুলি আশা ৰাখিছোঁ। উপন্যাসখনৰ ৰচনাৱলী, সহজ সৰল ভাষা ব্যঞ্জনা, উপমা আদিৰ উপস্থাপন, মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত সমাজখনৰ প্ৰতিফলন, চৰিত্ৰসমূহৰ স্বাভাৱিক চিত্ৰণ, সিবিলাকৰ মানসিক সংঘাত আদিয়ে পুথিখনক বেছি ৰসাল কৰি তুলিছে। 'সংক্ৰমণ' উপন্যাসৰ গতানুগতিক সংজ্ঞা সমৰ্থিত নহয় যদিও ইয়াত উপন্যাসৰ ৰস-ব্যঞ্জনা বিদ্যমান। এই ক্ষেত্ৰত বিশেষ বৰঙনি যোগাইছে লেখকৰ সাৱলীল ভাষাই। এই প্ৰসংগত ডাঃ ডেকাৰ ভৱিষ্যত উজ্জ্বল বুলি ক'ব পাৰি।

শ্ৰীগোপাল শৰ্মা, এম, এ

●

# পঢ়ুৱৈৰ মতামত

সম্পাদক ডাঙৰীয়া,

[ এক ]

অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰ দ্বিতীয় সংখ্যা পঢ়িলোঁ। এই সংখ্যা পত্ৰিকাক উপেন্দ্ৰচন্দ্ৰ লেখাৰু সোঁৱৰণী সংখ্যা নামকৰণ কৰা হৈছে। পত্ৰিকাৰ সূচীখন চাই দেখিলোঁ "উপেনচন্দ্ৰ লেখাৰু" "শিক্ষাবিদ আৰু সাহিত্যিক অধ্যাপক লেখাৰু" আৰু "গৱেষণা-পৰিচালক হিচাপে অধ্যাপক লেখাৰু" এই তিনিটা প্ৰবন্ধ পালোঁ; যিকেইটা প্ৰবন্ধত লেখাৰুৰ জীৱন পৰিচিতি আৰু ব্যক্তিগৰাকীৰ প্ৰতিভাৰ আভাস দিবলৈ চেষ্টা কৰা হৈছে। প্ৰথমতেই ভাব হৈছিল — অসমীয়া পুৰণি সাহিত্যৰ আজীৱন গৱেষক এই ব্যক্তিগৰাকীৰ সোঁৱৰণী সংখ্যা পত্ৰিকাখনত এই তিনিটা প্ৰবন্ধই যথেষ্ট জানো? তথাপি আকৌ ভাবিছিলোঁ। প্ৰবন্ধৰ সংখ্যাটো একান্ত গৌণ; প্ৰবন্ধকাৰৰ দৃষ্টিভংগীৰ বিস্তৃতি আৰু গভীৰতাহে মুখ্য, কিন্তু উল্লিখিত তিনিওটা প্ৰবন্ধ পঢ়াৰ পিছত ধাৰণা হ'ল — আত্মপ্ৰচাৰৰ মনোভাৱৰপৰা নিলগত বাস কৰা এইগৰাকী ব্যক্তিৰ বাবে এই তিনিটা প্ৰবন্ধই যথেষ্ট নহল। পূৰ্বৰ অসম সাহিত্য সভা পত্ৰিকাৰ "অম্বিকাগিৰি ৰায়চৌধুৰী" সংখ্যাত যিদৰে ৰায়চৌধুৰীৰ প্ৰতিভা আৰু জীৱন-দৰ্শন সম্পৰ্কে চাৰিচুক মাৰি আলচ কৰা হৈছিল — ঠিক সেইদৰে লেখাৰুৰ সোঁৱৰণী সংখ্যা পত্ৰিকাত ব্যক্তিগৰাকীৰ আচল জোখটো দিব পৰা নগ'ল। অপ্ৰিয় হ'লেও ক'ব লাগিব যে লেখকৰ পাণ্ডিত্যপূৰ্ণ প্ৰতিভা সম্বলিত জীৱন পৰিচিতিৰে সমৃদ্ধ সম্পাদকীয়টো পঢ়াৰ পিছত লেখাৰুৰ বিষয়ে লিখা পূৰ্বউল্লিখিত প্ৰবন্ধকেইটা বহুপৰিমাণে "কাৰ্বন কপি"ৰ নিচিনা যেন লাগিল। বিশেষকৈ সম্পাদকীয়ৰপৰা আৰম্ভ কৰি শ্ৰীযুত নন্দ তালুকদাৰ আৰু শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীদেৱৰ প্ৰবন্ধত লেখাৰুৰ ৰচনাৱলীৰ পুনঃ পুনঃ উল্লেখে গৱেষণামূলক পত্ৰিকা হিচাপে পত্ৰিকাখন দোষযুক্ত কৰি তুলিলে। তদুপৰি পুৰণি অসমীয়া সাহিত্যৰ স্তম্ভস্বৰূপ উপেন লেখাৰুৰ ৰচনাৱলীৰ বিষয়ে একাধিক আলোচনাই স্থান পাব লাগিছিল। অৱশ্যে ইমানখিনি কোৱাৰ পিছতো এটা কথা ক'ব পাৰি যে অসমীয়া পুৰণি সাহিত্যৰ ওজাগৰাকীৰ সোঁৱৰণী সংখ্যা হিচাপে পত্ৰিকাখনৰ বিষয়-বস্তুৰ ঘেৰ এটা দি লোৱা হৈছে যে, পত্ৰিকাখনৰ গোটেইখিনি বিষয়-বস্তু পুৰণি সাহিত্যৰ সৈতে জড়িত। এই ক্ষেত্ৰত সম্পাদকগৰাকীৰ পৰিকল্পনা প্ৰশংসনীয়।

যি কি নহওক—উপেন লেখাৰুৰ সোঁৱৰণী সংখ্যাৰ কথাখিনি একাষৰীয়াকৈ থৈ বাকীখিনি প্ৰবন্ধৰ বিষয়-বস্তুৰ গভীৰতা আৰু লেখকসকলৰ শ্ৰমযুক্ত পৰীক্ষণ-নিৰীক্ষণে এই সংখ্যা পত্ৰিকাক গৱেষণামূলক পত্ৰিকাৰ মূল্যমান দিছে; কিন্তু প্ৰসংগতে কৈ থব খুজিছোঁ যে, 'দুটামান প্ৰবন্ধত বিষয় বিশেষৰ ওপৰত দাঙি ধৰা অসমৰ জনচেৰেক পণ্ডিতৰ মত খণ্ডন কৰিবলৈ চেষ্টা কৰা হৈছে। সন্দেহ নাই যে, যিমানেই ডাঙৰ পণ্ডিত বুলি খ্যাতি নাথাকক পণ্ডিতৰ মতো কেতিয়াবা ভুল হ'ব পাৰে অথবা সৰ্বজন গ্ৰাহ্য নহ'ব পাৰে। তেনেস্থলত পূৰ্ব প্ৰতিষ্ঠিত পণ্ডিতৰ মত যুক্তি আৰু তথ্যসহকাৰে খণ্ডন কৰি যথাৰ্থ সত্য উদ্ধাৰ কৰি প্ৰকাশ কৰাৰ প্ৰচেষ্টা আৰু দক্ষতা নিতান্ত প্ৰয়োজনীয় আৰু প্ৰশংসনীয়; কিন্তু মতবিৰোধ ব্যক্তিবিৰোধলৈ ৰূপান্তৰ হোৱা আৰু লেখনী এৰি লেখকলৈ চোঁচা লোৱা মনোভাৱ সমালোচনা সাহিত্যত পৰিহাৰ ভাল যেন লাগে। এই সংখ্যা পত্ৰিকাত তেনে দুই-এটা দোষ দৃষ্টিগোচৰ নোহোৱা নহয়।

পত্ৰিকাখনৰ শেহৰ সাতোটা প্ৰবন্ধৰ প্ৰায়কেইটাতো



লেখকৰ মৌলিক চিন্তাৰ আভাস স্পষ্ট। ড° কেশৱানন্দ দেৱগোস্বামীদেৱে তেওঁৰ প্ৰবন্ধত একাদশ-দ্বাদশ শতিকাৰপৰা শংকৰদেৱৰ পৰৱৰ্তী যুগলৈকে এইছোৱা কালত অসমত যি গীত-মাত আছিল সিয়ে শংকৰী যুগটোক পুষ্ট কৰাত সহায় কৰাৰ কথা কৈছে। তদুপৰি শংকৰোত্তৰ যুগৰ আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত ঠন ধৰি উঠা অসমীয়া সংগীতে কিন্তু পূৰ্বৰ শংকৰী যুগৰ সংগীত পৰম্পৰাক বহু পৰিমাণে ক্লেদযুক্তহে কৰিলে বুলি দেৱগোস্বামীয়ে এটা মত পোষণ কৰিছে। শংকৰোত্তৰ যুগটোৰ সংগীতৰ বিষয়-বস্তু, ৰস আৰু নৃত্যৰ দুই এটা ভংগীৰ ওপৰত লক্ষ্য ৰাখি তেখেতে এই মত দাঙি ধৰিছে। অনুসন্ধিৎসু পাঠক, গৱেষক আৰু সমালোচকৰ বাবে ড° দেৱগোস্বামীদেৱে বিস্তৃত আৰু গভীৰ আলোচনাৰ ইংগিত এটা দিছে।

ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যদেৱে অসমৰ নদী আৰু স্থানবাচক নামত চীন-তিব্বতীয় উপাদান বিচাৰি গোটাদিয়েক শব্দৰ ক্ষেত্ৰত চিন্তা-চৰ্চা আৰু পৰীক্ষা-নিৰীক্ষাৰ পথ মুকলি কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য 'কৰতোৱা' শব্দটো। সংস্কৃতত 'তোয়া' শব্দই নদী আৰু পানী বুজোৱাৰ বাবে 'কৰতোয়া' শব্দটো সংস্কৃতিৰ হেঁচাত জন্ম হ'লেও চীন-তিব্বতীয় ভট, দুৰী/ৰী-দুইৰপৰাও হ'ব পাৰে বুলি সম্ভাৱনা এটা দেখুৱাইছে। এনে আলোচনাই দৰাচলতে অনুসন্ধিৎসু লোক অথবা গৱেষকসকলক বল দিয়ে।

বিনানাৰায়ণ শাস্ত্ৰীদেৱৰ প্ৰবন্ধত প্ৰাক্‌জ্যোতিষ আৰু কামৰূপ নামৰ আঁতি-গুৰি বিচাৰোঁতে ইতিমধ্যে প্ৰবন্ধপাতিতকৈ আৰু গোটাচেৰেক সমল দাঙি ধৰি প্ৰবন্ধ আৰু পত্ৰিকা উভয়ৰে গুণ বাঢ়িছে। এইখিনিতে আন এটা প্ৰবন্ধৰ কথা ক'বলৈ যাওঁতে তেখেত মহন্তৰ প্ৰবন্ধটিৰ বিষয়েও ক'ব পৰা যায় যে, ইয়ো গৱেষণামূলক প্ৰবন্ধৰ ওচৰ চাপিব খুজিছে। মহাপুৰুষ মাধৱদেৱৰ ৰচনাই যে কালিদাসৰ ৰচনাৰ সীমা চুইছেগৈ এই কথাৰ সত্তেদ বিতংকৈ দিবলৈ চেষ্টা কৰিছে।

কিন্তু শ্ৰীযুত নৰেন্দ্ৰনাথ বৰদলৈৰ "শংকৰদেৱৰ হৰমোহন আৰু তুলসীদাসৰ নাৰদমোহনৰ ৰূপায়ণ বৈশিষ্ট্য" শীৰ্ষক প্ৰবন্ধটিত লেখকজনৰ অধ্যয়নৰ বিস্তৃতি মানি লৈও ক'বলৈ বাধ্য যে, বিস্তৰ তথ্যপাতি গোটাই লৈও আলোচনাটিক নিটোল ৰূপ এটি দিব পৰা নহ'ল। তাৰ উপৰিও প্ৰবন্ধটোৰ প্ৰায় আগছোৱাতে "পাৰমাৰ্থিক দৃষ্টিৰফালৰপৰা শংকৰদেৱ আৰু মাধৱদেৱ শংকৰাচাৰ্যৰ অদ্বৈতবাদৰ অনুগামী যেন লাগে। পাছে ব্যৱহাৰিক দিশটোৰ কাৰণেহে (ভক্তিৰ বাবে) তেওঁলোকে দ্বৈতৰ স্থান ৰাখিব লগা হৈছে" বোলা কথাখিনিৰ যোগেদি লেখকে কি ক'বলৈ বিচাৰিছে ধৰিব পৰা নগ'ল। প্ৰথম বাক্যটোৰ অৰ্থ হ'ল—শংকৰ-মাধৱ অদ্বৈতবাদৰ অনুগামী যেন লাগেহে; কিন্তু নহয়। দ্বিতীয় বাক্যটোৰ অৰ্থ—আচলতে শংকৰ-মাধৱৰ অদ্বৈতবাদৰ অনুগামীয়েই; কিন্তু ভক্তিবাদৰ বাবেহে দ্বৈতৰ সমৰ্থন কৰে। শক্তিকে অৰ্থটো হ'ল—এওঁলোক প্ৰয়োজন প্ৰয়োজনৰ বাবে দ্বৈতবাদী। অৱশ্যে লেখকে এঠাইত কৈছে "এই কথাষাৰ তেওঁলোকৰ লেখাবিলাক ভালকৈ অনুসৰণ কৰিলে উপলব্ধি কৰিব পাৰি।" কিন্তু প্ৰবন্ধত দিয়া উদ্ধৃতিবোৰেও চোন ওপৰৰ কথাখিনি প্ৰমাণ কৰি দিব পাৰিলে বুলি ভাবিব নোৱাৰি। আচলতে শংকৰ-মাধৱ দ্বৈতবাদী নে অদ্বৈতবাদী? নে এই দুয়োটা নহৈ আন কিবাহে তাক বুজা কঠিন হৈ পৰিল। আনহাতে প্ৰবন্ধটোৰ সামৰণি বাক্যটো হ'ল—"ভাগৱত আৰু কীৰ্তনত বিষ্ণুমায়া যেনে আশ্চৰ্য; তুলসীৰ কলাৰ মায়াও তেনে আশ্চৰ্য্য।" এই বাক্যটোৱেও পাঠকক বিমূঢ় কৰি তোলে। কাৰণ সামৰণি বাক্যটোৰ অৰ্থ এনেকুৱাও হ'ব পাৰে যে শংকৰদেৱৰ হৰমোহনৰ

শ্ৰেষ্ঠত্ব বিষ্ণুমায়া বৰ্ণনত আৰু তুলসীদাসৰ নাৰদ-মোহনৰ শ্ৰেষ্ঠত্ব বিষয়-বস্তুৰ কলা ৰূপদানত। যদি সেই অৰ্থতেই উল্লিখিত বাক্যটো কৈছে—তেনেহ'লে মানি ল'বলৈ টান হ'ব। গতিকে ভাব-বস্তু প্ৰকাশত ৰৰদলৈদেৱৰ প্ৰবন্ধটিয়ে সাৰ্থকতাৰ সীমা চুবগৈ নোৱাৰিব নেকি?

তথাপি এনে দুই এক আঁসোৱাহ বহন কৰিও এই সংখ্যা পত্ৰিকাই গৱেষণামূলক পত্ৰিকাৰ মান ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে। পত্ৰিকাখনৰ যিখিনি মান ৰক্ষা হৈছে সেইখিনিয়ে সম্পাদকগৰাকীৰ শ্ৰম আৰু সুদক্ষ পৰিকল্পনাৰ ইংগিত বহন নকৰা নহয়। পৰবৰ্তী সংখ্যাকেইটা অধিক গুণী হৈ প্ৰকাশ হ'ব বুলি আশা কৰিলোঁ। ইতি—

শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা
ডিব্ৰুগড় বিশ্ববিদ্যালয়,
অসমীয়া বিভাগ।

শ্ৰদ্ধেয় হাজৰিকা,

[ দুই ]

সাহিত্য সভা পত্ৰিকাখন ( ষট্‌ত্ৰিংশ বছৰৰ ২য় সংখ্যা ) পঢ়ি ভাল পাইছোঁ। অধ্যাপক লেখাৰু সম্বন্ধীয় প্ৰবন্ধ-কেইটাৰ মাজেদি পৰম শ্ৰদ্ধাভাজনজনাৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু নৈষ্ঠিক সাহিত্য-সেৱাৰ সামগ্ৰিক-স্বৰূপ ফুটি উঠিছে। 'সম্পাদকীয়' খণ্ডটো সমালোচাত্মক আদৰ্শ আগত ৰাখি লেখাৰুদেৱৰ সাহিত্যিক কৃতিৰ পৰিচয় দাঙি ধৰিছে। সন্নিবেশিত বাকী প্ৰবন্ধবোৰো গহীন, ইয়াৰ দুই-এটাই নতুন আলোচনাৰ পথো মুকলি কৰিব পাৰে। আশাকৰোঁ আপোনাৰ নিষ্ঠা আৰু যত্নত পত্ৰিকাৰ বাকী দুটা সংখ্যাও উচ্চ পৰ্যায়ত জিলিকিব পাৰিব।

মোৰ 'ভাৰত-কোষ'ৰ ওপৰত আপুনি যিটো সমালোচনা লিখিছে, তাক পঢ়ি মই বৰ ভাল পাইছোঁ। নিৰপেক্ষভাৱে সকলো কথা আপুনি সূক্ষ্মভাৱে চোৱিবলৈ যত্ন কৰিছে। এই কষ্টকৰ কামৰ কাৰণে আপোনাক মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। সমালোচনা-প্ৰসংগত আগবঢ়োৱা পৰামৰ্শখিনি, ভৱিষ্যত সংস্কৰণ উলিয়াব পাৰিলে, পালন কৰিবলৈ যত্ন কৰিম।

ড° হৰিনাথ শৰ্মাদলৈ
বৰপেটা।

শ্ৰদ্ধেয় সম্পাদক ডাঙৰীয়া,

[তিনি]

অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যাটো ( উপেন্দ্ৰচন্দ্ৰ লেখাৰু সোঁৱৰণী সংখ্যা ) পঢ়ি আনন্দ পালোঁ। ইয়াত আপোনাৰ চেষ্টা আৰু শ্ৰম প্ৰশংসনীয়। সম্পাদকীয় খণ্ডটোত লেখাৰুদেৱৰ জীৱনী, সাহিত্য সাধনা আৰু আদৰ্শ সুন্দৰকৈ ফুটি উঠিছে। তদুপৰি লেখাৰুৰ জন্মস্থান উত্তৰ গুৱাহাটীৰ তাৎপৰ্যপূৰ্ণ বৰ্ণনাই 'সম্পাদকীয়'ত নতুনত্ব আনিছে। কাছাৰৰ থলুৱা লেখক শ্ৰীনলিনীন্দ্ৰকুমাৰ বৰ্মনৰ প্ৰবন্ধটো পঢ়ি ভাল লাগিল; সময়োপযোগীও হৈছে। ৺লেখাৰুদেৱৰ বিষয়ে লিখা প্ৰবন্ধ তিনিটাত আমি বেছি তথ্য আশা কৰিছিলোঁ। 'ভাৰতীয় পৃষ্ঠভূমিত অসমৰ বৈষ্ণৱ সংগীত' শিতানৰ প্ৰবন্ধটিৰ প্ৰথমাৰ্ধত লেখকৰ ব্যক্তিগত ক্ষোভ আৰু অহেতুক সমালোচনাই ঠাই পাইছে যিবোৰ শিৰোনামাটিৰ লগত খাপখোৱা নাই। বৰ্তমান সমাজত বৈষ্ণৱ সংগীতৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ অলপ লিখা হ'লে প্ৰবন্ধটি পূৰ্ণাংগ হ'লহেঁতেন। তথাপিও প্ৰবন্ধটি ভাল হৈছে। ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ প্ৰবন্ধটি ভাষাতত্ত্বৰ গৱেষণাকাৰীসকলৰ বাবে বৰ মূল্যবান হৈছে। 'হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জোঁটনি' শিৰোনামাৰ প্ৰবন্ধত শ্ৰীবিশ্বেশ্বৰ হাজৰিকাই দেখুওৱা যুক্তি আৰু উদাহৰণ প্ৰশংসনীয়। শ্ৰীবিষ্ণুনাৰায়ণ শাস্ত্ৰীৰ প্ৰবন্ধত তথ্যগধুৰ তথ্য।



...সুৱিচিন্তা বিদ্যমান। 'বাভাসকলৰ লোক-গীতত প্ৰেম-গোষ্ঠ' শীৰ্ষক প্ৰবন্ধটিত লেখকৰ ক্ষেত্ৰ-গৱেষণা আৰু যোগ্য বিচাৰ-বোধ ফুটি উঠিছে। পুথি-পৰিচয় খণ্ডৰ আলোচনাখিনিও উচ্চমানবিশিষ্ট হৈছে। সামগ্ৰিকভাৱে কৰ্তৃয়ে সম্পাদকে অসম সাহিত্য সভা পত্ৰিকাখন গৱেষণা পত্ৰিকাৰ পৰ্যায়লৈ উন্নীত কৰাত আমি সুখ পাইছোঁ।

শ্ৰীঅতুলকুমাৰ শৰ্ম্মা
পল্টন বজাৰ, ডিব্ৰুগড়।

[ পাঁচ ]

সম্পাদক ডাঙৰীয়া,

আপোনাৰ সম্পাদিত 'অসম সাহিত্য সভা পত্ৰিকা'ৰ ষট্‌ত্ৰিংশ বছৰৰ প্ৰথম সংখ্যাত মোৰ 'অসমীয়া সাহিত্য-সংস্কৃতিলৈ মুছলমানৰ দান' শীৰ্ষক প্ৰবন্ধ এটি প্ৰকাশ হৈছিল। এই প্ৰবন্ধৰ কেৱল নামটো সম্পৰ্কে আপোনাৰ পত্ৰিকাৰ উক্ত বছৰৰ দ্বিতীয় সংখ্যাত ডিব্ৰুগড়ৰ শ্ৰীবিষ্ণুকিংকৰ কলিতাই যি কটু মন্তব্য দিছে সেই সম্পৰ্কে এষাৰ লিখাটো উচিত বুলি বিবেচনা কৰিলোঁ।

প্ৰথমতে শ্ৰীকলিতাই প্ৰবন্ধটোৰ 'শিৰোনামাটোৱে কেনেবা কেনেবা লাগিছে" বুলি মন্তব্য দিছে। সেই 'কেনেবাটো' কি বস্তু শ্ৰীকলিতাই বুজাই দিয়া হ'লে কিজানি উপকৃতেই হ'লোহেঁতেন; কিন্তু নিদিলে। দ্বিতীয়তে শ্ৰীকলিতাই আশংকা কৰিছে এইবুলি—"ইয়াৰ পিছত কিজানি অসমলৈ অহা অসমীয়া হৈ যোৱা সকলো সম্প্ৰদায়ৰ অসমীয়া সাহিত্য-সংস্কৃতিলৈ দানৰ কথা যেনে: 'অসমীয়া সংস্কৃতিলৈ আহোম-সকলৰ দান, ব্ৰাহ্মণসকলৰ দান (তেওঁলোক কনৌজৰপৰা আহিছিল), মাৰোৱাৰীসকলৰ দান আদি শিৰোনামাৰেও প্ৰবন্ধ লিখিব। সাহিত্য ক্ষেত্ৰত সাহিত্যিকৰ কোনো সম্প্ৰদায় নাই।" এই সম্পৰ্কে শ্ৰীকলিতাক সুধিব খোজোঁ—এখন দেশ বা এটা জাতিলৈ কোনো সম্প্ৰদায় বা গোষ্ঠীৰ দানৰ বিষয়ে লিখিলে বা কোনো জৰীপ বা পৰ্যালোচনা কৰিলে মহাভাৰতখন কিবা অশুদ্ধ হৈ যায় নে'ক? তেনেহলে শ্ৰীকলিতাৰ মতে জাতি বা সম্প্ৰদায়বাচক সকলো কথাই (তেওঁৰ নামৰ উপাধিটোও) বাদ দিব লাগিব দেখোন? আৰু এনে হ'লে 'অসমৰ লোক-সংস্কৃতি,' 'আহোম জাতি আৰু অসমীয়া সংস্কৃতি,' 'বড়ো-কছাৰীৰ জন-সাহিত্য', 'গাৰো সংস্কৃতিৰ ৰূপৰেখা' আদি গ্ৰন্থ আৰু কোনো জাতি ধৰ্ম বা সম্প্ৰদায়ৰ নাম যুক্ত থকা প্ৰবন্ধ, আলোচনী, সংকলন, গৱেষণা-গ্ৰন্থ আদিও দেখোন বাজেয়াপ্ত কৰিব লাগিব; নহলে যে কলিতাৰ দৃষ্টিত ইয়াৰ লেখকসকলক সাম্প্ৰদায়িকতাৰ দোষে চুব? শ্ৰীকলিতাই 'ব্ৰাহ্মণসকলৰ দান' বুলি কৈ বন্ধনীৰ ভিতৰত "তেওঁলোক কনৌজৰপৰা আহিছিল" বুলি কোৱাৰ অৰ্থ কি বাৰু? নে মোক কিবা বুজাব খুজিছে? শ্ৰীকলিতাৰ দৰে পণ্ডিতজনে জনা উচিত আছিল যে আন বহুতৰ দৰে অসমৰ ব্ৰাহ্মণ, কায়স্থ আদি লোক কেৱল কনৌজৰপৰাই অহা নাই অন্য ঠাইৰপৰাও অসমলৈ আহিছে। অসমৰ উজ্জ্বল ৰত্নস্বৰূপ চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ উপৰিপুৰুষ সুদূৰ মাৰোৱাৰৰপৰা আহি অসমৰ ভাষা-সাহিত্য-সংস্কৃতিক আদৰি লোৱাৰ কথা যদি আমি নিঃসংকোচে, আনন্দমনে ক'ব পাৰোঁ, তেন্তে 'মাৰোৱাৰীসকলৰ দান'ৰ বিষয়ে লিখিলে কোনোবাই যদি নাক কোচায় তেন্তে তেওঁক মাৰোৱাৰী-বিদ্বেষী বুলি কি কোৱা যায়? শ্ৰীকলিতাৰ মতে "সাহিত্য ক্ষেত্ৰত সাহিত্যিকৰ কোনো সম্প্ৰদায় নাই।" তাৰ মানে অন্য ক্ষেত্ৰত সাহিত্যিকৰ সম্প্ৰদায় আছে নেকি, নে থাকিব লাগে?

'সম্প্ৰদায়' কথাটো শ্ৰীকলিতাৰ সম্পূৰ্ণ মনেসজা কথা বা তেওঁৰ সাম্প্ৰদায়িক ভাবাপন্ন মনৰ ভ্ৰান্ত

ধাৰণা মাথোন। কাৰণ, আমি তেনে কোনো ভাৱ লৈ প্ৰবন্ধটো লিখা নাছিলোঁ বা প্ৰবন্ধটোত তেনে ভাৱক প্ৰশ্ৰয়ো দিয়া নাই। শ্ৰীকলিতাই নিশ্চয় জানে যে আজি অসম ৰাজ্য ভাগি-ছিগি টুকুৰা-টুকুৰ হ'ল; অসমীয়া জাতিৰ অস্তিত্বও বিপদাপন্ন হৈছে। এনে অৱস্থাত অসমীয়াৰ মাজত জাতি, ধৰ্ম, ভাষা, সম্প্ৰদায় আদিৰ দোহাই দি পৰস্পৰৰ মাজত বিভেদৰ ভাৱ সৃষ্টি কৰাৰ কথাটো সুবিধাবাদী দেশ-দ্ৰোহীৰ বাহিৰে আন কোনো লোকে চিন্তা কৰিব নোৱাৰে। প্ৰবন্ধটোত আমি কেৱল উল্লিখিত বিষয়ে সাধাৰণ জৰীপ এটিহে কৰি চাইছিলোঁ; সেই কামত যদি আমাৰ অজ্ঞাতসাৰে কিবা বঢ়া-টুটা হৈছে, তেন্তে তাৰ কাৰণে পাঠকৰ ওচৰত নিশ্চয় ক্ষমা প্ৰাৰ্থনা কৰিম; কিন্তু দুখৰ কথা যে শ্ৰীকলিতাই প্ৰবন্ধটোৰ অলপো ভিতৰলৈ নগৈ কেৱল শিৰোনামা-টোক লৈয়ে নিজৰ সাম্প্ৰদায়িক মনোভাৱ প্ৰকাশ কৰা আৰু আমাক হেয় প্ৰতিপন্ন কৰাত ব্যস্ত থাকিল। তেওঁ আৰু লিখিছে 'এই প্ৰবন্ধটো যদি এজন মুছলমান ছাত্ৰই স্কুলৰ আলোচনীত লিখিলেহেঁতেন তেন্তে আমি তেওঁৰ পিঠিত চপৰিয়াই 'চাবাচ' দিলোহেঁতেন। ড° শৰ্মাই লিখাত আমাৰ নাক কোঁচহে খালে।" শ্ৰীকলিতাই মুছলমান ছাত্ৰকহে 'চাবাচ' দিয়ে; কিন্তু বেচেৰা হিন্দু বা খ্ৰীষ্টিয়ান ছাত্ৰই লিখিলে যে কি কৰিলেহেঁতেন? ইয়াতো তেওঁ মনত লুপ্ত হৈ থকা সাম্প্ৰদায়িক মনোবৃত্তিৰহে পৰিচয় দিছে।

মই বুজি পোৱা নাই—মোৰ কি লাজ লগা লিখা পঢ়ি শ্ৰীকলিতাৰ নাকটো কোঁচ খালে! আশাকৰোঁ শ্ৰীকলিতাই কথাটো বুজাই আমাক কৃতজ্ঞ কৰিব আৰু কোঁচখোৱা নাকটোও পোনাই ল'ব।

নীলা চশমা পিন্ধা মানুহে গোটেই পৃথিৱীখনকে নীলা দেখে; কিন্তু দেখাৰ লগতে যদি পৃথিৱীৰ সকলো বস্তু নীলা হৈ গ'ল বুলি ভাবে, তেন্তে উপায়? আৰু সেয়েহে বোধকৰো তেওঁ নিজেই "ঘৰে প্ৰতি ঘৈণী, খালে প্ৰতি যখিনী" দেখিছে।

সামৰণিত ক'ব খোজোঁ যে শ্ৰীকলিতাৰ এনে মনোবৃত্তিয়ে আমাৰ মাজত বিভেদৰ ইন্ধন যোগাব পাৰে, যি দেশৰ আৰু জাতিৰ কাৰণে সমূলি কাম্য নহয়। যেয়ে যি বস্তু দান নিদিয়ক তাক গ্ৰহণ কৰিলে মুকলি মনেৰে প্ৰকাশ কৰাটো যুগুত বুলি মই ভাবোঁ। আনৰ চকুত নপৰা লোকসকলকো লোকচক্ষুৰ আগলৈ আনি উৎসাহিত কৰাটো আমাৰ সকলোৰে কৰ্তব্য নহয় জানো? তেনে কৰিবলৈ সামান্যভাৱে হলেও মই চেষ্টা কৰাত শ্ৰীকলিতাৰ গা বেজবেজাই গৈছে কিয়? ড° বাণীকান্ত কাকতিয়ে দেখোন 'কলিতা জাতিৰ ইতিবৃত্ত' লিখি থৈ গৈছে। সেই ইতিবৃত্ত পঢ়িও কলিতাই নাক কোঁচাইছিল নেকি?

ড° হেমন্তকুমাৰ শৰ্মা
গুৱাহাটী

## অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

### কাৰ্য-নিৰ্বাহক সমিতিৰ ২য় অধিৱেশন
### ৩০ জুন আৰু ১ জুলাই, ১৯৭৯ চন, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী

উপস্থিত সদস্যসকল:
সৰ্বশ্ৰী অতুলচন্দ্ৰ বৰুৱা—সভাপতি, ৰজনীকান্ত দেৱশৰ্মা—উপসভাপতি, মহেশচন্দ্ৰ ভট্টাচাৰ্য—সচিব, ভাষাজ্ঞান পৰীক্ষা সংসদ, প্ৰফুল্ল ভট্টাচাৰ্য—কোষাধ্যক্ষ, পৰীক্ষিত হাজৰিকা—পত্ৰিকা সম্পাদক, কুমাৰ কিশোৰ, যতীন গোস্বামী, নগেন ৰায়, মহিম বৰা, উপেন দাস, নাৰায়ণ শৰ্মা, চিত্তৰঞ্জন চৌধুৰী, ৰবিকান্ত ৰায়, সুপ্ৰভা মেধি, প্ৰবীণ দাস, আজিজুৰ ৰহমান বৰভূঞা, এম, ইলিমউদ্দিন দেৱান, ভৃগুৰাম দাস, নিলিপদ চৌধুৰী সহকাৰী সম্পাদক (গুৱাহাটী), ৰমেন ৰাজখোৱা—সহকাৰী সম্পাদক (যোৰহাট), লীলা গগৈ—প্ৰধান সম্পাদক।

বিশেষভাৱে আমন্ত্ৰিত ব্যক্তি: অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, শ্ৰীনগেন শইকীয়া, শ্ৰীভদ্ৰকৃষ্ণ গোস্বামী, শ্ৰীগোবিন্দ মহন্ত, শ্ৰীনৰেন্দ্ৰনাথ শৰ্মা, শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, ড° সত্যেন্দ্ৰনাথ শৰ্মা; শ্ৰীবিনন্দ বৰ্মণ, শ্ৰীনন্দ তালুকদাৰ, ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীঅম্বিকাপদ চৌধুৰী, শ্ৰীপৰমেশ্বৰ শৰ্মা, শ্ৰীআনন্দেশ্বৰ শৰ্মা, শ্ৰীমুকুটেশ্বৰ শৰ্মা, শ্ৰীনৰেন্দ্ৰনাথ বৰদলৈ।

১। প্ৰধান সম্পাদকৰ অনুৰোধক্ৰমে সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। 'সভাত তলত দিয়া শোক প্ৰস্তাৱটি গৃহীত হয় আৰু এক মিনিট সময় মৌনভাৱে থিয় হৈ মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায়।

অসম সাহিত্য সভাৰ ১৯৭৯-৮০ চনৰ কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনে গভীৰ মৰ্ম ব্যথাৰে অনুভৱ কৰে—অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ বছৰৰ অধিৱেশনৰ সভাপতি, শংকৰী কলা-কৃষ্টি-সাহিত্যৰ গৱেষক, বিশিষ্ট শিক্ষাবিদ, সুসাহিত্যিক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ জীৱনাসনৰ লগে লগে অসম সাহিত্য সভা তথা অসমে এজন অমায়িক, ঋষিতুল্য সাহিত্য সাধকক হেৰুৱালে। সমিতিয়ে স্বৰ্গীয় লেখাৰুৰ সোঁৱৰণত শ্ৰদ্ধা নিৱেদন কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগতো কাৰ্য-নিৰ্বাহক সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু

শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

'অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি চন্দ্ৰকান্ত বৰকাকতি, চিত্ৰশিল্পী সুৰেন্দ্ৰনাথ বৰদলৈ, প্ৰখ্যাত হিন্দী সাহিত্যিক ড° হাজাৰীপ্ৰসাদ দ্বিবেদী, বৰগীতৰ ওজা দয়াল সূত্ৰধাৰ, জনশিল্পী বিক্ৰম সিং ইংহেন, অসমৰ প্ৰাক্তন উপমন্ত্ৰী, জনজাতীয় নেতা জয় জয় তেৰাং, চলচিত্ৰ প্ৰযোজক দ্বিজেন্দ্ৰনাৰায়ণ দেৱ, শিৱসাগৰৰ বিশিষ্ট নাগৰিক মনোৰঞ্জন বৰুৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জ্ঞাননাথ বৰাদেৱৰ পত্নী দুৰ্গেশ্বৰী বৰা, অভিনেতা—সাহিত্যিক কৰুণা গোস্বামী, গুৱাহাটীৰ নাগৰিক গোবিন্দৰাম কলিতা, বিনোদলাল বৰুৱা, গুৱাহাটীৰ বিবেকা ভড়ালী, শিল্পী প্ৰবীৰমল্ল বুজৰবৰুৱা, সংগীতজ্ঞ পণ্ডিত ড° ভি ৰাঘৱন, সভাৰ আজীৱন সভ্য যোৰহাটৰ বিশিষ্ট শিক্ষাবিদ গোলাপচন্দ্ৰ শাস্ত্ৰী।

৩। প্ৰধান সম্পাদকে যোৱা কাৰ্য-নিৰ্বাহকৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে আৰু তলত উল্লেখ কৰা সংশোধনীৰে সৈতে গৃহীত হয়।

৪। পূৰ্ববৰ্তী কাৰ্য-বিৱৰণিৰপৰা উত্থিত বিষয় সম্পৰ্কে প্ৰধান সম্পাদকে জনায়—

(ক) লক্ষীৰাম বৰুৱা ভৱনৰ বাবে ইতিমধ্যে এককলাপ টকা পোৱা হৈছে।

(খ) ৰঘুনাথ চৌধাৰী আৰু নীলমণি ফুকন জন্ম-শতবাৰ্ষিকী সমিতি গুৱাহাটী আৰু যোৰহাটত ইতি-মধ্যে গঠন কৰা হৈছে।

(গ) চন্দ্ৰকান্ত অভিধান ছপা কৈ ওলালে সভাৰ চুক্তি অনুসৰি শতকৰা ১০ খন পুথি অসম সাহিত্য সভাই লাভ কৰিবৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হ'ব।

(ঘ) কাৰ্যালয় সচিব পদৰ বাবে বিজ্ঞাপন অনুসৰি মাত্ৰ এখন আবেদন পোৱা হয়। সভাই পুনৰ বিজ্ঞাপন প্ৰচাৰ কৰিবলৈ দিহা কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

(ঙ) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ সংক্ৰান্ত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে আৰু নক্সা আৰু বিতং হিচাপ অতি সোনকালে দিব বুলি আশ্বাস দিছে।

সভাই সিদ্ধান্ত কৰে যে ভৱনৰ পুঁজিৰ আধা ধন ৯১ দিনীয়া ম্যাদী জমা হিচাপত আত্মীয়াকৈ বেংকত জমা ৰখা হওক।

প্ৰস্তাৱ :

"ৰাধাকান্ত সন্দিকৈ ভৱনৰ শিতানত এককলাপ টকা ৯১ দিনীয়া এটা ম্যাদী জমা হিচাপত অসম কো-অপাৰেটিভ এপেক্স বেংকত জমা ৰখা হওক। যথাসময়ত ব্যয়ৰ অৰ্থে ধনৰ প্ৰয়োজন নহ'লে উক্ত ধন জমা ৰখাৰ ম্যাদ পুনৰ বৃদ্ধি কৰা হওক। এই হিচাপ পৰিচালনা কৰিব প্ৰধান সম্পাদক আৰু কোষাধ্যক্ষই যুটীয়াভাৱে।"

(চ) প্ৰধান সম্পাদকে আলোচনা প্ৰসংগত পুঁজিৰ অৱস্থা টনকিয়াল নোহোৱাৰ কথা জনায়। শ্ৰীনাৰায়ণ শৰ্মাই পুঁজি সংগ্ৰহৰ অৰ্থে উপসমিতি গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

(ছ) সভাই প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে এখনি পুথি প্ৰকাশ কৰিবলৈ প্ৰকাশন উপসমিতিৰ যোগেদি এখন



আঁচনি চৰকাৰক দাখিল কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে। আঁচনিত এখন চেমিনাৰৰ আয়োজন কৰিবলৈকো সিদ্ধান্ত কৰা হয়।

(জ) প্ৰধান সম্পাদকে জনায় যে ১৯৭৯-৮০ চনৰ আঁচনি ইতিমধ্যে চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে।

(ঝ) প্ৰধান সম্পাদকে জনায় যে যোৱা কাৰ্য-নিৰ্বাহক সমিতিত গঠিত উপসমিতিসমূহৰ ইতিমধ্যে নিয়মীয়া বৈঠক অনুষ্ঠিত হৈছে আৰু সংশ্লিষ্ট কামত আগবাঢ়িছে।

(ঞ) প্ৰধান সম্পাদকে জনায় যে পত্ৰিকা নিয়ম মতে মে' মাহতে প্ৰকাশ হ'ব লাগিছিল; কিন্তু এতিয়াও প্ৰকাশ হোৱা নাই। পত্ৰিকা সম্পাদকে এই প্ৰসংগতে জনায় যে জুলাই মাহৰ প্ৰথম সপ্তাহতে পত্ৰিকা প্ৰকাশ হ'ব।

(ট) প্ৰধান সম্পাদকে জনায় যে ন-প্ৰতিভাৰ সন্ধানত শিশু-উপন্যাস প্ৰতিযোগিতাৰ বিষয়ে ইতি-মধ্যে বাতৰি কাকতৰ যোগে বিজ্ঞাপন প্ৰচাৰ হৈছে।

(ঠ) প্ৰধান সম্পাদকে জনায় যে লেখক শিবিৰ অনুষ্ঠিত কৰা সম্পৰ্কে ডিব্ৰুগড়ৰপৰা কোনো আটোম সম্বিধান পোৱা নাই।

এই প্ৰসংগত শ্ৰীনাৰায়ণ শৰ্মাই জনায় যে—কাৰ্য-নিৰ্বাহকে বান্ধি দিয়া সময় অনুসৰি ডিব্ৰুগড়ত লেখক-শিবিৰ অনুষ্ঠিত কৰিবলৈ ব্যৱস্থা কৰা হ'ব।

(ড) প্ৰধান সম্পাদকে জনায় যে ডিগবৈত ১১ জুলাইৰপৰা ৭ দিনীয়াকৈ শিশু সাহিত্য ৰচনাৰ কৰ্মশালা আয়োজন কৰিবলৈ দিহা কৰা হৈছে আৰু ডিগবৈ সাহিত্য সেৱা সমিতিয়ে অভ্যৰ্থনা জনাবলৈ দিহা কৰিছে।

সভাই ড° সত্যেন্দ্ৰনাথ শৰ্মাক সঞ্চালক আৰু অধ্যাপক নগেন শইকীয়াক উপ-সঞ্চালক হিচাপে মনোনীত কৰে আৰু সঞ্চালকক ৩০০'০০ টকা আৰু ২০০'০০ টকাৰ দুটি মাননি দিবলৈ সিদ্ধান্ত কৰে।

শ্ৰীনগেন শইকীয়াই কৰ্মশালাৰ আঁচনি উত্থাপন কৰে আৰু সভাই গ্ৰহণ কৰে। শ্ৰীশইকীয়াই অসমৰ জন-জাতীয় ভাষা-ভাষী লোকৰ সাহিত্য অনুষ্ঠান-সমূহৰ একোজন প্ৰতিনিধি নিমন্ত্ৰণ কৰাৰ পৰামৰ্শ জনায় আৰু সভাই এই পৰামৰ্শ গ্ৰহণ কৰে।

(ঢ) প্ৰধান সম্পাদকে সভাপতিৰ বাসভৱনত টেলিফোন সংযোগ সংক্ৰান্তত জনায় যে—২৪।৩।৭৯ তাৰিখৰ কাৰ্য-নিৰ্বাহকত ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ২৬৭৭৬ নং টেলিফোনৰ সংযোগ সম্প্ৰসাৰিত কৰিবলৈ সিদ্ধান্ত কৰা হৈছিল; কিন্তু সভাপতিয়ে এটা টেলিফোন লোৱা বুলি জনায়।

(ণ) ৰাজ্য ভাষা দিৱস যথানিয়মে পালন কৰা হয় আৰু ইতিমধ্যে শাখাসভাসমূহৰপৰা প্ৰতিবেদন পোৱা হৈছে।

(ত) প্ৰধান সম্পাদকে জনায় যে শ্ৰীযতীন গোস্বামীৰ "কাৰ্যালয়ৰ হাতপুথি"ৰ পুনৰীক্ষণৰ প্ৰতিবেদন পোৱা হোৱা নাই।

৫। প্ৰধান সম্পাদকে প্ৰকাশন উপ-সমিতিৰ প্ৰতিবেদন

উত্থাপন কৰে। এই সংক্ৰান্তত প্ৰধান সম্পাদকে শ্ৰীযতীন গোস্বামীয়ে লিখা চাৰু পুথিখনৰ প্ৰকাশ নিয়ম অনুসৰি হোৱা নাই। উপ-সভাপতি শ্ৰীৰজনীকান্ত দেৱশৰ্মাই জনায় যে প্ৰয়োজনৰ বাধ্য বাধকতাত পৰিহে পুথিখন ছপাবলৈ বাস্তিক ভাষা-শিক্ষা উপসমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। কাৰ্যনিৰ্বাহক সভাৰ অনুমোদন সাপেক্ষে এই সিদ্ধান্ত কৰা হৈছিল। এতেকে কাৰ্য-নিৰ্বাহক সভাই অনুমোদন জনাব লাগে। সভাই সিদ্ধান্ত গ্ৰহণ কৰে যে সভাৰ প্ৰকাশন নিয়মসন্মত-ভাৱে প্ৰকাশ হ'ব লাগে। কিন্তু পৰিস্থিতিৰ প্ৰয়োজনীয়তা বুজি শ্ৰীযতীন গোস্বামীৰ পুথিখনৰ প্ৰকাশত অনুমোদন জনোৱা হওক। আৰু এই সম্পৰ্কত প্ৰধান সম্পাদকক আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দায়িত্ব দিয়া হওক।

৬। ভাষাজ্ঞান উপসমিতিৰ প্ৰতিবেদন সংসদৰ সচিব শ্ৰীমহেশ ভট্টাচাৰ্যই পাঠ কৰে। সভাই কোনো স্তৰৰ পৰীক্ষা পৰীক্ষাৰ্থী ৫ জনতকৈ কম হ'লেও সেই কেন্দ্ৰত সেই স্তৰৰ পৰীক্ষাৰ কেন্দ্ৰ মঞ্জুৰ কৰিব লাগে আৰু কেন্দ্ৰ পৰিচালনাৰ মাচুল কেন্দ্ৰক পোনপটীয়াকৈ সংগ্ৰহ কৰিবলৈ নিদি পৰীক্ষাৰ মাচুলৰ লগতে সংগ্ৰহ কৰি কেন্দ্ৰলৈ পঠাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিবে যোৱা ১৯৭৮ চনৰ ভাষাজ্ঞান পৰীক্ষাৰ ফলাফল তলত দিয়া দৰে দাঙি ধৰে। সভাই অনুমোদন জনায়।

(১) প্ৰাথমিক স্তৰ : মুঠ পৰীক্ষাৰ্থী—২৪৩ জন। উত্তীৰ্ণ হৈছে ১২৬ জন। উত্তীৰ্ণৰ হাৰ ৫১'৮০।

(২) মাধ্যমিক স্তৰ : মুঠ পৰীক্ষাৰ্থী—২৫৫ জন। উত্তীৰ্ণ হয়—১৭০ জন। উত্তীৰ্ণৰ হাৰ ৬৬।

(৩) প্ৰাক্‌ভাৰতী স্তৰ : মুঠ পৰীক্ষাৰ্থী—১৩৮ জন। উত্তীৰ্ণ হয়—৫১ জন। উত্তীৰ্ণৰ হাৰ ৩৭।

(৪) ভাৰতীয় স্তৰ : মুঠ পৰীক্ষাৰ্থী—৩১ জন। উত্তীৰ্ণ হয় ৩ জন।

৭। ড° নিশিপদ চৌধুৰীয়ে লক্ষীৰাম বৰুৱা ভৱন সমিতিৰ প্ৰতিবেদন পাঠ কৰে। এই প্ৰসংগত প্ৰকাশ পায় যে ভগৱতী প্ৰসাদ বৰুৱা ভৱন চৌহদৰ মাটিখিনি এতিয়াও অসম সাহিত্য সভাৰ নামত নামজাৰি হোৱা নাই।

সভাই সভাৰ দখলত থকা ২ কঠা ৫ লোচা মাটি নামজাৰিৰ বাবে যোগাযোগ কৰিবলৈ সহকাৰী সম্পাদকক ভাৰ দিয়ে।

(ক) লক্ষীৰাম বৰুৱা ভৱন নিৰ্মাণ সমিতিত (১) শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, (২) শ্ৰীঅতুলচন্দ্ৰ বৰুৱা,

(৩) শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাক উপদেষ্টা হিচাপে মনোনয়ন দিয়া হওক।

(খ) লক্ষীৰাম বৰুৱা ভৱন নিৰ্মাণ সমিতিৰ বাবে গুৱাহাটীৰ অসম কো-অপাৰেটিভ এপেক্স বেংকত এটা হিচাপ খোলা হওক। উক্ত হিচাপ নিৰ্মাণ সমিতিৰ সম্পাদক আৰু কোষাধ্যক্ষই যুটীয়াভাৱে পৰিচালনা কৰিব।

(গ) নিৰ্মাণ সমিতিৰ সম্পাদকৰ প্ৰয়োজনপত্ৰৰ ভিত্তিত ধন সাধাৰণ পুঁজিৰপৰা নিৰ্মাণ সমিতিৰ পুঁজিলৈ স্থানান্তৰিত হ'ব।

(ঘ) লক্ষীৰাম বৰুৱা ভৱনৰ বাবে পোৱা দান স্বীকাৰ



কৰি দাতাক এখনি ধন্যবাদসূচক পত্ৰ দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

৮। সহকাৰী সম্পাদক অমল ৰাজখোৱাই ৰাধাকান্ত সন্দিকৈ ভৱন সমিতিৰ প্ৰতিবেদন পাঠ কৰে আৰু সভাই উক্ত প্ৰতিবেদনৰ পৰামৰ্শাৱলীৰ অনুমোদন জনায়।

৯। বাস্তিক ভাষা প্ৰশিক্ষণ উপ-সমিতিৰ প্ৰতিবেদন সহকাৰী সম্পাদক ড° নিশিপদ চৌধুৰীয়ে পাঠ কৰে। ১০।৬।৭৯ তাৰিখৰ উপসমিতিৰ ৭নং পৰামৰ্শ অনুসৰি ড° নিশিপদ চৌধুৰীয়ে পৰীক্ষাৰ পৰিচালনাৰ বাবে ভ্ৰমণ আৰু আনুসংগিক ব্যয়ৰ হিচাপত ২০০'০০ (দুশ) টকা মঞ্জুৰ কৰা হওক।

(ক) ভাষাজ্ঞান প্ৰশিক্ষণৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ আৰম্ভ কৰিবলৈ শিক্ষক নিযুক্তিৰ বাবে যাৱতীয় ব্যৱস্থা কৰিবলৈ আহ্বায়ক শ্ৰীৰজনীকান্ত দেৱশৰ্মাক দায়িত্ব দিয়া হওক।

(খ) বাস্তিক ভাষা প্ৰশিক্ষণৰ বাবে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অভিজ্ঞ শিক্ষককো নিযুক্তি দিবলৈ বাট মুকলি ৰখা হওক।

১০। ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া 'অসমৰ জনজাতি আৰু অসমীয়া সংস্কৃতি' বিষয়ৰ লেখক-শিবিৰত সঞ্চালক হিচাপে শ্ৰীৰজনীকান্ত দেৱশৰ্মাক মনোনীত কৰা হওক।

১১। বাস্তিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত বে-চৰকাৰী বিভাগ, ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিত এতিয়াও ইংৰাজী ভাষা চলি থকাত সভাই ক্ষোভ প্ৰকাশ কৰে আৰু অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনাবলৈ সিদ্ধান্ত কৰে। দ্বিতীয়তে, বিভিন্ন বিভাগৰ প্ৰ-পত্ৰসমূহ অসমীয়া ভাষাৰে যোগান ধৰিবলৈ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰিবলৈ আৰু সকলো দিশ উত্থাপন কৰিবলৈ এটি সঁজাতী দল পঠাবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

১২। সাহিত্য সভাই কি কৰিব লাগে এই সিদ্ধান্তত আহ্বান জনোৱা পৰামৰ্শাৱলী যুক্তাই দিয়া প্ৰতি-বেদন সহকাৰী সম্পাদক অমল ৰাজখোৱাই উত্থাপন কৰে।

পৰামৰ্শাৱলীৰ যিখিনি নিয়মাৱলীৰ অন্তৰ্গত আৰু যিখিনি সাহিত্য সভাৰ লক্ষ্য আৰু আদৰ্শৰ বহিৰ্ভূত, সেইখিনি বাদ দি বাকীখিনি পৰামৰ্শ সভাই গ্ৰহণ কৰে আৰু সেইখিনি জুকিয়াই উলিয়াই কাৰ্যকৰী কৰিবলৈ দিহা কৰিবৰ বাবে পৰামৰ্শ আগবঢ়ায়।

১৩। ৪৭ তম অধিৱেশনৰ সভাপতিৰ বাবে নাম প্ৰস্তাৱ কৰা হয় আৰু সভাই ক্ৰম অনুসৰি আঠোটা নামত অনুমোদন জনায়। (এই আঠোটা নাম গোপনীয়ভাৱে নথিভুক্ত কৰা হৈছে।)

১৪। প্ৰধান সম্পাদকে ১৯৭৮-৭৯ চনৰ পৰীক্ষিত হিচাপ আৰু হিচাপ পৰীক্ষকৰ টোকা উত্থাপন কৰে আৰু সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

১৫। প্ৰধান সম্পাদকে ১৯৭৯-৮০ চনৰ বাবে বাজেট (প্ৰস্তাৱিত আয়-১০৭১৩৬৬'২১, প্ৰস্তাৱিত ব্যয় ১০৯৭৮৬৭'৮০, ঘাটি- ২৬,৫০১'৫৯ টকা) উত্থাপন কৰে। সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

১৬। সভাৰ প্ৰাক্তন সভাপতি উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ স্মৃতিত এখনি গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সম্পাদনা কৰিবলৈ শ্ৰীভবপ্ৰসাদ ৰাজখোৱাক

আৰু শ্ৰীমৰলে অপাৰগতা দৰ্শালে শ্ৰীদুৰ্গেশ্বৰ শৰ্মাক অনুৰোধ জনোৱা হওক।

১৭। নীলমণি ফুকন গ্ৰন্থাৱলীৰ সম্পাদনাৰ কাম কৰিবলৈ শ্ৰীনন্দ তালুকদাৰে অপাৰগতা প্ৰকাশ কৰাত শ্ৰীউপেন্দ্ৰনাথ বৰকটকীক অনুৰোধ কৰিবলৈ সিদ্ধান্ত কৰা হয়।

১৮। আগন্তুক ৪৭ তম্ বহা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সদস্য আৰু বিষয়ববীয়াসকলৰ নাম সভাত উত্থাপন কৰে আৰু উক্ত অভ্যৰ্থনা সমিতিক কাম-কাজ চলাই যাবলৈ অনুৰোধ জনায়।

১৯। (ক) আজীৱন সভ্য হিচাপে তলত নাম দিয়া লোকসকলক স্বীকৃতি দিয়া হওক।

১) শ্ৰীমনোৰমা ৰবগোহাঞি ডিব্ৰুগড়,
২) ডাঃ মথুৰানাথ ভট্টাচাৰ্য—ডিব্ৰুগড়,
৩) শ্ৰীকমলকিশোৰ জৈন—ডিব্ৰুগড়,
৪) শ্ৰীৰামগোপাল মোদী—ডিব্ৰুগড়,
৫) শ্ৰীবসন্ত বৰুৱা — বহা,
৬) ডাঃ তৰুণচন্দ্ৰ বৰঠাকুৰ—ডিপলিং বাগিচা,
৭) শ্ৰীশশাংক শেখৰ ভট্টাচাৰ্য—গুৱাহাটী,
৮) বিমলাকান্ত বৰুৱা,
৯) শ্ৰীখগেন্দ্ৰনাথ দাস।

খ) তলত নাম দিয়া সভাসমূহক অসম সাহিত্য সভাৰ স্বীকৃত সভাৰূপে দিয়া স্বীকৃতি হয়।

(১) পূৰ্বজ্যোতি মিলিত যুৱক সমাজ, হাতীয়েখোৱা, গোলাঘাট।

২০। সংগঠনৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলা পৰিষদৰ যোগেদি সংগঠন সক্ৰিয় কৰি তুলিবলৈ সিদ্ধান্ত কৰা হয়। এই প্ৰসংগতে সভাই কৰা কামৰ বিৱৰণ দি প্ৰচাৰ পত্ৰিকা প্ৰকাশ কৰিবলৈকো সিদ্ধান্ত কৰা হয় আৰু শ্ৰী নগেন শইকীয়াক ভাৰ দিয়া হয়।

ক) সংগঠনৰ বিষয়ে এখনি বিস্তৃত আঁচনি কৰিবলৈ তলত নাম দিয়া লোকসকলৰ দ্বাৰা এখন সমিতি গঠন কৰা হওক।

প্ৰধান সম্পাদক, শ্ৰীনগেন শইকীয়া, শ্ৰীযতীন গোস্বামী, শ্ৰীকুমাৰ কিশোৰ।

২১। প্ৰধান সম্পাদকে বাজেট উত্থাপন প্ৰসংগত সভাৰ পুঁজিৰ অৱস্থা নিশটকীয়া হোৱাৰ কথা উল্লেখ কৰাত সভাই এটকীয়া কুপন ছপাই বিক্ৰী কৰি ধন সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

২২। সভাই ৰঘুনাথ চৌধাৰী আৰু নীলমণি ফুকনৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপনৰ বিষয়ে আলোচনা কৰে আৰু সভাই শতবাৰ্ষিকী উৎসৱ সফলভাৱে পালন কৰিবলৈ দিহা কৰিবৰ বাবে উৎসৱ সমিতিক আহ্বান জনায় আৰু সমিতি গুথনলৈ অনুমোদন জনায়। শ্ৰীনগেন শইকীয়াৰ পৰামৰ্শ অনুসৰি নীলমণি ফুকন জন্ম-শতবাৰ্ষিকী ডিব্ৰুগড়তো কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

২৩। আঁহতগুৰি চাৰিআলি আঞ্চলিক সাহিত্য সভাই বেজবৰুৱা স্মৃতি সংৰক্ষণ সম্পৰ্কে দিয়া আঁচনি আৰু অনুৰোধ সভাত প্ৰধান সম্পাদকে উত্থাপন কৰে।

সভাই এই বিষয়ে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ আঁহতগুৰি সাহিত্য সভাক জনাবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়ে।



সভাই আঁহতগুৰিয়েই বেজবৰুৱাৰ জন্মস্থান বুলি পূৰ্বতে দিয়া উপসমিতিৰ সিদ্ধান্তকে চূড়ান্ত বুলি বিবেচনা কৰে আৰু নতুনকৈ মতামত আহ্বান কৰাৰ প্ৰয়োজনীয়তা নাই বুলি অনুভৱ কৰে।

২৪। শ্ৰীযতীন গোস্বামীৰ চিঠি সভাত পাঠ কৰা হয়। সভাই সাধাৰণ আৰু বিত্তীয় উপবিধি ৰচনা কৰি কাৰ্যনিৰ্বাহকত দাখিল কৰিবলৈ শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীযতীন গোস্বামী আৰু শ্ৰীকুমাৰ কিশোৰক ভাৰ দিয়ে।

সমিতিয়ে উপবিধি কাৰ্যনিৰ্বাহকত উত্থাপন কৰিবৰ বাবে প্ৰধান সম্পাদকৰ ওচৰত দাখিল কৰিব।

(ক) পুথিবিক্ৰী সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰি সভাই কাৰ্যালয় সচিবৰ যোগেদি পুথিবিক্ৰীৰ দিহা কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হওক।

২৫। শ্ৰীকৰুণাকান্ত বৈশ্যৰ আবেদন অনুযায়ী চলিত নীতি-নিয়মৰ ভিত্তিত পুথি বিক্ৰীৰ অভিকৰ্তা হিচাপে নিযুক্তি দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৬। 'বাৰকুৰি বৰগীত আৰু তেৰকুৰি চিয়া' গ্ৰন্থখনত লিখা শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ সম্পৰ্কে অহা চিঠি-পত্ৰ আৰু বাতৰি কাকতৰ টোকা আদি প্ৰধান সম্পাদকে উত্থাপন কৰে।

সভাই বিবেচনা কৰে যে শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই ব্যক্তিগতভাৱে লিখা উক্ত প্ৰবন্ধৰ লগত অসম সাহিত্য সভা কোনোপধ্যে জড়িত নহয়। সভাই পত্ৰলেখকসকলক শ্ৰীবৰুৱাৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ অনুৰোধ জনায়।

২৭। প্ৰধান সম্পাদকে সমিতিক জনায় যে অনেক ক্ষেত্ৰত প্ৰধান সম্পাদকৰ অজ্ঞাতেই কিছু চিঠি-পত্ৰৰ যোগাযোগ হয়। গতিকে সমিতিয়ে ইয়াৰ নীতি নিৰ্ধাৰণ কৰি দিব লাগে।

শ্ৰীনগেন শইকীয়াই কয় যে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু আনুসংগিক কাৰ্যালয় প্ৰধান সম্পাদকৰ অধীনত চলিব লাগে—ই নিয়মাৱলীৰ নিৰ্দেশ। গতিকে সভাৰ সকলো প্ৰকাৰৰ কাম-কাজ প্ৰধান সম্পাদকৰ জ্ঞাতে আৰু প্ৰধান সম্পাদকৰ নামত হ'ব লাগে।

সমিতিয়ে পৰামৰ্শ গ্ৰহণ কৰে আৰু নিয়মানুযায়ী সভাৰ সকলো কাম-কাজ যাতে হয় তাৰ প্ৰতি চকু দিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

২৮। কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যবিৱৰণি বহীৰ পাত শেষ হোৱাত এখন নতুন বহী ল'বলৈ প্ৰধান সম্পাদকক জনোৱাত সভাই অনুমোদন জনায়।

২৯। যোৰহাট আৰু গুৱাহাটী কাৰ্যালয়ৰ কৰ্মচাৰী-সকলে দিয়া আবেদন প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু ইয়াক কাৰ্যকৰী কৰা সম্পৰ্কে পৰীক্ষা কৰি চাবলৈ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমতী অৰুণা গোঁহাই আৰু শ্ৰীঅমল ৰাজখোৱাক সভাই অনুৰোধ জনায়।

৩০। সমিতিয়ে জিলা পৰিষদৰ সভাপতি আৰু সম্পাদকসকলৰ সভা আয়োজন কৰিবলৈ অনুমোদন জনায়।

৩১। সভাত অসমৰ জাতীয় উৎসৱ বিহুৰ এটি শুভেচ্ছাবাণী ডাক-তাঁৰ বিভাগে অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনায়।

৩২। প্ৰাক্তন সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাৰ চিঠি

সভাপতিয়ে উত্থাপন কৰে। সভাই পিছৰ অধিৱেশনত বিবেচনা কৰিবলৈ স্থগিত ৰাখে।

৩৩। প্ৰধান সম্পাদকে শ্ৰীসুশীল ৰায়ৰ চিঠি উত্থাপন কৰে আৰু বৰ্তমান আঁচনিত তেনে গ্ৰন্থ অন্তৰ্ভুক্ত নকৰাত পূৰ্বৰ সিদ্ধান্তকে বাহাল ৰাখে।

৩৪। কাৰ্যনিৰ্বাহক সমিতিয়ে দেশৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি তলৰ প্ৰস্তাৱকেইটি সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে।

১ম প্ৰস্তাৱ : 'অসম সাহিত্য সভাই উদ্বেগেৰে লক্ষ্য কৰিছে যে-সভাই ১৯৭৮ চনৰ জুলাই মাহৰপৰা অসম চৰকাৰক, অসমলৈ ঘটা দেশ-বিদেশৰ বহিৰাগতৰ প্ৰব্ৰজনৰ সোঁত বন্ধ কৰি অসমলৈ থলুৱা লোকক অৰ্থনৈতিক আৰু সাংস্কৃতিক সংকটৰপৰা ৰক্ষা কৰিবলৈ সকিয়াই অহা সত্বেও কাৰ্যতঃ যোৱা এটা বছৰে কোনো পন্থা অৱলম্বন কৰা নাই বৰং বিভিন্ন স্বাৰ্থ স্বাৰ্থই ভুৱা প্ৰমাণ-পত্ৰ দিয়াৰ, বহিৰাগতক ৰক্ষণাবেক্ষণ দিয়াৰ আৰু দৈনিক হাজাৰ বিজাৰ বহিৰাগতক অবাধ প্ৰব্ৰজনৰ সুযোগ দিয়াৰ খাতুৰি প্ৰকাশ হ'ব ধৰিছে। তদুপৰি কোনো চক্ৰই কোনো কোনো ঠাইত থলুৱা লোকক বহিৰাগত বুলি দেখুৱাই এটা উত্তেজনা সৃষ্টি কৰি, তাৰ ভিত্তিত প্ৰকৃত বহিৰাগত-বহিষ্কৰণৰ কাৰ্য বন্ধ কৰাবলৈ দাবী তোলাৰৰ বাবে অভিসন্ধিও চলাব পাৰে বুলি সন্দেহ হ'বৰ উপক্ৰম হৈছে। এনেবোৰ অভিসন্ধিমূলক কাৰ্যই অসমৰ জনগাঁথনিৰ পৰিবৰ্তন সাধন কৰি থলুৱা লোকৰ অস্তিত্বক বিপন্ন কৰি তুলিছে। এনে পটভূমিত সভাই পুনৰ দাবী কৰে— প্ৰথমে, ১৯৭১ চনৰ পিছত সোমোৱা দেশ-বিদেশৰ বহিৰাগতক বহিষ্কাৰ কৰিবলৈ ৰাজ্য চৰকাৰে তুৰন্তে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰক আৰু প্ৰয়োজন হ'লে তেনে লোকক নিজ দেশ বা ৰাজ্যলৈ ঘুৰাই নি পুনৰ্বাসন দিয়াবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাওক। তদুপৰি প্ৰব্ৰজনৰ সোঁত বন্ধ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰৰপৰা প্ৰয়োজনীয় ৰক্ষা-কৱচ আদায় কৰক।

২য় প্ৰস্তাৱ : অসম সাহিত্য সভাই লক্ষ্য কৰিছে যে— অনা-অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ প্ৰচেষ্টা ক্ৰমে বাঢ়ি আহিছে। ইয়াৰদ্বাৰা পূৰ্বতে আহি থিতাপি লোৱা বহিৰাগতৰ ল'ৰা-ছোৱালী-বিলাককো থলুৱা অসমীয়া সমাজৰ লগত মিলি যোৱাত বাধাৰ সৃষ্টি কৰা হৈছে আৰু ঠায়ে ঠায়ে ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষিক উপনিৱেশ গঢ়ি তোলা হৈছে। সভাই পূৰ্বৰ প্ৰস্তাৱৰ ভিত্তিত পুনৰ দাবী কৰে -

(১) অনা-অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন ৰোধ কৰক আৰু প্ৰয়োজন হলে যিসকলৰ মাতৃভাষা অসমীয়া নহয়, তেনে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ মাতৃভাষা এটা বিষয় হিচাপে শিকোৱাৰ ব্যৱস্থা ৰাখক।

(২) ৰাজ্য ভাষাবৰ্ষৰ ভিতৰতে অসমীয়া ভাষাৰ প্ৰয়োগ সকলো স্তৰৰ সকলো কাম-কাজত সম্পূৰ্ণ কৰি তোলক।

(৩) চাহ আৰু অন্যান্য উদ্যোগ প্ৰধান ঠাই, চৰ অঞ্চল, অনুন্নত গ্ৰাম্যাঞ্চলত অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপনেৰে জনসাধাৰণক উপযুক্তভাৱে শিক্ষিত কৰি তোলাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰক; কিন্তু অসমৰ থলুৱা জনজাতি সমূহৰবিকাশ যাতে বাধাগ্ৰস্ত নহয় তাৰ প্ৰতিও চকু ৰাখিব লাগিব।

৩য় প্ৰস্তাৱঃ অসম সাহিত্য সভাই দাবী কৰে যিবোৰ প্ৰতিক্ৰীয়াশীল চক্ৰই অসমৰ, অসমৰ থলুৱা লোকৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ বিৰুদ্ধাচৰণ কৰাৰ যত্ন কৰিছে, তেনে চক্ৰক কঠোৰ হাতেৰে দমন কৰি ৰাজ্যখনৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক



অৱস্থাক ৰাজ্য চৰকাৰে সুসংহত কৰাৰ যত্ন কৰক। সভাই লক্ষ্য কৰিব-অসমৰ জনসাধাৰণৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক অস্তিত্বৰ লগত অতিশয় নিবিড়ভাৱে জড়িত সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে তেনে ব্যৱস্থা গ্ৰহণ কৰে। সভাই সকিয়াই দিয়ে যে চৰকাৰৰ উদাসীনতা বা অপাৰগতাই অসমৰ থলুৱা লোকক আপোন অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনত নামিবলৈ বাধ্য কৰিব।"

৩৬। প্ৰধান সম্পাদকে ধন্যবাদ জ্ঞাপন কৰাৰ অন্তত সভা ভংগ হয়।

| | |
|---|---|
| স্বাঃ শ্ৰীলীলা গগৈ | স্বাঃ শ্ৰীঅতুলচন্দ্ৰ বৰুৱা |
| প্ৰধান সম্পাদক, | ১।৭।৭৯ |
| অসম সাহিত্য সভা | সভাপতি। |

—০—

## ধ] অসম সাহিত্য সভাৰ কৰ্ম পৰিষদ
[ এটি চমু প্ৰতিবেদন ]

যোৱা ১০ অক্টোবৰ '৭৯ তাৰিখে যোৰহাটত বহা অসম সাহিত্য সভাৰ ১৯৭৯-৮০ চনৰ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বিতীয় বৈঠকত অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম সাহিত্য সভাৰ কৰ্ম পৰিষদ গঠন কৰা হয়। এই সম্পৰ্কে সভাই এই প্ৰস্তাৱটি গ্ৰহণ কৰে।

১। "বিদেশী নাগৰিকৰ সমস্যা সম্পৰ্কত অসম সাহিত্য সভাই সভাৰ পক্ষৰপৰা ল'বলগীয়া আৰু ল'ব পৰা ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ দিবলৈ তলৰ নাম দিয়া ব্যক্তিসকলক লৈ এখন কৰ্ম পৰিষদ গঠন কৰি দিয়ে। প্ৰয়োজন বুজি সমিতিয়ে কাৰ্য ব্যৱস্থাৰ স্তৰ বিভাজন কৰি দিয়ে। এই সম্পৰ্কত অসমত একে উদ্দেশ্যৰে গঠিত সংগঠনৰ লগত যোগাযোগ কৰি তেনে সংগঠনৰ প্ৰস্তাৱিত কাৰ্য-সূচীৰ বিষয়ে প্ৰধান সম্পাদকৰ অৱগত লৈ ল'ব।

সমিতিৰ সদস্যসকল হ'ল: শ্ৰীঅতুলচন্দ্ৰ বৰুৱা (সভাপতি), শ্ৰীলীলা গগৈ (প্ৰধান সম্পাদক), ড° নিৰুপদ চৌধুৰী (সহকাৰী সম্পাদক), শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীযতীন গোস্বামী, শ্ৰীনগেন শইকীয়া, শ্ৰীমহিম বৰা, শ্ৰীযতীন্দ্ৰনাথ বেজবৰুৱা, এম, ইলিয়ুদ্দিন দেৱান, শ্ৰীচিত্তৰঞ্জন চৌধুৰী আৰু শ্ৰীঅমল ৰাজখোৱা (সহকাৰী সম্পাদক আৰু কৰ্ম পৰিষদৰ আহ্বায়ক)। পৰিষদৰ দ্বিতীয় বৈঠকে শ্ৰীদেউৰাম তাহাক অন্যতম সদস্য হিচাপে মনোনীত কৰে।"

বৰ্তমানলৈকে পৰিষদৰ ৫ খন বৈঠক বহে—প্ৰথম বৈঠক ১১।১০।৭৯ তাৰিখে যোৰহাটত, ২৫।১০।৭৯ তাৰিখে দ্বিতীয় বৈঠক গুৱাহাটীত, তৃতীয় বৈঠক ডিব্ৰুগড়ত ১০।১১।৭৯ তাৰিখে, চতুৰ্থ বৈঠক ২১ আৰু ২২ নৱেম্বৰত গুৱাহাটীত আৰু নগাঁৱত ২৯ ডিচেম্বৰ তাৰিখে পঞ্চম বৈঠক বহে।

প্ৰথম বৈঠক ১১।১০।৭৯

এই বৈঠকত গৃহীত সিদ্ধান্ত হ'ল:

(১) গোটেই ৰাজ্যৰ ক্ষেত্ৰত সংগঠনৰ সুবিধাৰ বাবে তিনিটা ভাগত ভাগ কৰি প্ৰতি ভাগতে তিনিজন পূৰ্ণকালীন কৰ্মনিয়োগৰ ব্যৱস্থা কৰিব। আঞ্চলিক গোটসমূহ হ'ল:

গুৱাহাটী—কামৰূপ গোৱালপাৰা, আৰু দৰং জিলাৰ একাংশ।

নগাঁও—নগাঁও, দৰং জিলাৰ একাংশ, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা।

ডিব্ৰুগড়—ডিব্ৰুগড়, শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা।

এই তিনিটা গোটৰ কেন্দ্ৰীয় কাৰ্যালয় হ'ব যোৰহাট আৰু পৰিষদৰ আহ্বায়কে তাক নিয়ন্ত্ৰিত কৰিব। টকা-পইচাৰ ক্ষেত্ৰত প্ৰধান সম্পাদকৰ যোগেদি হ'ব। আঞ্চলিক গোটসমূহে প্ৰতি সপ্তাহে সপ্তাহে কামৰ অগ্ৰগতি আৰু বিশেষ সমস্যাসমূহৰ কথা কেন্দ্ৰীয় কাৰ্যালয়ক অৱগত কৰাব।





(২) তৎকালীন সমস্যাৰ ক্ষেত্ৰত আঞ্চলিক গোটসমূহে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(৩) প্ৰথম বৈঠকৰ গৃহীত সিদ্ধান্ত অনুসৰি বৰ্তমান পৰিস্থিতিত বিদেশী নাগৰিকৰ ব্যাখ্যা দাঙি ধৰি সমূহ অসমীয়া লোকৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ঐক্যবদ্ধ হৈ আন্দোলনত সহযোগ কৰিবৰ বাবে এখন প্ৰচাৰ পত্ৰ প্ৰকাশ কৰা হয়। এই প্ৰচাৰ পত্ৰ কোনো কোনো শাখাসভাই ছপাই বহল ভিত্তিত বিতৰণ কৰে। যোৰহাট সংগ্ৰাম পৰিষদে তাৰ হিন্দী অনুবাদ কৰি ভাৰতৰ বিভিন্ন অঞ্চললৈ বিতৰণ কৰে।

দ্বিতীয় বৈঠক ২১-২২ নৱেম্বৰ:

(১) নগাঁৱত, নগাঁও জিলা সাহিত্য পৰিষদৰ উদ্যোগত নগাঁও কৰ্ম'পৰিষদ' গঠন কৰা হয়। এই সম্পৰ্কত 'কৰ্ম পৰিষদে' প্ৰস্তাৱ লয় যে—

'কৰ্ম' পৰিষদৰ দ্বিতীয় বৈঠকে নগাঁও জিলা কৰ্ম' পৰিষদৰ দৰে অন্য অঞ্চলতো সাহিত্য সভাৰ শাখা-সভা বা জিলা পৰিষদে এনে কৰ্ম'পৰিষদ গঠন কৰিলেও তাত সাহিত্য সভাৰ সদস্য থাকিব লাগিব। এনে কৰ্ম' পৰিষদে সংগ্ৰহ কৰা দান-বৰঙণি আৰু কামৰ প্ৰতিবেদন মাহে মাহে অসম সাহিত্য সভাৰ কৰ্ম' পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয়ক জনাই থাকিব লাগিব।

(২) সমিতিয়ে কৰ্ম পৰিষদৰ কামৰবাবে আৰ্থিক দিশ উপলব্ধি কৰি সিদ্ধান্ত লয়।

(ক) সাহিত্য সভা সপ্তাহ উপলক্ষে এইবাৰ '২৫ পইচা (পঁচিছ পইচা) কুপন পঠোৱাৰ সিদ্ধান্ত লয়।

(খ) সমূহীয়া বৰঙনিৰ ক্ষেত্ৰত ৰচিদ বহী বিতৰণৰ ব্যৱস্থা লোৱা হয়।

(৩) মুখ্য নিৰ্বাচনী আয়ুক্তই বাঢ়ি দিয়া ভোটাৰ নাম-তালিকা সংশোধনী সময় ৩ নৱেম্বৰৰ পৰিবৰ্তে এমাহ পিছুৱাই দিবলৈ বৈঠকে নিৰ্বাচনী আয়ুক্তলৈ অনুৰোধ জনায়।

(৪) সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ ১৫ অক্টোবৰ '৭৯ তাৰিখৰ চিঠিৰ ভিত্তিত আৰু দৰং জিলা ছাত্ৰসন্থাৰদ্বাৰা তেজপুৰত আহুত সভাত, লগতে গুৱাহাটীত বহা গণসংগ্ৰাম পৰিষদৰ সভাত সভাৰ পক্ষৰপৰা পৰ্যবেক্ষক হিচাপে যোগদিওঁতা প্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, যতীন গোস্বামীৰ আৰু কুমাৰ কিশোৰে দিয়া প্ৰতিবেদনৰ ভিত্তিত সাহিত্য সভাৰ কৰ্ম পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰে যে অসমৰ সামূহিক স্বাৰ্থৰক্ষাৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু দুই-এক অনুষ্ঠানৰ উদ্যোগত গঠিত সদৌ অসম গণ-সংগ্ৰাম পৰিষদত সভাৰ নিয়ম-নীতি আৰু কৰ্ম্ম পন্থাৰ লগত সংগতি ৰাখি সহযোগিতা আগ বঢ়োৱাৰ সিদ্ধান্ত লোৱা হয়। গণ সংগ্ৰাম পৰিষদলৈ সভাৰ তৰফৰপৰা তলত নাম দিয়া ব্যক্তিসকলক সদস্য মনোনীত কৰে: শ্ৰীনগেন শইকীয়া, শ্ৰীযতীন গোস্বামী আৰু শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য। পিছত বহা পৰিষদৰ চতুৰ্থ বৈঠকে পুনৰ এই সংক্ৰান্তত সিদ্ধান্ত লয় যে "গণ-সংগ্ৰাম পৰিষদত সভাৰ প্ৰতিনিধিসকল কেৱল 'সদস্য' হৈ থাকিব আৰু সভাৰ নিয়মভিত্তিত মত ব্যক্ত কৰিব।

(৫) সভাই 'বিদেশী নাগৰিকৰ' সংজ্ঞা নিৰূপণ কৰি এই মত দাঙি ধৰে যে ভাৰতীয় সংবিধানমতে যাক বিদেশী নাগৰিক বুলি কোৱা হৈছে কৰ্ম পৰিষদে তাকেই মানি ল'ব। তাৰে ভিত্তিত বিদেশী নাগৰিকৰ নাম ভোটৰ তালিকাৰপৰা আঁতৰোৱাৰ বাবে আৰু তেনেলোকক বহিষ্কাৰ কৰিবৰবাবে দাবী কৰে।

